# নগাঁও ছোৱালী কলেজ আলোচনী

# NOWGONG GIRLS' COLLEGE MAGAZINE

১৯৯৭ - ৯৮



# নগাঁও ছোৱালী কলেজ আলোচনী

# NOWGONG GIRLS' COLLEGE MAGAZINE

...hesh Chandra Dev Goswami Library
Acc. No............
...ate................
...ong Girls' College

শ্ৰদ্ধাৰে / প্ৰীতিৰে

....................................................................

....................................................................

সম্পাদিকা

সম্পাদিকা
নীলাক্ষি শইকীয়া

# নগাঁও ছোৱালী কলেজ আলোচনী

# NOWGONG GIRLS' COLLEGE MAGAZINE

Mahesh Chandra Dev Goswami Library
Acc. No............
Date..................
Nowgong Girls' College

১৯৯৭-৯৮ চন

সম্পাদিকা

নীলাক্ষি শইকীয়া

NOWGONG GIRLS' COLLEGE MAGAZINE : Annual publication,1997-98. Edited by Nilakshi Saikia. Published by the Principal, Nagaon Girls' College, Nagaon, Assam.

নগাঁও ছোৱালী কলেজ আলোচনী ঃ বাৰ্ষিক প্ৰকাশ, ১৯৯৭-'৯৮ চন
সম্পাদিকা ঃ নীলাক্ষি শইকীয়া ।
প্ৰকাশক ঃ নগাঁও ছোৱালী কলেজ, নগাঁও (অসম)
প্ৰচ্ছদপট্ ঃ জয়ন্ত শৰ্মা
আলোকচিত্ৰ ঃ টেক্‌নিচিয়ান্ ষ্টুডিঅ', ফাইন আৰ্ট ষ্টুডিঅ'
ডি,টি, পিঃ নেকিব আৰু মৌচুমি
মুদ্ৰন ঃ পুথিঘৰ অফ্‌ছেট ঃ মৰিকলং, নগাঁও

## সাহিত্য-উপসমিতি

অপূৰ্ব শৰ্মা, অধ্যক্ষ
কৃষ্ণৰাম বৰা, উপাধ্যক্ষ
অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰ, অধ্যাপক ড° ৰাজেন শইকীয়া, অধ্যাপিকা ড° গায়ত্ৰী দেৱী, অধ্যাপিকা স্বপ্না নেওগ, অধ্যাপক বিশ্বজিৎ দাস
অধ্যাপিকা মুনি কাকতি, অধ্যাপক জয়ন্ত শৰ্মা — আহ্বায়কদ্বয়
নীলাক্ষি শইকীয়া, বিভাৰাণী হীৰা, সাগৰিকা শৰ্মা ।



## সূচী

সম্পাদকীয় ঃ ৫
সাক্ষাৎকাৰ ঃ ৭

### কবিতা

সোঁৱৰণি/ কৃষ্ণা হাজৰিকা ঃ ৯ ॥ সুবাস/ গীতামণি কাক্‌তি ঃ ৯ ॥ প্ৰেম/ উষা দেৱী ঃ ১০ ॥ অপেক্ষা/পূৰবী শইকীয়া ঃ১০ ॥ সুগন্ধি পখিলাৰ কবিঁলৈ/ নন্দিতা শইকীয়া ঃ ১০॥ উদিত সুৰুজ/ শিখামণি শইকীয়া ঃ ১১ ॥ বৰদোৱা ধাম/ অঞ্জুমণি বৰা ঃ১১ ॥ স্বাধীনতা তৃষ্ণা/ দেৱযানী নাথ ঃ ১২ ॥ বিপ্লৱী/ মৌচুমী বেজবৰুৱা ঃ ১২ ॥ বিশ্বমাতা/ নিতুমণি বৰা ঃ১৩ ॥ চিৰন্তনী/ নিৰ্মালী দেৱী ঃ ১৩ ॥

### প্ৰবন্ধ

ভাৰতীয় সমাজত নাৰীৰ স্থানঃ এটি মূল্যায়ন ঃ পবিণীতা শৰ্ম্মা / ১৪
সমাজ পৰিবৰ্ত্তনত যুৱক যুৱতীৰ ভূমিকা ঃ মানসী ভাগৱতী/ ১৮
নাৰী স্বাধীনতা ঃ কিছু প্ৰাসঙ্গিক চিন্তা ঃ বীনামণি হীৰা /২২
ফুলগুৰিৰ প্ৰজা বিদ্ৰোহ ঃ মন্দাকিনী ৰাজখোৱা/২৪
জ্যোতিপ্ৰসাদৰ অভিনৱ সৃষ্টি ঃ কাৰেঙৰ লিগিৰী ঃ ৰেখা কাকতি/২৭
বিহঙ্গম দৃষ্টিত সৰ্বকালৰ জনপ্ৰিয় সাহিত্য ঃ এন্ ফ্ৰাঙ্কৰ ডায়েৰী ঃ নিৰ্মালী বৰা/৩০

### গল্প

ছাঁ-পোহৰৰ গধূলি ঃ নীলাক্ষি শইকীয়া/৩৩
দুঃসময় ঃ ৰাণী ভাগৱতী/৩৬
বাস্তৱৰ স্বপ্ন ঃ পাপৰি শইকীয়া/৪০
জীৱনৰ ৰং ঃ মানসী বৰা/৪৩
সূৰ্য্যাস্ত ঃ উৎপলা ডেকা/৪৮
পৰিচয় ঃ মিনতি দেৱী/৫১
ব্যস্ত দালালৰ প্ৰেম ঃ মিতালী দাস/৫৫

## স্মৰণ

### মোৰ মানস পটত নগাঁও ছোৱালী কলেজ


অঙ্কুৰৰ পৰা মহীৰুহ : ভানু পদ্মপতি মাইনী/৫৮
এটা নষ্টাল্‌জিক মানসিক ভ্ৰমণ : ইদ্ৰিছ আলি/৬১


## সমীক্ষা


নাৰীৰ সম-অধিকাৰ আৰু সামাজিক বিকাশ : উষা দেৱী/ ছয়নিকা কাকতি/ মানসী ভাগৱতী/ নিতুমণি বৰা/ নীলাক্ষি ভট্টাচাৰ্য্য/৬৪-৬৮


## অন্যান্য



ভূতে নধৰা তাবিজ আৰু অন্যান্য : দিব্যজ্যোতি মহন্ত/৬৯

Is Freire Dead ? : Apurba Sarma /71
A Personal glimpse of secondary School Education in Scotland in the 80's : Rita Talukdar /76
The wonderful world of words : Jyotirmay Jana /৪০


বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন।




## উৎসৰ্গ



অসাধাৰণ শিক্ষক, বিদগ্ধ পণ্ডিত, দেশী-বিদেশী সাহিত্যৰ ৰসজ্ঞ ভাষ্যকাৰ, সাহিত্যাচাৰ্য্য **স্বৰ্গীয় যজ্ঞেশ্বৰ শৰ্মাদেৱৰ** পৱিত্ৰ স্মৃতিৰ উদ্দেশে শ্ৰদ্ধাৰে নিবেদিত।



নগাঁও ছোৱালী কলেজৰ প্ৰধান স্থপতি, প্ৰতিষ্ঠাপক অধ্যক্ষ, শিক্ষাবিদ, সাহিত্যিক

**স্বৰ্গীয় মহেশচন্দ্ৰ দেৱ গোস্বামী**

কাৰ্য্যকাল ঃ ১৯৬২-১৯৮০

পূৰ্ণ-প্ৰস্ফুটিত ৰূপ পোৱাৰ আগতেই হঠাৎ মৰহি যোৱা আমাৰ ফুলনিখনৰ দুপাহি ফুল



এটি শোকাবহ পথ-দুৰ্ঘটনাত নিহত হোৱা
স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী
**দীপ্তি শইকীয়া।**



আকস্মিক ৰোগত এৰাতিৰ ভিতৰতে
আমাৰ পৰা চিৰবিদায় লোৱা উচ্চতৰ
মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী
**গগী বৰা।**

'আমাৰ স্মৃতিৰ মাজত তোমালোক সজীৱ হৈ ফুলি ৰ'বা। তোমালোকৰ চিৰশান্তিৰ বাবে আমাৰ প্ৰাৰ্থনা।'


সম্পাদিকা।



শিক্ষাবিদ, সু-প্ৰশাসক দ্বিতীয়জন অধ্যক্ষ
**ড° ৰত্নকান্ত বৰুৱা (১৯৮২-১৯৮৪)**



কলেজৰ নৱ-নিৰ্মাণ পৰ্য্যায়ৰ হোতা তৃতীয়জন অধ্যক্ষ
**শ্ৰীবিমল কুমাৰ বৰা (১৯৮৪-১৯৯৬)**



বৰ্তমানৰ অধ্যক্ষ
**শ্ৰীঅপূৰ্ব শৰ্মা**

# সম্পাদকীয়

## সমাজ, সংস্কৃতি আৰু সাহিত্য

সমাজপ্ৰিয় আৰু জীৱশ্ৰেষ্ঠ মানুহৰ অন্তৰত নিহিত সৌন্দৰ্য্য-চেতনা আৰু সুন্দৰৰ নিৰন্তৰ সাধনাৰ ফলেই হ'ল কৃষ্টি। সমাজৰ বিভিন্ন কৃষ্টিৰ সৰ্বাত্মক আৰু সামগ্ৰিক ৰূপটোৱেই হ'ল জাতীয় সংস্কৃতি।

সাহিত্যও একনিষ্ঠ, অনলস সুন্দৰৰে সাধনা আৰু ৰসোত্তীৰ্ণ উৎকৃষ্ট সাহিত্যই জাতীয় সংস্কৃতিক সমৃদ্ধ কৰে।

ব্যক্তিক বাদ দি যিদৰে সমাজৰ অৱস্থিতি শূন্য, ঠিক সেইদৰে সমাজ অবিহনেও সাহিত্যৰ ধাৰণা অসম্ভৱ। ব্যক্তি আৰু সামূহিক জীৱনৰ প্ৰতিটো দিশেই সমাজৰ লগত জড়িত হৈ পৰে আৰু সাহিত্যত তাৰ প্ৰতিফলন ঘটে। সাহিত্য হৈছে ভাষাৰ লগত ভাৱৰ আৰু শব্দৰ লগত অৰ্থৰ মিলন। ই সত্য আৰু বাস্তৱৰ প্ৰকাশ; ই মানুহৰ আন্তৰিক সৌন্দৰ্য্য, নৈতিক সাহস আৰু মানবীয় প্ৰমূল্যৰ মৰ্যাদা সম্পৰ্কে আমাক সচেতন কৰে।

দৈনন্দিন তাৎপৰ্য্যহীন জীৱনযাপনৰ মাজতো সাহিত্য চৰ্চাৰ মাজেৰে মানবীয় মহত্ত্বৰ সাধনা কৰি সংস্কৃতি আৰু সমাজৰ উত্তৰণ প্ৰশস্ত কৰি তোলাই হোৱা উচিত জীৱনৰ ব্ৰত।

## শিক্ষানুষ্ঠানত সাহিত্য-চৰ্চা

মনৰ ভাব, অনুভূতি আৰু চিন্তাশক্তিক সক্ৰিয় কৰি ৰখাৰ লগতে ইয়াৰ উত্তৰণৰ পথ প্ৰশস্ত কৰি তোলাটো একোজন ছাত্ৰ অথবা ছাত্ৰীৰ লগতে প্ৰত্যেক মানুহৰ বাবেই প্ৰয়োজনীয় কাম। যি সদায়েই শিক্ষা, সভ্যতা, সংস্কৃতি আদিৰ লগত এক সহজাত সম্পৰ্ক গঢ়ি তুলিব পাৰিছে তেনে লোকৰেই মানসিক উৎকৰ্ষ সম্ভৱ হৈ উঠিছে।

শিক্ষানুষ্ঠানত জ্ঞানৰ সন্ধান, সাহিত্যৰ সাধনা আৰু প্ৰজ্ঞাৰ অনুশীলনৰ উপযোগী এখন গভীৰতা পূৰ্ণ আলোচনীৰ গুৰুত্বপূৰ্ণ প্ৰয়োজন আছে। সাধাৰণভাৱে, এটা সৎ, সুখী আৰু উদ্দেশ্যধৰ্মী জীৱন-যাপনৰ বাটত লেখন-কলা আৰু সাহিত্য-সাধনাৰ প্ৰভাৱো গভীৰ আৰু দীৰ্ঘস্থায়ী। সাহিত্যৰ সৰ্বব্যাপকতাই মানুহক আপ্লুত কৰি ৰাখিছে যুগ যুগ ধৰি। অৱশ্যে শিক্ষানুষ্ঠান একোটাৰ বৌদ্ধিক-শিক্ষায়তনিক পৰিমণ্ডলত সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰত সমন্বয় সাধন ঘটাৰ প্ৰয়োজন হব সমাজৰ লগত গভীৰভাৱে জড়িত ত্ৰিভূজৰ ভূমিস্বৰূপ শিক্ষক, ছাত্ৰ আৰু অভিভাৱকৰ। সাহিত্য-চৰ্চাৰ মহান সংকল্পত এই সকলোৱেই যদি সমানে সহযোগ আগবঢ়ায় তেন্তে সাম্প্ৰতিক হিংসা-সন্ত্ৰাস জৰ্জৰিত অমানুষিক পৰিবেশতো কিছু পৰিমাণে হলেও মানুহৰ বাবে শান্তি, কল্যান আৰু শুভৰ প্ৰয়াস কৰিব পৰা যাব।


## কৃতজ্ঞতা

আলোচনীখনৰ প্ৰস্তুতি-পৰ্বৰ পৰা প্ৰকাশৰ কাম শেষ হোৱালৈকে প্ৰতিটো পৰ্য্যায়তে শ্ৰদ্ধেয় অধ্যক্ষ শ্ৰী অপূৰ্ব শৰ্মা, তত্বাৱধায়িকা অধ্যাপিকা শ্ৰীমুনি কাকতি আৰু তত্বাৱধায়ক অধ্যাপক শ্ৰীজয়ন্ত শৰ্মা প্ৰমূখ্যে সম্পাদনা সমিতিৰ শ্ৰদ্ধেয় সদস্যসকল আৰু মোৰ বান্ধৱীসকলে মোক যিধৰণে অপৰিমিত ভাৱে সহায় কৰিলে তাৰ বাবে তেখেতসকলৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এই সংখ্যাৰ প্ৰতিজন লেখক-লেখিকাই মোৰ অনুৰোধ ৰক্ষা কৰি মোক ঋণী কৰিছে। তেখেতসকলৰ প্ৰতিও মই কৃতজ্ঞ হৈ ৰলো।

ছপাবন্ধাৰ সকলো কাম নিয়াৰিকৈ সম্পূৰ্ণ কৰাৰ বাবে পুথিঘৰ অফছেটৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দক ধন্যবাদ জনালোঁ।

**নীলাক্ষি শইকীয়া**
সম্পাদিকা





*সাক্ষাৎকাৰ*

# শ্ৰীমহিম বৰা

অসমীয়া সাহিত্যৰ গৌৰৱ, বিশিষ্ট গল্পকাৰ, কবি, চিন্তাশীল প্ৰবন্ধ-লেখক, ৰম্য-ৰচনাকাৰ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমহিম বৰাদেৱৰ, তেখেতৰ নিজৰ স্বীকাৰোক্তি মতেই, অজস্ৰ সাক্ষাৎকাৰ ইতিমধ্যে বিভিন্ন কাকতে-পত্ৰই বিভিন্ন উপলক্ষত প্ৰকাশ হৈ গৈছে। ডঃ হীৰেণ গোঁহাই সম্পাদিত তেখেতৰ 'গল্প-সমগ্ৰ' আৰু শ্ৰীৰঞ্জিতকুমাৰ দেৱ গোস্বামী সম্পাদিত 'কথা' আলোচনীত প্ৰকাশিত সাক্ষাৎকাৰ দুটাই সিবোৰৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ। তেখেতৰ সাহিত্য, সাহিত্য সভা, আৰু সাধাৰণভাৱে সাহিত্যৰ দুটিমান দিশ সম্পৰ্কে আমাৰ ছাত্ৰীসকলৰ ফালৰ পৰাও তেখেতৰ সৈতে দুআষাৰ মান কথা পতাৰ সিদ্ধান্ত কৰা হ'ল। এই কথোপকথনৰ ভিত্তিতে তলৰ সাক্ষাৎকাৰটি।-সম্পাদিকা।

✪ *আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট 'কাঠনিবাৰী ঘাট' নামৰ গল্পটি আপোনাৰ সাহিত্য-জীৱনৰ অপূৰ্ব সৃষ্টিসমূহৰ অন্যতম। গল্পটিৰ সৃষ্টিৰ পটভূমি সম্পৰ্কে আমাক অলপ জানিবলৈ দিব নেকি ? এই অমূল্য সৃষ্টিয়ে আপোনাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়া কৰিছিল ?*

🕮 'কাঠনিবাৰী ঘাট' গল্পটো সম্পৰ্কে এই প্ৰশ্নটোৰ উত্তৰ মই বহুবাৰ দিছো। ৰঞ্জিত দেৱ গোস্বামী সম্পাদিত 'কথা' আলোচনীত এই প্ৰশ্নটোৰ মই এটা উত্তৰ দিছো। মই কৈছো যে জীৱনৰ এনে এটা ঘটনাৰ লগত বাস্তৱ ভেটাভেটিও এই গল্প ৰচনাৰ অন্যতম উপাদান। বেলেগ বেলেগ সময়ৰ তিনিটা ঘটনাই গল্পটোৰ সৃষ্টিত মূল যৌথ উৎসৰ ভূমিকা গ্ৰহণ কৰিছিল। কিজানি সেই বাস্তৱ ঘটনাই সৃষ্টি কৰা মোৰ আনুভূতিক আৰু মানসিক প্ৰতিক্ৰিয়াৰ ফলস্বৰূপেই কাহিনীৰ সংঘাত আধ্যাত্মিক স্তৰত আৰম্ভ হৈছিল-কাঠনিবাৰী ঘাটৰ পৰিবেশ চিত্ৰনত। আৰু সেই সংঘাত বাস্তৱৰ স্তৰলৈ ক্ৰমাৎ নামি আহি শেষ মুহূৰ্তত আকৌ হঠাৎ আধ্যাত্মিক স্তৰলৈ উৰা মাৰিছে বিশ্বৰ চিৰন্তন অভিনয়ৰ মাজত মিলি যাবলৈ। নিৰ্জ্ঞান মনৰ এনে কোনো নিৰ্দেশৰ ফলতেই কিজানি প্ৰচলিত নিয়মৰ বিপৰীতে গল্পৰ আৰম্ভণি আধ্যাত্মিকতাত আৰম্ভ হৈছিল। অৱশ্যে গল্পটো ৰচনা কৰিবলৈ বহোতে মোৰ সজ্ঞান মনটো এনেধৰণৰ দাৰ্শনিকতাৰ পৰা মুক্ত আছিল বুলি এতিয়া ভাবো।

এই গল্পটোক মোৰ গল্প-সমগ্ৰৰ প্ৰতিনিধিত্বমূলক গল্প বুলি মই নাভাবোঁ। কিন্তু এই গল্পটো পঢ়ি হোৱা পাঠকৰ প্ৰতিক্ৰিয়া সমূহৰ বিষয়ে অৱগত হ'লে আচৰিত হওঁ। মোৰ আন কিছু গল্পৰ তুলনাত এই গল্পটোৱে পাঠকক অধিক আকৰ্ষণ কৰাৰ কাৰণ সঠিকভাৱে ধৰিব নোৱাৰো। ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীৰ ভাষাত এই কাৰণ হ'ল বিপৰ্য্যয়ৰ ভৱিষ্যৎমুখী প্ৰক্ষেপণ। যজ্ঞেশ্বৰ শৰ্মাচাৰৰ মতে জীৱনৰ মাজত নিয়তিৰ নিৰ্মম ছাঁ। মই ভাবো, পাঠকে গল্পটোত জীৱন-ৰহস্যৰ ইন্দ্ৰিয় গ্ৰাহ্য কিবা এটা ধৰোঁ ধৰোঁ-চোওঁ-চোওঁ ৰূপৰ আভাস পাইছে।

✪ *আপোনাৰ সাহিত্য-সৃষ্টিৰ আৰম্ভণি আৰু সৃষ্টিৰ প্ৰেৰণা সম্পৰ্কে অলপ আমাক কবনে ?*

🕮 সৰুতে ক্লাছ ফাইভলৈ উঠাৰ পাছত এটা মাৰক ৰোগত চল্লিছদিন ভোগাৰ অন্তত আৰোগ্য লাভ কৰিলো যদিও ৩/৪ মাহৰ বিশ্ৰামৰ প্ৰয়োজন হ'ল। তেতিয়া মোক লগা হ'ল কিতাপ। আত্মীয় আৰু সহপাঠী লাগিল মোৰ বাবে কিতাপ বিচৰাত। যোঁৱাচাঙৰ পৰা নামি আহিল, পুৰণি বাঁহী, আসাম-বান্ধৱ, ঘৰ-জেউতি আদি আলোচনীৰ টোপোলাবোৰ। মোৰ সাহিত্যিক মানসিকতাৰ ভেটি গঠন এনেকৈয়ে হৈছিল।

চুটি গল্পৰ সোৱাদ পোৱাৰ পিছত পুৰণি আৱাহনৰ গল্পবোৰ পঢ়াত লাগিলো। অপূৰ্ণ আদি উপন্যাস আৰু বঙলা ডিটেকটিভ উপন্যাস কেইখনমান লুকুৱাই লুকুৱাই পঢ়িছিলো। মই যেতিয়া সপ্তমমানত, নিজৰ কঠোৰ সংগ্ৰাম আৰু চাৰিওফালৰ জীৱনৰ ৰূপটো আৱাহনৰ গল্পত নাপাই প্ৰতিজ্ঞা কৰিলো, ডাঙৰ হ'লে মই এনে গল্প লিখিম য'ত প্ৰেম নাথাকিব। থাকিব এই জীৱন, এই জীৱনবোৰৰ আশা-কল্পনা-স্বপ্নৰ কথা। সপ্তম মানত সহপাঠী বন্ধু দেবেন গগৈৰ লগ লাগি হাতে লিখা আলোচনী 'মলয়া' উলিয়ালো। মলয়াতে কোনো বঙলা গল্পৰ ছাঁ লৈ মই প্ৰথম গল্প লিখোঁ 'হাভানাৰ চুৰট'। মোৰ লিখাৰ ঠাঁচে গল্পটোক আকৰ্ষণীয় কৰে আৰু মৌলিকত্বও দান কৰে। ফুটনোটত ছাঁলৈ বুলি লিখা সত্বেও শিক্ষক সকলে কমন-ৰুমত গল্পটোৰ আলোচনা কৰে। গল্প সৃষ্টিৰ আৰম্ভণি মোৰ এনেকৈয়ে হ'ল বুলিব পাৰি। লেখাৰ প্ৰেৰণা মোৰ বাবে প্ৰধানকৈ মাতৃৰ প্ৰেৰণা।

✪ *আপোনাৰ সাহিত্যিক জীৱনৰ আটাইতকৈ স্মৰণীয় মুহূৰ্তটি কি জনাবনে ? সেই মুহূৰ্তটিয়ে আপোনাক*

কি ধৰণে উদ্দীপ্ত বা আহত কৰিছিল ?

📖 তাহানিৰ মাধৱ চন্দ্ৰ বেজবৰুৱাদেৱৰ সম্পাদনাত ওলোৱা "বাঁহী"ৰ বুকুৰ কাকত 'কুঁহিপাতত' (ল'ৰা-ছোৱালীৰ কাৰণে লিখা দুটা পাত.) 'অৰুণ আৰু ভয়' নামৰ পদ্য এটা প্ৰথম প্ৰকাশিত হৈছিল। প্ৰথমবাৰ নিজৰ নামটো ছপাৰ আখৰত দেখি যি আনন্দ পাইছিলো তাৰ শিহৰণ আজিও যেন কোনো দুৰ্লভ মুহূৰ্তত অনুভৱ কৰোঁ! কবিতাটো তেতিয়াৰ হাইস্কুলৰ ৫ম কি ৭ম মান শ্ৰেণীত লেখা। কবিতা বা পদ্যটো শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ সম্পাদনাত ওলোৱা "মকৰা ফুল" নামৰ শিশু-কবিতাৰ সংকলনত প্ৰকাশিত হৈছে। আমেৰিকাত থকা প্ৰৱাসী অসমীয়াৰ মুখপত্ৰতো প্ৰকাশিত হৈছে।

✪ *সাধাৰণতে দেখা যায় যে সাহিত্য সভাৰ সভাপতি সকলক বৃদ্ধ বয়সত এই আসনত বহুওৱা হয়। বয়স আৰু অভিজ্ঞতাত পুষ্ট হলেও শাৰীৰিক সক্ষমতাৰ অভাৱত আৰু মাত্ৰ এবছৰীয়া কাৰ্য্যকালত তেখেত সকলে বিশেষ কোনো ফলদায়ক কাৰ্য্যসূচী এখন বাস্তৱায়িত কৰি যাব নোৱাৰে। আমি ভাবো যে সভাপতি সকল অভিজ্ঞ হোৱাৰ লগতে শাৰীৰিক ভাৱেও সক্ষম হ'ব লাগে। এই বিষয়ে আপোনাৰ মতামত কি ?*

📖 সঁচা, সভাপতি সকল অভিজ্ঞ হোৱাৰ লগতে শাৰীৰিক ভাবে সক্ষম হ'ব লাগে। কিন্তু শেষ বয়সত এই দুয়োটা বস্তু একেলগে প্ৰায়ে নাথাকে। উপসভাপতি জন ডেকা বঁয়সৰ হ'লে সভাৰ কাম চলাব পাৰে । কিন্তু সমস্যা হ'ল সকলোৱে সভাপতি জনকহে বিচাৰে! গতিকে এনেকৈয়ে চলিব লাগিব।

✪ *অসম সাহিত্য সভাৰ প্ৰতি বছৰে অনুষ্ঠিত ব্যয়বহুল আৰু মেলা সদৃশ অধিবেশন সমূহে উৎকৃষ্ট সাহিত্য-সৃষ্টিত কিবা অৰিহণা যোগাইছে বুলি আপুনি ভাবেনে ? সাহিত্য সৃষ্টিত সাহিত্য সভাৰ ভূমিকা বা প্ৰয়োজনীয়তাৰ বিষয়ে দুআষাৰ ক'ব নেকি ?*

📖 সাহিত্য সভাই সাহিত্য সৃষ্টি নকৰে, স্ৰষ্টা সকলক উৎসাহ আৰু প্ৰেৰণা দিয়ে। ধৰ্মৰ নামত এনে জনসমাগম হয়, কিন্তু সেই সেই ধৰ্মাৱলম্বী সকলহে। সাহিত্য সভাৰ নামত সকলো শ্ৰেণীৰ লোকেই সমবেত হৈ ভাবৰ আদান-প্ৰদানৰ, বন্ধুত্ব গঢ়াৰ সুযোগ পায়। এই ক্ষেত্ৰত "অসম সাহিত্য সভা" ভাৰতত কিয় পৃথিৱীতে অদ্বিতীয়। আমাৰ ৰাজ্যখনৰ ঐতিহাসিক প্ৰয়োজনীয়তাই এই সভাৰ জন্ম দিলে। অসমৰ বিভিন্ন জনগোষ্ঠীক এক কৰি ৰাখিব পাৰিব আৰু পাৰিছে অসম সাহিত্য সভাই। ৰাজনীতিৰ পাকচক্ৰ আৰু ন্যস্ত স্বাৰ্থৰ ষড়যন্ত্ৰই আমাক ভাগভাগ কৰিবলৈ সদায় তৎপৰ হৈ আছিছে।

✪ *নতুন চাম সাহিত্যিকৰ সৃষ্টিত আশাব্যঞ্জক দিশ প্ৰতিফলিত হৈছেনে ?*

📖 যুগটোৱেই হতাশা আৰু নিৰাশাৰ। সকলো মূল্যবোধৰ পতন ঘটিছে। মহৎ সাহিত্যিকেহে যুগক গঢ় দিব পাৰিব। বাকী সকল যুগৰ সোঁতত যাবলৈ বাধ্য হ'ব। প্ৰায় সকলো মানুহেই আজি যুগৰ সোঁতত যাবলৈ বাধ্য হৈছে। সাংসাৰিক ক্ষেত্ৰত তেওঁলোকেই সফল মানুহ।

✪ *অভাৱ-অনাটনৰ মাজেৰে অশেষ কষ্ট কৰি সাহিত্য-চৰ্চা কৰা এজন সাহিত্য-কৰ্মী আৰু প্ৰাসাদোপম অট্টালিকাৰ আৰাম-বিলাসৰ মাজত সাহিত্য-সাধনা কৰা আন এজন সাহিত্য-কৰ্মী, এই দুজনৰ কোনজনৰ পৰা আমি সফল ৰসোত্তীৰ্ণ সাহিত্য আশা কৰিব পাৰো ?*

📖 প্ৰকৃত সাহিত্যিক হ'লে দুয়োজনৰ পৰাই সমানে আশা কৰিম। দৰিদ্ৰ জনে জীৱনৰ বিচিত্ৰ অভিজ্ঞতা পোনপটীয়াকৈ সহজে লাভ কৰিব পাৰে। দ্বিতীয় জনে কষ্টেৰে অৰ্জন কৰিব পাৰে আওপকীয়াকৈ।

অকল দুখ-দাৰিদ্ৰ্যৰ বৰ্ণনাৰে মহৎ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। তেনে বৰ্ণনা সাংবাদিকেই যথাযথ ভাৱে দিব। নানান প্ৰতিকূল অৱস্থাৰ মাজেদিও মানুহে কেনেকৈ জীৱনত জয়ী হ'ব পাৰে, সাহিত্যিকে, সকলো ক্ষেত্ৰতে তাকেহে দেখুৱাব লাগিব।

✪ *সাহিত্য সৃষ্টিৰ বাটত কেনে ধৰণৰ অন্তৰায় থাকিব পাৰে ? এই বিষয়ত নতুন সাহিত্য-প্ৰয়াসী সকলৰ কামত অহাকৈ অলপ ক'বনে ?*

📖 জীৱনৰ প্ৰত্যেকটো খোজতে অন্তৰায় থাকিবই - দৈহিক, পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক, মানসিক, আনকি আধ্যাত্মিকো। পুৰণি কাহিনীত পাওঁ- হেজাৰ বছৰ ধৰি গছৰ পাত খাই বা অকল বতাহ খাই জোক-পোক-উঁই-পকৱাৰ আক্ৰমনত তিল তিলকৈ দেহটো শেষ কৰাৰ পিছতহে সিদ্ধি লাভ কৰে। ৰত্নাকৰ তেনেকৈয়ে বাল্মিকী হ'ল। ৰূপক হিচাপে লওঁচোন, সকলো ক্ষেত্ৰতে সিদ্ধি লাভৰ কাৰণে এনে তপস্যা বা সাধনা লাগিবই। এজন খেলুৱৈ, এজন ব্যৱসায়ী, এজন কৃষক, একোজন নাট্য শিল্পী, নৃত্য-কন্ঠ-শিল্পী যি ক্ষেত্ৰতে নহওক জীৱন-যোৰা সাধনা লাগিবই। সুকুমাৰ কলা আদিৰ ক্ষেত্ৰত এনে সাধনাৰ ক্ষেত্ৰখন আৰু বহল, আৰু গভীৰ; অধিক সূক্ষ্ম।

✪ *অসমৰ ভাবী-সাহিত্যিক সকলৰ প্ৰতি আপোনাৰ উপদেশ কি ?*

📖 এইমাত্ৰ সাহিত্যৰ অন্তৰায়ৰ সন্দৰ্ভত যিখিনি কথা ক'লো তাৰ মাজতে তেওঁ লোকৰ কৰ্ত্তব্যৰ প্ৰতি মোৰ ইংগিত আছে।


□□□□



# সোঁৱৰণি

কৃষ্ণা হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

তোৰ দৃষ্টিয়ে বিচাৰি নোপোৱা
দুৰ্গম দেশৰ অৰণ্যভূমিত বৈ
পাঁচটা শৰতৰ আগৰ 'মই' টোৱে
আজিৰ 'মই' টোক মিলাই চাইছো।
মনত পৰিছে আজি
তোৰে স'তে কটোৱা ল'ৰালিৰ দিন
মনত পৰিছে শৈশৱৰ জোনাক নিশা
তোৰে স'তে শুনা আইতাৰ
দুৰ্বোধ্য সাধুকথা
মনত পৰিছে তাহানিৰ অভিন্ন
দুটি প্ৰাণৰ
মৰমৰ এনাজৰী
এতিয়া পাৰহৈ গৈ আছে
অভিশপ্ত বিনিদ্ৰ ৰজনী
প্ৰতিটো প্ৰত্যূষতে সংযোজন ঘটিছে
মোৰ কলুষিত জীৱনৰ দিনলিপিৰ
এখিলা পাত
য'ত লিখা আছে
ল'ৰালিৰ সেই মধুৰ ইতিহাস
যাৰ সোঁৱৰণিয়ে নমাই আনে
অশ্ৰু বন্যা।
নৱ-যৌৱনৰ নৱ উন্মাদনাত
লুপ্ত হৈছিল মোৰ সত্বা,
পঙ্গু হৈছিল মোৰ সমস্ত চেতনা,
বিস্মৃতিয়ে কাঢ়ি লৈছিল মোৰ পৰিচয়।
এয়া মোৰ অকপট স্বীকাৰোক্তি
(মানুহৰ বাবেইতো ভুলৰ সৃষ্টি)
কেতিয়াবা বৰদৈচিলাজনী
মাকৰ ঘৰলৈ যাওঁতে
অথবা শাওনৰ ৰিম্-ঝিম্ বৰষাই
তোক যদি কৈ যায়
মোৰ অভিশপ্ত জীৱনৰ বতৰা
ক্ষোভৰ অগ্নিকুণ্ড
মোৰ সোঁৱৰণি
সিক্ত কৰিবনে তোৰ দুচকুৰ
দুটি সেমেকা টোপালেৰে ?
কিজানিবা সংঘাতেই আনি দিয়ে
জীৱনলৈ নতুন তৰংগ !



# সুবাস

গীতামণি কাকতি
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

ৰিব্ ৰিব্ বতাহজাকে
হঠাৎ দি গ'ল এটি
মিঠা কোমল সুবাস
ভাগৰি পৰা জনে
হুমুনিয়াহ এৰি
কিবা যেন বোটলে অকলে
বৈ যোৱা
সুগন্ধি সুবাসে
এৰি যোৱা
স্মৃতিৰ নিশ্বাস

## প্রেম

**ঊষা দেৱী**
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

মোৰ উকথা হিয়াঁ
য'ত বেদনাবোৰ
গোট খাইছিল,
সপোনবোৰ
কাঁচহেঁ ভাঙিছিল
বিষাদৰ এখন
ছবি আঁকিছিলো উজাগৰী ৰাতি
মই
আৰু মোৰ
প্রেম।



## অপেক্ষা


**পূৰবী শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

আই ! তই ইমান মদ নাখাবি,
তোৰ চকু কেইটাই একো
নেদেখা হৈ যাব।
চাচোন, চা দূৰৈত
তোৰ গগন ফালি চিঞৰা সন্তানবোৰলৈ।
ধাননি কঁপাই বোৱা বতাহজাকে
সিহঁতক আমনি দিছে।
সিহঁতক তোৰ বুকুৰ উম লাগে।
জীৱনৰ অন্ধকাৰ ফালি আগুৱাই যাবলৈ
সিহঁতক তোৰ স্থিৰ হাতৰ
মাত্র এটা আঙুলি লাগে।
উত্তপ্ত ৰ'দৰ অসহ্যৰ সৈতে যুঁজিবলৈ
সিহঁতক তোৰ ঘন ক'লা চুলিকোচাৰ
শীতল ছায়া লাগে।
তোৰ নিষ্পাপ সন্তানহঁত বৈ আছে
তোৰ সেই অসহায় চকুযুৰিৰ
এটা মাত্র ইংগিতৰ অপেক্ষাত।

## সুগন্ধি পখিলাৰ কৰিলৈ

**নন্দিতা শইকীয়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
পুৱা শাখা

ক'ত তুমি লুকুৱাই ৰাখিছা
তোমাৰ কবিতাৰ যৌৱন ?
দিয়া, মোক দিয়া
মৌ-মাখি হৈ পান কৰো সেই যৌৱনৰ ৰস
কবিতা নহয় যেন একোপাহ সুৰভি ভৰা ফুল
কবিতা নহয় যেন এটি মায়াময় সুৰ
কবিতা নহয় যেন উন্মাদ কৰি তোলা
এটি সপোন !
দিয়া, মোক দিয়া
মন-আঙুলি প্রসাৰিত কৰি
চুই চাওঁ তোমাৰ কবিতাৰ
নিবিড় যৌৱন।







## উদিত সূৰুয

**শিখামণি শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা

নীল আকাশৰ উদিত সূৰুযটো
চাবলৈ মোৰ বৰ মন যায়
মন যায় মৰমৰ বকুল জোপাৰ
তলত বহি অতীতক
হাতেৰে চুই চাবলৈ।
জোনাক নিশা নীল আকাশৰ তলত
আইতাৰ কোলাত মূৰ থৈ
বুৰঞ্জীৰ প্রতিটো ঘটনা আৰু
প্রতিখিলা পাতৰ সৈতে
মুখামুখি হ'বলৈ।
হেৰাই যোৱা সপোনবোৰ
পুনৰ এবাৰ
চকু জুৰাই চাবলৈ।
মন যায় মোৰ উদিত সূৰুযটো
দুহাতেৰে এবাৰ স্পৰ্শ কৰিবলৈ
আৰু অলপ মুক্ত মনেৰে মুক্ত বতাহ
সেৱন কৰিবলৈ।

## বৰদোৱা ধাম


**অঞ্জুমণি বৰা**
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা

শিলিখা জুপিৰ কথা পৰেনে মনত
পশ্চিমৰ ফালে হালি থকা ?
শীতল ছাঁয়াত বহি পুৱা-গধূলিত
কাপ-মৈলাম লৈ শাস্ত্রকো মথিলা ॥
মেঘ চপৰাৰ কথা আছেনে মনত
গঙ্গা যত আহিলে উজাই ?
শান্তিৰৰ বান্ধি কৰা মহিমা প্রকাশ
পূণ্য কথা দিয়ে সোঁৱৰায় ॥
দৌলৰ ভেটিত কৰা নাট-অভিনয়
চিহ্ন যাত্রা বৈকুন্ঠৰ লীলা।
পাতি সোন্দা পাতসৰা পুনুকুঁহি মেলা
ৰাগ আৰু ৰাগিনীৰ খেলা ॥
চাৰিও হাটীৰ পৰা নামৰ উৰুমি
বতাহত ভাঁহে ৰিণি ৰিণি।
বৈকুন্ঠৰ কল্পতৰু ভাগৱত খনি
পদবন্ধে কৰিলা ভাঙনি ॥
অনন্ত স্মৃতিৰে ভৰা বৰদোৱা ধাম
তীৰ্থ হ'ল তোমাৰ নামত।
আকৌ এবাৰ দেৱ আহিবানে পুনু
অসম মাতৃৰ এই সঙ্কট কালত ?

## স্বাধীনতা-তৃষ্ণা

দেৱযানী নাথ
স্নাতক তৃতীয় বৰ্ষ
দিবা শাখা

স্বাধীনতাৰ প্ৰতিটো পুৱাতে
তৃষ্ণাতুৰ পথিক হৈ
স্বাধীন সূৰ্য্যটোৰ
তুফান ব'দত
মই বিচাৰো
মোৰ আতুৰ কন্ঠত
ঢালিবলৈ
এটুপি পানী ।
মোৰ দৃষ্টিত
ধৰা পৰে
আলিবাটৰ
কাষৰ নৰ্দমা ।
সূৰ্য্যৰ হেঙুল আভাত
নৰ্দমাত টলবলায়
গোলাকৃতিৰ এটা
পানীৰ পাত্ৰ ;
হাতত তুলি দেখোঁ
স্বাধীন দেশৰ
মানুহৰেই লাওখোলা ।
খোলাটোৰ ভিতৰত
বতাহত টো খেলা
পানীখিনিত
সেয়া হয়তো
স্বাধীন সূৰ্য্যটোৰেই
বীভৎস হাঁহি !



## বিপ্লৱী

মৌচুমী বেজবৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা


কোন সেই বিপ্লৱী ?
তুমিয়েই নেকি বাৰু
শুনিছিলো এদিন তোমাৰ মুখতে
দেশ-মাতৃৰ জয়গান ।
আৰু আজি
তোমাৰ হাততেই ৰক্তাক্ত কৃপাণ ?
তোমাৰ আস্ফালনতেই কম্পিত,
দেশৰ প্ৰাণ ।
হাজাৰ শ্বহীদৰ চিতাত তুমি
পাতিছা ৰঙৰ ভূৰা জাল ।
সেয়ে হ'লে স্বাৰ্থান্বেষী, বিশ্বাস ঘাতক তুমি,
নিজৰ মাতৃৰ শোণিতৰ
নদী বোৱালা জনম-ভূমিত ।
জাগা জাগা হে দেশৰ নবীন
প্ৰবীণ বিপ্লৱী,
নাশ কৰা এই ধ্বংসৰ লীলা ।
নব সৃজনৰ উদয় ক্ষণত,
পাতা মেলা আজি মহা মিলনৰ
ঐক্য সংহতি আৰু ভাতৃত্বৰ ।
তেহে হবা তুমি প্ৰকৃত বিপ্লৱী,
দেশ মাতৃৰ সুযোগ্য সাৰথি ।



## বিশ্বমাতা

নিতুমণি বৰা
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

হে বিশ্বমাতা ! তুমি মহা শক্তি দায়িনী,
তোমাৰ শক্তিৰে মহীয়ান আমি নাৰী জাতি ।
অমৰ মহিষাসুৰক বধ কৰা,
তোমাৰ বাহুতে আছে অসীম বল ।
মাদাৰ টেৰেজা, জয়মতীৰ জন্ম তোমাৰ গৰ্ভতেই,
তোমাৰ নামেৰে অমৰ বাণী লক্ষ্মীবাই
দিয়া শক্তি নাৰী জাতিক
ধ্বংস কৰিবলৈ অনাচাৰ অত্যাচাৰ
হে বিশ্বমাতা, তোমাক জনাওঁ প্ৰণাম শতবাৰ ।





## চিৰন্তনী

নিৰ্মালি দেৱী
স্নাতক তৃতীয় বৰ্ষ
দিবা শাখা

নিঃকিন পৰিয়ালত জন্মি
দৰিদ্ৰৰ দৰদী তুমি,
অষ্টাদশ বৰ্ষৰ পৰাই মানুহৰ সেৱাবে
ৰাখি গলা জগতত খ্যাতি ।
নীল-পাৰী শাৰীৰে
তুমি সকলোৰে মাতৃ,
সহস্ৰ প্ৰণাম
হে মহিমাময়ী !
বিদেশীনি হৈও আমাৰ মাদাৰ
অনাথ, ৰোগী দৰিদ্ৰজনক
উছৰ্গিলা জীৱন তুমি ।
শিক্ষকৰ বাণী
সাৰোগত কৰি
পিতৃ-মাতৃৰ স্নেহকো তেজি
হলা সন্যাসিনী !
যীশুখ্ৰীষ্টৰ দেৱদূত হৈ
মানৱী ৰূপত
বিলালা ধৰাত
তোমাৰ প্ৰেম, তোমাৰ হৃদয় ।
মাদাৰ ! আকৌ আহা
স্বৰ্গৰ পৰা নামি,
তোমাৰ মৃত্যুত আমিয়ে হাঁয়
অনাথ, অনাথিনী !

# ভাৰতীয় সমাজত নাৰীৰ স্থানঃএটি মূল্যায়ন

পৰিণীতা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা

"It is not my work, it is His.It is not me, it is Him"

মাদাৰ্ টেৰেজা ।

সৃষ্টিৰ শৃঙ্খলা তথা ফল্গু ধাৰা প্ৰৱৰ্ত্তনৰ বাবেই পৃথিৱীত সৃষ্টি হৈছে নাৰী আৰু পুৰুষৰ । নিঃসন্দেহে পৰমেশ্বৰৰ বিধান অনুসৰিয়ে কামনা-বাসনা দগ্ধ নাৰী-পুৰুষৰ হৃদয়েৰে বৈ যোৱা পাৰস্পৰিক প্ৰেমৰ নিজৰাৰ ফল স্বৰূপে নাৰী আৰু পুৰুষৰ হৃদয়স্পৰ্শী মিলন হয় । জাগতিক জীৱন যাত্ৰাত নাৰী হয় পুৰুষৰ আজীৱন সঙ্গিনী, যিদৰে পুৰুষো এনে জীৱন-সঙ্গী হয় নাৰীৰ। নাৰী আৰু পুৰুষৰ পাৰস্পৰিক প্ৰেম আৰু আকৰ্ষণেই হ'ল জাগতিক সৃষ্টিৰ পৱিত্ৰ উৎস ।

সামাজিক জীৱনৰ ক্ষেত্ৰত নাৰী-পুৰুষ দুয়োৰে অস্তিত্ব সমপৰ্য্যায়ৰ হোৱা সত্ত্বেও অজস্ৰ পৰিস্থিতিয়ে নাৰীক আজিও 'অবলা' বোলাৰ সুযোগ প্ৰদান কৰিছে । ভাৰতীয় সংস্কৃতিত নাৰীৰ প্ৰাধান্য বেছি যদিও বাস্তৱ ক্ষেত্ৰত ইয়াৰ বিপৰীত দৃশ্যহে সাধাৰণতে প্ৰতিফলিত হোৱা দেখা যায় । বিশ্বৰ সকলো সমাজতে, সকলো যুগতে কম-বেছি পৰিমাণে নাৰীৰ ওপৰত চলিছে পুৰুষৰ নিৰ্য্যাতন আৰু কদৰ্য্য উৎপীড়ন । এফালে নাৰীক প্ৰেয়সী, প্ৰেৰণাদায়িনী, মাতৃমহিমাময়ী বুলি মূৰৰ ওপৰত তুলি লোৱা হয়, আনহাতে অবলা-দুৰ্বলা, নিৰ্বোধ, পিশাচিনী, পতিতা বুলি লঠিওৱা হয় । নাৰীৰ অপৰিহাৰ্য্য সাৰথি হ'ল পুৰুষ, সেইদৰে নাৰী বিনে কোনো পুৰুষ সম্পূৰ্ণ নহয় । কিন্তু এই চিৰসত্যক অস্বীকাৰ কৰি কোৱা হয়, নাৰীয়ে হেনো লতাৰ দৰে পুৰুষৰ আশ্ৰয় নললে নহয় । এনেকুৱা পৰিস্থিতিত পুৰুষে মহিলাক সদায় তেওঁলোকৰ বশ কৰি ৰাখি আহিছে ।

পুৰুষতান্ত্ৰিক এই সমাজখনত অযুক্তিকৰ ভাৱে নাৰী পদে পদে লাঞ্ছিতা, নিৰ্য্যাতিতা, বঞ্চিতা । 'লক্ষ্মণৰেখা' অতিক্ৰম কৰাৰ পৰা বঞ্চিতা নাৰী, কাৰণ তেওঁলোকৰ সংকীৰ্ণ কৰ্মক্ষেত্ৰখন হৈছে ঘৰ আৰু পৰিয়ালক কেন্দ্ৰ কৰি । নাৰীৰ মূল কাম নিৰ্দিষ্ট কৰি অহা হৈছে - ঘৰ সংসাৰ চলোৱা, ঘৰুৱা কাম কৰা আৰু বংশ বৃদ্ধি কৰোৱাত । নাৰী আৰু পুৰুষৰ মাজত দৈহিক শক্তিৰ সমতাহীনতাকে যদি ইয়াৰ কাৰণ বুলি ধৰি লোৱা হয়, তেন্তে স্বীকাৰ নকৰি উপায় নাথাকিব যে মানৱ ইতিহাসে ঢুকি নোপোৱা আদিম যুগৰ বৰ্বৰতাৰ পৰা সভ্য জগতৰ সু-শৃঙ্খল মানৱীয় প্ৰমূল্য সমূহক সন্মান জনোৱাৰ পৰ্য্যায়লৈ পুৰুষৰ এতিয়াও উত্তৰণ ঘটা নাই । সেয়ে নাৰীসমাজ আজি বিৱৰ্ত্তনৰ এক জটিল আতংকত উপস্থিত হৈছে । নাৰীয়ে আজি মুক্তি বিচাৰি তালফাল লগাইছে। মহিলাৰ স্বাধীনতা, তেওঁলোকৰ সমাজত থাকিব লগা মৰ্য্যাদা, জীৱন-জীৱিকাৰ সমস্যা, অভাৱ-অভিযোগ, অসহায় অৱস্থা এইবোৰৰ প্ৰতি আজি সচেতন মহিলা মাত্ৰৰেই উগ্ৰ প্ৰতিক্ৰিয়া । কিন্তু ইয়াৰ পৰিসমাপ্তি কিমান দূৰ সম্ভৱ ?

গীতা, উপনিষদ, মহাভাৰত, ৰামায়ণ আৰু পুৰাণকে ধৰি তাত্বিক, আধ্যাত্মিক আৰু দাৰ্শনিক জ্ঞানৰ গৌৰৱ আৰু ঐতিহ্য-পৰম্পৰাৰ উৰ্বৰভূমি ভাৰতবৰ্ষলৈ এনে অবোধ কু-সংস্কাৰ আহিল কেনেকৈ ? ভাৰতীয় সংস্কৃতিয়ে অতীজৰেপৰা নাৰীক পূজা কৰিছে - সৃষ্টি, শক্তি, বিদ্যা, ধনৰ অধিষ্ঠাত্ৰী দেৱী বুলি, কিন্তু শাস্তি বিহিছে দাসী আৰু ডাইনীৰূপে । লিঙ্গভিত্তিক বৈষম্যৰ জইন্ মৰাৰ উদ্দেশ্যে সকলো প্ৰাপ্তবয়স্ক নাগৰিকৰ কাৰণে ভোটাধিকাৰৰ দৰে সাৰ্বলৌকিক কৰ্মসংস্থান আৰু বিষয়বাবৰ অধিকাৰী হোৱাৰ ক্ষেত্ৰতো লিঙ্গভিত্তিক সমতাৰ দিহা কৰা হ'ল । কিন্তু বাস্তৱটো বৰ নিদাৰুণ হৈয়েই থাকিল । সাংবিধানিক নিৰ্দেশ আৰু বাস্তৱিক ব্যৱহাৰৰ ভিতৰত ব্যাপক পাৰ্থক্য দেখা গ'ল । নাৰী উপেক্ষিতা হৈয়েই থাকিল । নাৰীৰ সুৰক্ষা আবদ্ধ হৈ থাকিল আইনৰ কিতাপৰ পাতত । নহলেনো সতীদাহৰ দৰে .জঘন্য, বৰ্বৰ অপৰাধৰ পুনৰাবৃত্তি এতিয়াও হ'লহেঁতেননে ? স্বামী-স্ত্ৰী যদি জন্ম-জন্মান্তৰৰ সংগী, তেন্তে স্ত্ৰীৰ মৃত্যুত স্বামী "সত্" যোৱাটোৱেই বিজ্ঞানসন্মত নীতি নহয়নে? তেন্তে স্বামী "সত্" যোৱা নাই কিয় ? স্বামীৰ মৃত্যুত দোষী সাব্যস্ত হৈছে স্ত্ৰী । সেইদৰে স্ত্ৰী-ৰ মৃত্যুত স্বামী কিয় দোষী নহ'ব তাৰ কোনো কাৰণ দৰ্শোৱা হোৱা নাই । স্ত্ৰীৰ মৃত্যু হলে স্বামীয়ে দ্বিতীয় বিবাহ কৰাৰ নীতি আছে । হিন্দুশাস্ত্ৰমতে ভাৰ্য্যা স্বামীৰ অৰ্দ্ধাঙ্গ আৰু হিন্দুসকলে তেওঁলোকৰ বিয়াত অগ্নিৰ আগত দেৱতা আৰু পিতৃক সাক্ষী কৰি ভাৰ্য্যাক এইৰূপে কয়, 'তোমাৰ প্ৰাণৰ সৈতে মোৰ প্ৰাণক, তোমাৰ হাড়ৰ সৈতে মোৰ হাড়ক, তোমাৰ মঙহৰ সৈতে মোৰ মঙহক আৰু তোমাৰ ছালেৰে সৈতে মোৰ ছালক মিলাওঁ ।' ইয়াৰপৰা আমি গম পাওঁ যে ভাৰ্য্যা আৰু স্বামীৰ একে দেহ, একে প্ৰাণ । এনে স্থলত যেতিয়া পুৰুষে ভাৰ্য্যা মৰি গ'লে, অৰ্থাৎ তেওঁৰ শৰীৰৰ এভাগ নষ্ট হ'লে তাক পুৰাই লব পাৰে, তিৰোতা সেই স্বত্বৰ পৰা বঞ্চিত হয় কিয়? স্বামীৰ মৃত্যু হ'লে স্ত্ৰী বিধবাৰ ৰূপত স্বামীৰ গৃহত "কুলক্ষণী"ৰ ছাব মাৰি চাৰিবেৰৰ মাজত আবদ্ধ হৈ অৰ্দ্ধাহাৰে, পুৰুষৰ দৃষ্টিৰ আঁৰত অকথ্য নিৰ্য্যাতনৰ বলি হৈ তিলতিলকৈ মৃত্যুবৰণ কৰাটোৱেই হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ স্বীকৃতিপ্ৰাপ্ত সংস্কাৰ ! এটা টেলিভিচন, এটা ৰেডিঅ', স্কুটাৰ যৌতুকত আনিব নোৱাৰাৰ অপৰাধত বোৱাৰীক কেৰাচিন ঢালি জীয়াই জীয়াই পুৰি মৰা হৈছে এইখন মহা মহা ঋষিমুনিৰ মহান দেশ ভাৰতবৰ্ষত । পুত্ৰৰ বাবে আশান্বিত পিতৃ-মাতৃৰ দ্বাৰা শিশু কন্যাক জন্মতে হত্যা কৰা হৈছে এইখন ভাৰতবৰ্ষতে । সামন্ততান্ত্ৰিক গ্ৰাম্য জীৱনত এতিয়াও কন্যা-সন্তানৰ বেচা-কিনা অবাধ গতিত । ১৯৯৬চনৰ মানৱাধিকাৰ কমিছনৰ প্ৰকাশিত প্ৰতিবেদন অনুসৰি বিয়া কৰোৱাৰ ছলেৰে কন্যা সন্তানক বিক্ৰী কৰা হয় আৰু গনিকাবৃত্তি অৱলম্বন কৰিবলৈ বাধ্য কৰা হয় । পুত্ৰৰ দ্বাৰা পিণ্ডদানৰ আশাত শিক্ষাৰ ক্ষেত্ৰতো অগ্ৰাধিকাৰ পায় পুত্ৰইহে । এনে কাৰণতেই বৰ্ত্তমান ভাৰতৰ মুঠ জনসংখ্যাৰ ৫০% মহিলা সকলে প্ৰতিনিধিত্ব কৰি আছে যদিও ১৯৯১চনৰ লোকপিয়ল অনুসৰি পুৰুষৰ ৬৩.৮৩ শতাংশ স্বাক্ষৰতাৰ বিপৰীতে মহিলাৰ স্বাক্ষৰতাৰ হাৰ হ'ল মাত্ৰ ৩৯.৪২% ।

সমাজত মহিলাৰ মান-মৰ্যাদা তথা স্থিতি সম্পৰ্কে অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ ভাৰত চৰকাৰে ফুলৰেণু গুহৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিছিল । কমিটিখনৰ 'ৰিপোৰ্ট' ১৯৭৪ চনত দাখিল কৰে (**Towards Equality,** ভাৰত চৰকাৰ, ১৯৭৫) । কিন্তু এই 'ৰিপোৰ্টত (সমানতাৰ লক্ষ্যাভিমুখে) বিধানসভা আৰু পাৰ্লিয়ামেন্টত মহিলাৰ কাৰণে আসন সংৰক্ষণৰ দাবী প্ৰত্যাখ্যান কৰা হৈছিল । এগৰাকী বিশিষ্টা নাৰী সভানেত্ৰী হোৱা সত্ত্বেও আৰু বহুতো মহিলা সদস্য থকা সত্ত্বেও কমিটিখনে মহিলাৰ কাৰণে আসন সংৰক্ষণৰ যুক্তিযুক্ততা অস্বীকাৰ কৰিছিল । কাৰণটো হয়তো এইটো হ'ব পাৰে যে ৰাজনৈতিক দলসমূহে আৰু অধিকাংশ মহিলা সদস্যাই (বিধানসভা আৰু লোকসভাক ধৰি) আসন সংৰক্ষণৰ বিপৰীতে মত প্ৰকাশ কৰিছিল । কিন্তু ইয়াৰ বিপৰীতে দুজন ৰাজনীতি বিজ্ঞানৰ অধ্যাপক আৰু এজন আইন বিশাৰদে আসন সংৰক্ষণৰ সপক্ষে সবল যুক্তি দাঙি ধৰিছিল । তেওঁলোকৰ হৈ এজনে মত প্ৰকাশ কৰিছিল যে "বিধান সভা সমূহত মহিলাৰ কাৰণে ৩০% আসন সংৰক্ষণৰ ব্যৱস্থা কৰিলে ই আমাৰ বিধান সভা সমূহৰ চেহেৰাকে সলনি কৰি দিব পাৰিব । এনে ব্যৱস্থাই ৰাজনৈতিক দলবোৰক সেইবিলাকৰ ৰণনীতি আৰু ৰণ-কৌশল পৰিবৰ্ত্তন কৰিবলৈ বাধ্য কৰি তুলিব । এনে ব্যৱস্থাই তেওঁলোকক মহিলাৰ প্ৰাপ্যখিনি স্বীকাৰ কৰি লোৱাত প্ৰভাৱিত কৰিব পৰিব । মহিলাৰ কাৰণে আসন সংৰক্ষণে তেওঁলোকক ৰাষ্ট্ৰখনৰ "অকলশৰীয়া অন্ধগলিৰ বাসিন্দা"ত (**Isolated pockets of the Nation**) পৰিণত কৰি নোতোলে । কাৰণ সংখ্যালঘু গোট এটাৰ দৰে নাৰীসমাজে সমাজখনৰ সীমান্তত বাস নকৰে । অৰ্থাৎ নাৰীসমাজ সমাজৰ মূল সূঁতিৰ অন্তৰ্গত । বিধান সভাসমূহত এনে

ব্যৱস্থাই মহিলাৰ উপস্থিতি বঢ়াই তুলিব আৰু ৰাজনৈতিক দায়িত্বভাৰ কান্ধত তুলি লোৱাৰ কাৰণে তেওঁলোকক অনুপ্ৰাণিত কৰি তুলিব । (Towards Equality, ৭ম অধ্যায় ৩০১ নং পৃষ্ঠা ।)

জনসংখ্যা বা ভোটদাতাৰ প্ৰায় আধাভাগ হোৱা সত্ত্বেও নাৰী হৈ ৰ'ল অদৃশ্যা, অলক্ষিতা । তত্ৰাচ সিদ্ধান্ত লোৱাৰ কাৰণে ন্যস্ত সংস্থা-সমূহত নাৰীৰ নিৰ্ধাৰিত প্ৰতিনিধিৰ বিষয়ে একোকে কৰা নহ'ল । সেই ৭০ দশকৰ পৰা এনে বৈষম্য দূৰীকৰণৰ স্বাৰ্থত ৰাষ্ট্ৰ সংঘৰ মহিলাৰ অৱস্থান সম্পৰ্কীয় আয়োগটোৱে ১৯৯০ চনত এটা প্ৰস্তাৱযোগে এই অনুমোদন আগবঢ়াইছিল যে ৰাষ্ট্ৰীয় স্তৰত পাৰ্লামেন্টৰ দুৱাৰদলিত ন্যূনতম্ ৩০ শতাংশ মহিলা নিৰ্বাচিত প্ৰতিনিধি উপস্থিত হোৱাৰ যাৱতীয় ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান সংসদত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ বিধেয়ক উত্থাপন কৰিছে । কিন্তু ইয়াৰ প্ৰতিৰোধৰ ব্যাখ্যাত স্থান পাইছে ভাৰতৰ স্ত্ৰী শিক্ষাৰ চালুকীয়া অৱস্থাই । এনেক্ষেত্ৰত নাৰীসকল সাহসী, শক্তিশালী বুদ্ধিমতী, জ্ঞানী আৰু বিদূষী আদি গুণৰ অধিকাৰী হোৱা হ'লে এই বঞ্চিত লাঞ্ছনাৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন । এই গুণ আহৰণ কৰিব লাগিলে নিশ্চয় স্ত্ৰী শিক্ষাত গুৰুত্ব দিব লাগিব ।

প্ৰসঙ্গক্ৰমে ভাৰতৰ 'নেচনেল ক্ৰাইম্ ৰেকৰ্ডছ্ ব্যু'ৰ'য়ে ১৯৯৪ চনত প্ৰকাশ কৰা বিস্তৃত প্ৰতিবেদনত কৈছে যে মহিলাৰ বিৰুদ্ধে সংঘটিত সামাজিক অপৰাধৰ (যিবিলাকত একমাত্ৰ নাৰী প্ৰপীড়িত হয় ) সংখ্যা আছিল ৯৮,৯৪৮ । ইয়াৰ বিপৰীতে ১৯৯২ চনত নাৰী নিৰ্য্যাতনৰ সংখ্যা আছিল ৭৯,০৩৭ আৰু ১৯৯৩ চনত ৮৩,৯৫৪ । ভাৰত চৰকাৰৰ মন্ত্ৰীদপ্তৰৰ উক্ত কাৰ্য্যালয়টোৱে (ব্যু'ৰ') নাৰী নিৰ্য্যাতনৰ শ্ৰেণীবিভাগ কৰি নিৰ্য্যাতনৰ ঘটনাবিলাক লিপিবদ্ধ কৰে । এইভাৱেই ১৯৯৪ চনত সংঘটিত ঘটনাবোৰ তলত দিয়াৰ দৰে ।

## ১৯৯৪ চনত সংঘটিত নাৰী নিৰ্য্যাতনৰ তালিকা ঃ

| ক্ৰ. নং | অপৰাধৰ শ্ৰেণী | সৰ্বমুঠ |
|---|---|---|
| ১ | ধৰ্ষণ (Rape) | ১২,৩৫১ |
| ২ | অপহৰণ আৰু ফুলচুৰি (Kidnapping and abduction) | ১২,৯৯৮ |
| ৩ | যৌতুকজনিত মৃত্যু (Dowry deaths) | ৪,৯৩৫ |
| ৪ | জীয়াতু ভোগোৱা কাৰ্য্য (Torture) | ২৫,৯৪৬ |
| ৫ | বেইজ্জতি কৰা কাৰ্য্য (Molestation) | ২৪,১১৭ |
| ৬ | যৌন অশান্তি দিয়া কাৰ্য্য (Sexual harassment) | ১০,৪৯৬ |
| ৭ | ছোৱালীৰ আমদানি (অসৎ কাৰ্য্যৰ বাবে) Importation of Girls | ১৬৭ |
| ৮ | সতীদাহ নিৰোধ আইনৰ অধীনত হোৱা ঘটনা (Sati Prevention Act.) | ২ |
| ৯ | নীতি বিগৰ্হিত কাৰবাৰ নিৰোধ আইনৰ অধীনত (Immoral Traffic Prevention Act.) | ৭,৫৪৭ |
| ১০ | নাৰীক অমাৰ্জিত ৰূপত প্ৰদৰ্শন (Indceent Representation of Woman ) | ৩৮৯ |
| | সৰ্বমুঠ | ৯৮,৯৪৮ |

উৎস - 'CRIME IN INDIA'



নাৰী-পুৰুষৰ বৈষম্যৰ কলংকিত কাহিনীৰ অন্ত নাই । মহিলাসকলৰ বাবে অপৰিচিত আইন ব্যৱস্থাত কিন্তু পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰীৰূপে পুত্ৰ আৰু কন্যাৰ সমান অধিকাৰ আছে । আজিও পিতৃ-মাতৃয়ে এই ক্ষেত্ৰত বঞ্চিত কৰিছে নিজৰ কন্যা সন্তানক । আটাইতকৈ অবিশ্বাস্য তথা লজ্জাকৰ হ'লেও আমি এটা কথা স্বীকাৰ কৰিবই লাগিব যে আজিৰ নাৰীবিলাক অত্যধিক ধৰণে নাৰীৰ দ্বাৰাই প্ৰতাৰিত হৈ আহিছে । নাৰীৰ নিৰ্য্যাতন আৰু উৎপীৰণৰ এই নাটকত আগভাগ লয় নাৰীয়েই । নাৰীয়ে নিজস্ব সুনামৰ বাবে ইজনে-সিজনৰ প্ৰতিহিংসাৰ দাবানলত জ্বলিবলৈ ধৰে । পৃথিৱীৰ বহু ঠাইৰ 'সৌন্দৰ্য্যৰাণী' সকলে প্ৰতিযোগিতাৰ চুক্তি অনুসৰি প্ৰতিযোগিতাত জড়িত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পণ্যদ্ৰব্য বিক্ৰীৰ বাবে 'মডেলিং' কৰি নিজকে পণ্যদ্ৰব্যৰ শাৰীলৈ পৰ্য্যবসিত কৰে । আধুনিকতাৰ ৰূপ দিবলৈ গৈয়েই নাৰী হৈ পৰিছে দিগ্‌ভ্ৰান্ত । নাৰীৰ দেহ আৰু সৌন্দৰ্য্যৰ চলিছে অপ্ৰতিৰোধ্য ব্যৱসায় । এনে ধৰণৰ ঘটনা কেৱল নাৰীসমাজৰ বাবেই বোজাস্বৰূপ বুলি ক'লে ভুল হ'ব, ই একবিংশ শতিকাৰ মানৱ সভ্যতাৰ বাবেও কলংক হৈ পৰিছে ।

একৈশ শতিকাৰ দেওনাত ভৰি দিয়া ভাৰতীয় সমাজত এতিয়াও কিংবদন্তীৰ স্থান লোৱা 'মনু সংস্কৃতি' ৰ যেন পূৰ্ণ পয়োভৰ । নাৰীয়ে স্বামীৰ প্ৰতি বিশ্বাসঘাতকতা কৰে, এওঁলোকক পুৰুষে তীক্ষ্ণ নজৰ দি ৰখাৰ প্ৰয়োজন । পুৰুষে নাৰীক অহৰ্নিশে নিৰ্ভৰশীল কৰি থকা উচিত......ইত্যাদি ইত্যাদিয়েই হ'ল চৰম নাৰী-বিদ্বেষী মনুৰ মত ' ভাৰতীয় সভ্যতা-সংস্কৃতি আজি যেন 'মনু' অপসংস্কৃতিৰ কবলত । আশ্চৰ্য্যৰ কথা সেই মনু-সংস্কৃতিক বৰ্ত্তাই ৰখাৰ চেষ্টা কৰি আহিছে ভাৰতৰ সংখ্যাগৰিষ্ঠ নাৰীৰ অন্ধ সমৰ্থনেও । ঋষিমুনিসকলৰ বাণীয়েই অমৰ বুলি ধৰাৰ ফলস্বৰূপেই আজিৰ ভাৰতত ধৰ্মৰ নামত শোষণ, নিস্পেষণ, নিৰ্য্যাতন আৰু কলংকৰ অন্ত নপৰা হৈছে যাৰ দ্বাৰা বেছিকৈ আক্ৰান্ত হৈছে আজিৰ নাৰী সমাজ । বিশ্বৰ নাৰীয়ে পুৰুষতকৈ কোনো গুণে হীন নহয় বুলি ইতিমধ্যে প্ৰমাণ কৰিছে । তেনেক্ষেত্ৰত, একবিংশ শতিকাৰ প্ৰাকমুহূৰ্ত্ততেই নাৰী-পুৰুষৰ সমমৰ্য্যাদা প্ৰতিষ্ঠাৰ উদ্দেশ্যে আমি সকলো আগবাঢ়ি নাহো কিয় ?

(সংবাদ-পত্ৰ আৰু আলোচনীত প্ৰকাশিত বিভিন্ন প্ৰবন্ধ আৰু তথ্যৰ আলম লৈ ৰচিত ।)

00000000000

# সমাজ পৰিৱৰ্ত্তনত যুৱক-যুৱতীৰ ভূমিকা

মানসী ভাগৱতী
স্নাতক প্ৰথম বৰ্ষ
পুৱা শাখা

মানুহ সামাজিক প্ৰাণী । সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। আজিৰ মানুহে ৰবিনচন্ ক্ৰুচো বা আলেকজেণ্ডাৰ চেল্কাৰ্ক্ হোৱাটো কেতিয়াও কামনা নকৰে । সমাজ-বন্ধনৰ পৰা মুক্ত হৈ মুক্ত আকাশৰ তলত মুক্ত পৰিৱেশত মুক্ত জীৱন যাপন কৰিও আলেকজেণ্ডাৰে শান্তি পোৱা নাছিল । সেয়েহে নিঃসঙ্গ জীৱনৰ ব্যথাৰ জ্বালাত সমাজ লাভৰ তীব্ৰ আকাংক্ষাত তেওঁ চিঞৰি উঠিছিল ঃ

**"Society, friendship and love,**
**Divinely bestowed upon man,**
**Oh ! had I the wings of a dove,**
**How soon would I taste you again ! "**

যিহেতু সমাজ বাদ দি জীয়াই থকা সম্ভৱ নহয়, মানুহ সমাজতেই জীয়াই থাকিব লাগিব, সেয়েহে প্ৰত্যেক ব্যক্তিৰ আশ্ৰয় এই সমাজখন বিশুদ্ধ জীৱনৰ অনুকূল হোৱা উচিত। কিন্তু দেখা গৈছে যে আমাৰ সকলোৰে প্ৰয়োজনীয় এই সমাজখনৰ ধীৰে ধীৰে অৱক্ষয় হ'ব ধৰিছে । বিভিন্ন ক্ষেত্ৰত সমাজখনৰ অৱনতি হ'ব ধৰিছে । আমি বাস কৰি থকা সমাজখন দূষিত হৈ পৰিছে । গতিকে আমাৰ এই সমাজখনৰ সংস্কাৰ সাধনৰ আৱশ্যক হৈছে ।

যুৱক-যুৱতী সকল সমাজৰ এটা বৃহৎ অংশ । প্ৰতিগৰাকী যুৱক - যুৱতী দেশৰ ভৱিষ্যত, দেশৰ মেৰুদণ্ড স্বৰূপ। যুৱ-সমাজখন বাদ দি কেতিয়াও এখন সুকীয়া সমাজৰ কল্পনা কৰিব নোৱাৰি । যুৱ-শক্তি এটা প্ৰৱল আৰু বিৰাট শক্তি । উদীয়মান যুৱক-যুৱতীৰ মন অসীম উচ্ছাস আৰু উদ্যমেৰে ভৰপূৰ । উচ্ছল দেহ, উচ্ছল মন, বাহুত অসীম বল, মনত অসীম সাহস; শক্তিৰ যেন অফুৰন্ত ভাণ্ডাৰ । চকুত তীব্ৰ উজ্জ্বল দৃষ্টি; বুকুত দিগন্ত প্ৰসাৰী কল্পনাৰ ৰঙীন ছবি । লক্ষ্য সাধনৰ প্ৰৱল আগ্ৰহ, জ্ঞান লাভৰ তৃষ্ণা, অনুসন্ধিৎসু চাৱনি । খোজত বিশ্ববিজয়ী ন-জোৱানৰ দপ্দপনি । প্ৰাণ-প্ৰাচূৰ্য্যৰে যুৱ-সমাজ অসীম শক্তি আৰু সম্ভাৱনাৰ প্ৰতীক, তেওঁলোক সমাজৰ সদা জাগ্ৰত প্ৰহৰী । স্বাধীনতা, শান্তি, প্ৰগতিৰ কল্যাণময় আদৰ্শৰ জিল্মিলনিয়ে তেওঁলোকৰ দৃষ্টিপটত জীৱন্তকৈ দাঙি ধৰে একোটা সৰ্বাঙ্গসুন্দৰ, সুখ আৰু সমৃদ্ধিৰে ভৰা মধুৰ জীৱন, একোখন সমৃদ্ধিশালী সমাজ, দেশ । সেয়েহে সমাজৰ অন্যায়, অসত্যতা দেখিলে তেওঁলোক হৈ পৰে জ্বালামুখী । এয়েই যুৱ-সমাজ । এই যুৱ-সমাজেই এদিন সমাজক নেতৃত্ব দিব; সমাজৰ গুৰুভাৰ নতশিৰে গ্ৰহণ কৰিব । এই অজেয় সমাজৰ যি ঐক্যবদ্ধ শক্তি তাৰ তুলনা পৃথিৱীত বিৰল ।

আধুনিক যুগ বিজ্ঞানৰ যুগ । বিজ্ঞানে সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছে । কৃষিৰ ক্ষেত্ৰতো বিজ্ঞানে আমূল পৰিৱৰ্ত্তন আনিছে । কিন্তু দেখা যায় যে বহুতো গ্ৰাম্য সমাজত কৃষি এতিয়াও বৈজ্ঞানিক পদ্ধতিৰে হোৱা নাই । যুৱ-সমাজে গাওঁবোৰত সভা-সমিতি, আলোচনা চক্ৰ আদি পাতি ৰাইজক বিজ্ঞানৰ ন-ন আৱিষ্কাৰ বোৰৰ কথা বুজাই ক'ব লাগে । বিভিন্ন ৰাসায়নিক দ্ৰব্যৰ সহায়ত কীট-পতঙ্গৰ পৰা শস্য ৰক্ষা কৰা, যন্ত্ৰৰ সহায়ত মাটি চহোৱা, উপযুক্ত সাৰ প্ৰয়োগেৰে সৰহ শস্য উৎপন্ন কৰা আদি বৈজ্ঞানিক প্ৰায়োগিক দিশবোৰো ফঁহিয়াই বুজাই দিব লাগে। গাওঁবোৰ সাধাৰণতে কৃষি আৰু পশুপালনৰ ওপৰত নিৰ্ভৰশীল। যুৱ-সমাজে এই দুই ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগৰ কথা কৈ সচেতন কৰি দিয়াৰ উপৰিও নিজেও এই ক্ষেত্ৰত সহযোগ কৰিব পাৰে ।

সমাজত প্ৰচলিত অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদি দূৰ কৰাৰ ক্ষেত্ৰতো যুৱ - সমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে । চহৰীয়া সমাজবোৰ লাহে লাহে এনে অন্ধবিশ্বাস, কু-সংস্কাৰৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হ'লেও গাঁৱলীয়া সমাজ আজিও এই অন্ধ-বিশ্বাস, কু-সংস্কাৰৰ পৰা মুক্ত নহয় । আজিও বহুতো গাঁৱত পৰ্দা-প্ৰথা আছে, বাল্য-বিবাহ প্ৰথা আছে । আজিও কম বয়সতে বিধৱা হোৱা বহুতো মহিলাই সমগ্ৰ জীৱন ব্যথা, দুখ আৰু যন্ত্ৰণাত অতিবাহিত কৰি আছে । আনকি সৌ সিদিনা ৰাজস্থানৰ কম-বয়সীয়া এগৰাকী কন্যা ৰূপ-কাঁৱাৰ মৃত স্বামীৰ লগত চিতাত উঠি দাহ গ'ল । আজিও ন-দহ বছৰীয়া বালিকা বৃদ্ধৰ লগত বিবাহ-পাশত আৱদ্ধ হয় । যুৱ-সমাজে সমাজৰ এনে অপৰাধমূলক সংস্কাৰবোৰ আঁতৰ কৰি এনে কৰ্মৰ যুক্তিহীনতা ব্যাখ্যা কৰি দেখুৱাব লাগে । এনে কু-সংস্কাৰৰ পৰা সমাজক আঁতৰ কৰি ৰাইজৰ মন বৈজ্ঞানিক দৃষ্টি-ভঙ্গী সম্পন্ন কৰি তুলিব লাগে । বাল্য-বিবাহ, পৰ্দা-প্ৰথা আঁতৰাই, স্ত্ৰী-শিক্ষাৰ প্ৰচলন কৰা উচিত । বিধবা বিবাহো প্ৰচলন কৰা উচিত। যুৱ-সমাজে আমাৰ পুৰণি কালৰেপৰা চলি অহা জাতীয় উৎসৱ বিহু, তিথি-পাৰ্বন, উৎসৱ আদিত সহযোগ কৰি, পুৰণি আৰু নতুনৰ সংমিশ্ৰণেৰে আমাৰ কৃষ্টি-সংস্কৃতিক অধিক উন্নত কৰিবলৈ যত্নপৰ হ'ব লাগে । সমাজসেৱাৰ বিষয়ত বিজ্ঞান সন্মত ভাৱে প্ৰশিক্ষণ দিবলৈ বোম্বাইৰ "টাটা ইন্‌ষ্টিটিউট অৱ ছছিয়েল ছায়েন্সকে" ধৰি দেশৰ কেইবাঠাইতো কেইবাটাও কেন্দ্ৰ স্থাপন কৰা হৈছে । চৰকাৰেও সমাজ-সেৱাৰ ক্ষেত্ৰত গুৰুত্ব দিছে আৰু সমাজ সেৱাত ব্ৰতী বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠানক অনুদান দি উৎসাহিত কৰিছে । এই ক্ষেত্ৰত যুৱক-সংঘবোৰে সমাজৰ কল্যাণ সাধিব পাৰে ।

আমাৰ সমাজৰ এচাম যুৱক-যুৱতী বিপথে পৰিচালিত হোৱা দেখা গৈছে । আনহাতে সমাজত এনে এচাম ব্যক্তি আছে যাৰ প্ৰতিটো কৰ্মতে প্ৰতিফলিত হয় অপৰাধ-প্ৰৱণতা । এওঁলোকে সমাজৰ দৰিদ্ৰ শ্ৰেণীটোক শোষণ কৰিছে । দুৰ্বল অসহায় লোকক নিজৰ গোলাম কৰিছে, নাৰীৰ শ্লীলতা হানি কৰিছে, সমাজত ত্ৰাসৰ সৃষ্টি কৰিছে । যুব - শক্তিৰ দ্বাৰা এনেধৰণৰ অপৰাধ প্ৰৱণ লোকসকলক সৎ পথলৈ আনি তেওঁলোকক সমাজৰ হিতৰ বাবে ব্যৱহাৰ কৰিব পাৰে । বিপথে পৰিচালিত হোৱা যুৱক-যুৱতীক সমাজৰ প্ৰতি তেওঁলোকৰ যি গধুৰ দায়িত্ব তাৰ বাবে সঁকীয়াই দিব লাগে । তেওঁলোকক সৎ পথলৈ অনাৰ চেষ্টা চলাব লাগে ।

যুৱক-যুৱতী সকল দেশৰ নাগৰিক । গতিকে যুৱ-সমাজে নাগৰিকৰ যি কৰ্তব্য সেই কৰ্তব্যসমূহ বিনা দ্বিধাই পালন কৰিব লাগে আৰু নিজৰ অধিকাৰৰ প্ৰতিও সচেতন হোৱা উচিত। দেখা গৈছে যে বৰ্ত্তমান সময়ত যুৱক-যুৱতীসকল নিজৰ অধিকাৰ আৰু কৰ্ত্তব্যৰ প্ৰতি সচেতন নহয় । যি সময়ত দেশৰ ৰাজনীতিত যুৱ-সমাজে সক্ৰিয় অংশ লব লাগিছিল তেনে সময়ত আজি যুৱ-সমাজ ৰাজনীতিৰ ক্ষেত্ৰত নিষ্ক্ৰিয় হ'ব ধৰিছে । অৱশ্যে এনে হোৱাৰ কাৰণো আছে । ৰাজনীতিত দুৰ্নীতি সোমাইছে । আজিৰ শাসন যন্ত্ৰ পুঁজিপতি আৰু ধনীক শ্ৰেণীৰ হস্তগত হৈ পৰিছে । ব্যৱসায়ীসকল দুৰ্নীতি-পৰায়ণ হৈছে । চৰকাৰে ৰাজনৈতিক ক্ষমতা স্ব-ইচ্ছাই প্ৰয়োগ কৰিছে । নীতি গ্ৰহণ অথবা আইন প্ৰৱৰ্তনৰ ক্ষেত্ৰত যুব-সমাজৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিছে । চৰকাৰে ৰাইজৰ আশা পূৰণ কৰিবলৈ সক্ষম হোৱা নাই । ৰাজনৈতিক নেতাসকল সুদক্ষ নোহোৱা বাবে তেওঁলোকে দেশৰ কল্যাণ সাধন কৰাৰ বিপৰীতে নিজৰ স্বাৰ্থ পূৰণ কৰিছে । যদিও আমি গণতান্ত্ৰিক দেশৰ নাগৰিক তথাপিও আমাৰ দেশত এতিয়াও বিশুদ্ধ গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱা নাই । ৰাজনৈতিক নেতাসকল কেলেঙ্কাৰীত জড়িত হৈ পৰিছে । এজন আনজনৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈছে । দলৰ নেতাই দলতেই নিজৰ জনপ্ৰিয়তা হেৰুৱাইছে । দলীয় ৰাজনীতিৰ এই জটিল পাকচক্ৰই নিৰীহ ৰাইজক জোলোকা-জোলোকে পানী খুৱাইছে । ৰাইজক হতাশাগ্ৰস্ত কৰি পেলাইছে। ৰাইজে নিজেই নিৰ্বাচন কৰি দিয়া চৰকাৰে গাদীত বহি হাতত ক্ষমতা পোৱাৰ লগে লগেই যেন মেক্ট সলাইছে । পাহৰি গৈছে পূৰ্বৰ প্ৰতিশ্ৰুতিৰ কথা, ইস্তাহাৰৰ কথা । সেই কাৰণেই দেখা গৈছে যে বহুতো যুৱক-যুৱতী প্ৰচলিত ৰাজনীতিৰ প্ৰতি ৰুষ্ট হৈ ভোটদানৰ পৰা বিৰত হৈ ৰৈছে । কিন্তু

এনে হ'লে আমাৰ প্ৰচলিত ৰাজনীতি জটিলৰ পৰা আৰু জটিল হৈ যাব। সেয়েহে যুৱ-সমাজে যুৱ-শক্তিৰ প্ৰয়োগেৰে আমাৰ দেশৰ প্ৰচলিত ৰাজনীতিৰ সংশোধন ঘটাব লাগিব। চৰকাৰৰ প্ৰতিটো কৰ্মতে চোকা নজৰ ৰাখিব লাগিব। চৰকাৰৰ নীতি সমালোচনা কৰিব লাগিব। চৰকাৰ যাতে বিপথে যাব নোৱাৰে, চৰকাৰৰ ৰাজনৈতিক ক্ষমতা যাতে জনকল্যাণৰ হকে প্ৰয়োগ কৰা হয় তাৰ বাবে যুৱ সমাজ সচেতন হৈ থাকিব লাগে। তদুপৰি যুৱ সমাজে জনসাধাৰণকো চৰকাৰৰ প্ৰতি সচেতন দৃষ্টি ৰখাৰ উপদেশ দিব পাৰে। জনসাধাৰণৰ অমনোযোগিতা, সংহতিহীনতা আৰু জড়তাৰ সুবিধা লৈ শাসক গোষ্ঠীয়ে নাগৰিকৰ স্বাধীনতা যাতে হস্তগত কৰিব নোৱাৰে, ব্যক্তি স্বাৰ্থত যাতে আঘাত হানিব নোৱাৰে তাৰ বাবে যুৱ-সমাজে জনসাধাৰণক নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সচেতন কৰি দিব লাগিব আৰু নিজেও সচেতন হ'ব লাগিব।

যুৱ-সমাজে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰতো পৰিবৰ্তন আনিব পাৰে। আজি সমাজত নিবনুৱা সমস্যা বাঢ়িছে। শিক্ষা সম্পূৰ্ণ কৰি বহুতো যুৱক-যুৱতীয়ে কৰ্ম-সংস্থান নাপাই নিৰাশ হৈ পৰিছে। তেওঁলোকে নিজকে পৰিয়াল বা সমাজৰ বোজা বুলি ভাবিবলৈ লৈছে। কিন্তু তেওঁলোক সমাজৰ শক্তি, এই যুৱ-শক্তিৰ ওপৰতেই দেশৰ ভৱিষ্যত। সেয়েহে তেওঁলোক নিৰাশ হৈ পৰা অনুচিত। যুৱক-যুৱতী সকলে শিক্ষা সম্পূৰ্ণ কৰি যাতে নিবনুৱা হৈ বহি থাকিব নালাগে তাৰ কাৰণে তেওঁলোক একত্ৰিত হৈ সমবায় ভিত্তিত খেতি-বাতি কৰিব পাৰে। বৈজ্ঞানিক পদ্ধতিৰে হাঁহ-কুকুৰা, গৰু-ছাগলী পুহি পশুপালনক বৃত্তি হিচাপে ল'ব পাৰে। এইদৰে যুৱ-সমাজে দেশৰ আৰ্থিক প্ৰগতিত অৰিহণা যোগাব পাৰে। সৰু-সুৰা উদ্যোগ প্ৰতিষ্ঠা কৰিলে একেলগে বহুতো যুৱক-যুৱতীয়ে কৰ্ম সংস্থান পায়, যাৰ ফলত নিবনুৱা সমস্যাৰো সমাধান হয়। আমাৰ দেশ অৰ্থনৈতিক ভাৱে বহু পিছপৰি আছে। যুৱ-সমাজে দেশত এটা অৰ্থনৈতিক আন্দোলন গঢ়ি তোলা প্ৰয়োজন। অৰ্থনৈতিক ভাৱে আমাৰ দেশ এতিয়াও স্বাৱলম্বী হ'ব পৰা নাই। এই স্বাৱলম্বিতা যুৱ-সমাজেই আনিব লাগিব। আমাৰ দেশ তৃতীয় বিশ্বৰ দেশ; আমাৰ দেশত সমাজবাদী অৰ্থনীতিৰ যোগেদিহে অৰ্থনৈতিক প্ৰগতি সম্ভৱ। সমাজবাদী অৰ্থনীতি হৈছে পৰিকল্পিত অৰ্থনীতি। এই সমাজবাদী বা পৰিকল্পিত অৰ্থনীতি কাৰ্য্যকৰী কৰিবলৈ হ'লে আটাইতকৈ বেছি প্ৰয়োজন হৈছে অৰ্থনীতিৰ সংগঠক সকলৰ দক্ষতা আৰু অনুশাসন। সংগঠক অবিহনে সমাজবাদ কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। এই সংগঠকৰ ভূমিকা পালন কৰিব পাৰে উদীয়মান যুৱ-সমাজে। যুৱ সমাজে দেশত সমাজবাদী অৰ্থনীতি প্ৰতিষ্ঠা কৰি পুঁজিবাদী অৰ্থনীতিৰ বিলোপ সাধন কৰিব পাৰে। পুঁজিবাদে সমাজখনত দুটা শ্ৰেণীৰ সৃষ্টি কৰে, ধনী আৰু দুখীয়া। ধনী শ্ৰেণীটোৱে দুখীয়া শ্ৰেণীটোক শোষণ কৰি দিনে দিনে ধনী আৰু ক্ষমতাশালী হৈ পৰিছে। আনহাতে দুখীয়া শ্ৰেণীটো দিনে দিনে বেছি দুখীয়া হৈ পৰিছে। এই দৰে পুঁজিবাদে সমাজত শ্ৰেণী সংগ্ৰামৰ সৃষ্টি কৰে। মুষ্টিমেয় পুঁজিপতি সকলে ৰাজনীতিত হস্তক্ষেপ কৰি নিজ উদ্দেশ্য পূৰণ কৰে। গতিকে যুৱ-সমাজে সমাজৰ ক্ষতি সাধন কৰিব পৰা এনে পুঁজিবাদী অৰ্থনীতি বিলুপ্ত কৰি সমাজবাদী অৰ্থনীতি প্ৰতিষ্ঠা কৰি সমাজত শ্ৰেণী সংগ্ৰাম নোহোৱা কৰিব পাৰে। ইয়াৰ ফলত দেশৰ অৰ্থনৈতিক প্ৰগতি সম্ভৱ হ'ব। সকলোৱে সমানে সুবিধা লাভ কৰিব। অৱশ্যে পুঁজিবাদী শ্ৰেণীটো ক্ষমতা লোভী নহ'লে যুৱ-সমাজে এই শ্ৰেণীটোৰ লগতো সহযোগ কৰি অৰ্থনৈতিক বিকাশ কৰিব পাৰে। আমাৰ দেশত লাহে লাহে পুঁজিবাদৰ পৰা দেশৰ অৰ্থনৈতিক বিকাশ বাধাগ্ৰস্ত হোৱাৰ আশংকা কমিব ধৰিছে। যদি এনে হয়, তেতিয়া যুৱ-সমাজে বৰ্তমান চৰকাৰে গ্ৰহণ কৰা মিশ্ৰিত-অৰ্থনৈতিক নীতি সমৰ্থন কৰি এই নীতি সফল হোৱাত সহায় কৰিব পাৰে। আমাৰ দেশত বৰ্তমান নতুন অৰ্থনৈতিক নীতি গ্ৰহণ কৰা হৈছে। নতুন ঔদ্যোগিক-নীতিৰ লগতে নতুন বাণিজ্য-নীতি, ভাৰতীয় মুদ্ৰাৰ বৈদেশিক মূল্য হ্ৰাসকৰণ ইত্যাদি ব্যৱস্থাই অৰ্থনৈতিক গাঁঠনিৰ পৰিবৰ্তন কৰিছে। আমাৰ দেশৰ চৰকাৰৰ বিত্তীয় সংকট, ক্ৰমবৰ্দ্ধমান মূল্যস্তৰ আৰু ক্ৰমবৰ্দ্ধমান বৈদেশিক বাণিজ্যৰ ঘাটিৰ বাবে দেশীয় অৰ্থনীতিৰ এনে সংস্কাৰ কৰা হৈছে। ই সম্ভৱ হৈছে যুৱ-শক্তিৰ বাবে। যুৱ-শক্তিৰ সহায়ত সম্ভৱপৰ হোৱা ভাৰতৰ এই নতুন অৰ্থনীতিৰ এতিয়া কঠিন পৰীক্ষাৰ সময়। নতুন অৰ্থনৈতিক নীতিয়ে উৎপাদন বৃদ্ধিত সহায় কৰিব পাৰিলে, মূল্যস্তৰ বৃদ্ধি ৰোধ কৰিব পাৰিলে আৰু এই সকলোবোৰৰ ফলশ্ৰুতি হিচাপে ভাৰতীয় জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰিব পাৰিলে ভাৰতীয় অৰ্থনীতি এই কঠিন পৰীক্ষাত উত্তীৰ্ণ হ'ব। অৰ্থনীতিৰ ক্ষেত্ৰত অনা এই পৰিবৰ্তন যুৱ-শক্তিৰ এক উল্লেখযোগ্য পদক্ষেপ। যুৱ-শক্তিৰ উচ্ছ্বাস, প্ৰেৰণা আৰু উপদেশৰ ওপৰত গুৰুত্ব দি চৰকাৰে লোৱা এই নীতিয়ে দেশৰ ভৱিষ্যত নিশ্চয় উজ্জ্বল কৰিব।

গণ-নিৰক্ষৰতা এটা সমাজিক ব্যাধি। ই মানৱ সমাজৰ বাবে এক চৰম অভিশাপ। নিৰক্ষৰতাৰ বাবে মানুহৰ আত্ম-বিশ্বাস, সচেতনতা আৰু আত্মনিৰ্ভৰশীলতা হ্ৰাস পায় আৰু মানুহ শোষিত আৰু প্ৰতাৰিত হ'বলগীয়া হয়। নিৰক্ষৰতাৰ বাবে মানুহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আগবঢ়োৱা সুফল সমূহৰ পৰা বঞ্চিত হৈ দ্ৰৰিদ্ৰতা আৰু ৰুগ্নতাৰ বলি হৈ নিকৃষ্ট মানৱ জীৱন যাপন কৰিবলগীয়া হয়। ব্যাপক নিৰক্ষৰতাৰ বাবে সমাজ হৈ পৰে পঙ্গু আৰু গণতন্ত্ৰ হৈ পৰে এক প্ৰহসন। সাক্ষৰ সমাজ এখন সকলোৰে কাম্য। কাৰণ উন্নয়নমূলক প্ৰক্ৰিয়াৰ প্ৰাণকেন্দ্ৰ হৈছে জনসাধাৰণ। জনসাধাৰণৰ বিকাশৰ মূল ভেটিটো হ'ল সাক্ষৰতা। সাক্ষৰতাই মানুহক আত্মবিশ্বাসী আৰু সচেতন কৰি তুলি শোষণ, প্ৰতাৰণা, বঞ্চনা, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰি, আত্মনিৰ্ভৰশীল হ'বলৈ অনুপ্ৰেৰণা যোগায়। পৃথিৱীৰ মুঠ নিৰক্ষৰ, মুঠ দ্ৰৰিদ্ৰ আৰু মুঠ ৰুগ্ন লোকসকলৰ এক বুজন অংশ আমাৰ দেশবাসী আৰু এনে লোকৰ সংখ্যা সময়ৰ লগে লগে বাঢ়িছেহে। এইটো নিঃসন্দেহে অশুভ লক্ষণ। আমাৰ দেশখন নৈতিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক এই সকলো ক্ষেত্ৰতে গভীৰ সংকটৰ সন্মুখীন হৈছে। জাত-পাত, ভাষা-ধৰ্মৰ নামত সামান্য অজুহাততে অশান্তিৰ সূত্ৰপাত হয় আৰু অতি সহজে ৰক্তাক্ত সংঘৰ্ষৰ ৰূপ ধাৰণ কৰে। এইবোৰ কাৰণতে গণতন্ত্ৰৰ ৰূপ বিকৃত হৈছে। বৰ্তমান সমগ্ৰ বিশ্বই অশান্ত আৰু মানৱ জাতিৰ ভৱিষ্যত সংকটাপন্ন। পাৰমাণৱিক যুদ্ধ নাইবা পাৰিপাৰ্শ্বিকতাৰ বিনষ্টকৰণৰ দ্বাৰা আত্মঘাতী হ'ব নুখুজিলে মানুহে পাৰস্পৰিক প্ৰতিদ্বন্দিতা আৰু বিবাদ পৰিহৰি সহৃদয়তা আৰু সহযোগিতাৰ মনোভাৱেৰে জীয়াই থাকিবলৈ শিকিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন এক সহযোগিতামূলক আৰু সৃজনশীল গণতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ। কিন্তু নিৰক্ষৰ মানৱ জাতিয়ে সন্মুখীন হোৱা ভয়ানক বিপদ সম্বন্ধে অশিক্ষিত লোকেৰে ভৰা দেশ এখনত সহযোগিতামূলক আৰু সৃজনীশীল গণতন্ত্ৰ স্থাপন অসম্ভৱ। সেয়েহে নিৰক্ষৰসকলৰ প্ৰতি সমাজৰ, বিশেষকৈ সাক্ষৰ যুৱ-সমাজৰ বিশেষ দায়বদ্ধতা আছে। নিৰক্ষৰ সকলক সাক্ষৰ কৰি মুক্তিৰ পথ প্ৰশস্ত কৰাটো যুৱ-সমাজৰ সামাজিক আৰু নৈতিক কৰ্তব্য। যুৱ-সমাজে নিৰক্ষৰতাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব লাগিব।

এইদৰে যুৱ-সমাজে আমাৰ সমাজখনৰ সৰ্বক্ষেত্ৰতে পৰিবৰ্তন আনি দেশৰ ভৱিষ্যত উজ্জ্বল কৰিব পাৰে। ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত এনে পৰিবৰ্তন আনি যুৱ-সমাজে সমাজৰ কল্যাণ সাধিছে। যুৱ শক্তি বৃহৎ শক্তি। এই শক্তিৰ উচিত প্ৰয়োগেৰে আমাৰ দেশ এদিন উন্নতিৰ শীৰ্ষস্তৰত উপনীত হ'ব।

oooooooooooo

# নাৰী স্বাধীনতা ঃ কিছু প্ৰাসঙ্গিক চিন্তা

বীণামণি হীৰা
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা

সমাজ এখন উত্তৰণৰ পথত আগবাঢ়িবলৈ লোৱাৰ পৰাই পুৰুষ-নাৰীৰ মাজৰ সমন্ধবো পৰিবৰ্ত্তন হ'বলৈ ধৰিলে দিনক দিনে । বিশ্বব্যাপী নাৰী আন্দোলনৰ জোৱাৰ উঠিল । আদাম্-ইভৰ কাল্পনিক যুগলৈ নগলেও শিল্প-উদ্যোগৰ যুগৰ পৰাই মহিলাই অনুভৱ কৰিবলৈ ধৰিলে যে নাৰীৰ এটা শক্তিশালী সামাজিক অৱস্থান থকাটো প্ৰয়োজন, য'ত পুৰুষৰ লগতে নাৰীৰ সামাজিকতাই নাৰী জাতিটো সুদৃঢ় আৰু একত্ৰীকৰণত সহায় কৰিব । দাসত্বৰ বান্ধোনৰ পৰা মুক্তি কামনা কৰা সকলো প্ৰজাতিৰে বৈশিষ্ট্য । সকলো ঐতিহাসিক যুগত পুৰুষতকৈ নাৰীৰ সামাজিক অৱস্থান নিম্নস্তৰৰ আছিল যদিও সকলো সমাজতে নাৰীৰ এক সুকীয়া শক্তিশালী পৰম্পৰাও আছিল । সমজুৱা জীৱন, ধৰ্মীয়, সামাজিক আচৰণ-বিধিত নাৰীৰ এখন সুকীয়া জগত থকাটোৱেই অনুমান কৰিব পাৰি, য'ত নাৰীৰ প্ৰাধান্য আছিল অনবদ্য । অন্যহাতে সময়ৰ বিৱৰ্ত্তনত পুৰুষে নাৰীক পণ্যৰ অধীন কৰি সমজুৱা জীৱন ধ্বংস কৰিলে । প্ৰতিখন ঘৰ পৰিণত হ'ল এগৰাকী নাৰীৰ বন্দীশালত, য'ত নাৰী অন্য মহিলাৰ সংস্পৰ্শৰ আঁতৰত কেৱল স্বামী-সন্তানৰ সেৱাত দিনে-নিশাই আবদ্ধ হ'ল ।

সৃষ্টি কৰোতাৰ প্ৰথম ৰূপটোৱেই হ'ল 'নাৰী', যি নাৰীয়ে নাৰীৰ জন্ম দিয়ে, সেই নাৰীয়েই জন্ম দিয়ে পুৰুষকো। বাহ্যিক সৌন্দৰ্য্যই এগৰাকী নাৰীক যিমান ৰূপৱতী কৰি তোলে, তাৰ তুলনাত এগৰাকী নাৰীৰ আভ্যন্তৰীণ গুণখিনিয়ে নাৰীক অধিক মহীয়সী কৰি তোলে ।

মানৱ সভ্যতাৰ ক্ৰমবিকাশত নাৰী-পুৰুষ উভয়ৰে ভূমিকা যিদৰে বিচাৰ্য্য আৰু প্ৰাসঙ্গিক সেইদৰে ইয়াৰ যিকোনো একশ্ৰেণীৰ স্বাধীনতাৰ ক্ষেত্ৰত আনটো শ্ৰেণীৰ প্ৰয়োজনীয়তাও অপৰিহাৰ্য্য । নাৰী স্বাধীনতাৰ ক্ৰমবিকাশত নাৰীজাতিটোৱে নিজস্ব প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে পুৰুষৰ সহৃদয়তা আৰু সমন্বিত প্ৰচেষ্টাৰ প্ৰতি আগ্ৰহশীল হ'ব লাগিব । অন্যথা নাৰী জাতিটোৰ বাস্তৱিক কৰ্মপন্থা বা কিমানদূৰ সফল হ'ব সেয়া সকলোৰে অনুমেয় । বৰ্ত্তমানৰ বৈজ্ঞানিক অগ্ৰগতিৰ ক্ষেত্ৰতো পুৰুষৰ সমানেই নাৰীজাতিটোও আগবাঢ়ি যোৱা দেখা যায় । ঘৰ এখন পৰিপাটিকৈ চলোৱাৰ পৰা আৰম্ভ কৰি দেশ এখনৰ শাসন কাৰ্য্য পৰিচালনা কৰালৈকে বৰ্ত্তমানৰ নাৰীজাতিটো প্ৰায়বোৰ ক্ষেত্ৰতেই অগ্ৰসৰ হৈছে । এনেবোৰ দিশত নাৰীজাতিটোৰ নিজস্ব দুৰ্বলতা কিছুমান নোহোৱা নহয় । এটা কথা ঠিক, কিছু কিছু প্ৰসঙ্গত কেতিয়াবা নাৰীয়েই নাৰী জাতিটোৰ প্ৰধান শত্ৰু স্বৰূপ হৈ পৰা দেখা যায় । দেখা যায় যে জীয়েকক টানকৈ এষাৰ কব নোৱাৰা একে গৰাকী মহিলাই নিজ বোৱাৰীয়েকক জুইত জ্বলাই মাৰিবলৈ কুণ্ঠাবোধ নকৰে (অৱশ্যে সকলোৰে ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়) । এনে ক্ষেত্ৰত নাৰী স্বাধীনতাৰ নামত গগণ কঁপাব বিচৰাসকলে নিজস্ব দুৰ্বলতাখিনিকহে প্ৰথমতে চালিজাৰি চোৱা উচিত ।

নাৰীমুক্তিৰ চিন্তা আগুৱাই নিয়াত প্ৰথম পদক্ষেপ গ্ৰহণ কৰে ইংৰাজ লেখিকা আৰু বাটকটীয়া নাৰীবাদী 'মেৰী ৱলষ্টন্ ক্ৰাফ্টে' । তেওঁৰ নাৰীবাদী চিন্তাৰে পৰিপুষ্ট "নাৰী অধিকাৰৰ আৱশ্যকীয়তাৰ প্ৰমাণ" নামৰ গ্ৰন্থখনক নাৰী আন্দোলনৰ বাইবেল বুলিব পাৰি । এই বিখ্যাত গ্ৰন্থৰ পাতে পাতে সোমাই আছে এগৰাকী অবিবাহিতা নাৰীয়ে জীৱিকাৰ সন্ধানত সন্মুখীন হোৱা উত্তপ্ত অভিজ্ঞতা আৰু নিঃস্বতাৰ বৰ্ণনা । সমসাময়িক নাৰীৰ সামাজিক অৱস্থানৰ একোখন নিৰ্মোহ ছবি ফুটি উঠিছিল মেৰীৰ নাৰীবাদী চিন্তাত । ইয়াৰ প্ৰাসঙ্গিকতাই বাৰে বাৰে দোহাৰিছে, বৰ্ত্তমান প্ৰচলিত নাৰীৰ ভ্ৰান্ত অনুশোচনা আঁতৰাই সঠিক শিক্ষা দি মুক্তিৰ আলোকেৰে মানৱীয় মৰ্যাদা অটুট ৰখাৰ প্ৰয়োজনীয়তাৰ কথা । সমগ্ৰ নাৰী জাতিটোৰ বাবেই প্ৰয়োজন হব উপযুক্ত নীতি সম্বলিত শিক্ষা, স্বাধীন উপাৰ্জনৰ উপায়, যাতে নাৰী কেৱল পুৰুষৰ ওপৰতে নিৰ্ভৰশীল হৈ থাকিব নালাগে আৰু নাৰীজাতিটোৱে যাতে সকলোধৰণৰ সামাজিক, ৰাজনৈতিক অধিকাৰ বজাই ৰাখিব পাৰে তাৰ নিশ্চয়তা । ব্যক্তিগত জীৱনৰ মাৰ্জিত ৰুচিবোধ আৰু শালীনতা বজাই ৰখাৰ ক্ষেত্ৰত নাৰী হ'ব লাগিব অতিশয় সচেতন । অন্যথা অৰ্দ্ধনগ্ন বিজ্ঞাপন, চুটি কাপোৰৰ প্ৰচলন আৰু যৌন উত্তেজক কাৰ্য্যতেই অধিক সময় মাতাল হ'ব ধৰা নাৰী জাতিৰ অংশবিশেষে "স্বাধীনতা"ৰ নামত সৃষ্টি কৰা আধুনিক আদৰ্শ তেনেই নিৰ্লজ্জ তথা অমূলক হ'ব ।

নাৰীৰ বাবে স্বাধীনতা এটা বিমূৰ্ত্ত ধাৰণা নহয় । ইয়াত সমতাৰ প্ৰশ্ন জড়িত হৈ আছে স্বাধীন স্বাৱলম্বী জীৱন-যাপন কৰাৰ লগত । সকলোৰে বাবে স্বাধীনতা মানে নিজ শক্তি অনুযায়ী জীৱিকা উপাৰ্জন কৰাকে ধৰি আনুষঙ্গিক সকলোবোৰ ক্ষেত্ৰতে শান্তিত থাকিব পৰাৰ দক্ষতা ।

আত্মনিৰ্ভৰশীল হৈ নিজৰ ভৰিত থিয় দিবলৈ নাৰীক প্ৰথমেই লাগিব উপযুক্ত শিক্ষা, বাস্তৱিক তথা তাত্বিক দিশৰ জ্ঞান, যুক্তিকৰ্ষণ, যাতে জীৱনৰ প্ৰতিটো মুহূৰ্ত্তে নিজাববীয়াকৈ চিন্তা কৰি ভাল বেয়া নিৰ্ণয় কৰাত নাৰী সজ পথত আগবাঢ়ি যাব পাৰে । তেতিয়াহে নাৰীয়ে মানৱ জাতিৰ প্ৰাথমিক অধিকাৰ- আত্মনিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰিব, য'ত নাৰী মানসিক ভাৱেও কাৰো ওপৰত নিৰ্ভৰশীল হোৱাৰ প্ৰয়োজনীয়তা নাথাকিব ।

✪✪✪

# ফুলগুৰিৰ প্ৰজা বিদ্ৰোহ

মন্দাকিনী বাজখোৱা
স্নাতক দ্বিতীয় বাৰ্ষিক
পুৱা শাখা

উনবিংশ শতাব্দীৰ দ্বিতীয় ভাগত অসমত কেইবাটাও কৃষক বিদ্ৰোহে দেখা দিছিল। ইয়াৰ ভিতৰত ফুলগুৰিৰ প্ৰজা বিদ্ৰোহ অন্যতম। ই পিছৰ বিদ্ৰোহ সমূহৰ বাটকটীয়া বুলি কব পাৰি।

ফুলগুৰি বিদ্ৰোহৰ মূল কথা ইংৰাজ চৰকাৰে আফুখেতি উঠোৱাটোৱেই বুলি কোৱা হয়। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ আৰু ১৮৬০ চনৰ জয়ন্তীয়া বিদ্ৰোহে ফুলগুৰিৰ কৃষক সকলক উৎসাহিত কৰিছিল। ফুলগুৰি হ'ল নগাঁৱৰ পশ্চিম ফালে ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত অৱস্থিত। নগাঁও চহৰৰ পৰা বাৰ কিলোমিটাৰ দূৰত দক্ষিণ-পশ্চিমত অৱস্থিত।

আহোম ৰাজত্ব কালত ৫জন ৰজা বা চৰ্দাৰে বৰবৰুৱাৰ অধীনত শাসনকাৰ্য্য চলাইছিল। ব্ৰহ্মপুত্ৰ আৰু কলঙৰ মাজৰ এই অঞ্চলত প্ৰচুৰ পৰিমাণে আফুখেতি হয়। সেই সময়ত অসমত উৎপাদিত আফুৰ সৰহভাগ ইয়াতেই উৎপাদিত হৈছিল।

চিপাহী বিদ্ৰোহৰ সময়ত মণিৰাম দেৱান ৰহাঁলৈ আহিছিল বুলি জনা যায়। তেওঁ ৰজা-পোৱালী আৰু লস্কৰ সকলৰ মাজত আলোচনা কৰি ইয়াত বাৰশ সৈন্য নিয়োগ কৰিছিল। কিন্তু মণিৰাম দেৱানক বন্দী কৰি ফাঁচী দিয়াত অসমত এই বিদ্ৰোহ হৈ নুঠিল। পিছত ১৮৬১ চনৰ প্ৰজা-বিদ্ৰোহত চিপাহী বিদ্ৰোহে অনুপ্ৰেৰণা দিলে। কানি হ'ল এবিধ নিচাযুক্ত দ্ৰব্য ঔষধি। স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনত প্ৰথম কানি খেতি কৰা হয়। ই সম্ভ্ৰান্ত পৰিয়ালৰ বিলাসৰ সামগ্ৰী হিচাপে ব্যৱহৃত হয়। সাধাৰণ মানুহে প্ৰথমে কানি ঔষধ হিচাপে ব্যৱহাৰ কৰিছিল। পিছত ই আই সেৱা আৰু ভকত-সেৱাতো ব্যৱহাৰ হ'বলৈ ধৰে। পিছত সৰ্বসাধাৰণ ৰাইজেও মাদক দ্ৰব্য হিচাপে ইয়াক ব্যৱহাৰ কৰে। ক্ৰমান্বয়ে কানিৰ সেৱন ইমান বেছি হয় যে ৰজা ঘৰৰ পৰা ইয়াৰ প্ৰচলন বন্ধ কৰিবৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। অৱশ্যে মানসকলৰ শাসনৰ সময়ত পুৰণি শাস্তি বিধান বন্ধ কৰা হ'ল, কাৰণ তেতিয়া কানি খোৱা সাৰ্বজনীন অভ্যাসত পৰিণত হৈছিল।

কানি সেৱনে অসমীয়া সমাজৰ ৰাজহাড় ভাঙিলে। পৰিশ্ৰমী, উদ্যমশীল অসমীয়া জাতি ভয়াতুৰ, দুৰ্বল, সোবোপা আৰু অধঃপতিত হ'ল। মানুহে নিজৰ ঘৰৰ বাচন-বৰ্তন বিক্ৰী কৰি, নিজৰ ল'ৰা-ছোৱালী বন্ধকত দি আৰু তাতোকৈ নীচ কাম কৰিও কানি খাবৰ কাৰণে খৰছৰ যোগাৰ কৰিবলৈ ললে।

আফুগছৰ পৰা কানি আহৰণ কৰা হয়। অন্য খেতিতকৈ কানি খেতি কৰিবলৈ কষ্ট কম হয়। আফু বনজাতীয় ওখ এৰিধ গছ। আফুগছত হোৱা ফলত কটাৰীৰ আঁকদি ফটা কাপোৰ মেৰিয়াই থোৱা হয়। ফটাকানিৰ পৰা 'এক্ৰাই' ইয়াক সংগ্ৰহ কৰা হয়। ইয়াত ঔষধি গুণ আৰু মাদক দ্ৰব্যৰ গুণ বেছি।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাছত চৰকাৰৰ ৰাজহৰ ভঁড়াল উদং হৈ পৰে। ইয়াক পূৰাবৰ বাবে বিভিন্ন ধৰণৰ কৰ-কাটল জনসাধাৰণৰ ওপৰত আৰোপ কৰে। নগাঁৱৰ ৰাইজে অন্য কৰৰ উপৰিও জনমূৰী কৰ, গৃহকৰ, নাঙলৰ কৰ আদি দিবলগা হৈছিল। সেই সময়ত অসমৰ আয়ুক্ত হপ্‌কিন্‌চে চাহাবে পান-তামোল আদি লাগনি গছৰ ওপৰত কৰ নিৰ্দ্ধাৰণৰ প্ৰস্তাৱ কৰে। তদুপৰি চৰকাৰে কানিৰ ব্যক্তিগত উৎপাদন বন্ধ কৰিবৰ বাবে আফুখেতি কৰা মাটিত ৰাজহৰ পৰিমান বঢ়াই দিয়ে। নগাঁও জিলাৰ প্ৰতিপুৰা মাটিত শতকৰা ৩৬% ভাগ ৰাজহ বৃদ্ধি কৰা হয়। প্ৰতিসেৰ কানিৰ ওপৰত ১৪টকাৰ পৰা ২০টকালৈ দাম বঢ়োৱা হ'ল। আফুখেতি কৰা মাটিত প্ৰতিপুৰাত ১০টকাকৈ



খাজানা লগোৱা হ'ল। নগাঁৱৰ কালেক্টৰে এই খেতি লাহে লাহে কমাই আনি শেষত সম্পূৰ্ণ বন্ধ কৰাৰ চেষ্টা কৰিলে। কৃষক সকল ইয়াত ক্ষুন্ন হ'ল।

ফুলগুৰি প্ৰজা বিদ্ৰোহৰ কাৰণ কেৱল একমাত্ৰ কানি খেতি বন্ধ কৰাটোৱেই নহয়। এই বিদ্ৰোহৰ কাৰণসমূহ হ'ল - (১) কানি খেতি বন্ধ কৰা, (২) আফুখেতি কৰা মাটিত ৰাজহ বৃদ্ধি কৰা আৰু কানিৰ দাম বৃদ্ধি, (৩) তামোল-পাণৰ ওপৰত কৰ লগোৱা প্ৰস্তাৱ আৰু অন্যান্য বৰ্দ্ধিত হাৰৰ কৰ আৰোপ, (৪) ৰহা মহলৰ ৰাইজৰ স্বাৰ্থৰ পৰিপন্থী মাটিৰ পট্টা আবন্টন, (৫) খৃষ্টান মিচনেৰীৰ খৃষ্টান ধৰ্ম প্ৰচাৰ আৰু (৬) অসমত বঙলা ভাষাৰ প্ৰচলন। এই বিদ্ৰোহৰ তৎকালীন কাৰণটো হ'ল, চিংগাৰ চাহাবৰ হিন্দু ধৰ্মৰ প্ৰতি হেয় জ্ঞান আৰু নামঘৰৰ সিংহাসনত বহা।

১৮৬০ চনত কানি খেতি বন্ধ কৰাৰ প্ৰতিবাদত ফুলগুৰি অঞ্চলত প্ৰৱল জনমত গঢ়ি উঠিল। নগাঁৱত বিভিন্ন সভা-সমিতি পাতি ইয়াৰ প্ৰতিবাদ কৰি জনমত তৈয়াৰ কৰা হ'ল। সেই সময়ত নগাঁৱৰ উপায়ুক্ত স্কন্‌চ্‌ চাহাব আছিল। ৰাইজে বৰ্দ্ধিত হাৰৰ কৰ, তামোল-পাণৰ ওপৰত লগোৱা কৰ আৰু আফুখেতি বন্ধ কৰাৰ নিৰ্দেশ খাৰিজৰ বাবে আবেদন জনালে। কিন্তু উপায়ুক্ত লেফ্‌টেনেন্ট স্কন্‌চ্‌ চাহাবে আৰ্জি শুনক চাৰি দুৰ্ব্যৱহাৰহে কৰিলে। এই আৰ্জি ১৮৬১ চনৰ ১৭ ছেপ্তেম্বৰ তাৰিখে বৰচাহাবক দাখিল কৰা হৈছিল। অসন্তুষ্ট ফুলগুৰিৰ ৰাইজে ১৫ অক্টোবৰৰ পৰা ৫ দিন ধৰি ৰাইজ-মেল পাতিলে। নগাঁৱৰ দূৰ-দূৰণিৰ পৰা হাজাৰ হাজাৰ লোক এই মেলত উপস্থিত হ'ল আৰু চৰকাৰী নীতিৰ প্ৰতিবাদ জনালে। ফুলগুৰি ৰাইজৰ মেলৰ বাতৰি উপায়ুক্ত চাহাবৰ কাণত পৰিল। তেওঁ নিজেই ফুলগুৰিলৈ আহিল। গড়মূৰৰ নামঘৰত সেই সময়ত ৰাইজে চৰকাৰী নীতিৰ প্ৰতিবাদ সম্পৰ্কত আলোচনা কৰি আছিল। বৰচাহাব আহি নামঘৰত প্ৰৱেশ কৰিলে আৰু ৰাইজক হেয় জ্ঞান কৰি নামঘৰৰ সিংহাসনত বহি জ্বলা জুইত ঘিউ ঢালিলে।

ধৰ্মপ্ৰাণ ৰাইজ ইয়াত বিচলিত হ'ল আৰু চাহাবক বধিবৰ বাবে আলোচনা কৰিলে। উপায়ুক্তই ৰাইজৰ অনুভূতিক হয়তো এতিয়া উপলব্ধি কৰিলে। তেওঁ ৰাইজক ইয়াৰ মীমাংসাৰ বাবে ফুলগুৰিলৈ মাতিলে। কিন্তু সেই আলোচনাত বৰচাহাব স্কন্‌চ্‌ নগৈ সহকাৰী আয়ুক্ত চিংগাৰ চাহাবক পঠিয়ালে। যাঠি, লাঠি আৰু টঙালি দেখি চিংগাৰ চাহাব খঙত জ্বলি উঠিল আৰু চিপাহীক ৰাইজৰ লাঠি আদি কাঢ়ি নিবলৈ ক'লে। চিপাহী সকলে লাঠিবোৰ কাঢ়ি নিলে। এনে অৱস্থাত ৰাইজ বিচলিত হ'ল আৰু তেওঁলোকৰ মাজৰ এজনে চিংগাৰ চাহাবৰ মূৰত এটা পূৰ্ণহতীয়া কোৰ সোধালে। চিপাহী আৰু ৰাইজৰ মাজত হতাহতি যুদ্ধ আৰম্ভ হ'ল। চিপাহীয়ে পিছত গুলি বৰষিলে যদিও কৃতকাৰ্য্য নহ'ল। ৰাইজৰ লাঠিৰ প্ৰহাৰত টিকিব নোৱাৰি চিপাহীবোৰ পলাই গ'ল। আধামৰা চিংগাৰ চাহাবক বগৰাই নি কলঙত পেলাই দিয়া হ'ল। ৰাইজৰ এদল চহৰলৈ ঢাপলি মেলিলে আৰু ইংৰাজৰ খাৰঘৰ, চন্দুক পৰ্য্যন্ত ভাঙি পেলালে আৰু আন এদল ৰাইজৰ সৈন্য ৰহা থানালৈ দৌৰিবলৈ ধৰিলে। ৰহা থানাত সেই সময়ত ডাৰোগা আছিল গোপাল সিং। তেওঁলোকে থানাৰ ভিতৰতে গোপাল সিঙক হত্যা কৰিলে।

ফুলগুৰিৰ ধেৱাই বৃটিছ কৰ্তৃপক্ষক শংকিত কৰি তুলিলে। চিংগাৰ চাহাবৰ অভাৱনীয় মৃত্যুত নগাঁৱৰ উপায়ুক্ত জ্বলি উঠিল। তেজপুৰৰ পৰা কেম্পবেল চাহাব আৰু গুৱাহাটীৰ পৰা হপকিনচন চাহাবে সৈন্য পঠালে এই বিদ্ৰোহ দমনৰ বাবে। কাৰণ চিংগাৰক মৰাৰ পাছত ঘাঁহী আৰু ডিমৌত যি ৰণ হৈছিল তাতো ভালেমান ইংৰাজ চিপাহী নিহত হৈছিল যদিও ৰাইজৰ মৃতকৰ সংখ্যা অধিক আছিল।

চিংগাৰ চাহাবক মৰাৰ কেইদিনমানৰ পাছত ফুলগুৰিৰ ৰাইজে পৰিস্থিতি আলোচনাৰ বাবে আকৌ এক বিৰাট ৰাজহুৱা সভা পাতিলে। গোপন ভাবে পতা এই সভাৰ কথা চোৰাংচোৱাৰ পৰা কৰ্তৃপক্ষই জানিব পাৰি খবৰ পোৱাৰ লগে লগে ফুলগুৰিলৈ চিপাহী প্ৰেৰণ কৰিলে। লগে লগে সভাস্থলী ঘেৰাও কৰি পেলালে। কেপ্তেইনে আদেশ দিলে সভা ততালিকে ভঙ্গ কৰিবলৈ আৰু ইয়াতেই ক্ষান্ত নাথাকি তেওঁ নিৰস্ত্ৰ জনতাৰ ওপৰত গুলি বৰ্ষণৰ হুকুম দিলে। চল্লিশজন লোকৰ ঘটনাস্থলীতে মৃত্যু হ'ল।

লাঠিৰ প্ৰহাৰ, গুলি আৰু বুটজোতাৰ গচকত শ শ ফুলগুৰিৰ ৰাইজ চিৰদিনৰ বাবে ঘূণীয়া হ'ল। এই হত্যাকাণ্ডৰ পাছত প্ৰজাৰ ওপৰত নিৰ্মম অত্যাচাৰ আৰম্ভ হ'ল। বছা বছা ৬০ জনক নি কাৰাগাৰত ভৰোৱা হ'ল। বাকী বিলাকক গৰাল সাজি তাৰ ভিতৰত সুমুৱাই ৰাখিলে। অকল ফুলগুৰি অঞ্চলৰ প্ৰজাই এই অত্যাচাৰৰ বলি হোৱা নাছিল। সমস্ত নগাঁৱৰ পৰা মানুহ ধৰি আনি মুকলি আকাশৰ তলত গৰালত সুমুৱাই থোৱা হৈছিল। ৰ'দ বৰষুণ মূৰৰ ওপৰেদি বাগৰি থাকিল। পশু-পক্ষীৰ দৰে জীৱন কটালে এই দুৰ্ভগীয়া বন্দীবোৰে। মৰাশৰ দুৰ্গন্ধত ফুলগুৰিত থাকিব নোৱাৰা হ'ল। ভালেকেইদিনৰ পাছত মৰাশবোৰ সৎকাৰৰ আদেশ দিলে। অৰণ্যৰ মাজত এখন বিলৰ পাৰত এইবোৰ পোৰা হৈছিল। আজিও সেই বিল মৰাশ পোৰা বিল নামে জনাজাত হৈ আছে।

বিদ্ৰোহৰ পাছত ৬ মাহ ধৰি ইংৰাজ চিপাহীয়ে ফুলগুৰি আৰু ৰহাত ছাউনী পাতি ৰাইজৰ ওপৰত নিৰ্মম নিৰ্যাতন চলালে। লুটপাত, সতীত্ব হৰণ একোৱেই বাকী নাথাকিল। ফুলগুৰিৰ খেৰাত অসংখ্য জনগণ হত্যা, লুন্ঠন আদিৰ সন্মুখীন হৈছিল যদিও এই বিদ্ৰোহৰ সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ বৃটিচ চৰকাৰে সন্মুখীন হ'বলগা হ'ল। এই বিদ্ৰোহে অসমৰ অন্যান্য কৃষক বিদ্ৰোহ সমূহৰ কাৰণে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত পথৰুঘাট, ৰঙিয়া, ৰৰমা আদিৰ কৃষক-বিদ্ৰোহৰ বাট মুকলি কৰি দিলে।

□□□

*গ্ৰন্থপঞ্জী ঃ*


১) Comprehensive History of Assam - Vol V
২) *মণিকোঁৱৰৰ আখ্যান - লক্ষ্মীসিংহ ডেকা*
৩) *আধুনিক বিশ্ব আৰু অসমৰ বুৰঞ্জী - অধ্যাপিকা চেনেহী বেগম*




*জ্যোতিপ্ৰসাদৰ অভিনৱ সৃষ্টি ঃ*

# "কাৰেঙৰ লিগিৰি"


ৰোমা কাকতি
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা


অকল কল্পনাৰে নহয়, বাস্তৱৰ বিভিন্ন সংঘাতৰ মাজেদি ধনীৰ দুলাল জ্যোতিপ্ৰসাদ ওলাই আহিছিল সেই দিনৰ অট্টালিকা সদৃশ ঘৰৰপৰা ৰাজনীতি, সমাজনীতি, সংস্কৃতি, সাহিত্য সকলোতে বিপ্লৱ আনিবলৈ। বিপ্লৱ আছিল যাৰ জীৱনৰ আদৰ্শ, প্ৰগতিৰ চিন্তা আছিল যাৰ কৰ্মপ্ৰেৰণা, সেই জ্যোতিপ্ৰসাদেই দেখুৱাই থৈ গ'ল শিল্প-সংস্কৃতিৰ সাধনাৰ পথ, আদৰ্শবাদ প্ৰতিষ্ঠাৰ বাটত থকা হেঙাৰ অতিক্ৰম কৰিবলৈ, আদৰ্শবাদৰ ভেটিটেই আজীৱন যুঁজি জীৱন আহুতি দিবলৈ। এনে বিপ্লৱী মণীষাৰে প্ৰতীক হিচাপে জ্যোতিপ্ৰসাদে সৃষ্টি কৰিলে 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰক। 'কাৰেঙৰ লিগিৰী'খন প্ৰতিষ্ঠিত হ'ল ব্যক্তি মনৰ সংঘাতৰ ওপৰত।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয় নাটক 'কাৰেঙৰ লিগিৰী' বহুতো নাট্যগুণৰ বাবে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত এখন বিশিষ্ট নাটক। ইয়াৰ কাহিনীভাগ যৌৱন সুলভ পাৰভঙা প্ৰেমৰ আৱেশেৰে আৰ্দ্ৰ। জ্যোতিপ্ৰসাদে আধুনিকতাৰ ঐশ্বৰ্য্যৰে আধুনিক অসমীয়া নাটকৰ জন্ম দিছিল। জ্যোতি প্ৰসাদেই প্ৰথম নাট্যকাৰ যাৰ নাটকত বিষয়বস্তু, ভাৱবস্তু আৰু ৰূপবস্তুৱে নতুন ৰূপত ধৰা দিলে। তাৰোপৰি তেওঁৰ নাটকত দেখা যায় বিশালত'ৰ সাহিত্যাদৰ্শ আৰু বিপুলায়তন কালচেতনা। জ্যোতিপ্ৰসাদৰ বিশাল সৃজনী প্ৰতিভাৰ বোল লাগি প্ৰতিখন নাটকেই একোটা নতুন আৰু পৃথক সাহিত্যা-দৰ্শক প্ৰকাশলৈ আনিছে। জ্যোতিপ্ৰসাদৰ সুদূৰ প্ৰসাৰী কল্পনা আৰু সৃজনীশীলতাৰ বাবেই "কাৰেঙৰ লিগিৰী" নাটকত সমাবেশ ঘটিল ইবছেনীয় উষ্মা, শ্বেক্সপীয়েৰীয় ট্ৰেজিক আবেদন আৰু বেজবৰুৱাৰ জয়মতী নাটকৰ ৰোমান্টিক পৰিবেশ পুষ্ট স্বপ্ন মধুৰতাৰ। দেশী-বিদেশী এই তিনিটা ভাবাদৰ্শৰ অপূৰ্ব সমন্বয়ত মৌলিক নাটক হিচাপে সফল হৈ উঠিল 'কাৰেঙৰ লিগিৰী'। ইব্‌ছেনৰ নতুন সমাজ, শ্বেক্সপীয়েৰৰ সামন্ত সমাজ আৰু বেজবৰুৱাৰ জয়মতীৰ ৰোমান্টিকতাৰে ৰঞ্জিত ইতিহাসকালীন সমাজ এই তিনিটাৰ দ্বন্দমুখৰ পৰিস্থিতিত 'কাৰেঙৰ লিগিৰী'ত উজ্জল হৈ উঠিল সমস্যা- জৰ্জৰ এখন বাস্তৱ সমাজ। ৰংগমঞ্চৰ উপযোগী গধুৰ সমস্যামূলক নাটক বুলিবলৈ হলে "কাৰেঙৰ লিগিৰী" কে প্ৰথম বুলিব পাৰি।

"কাৰেঙৰ লিগিৰী" ৰ মূল চৰিত্ৰ সুন্দৰ কোঁৱৰ আৰু শেৱালী। অভিজাত পৰিয়ালৰ ৰাজকোঁৱৰ নায়ক আৰু সাধাৰণ শ্ৰেণীৰ পৰা অহা সামান্য এজনী লিগিৰী নাটৰ নায়িকা। এই দুই চৰিত্ৰৰ আশে-পাশে আছে ৰাজমাও, কাঞ্চন কুঁৱৰী, অনঙ্গৰাম, সুদৰ্শন আদি অভিজাত চৰিত্ৰ আৰু ৰেৱতী, বপুৰাৰ দৰে সাধাৰণ লোকৰ চৰিত্ৰ। প্ৰকৃততে এই দুই শ্ৰেণীৰ মাজত থকা অকথিত সংঘাতেই নাটৰ কাহিনী ভাগ সৃষ্টি কৰিছে। সুন্দৰ কোঁৱৰৰ মাজত "ৰাজনীতি আৰু সমাজনীতিৰ দুস্কৃতিৰ লগত মানৱতা আৰু প্ৰেমৰ অন্তৰ-সংস্কৃতিৰ সংঘৰ্ষ" ফুটি উঠা দেখা যায়। ৰাজকোঁৱৰ সুন্দৰৰ মন অধ্যয়নপুষ্ট জ্ঞানেৰে চহকী। তেওঁৰ সংস্কাৰমুক্ত মুকলিমনে সমাজৰ ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠানক মূল্য দিব নোখোজে। প্ৰকৃততে কোঁৱৰ আছিল প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এছাটি কোবাল বতাহৰ দৰে। প্ৰেম, মৰম, কৰুণা আদি কোমল অনুভূতিক হৃদয়ৰ চাৰিসীমাৰ বাহিৰত থোৱা এই যুৱকজনক প্ৰথম দৰ্শনতনিষ্প্ৰান যেন বোধ হয়, যেন যুৱা-বয়সৰ সকলো স্বাভাৱিক অনুভূতিৰ পৰাই তেওঁ বহুত আঁতৰত লিগিৰী শেৱালীৰ শান্ত-নীৰৱ পৰিচৰ্য্যাৰ আঁৰত থকা মৰমভৰা হিয়াখনে

কোঁৱৰক কেতিয়া কেনেকৈ বান্ধি পেলালে সেইকথা তেওঁ নিজেও নাজানিলে । কোঁৱৰৰ সদায়ে বিবাহৰ প্ৰতি অনীহা। ৰাজমাওৰ প্ৰবল ইচ্ছা নিজৰ যুক্তিৰ জালেৰে ছিন্ন কৰি বিবাহৰ বান্ধোনত নোসোমোৱা সুন্দৰে শেষত নিজৰ আদৰ্শ এৰি কেৱল মাতৃৰ শান্তিৰ বাবেহে বিয়া কৰালে কাঞ্চন কুঁৱৰীক । বিয়াৰ পিছত কাঞ্চন কুঁৱৰীৰ পূৰ্ব প্ৰণয়ৰ বিষয়ে জানিব পাৰি পূৰ্ব-প্ৰেমিক আৰু সুন্দৰৰ বন্ধু অনঙ্গৰামক মাতি কোঁৱৰে কাঞ্চনক তেওঁৰ হাতত সমৰ্পণ কৰে । এই ঘটনাই ৰাজমাওৰ সন্দেহক দৃঢ় বিশ্বাসত পৰিণত কৰালে যেন শেৱালীৰ লগত থকা গোপন প্ৰণয়হে কোঁৱৰৰ সকলো উদ্ভট কাৰ্য্যৰ গুৰি । সেয়ে কোঁৱৰৰ অজ্ঞাতে শেৱালীক নিৰ্বাসন দিয়া হ'ল নগা পাহাৰলৈ । ইয়াৰ পিছতহে সুন্দৰ কোঁৱৰে সচেতন মনেৰে উপলব্ধি কৰিছে শেৱালীৰ প্ৰতি থকা তেওঁৰ মৰমৰ অনুভৱ । এই মৰম প্ৰেম আৰু নিৰ্ভৰতাৰ মিশ্ৰিত ফল, লগতে আছে ৰজাঘৰীয়া মিছা ভেম আৰু ৰোষৰ বলি হোৱা নিষ্পাপ ছোৱালীজনীৰ প্ৰতি থকা সৰল হৃদয়ৰ অনুকম্পা । নগা পাহাৰৰ বিজন বুকুত সুন্দৰ কোঁৱৰে শেৱালীক বিছাৰি গৈও নাপালে, তাই আত্মবিসৰ্জন দিলে নিজৰাৰ বুকুত । কোঁৱৰৰ জীৱন-যজ্ঞত তাইৰ জীৱনেৰে আহুতি দি শেৱালীয়ে সুন্দৰক দি গ'ল অনন্যসাধাৰণ এক উপলব্ধি । যি জন সুন্দৰে "পদুম পাতৰ পানীৰ দৰে তিৰোতা মোৰ জীৱনলৈ আহিলে-গ'লেও মোক তিয়াব নোৱাৰে" বুলি অহংকাৰ কৰিছিল, সেই সুন্দৰে বিছাৰি পালে "তিৰোতাৰ অন্তৰৰ গুপুত সৌন্দৰ্য্যৰ নিৰ্জন খনি পোহৰাই জ্বলি থকা" শুভ্ৰ ভালপোৱাৰ সন্ধেদ ।

ৰাজকোঁৱৰ সুন্দৰৰ বিপৰীতে লিগিৰী শেৱালী এছাটি শান্ত মলয়াৰ দৰে ধীৰ আৰু জুৰ । তাইৰ অন্তৰ কোঁৱৰৰ বেদীত ধূপৰ দৰে জ্বলে । নাট্যকাৰৰ সযত্ন বৰ্ণিত তাইৰ ৰূপৰ স্নিগ্ধ আভাই চকু চাট মাৰি নধৰে, হৃদয়ক শীতলহে কৰে । কোঁৱৰৰ প্ৰতি থকা তাইৰ নীৰৱ ভালপোৱাত স্বাৰ্থৰ গোন্ধ নাই । শেৱালীৰ নিষ্পাপ ভালপোৱাৰ উপযুক্ত সংজ্ঞা এটি পোৱা যায়-সুন্দৰৰ বন্ধু সুদৰ্শনৰ উক্তিত-"জোনটোক যেনেকৈ মানুহে ভাল পায়, কিন্তু তাক পাবলৈ আকাঙ্খা নকৰে, পোৱা অসম্ভৱ বুলি জানে,কিন্তু তাৰ শীতল কিৰণত ফুৰি আনন্দ পায়, সেইদৰে তায়ো তোমাক পাবলৈ কেতিয়াও আকাঙ্খা নকৰে, কিন্তু তোমাৰ মৰমৰ উমনিৰ সপোন দেখি বলিয়া হৈ থাকে ।" নিৰ্বাসিতা শেৱালীৰ আপোন পাহৰা সংলাপৰ মাজতো তাইৰ বুকুৰ অতলৰ পৰা ওলোৱা প্ৰেমৰ নিজৰা বৈ আহিছে-"তুমি নুবুজা নহয় মোৰ তোমালৈ কিমান মৰম । মোৰ বুকুৱে নধৰে, মোৰ মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে । কিমান মৰম ।" কোঁৱৰৰ চৰণ চিন্তি শেৱালীয়ে অৰ্জন কৰিছে মৃত্যুভয়কো তুচ্ছ কৰা অপৰিসীম সাহস আৰু ইয়াৰ ফলশ্ৰুতিতেই নিজৰাৰ পানীত তাই আত্মবিসৰ্জন দিয়ে । কোঁৱৰলৈ এৰি গ'ল-ৰঙা ৰঙা এমুঠি ফুল-তাইৰ প্ৰেমভৰা ৰাঙলী হিয়াৰ প্ৰতীক ৰূপে ।

শেৱালী যেন এপাহি নিয়ৰত তিতা শেৱালীহে, নিশা ফুলি নিশাতেই সুৰভি বিলায়, পুৱালৈ যাৰ স্থান হয় দুবৰিৰ বুকুত । জ্যোতিপ্ৰসাদৰ নাটসমূহৰ ভিতৰত শেৱালীয়েই সৰাতোকৈ বৈশিষ্ট্যপূৰ্ণ নাৰী চৰিত্ৰ । এফালে কৰুণ কোমল সৌন্দৰ্য্যৰে আলসুৱা, আনফালে মনৰ দীপ্তিৰে দীপ্তিময়ী । কঠিনে কোমলে মিলি শেৱালী হৈ উঠিছে "কাৰেঙৰ লিগিৰী" নাটৰ অন্যতম আকৰ্ষণ । অন্য দুটি নাৰী চৰিত্ৰ কাঞ্চন কুঁৱৰী আৰু ৰাজমাও নিজ নিজ সামাজিক মৰ্য্যাদাৰে সীমাৰেখাৰ ভিতৰত স্ব-মহিমাৰে প্ৰতিষ্ঠিতা । অভিজাত পৰিয়ালৰ আচাৰ-বিচাৰ, সন্মান আৰু কৰ্ত্তব্যৰ প্ৰতি দুয়ো সচেতন । সমাজৰ নিয়ম ভাঙি পিতৃ-মাতৃৰ মতৰ বিৰুদ্ধে যাবলৈ কাঞ্চনৰ সাহসৰ অভাৱ নাই যদিও, ৰুচিবোধৰ অভাৱ আছে । তেওঁ বিচাৰে প্ৰচলিত সমাজ ব্যৱস্থাক মানি লৈ সু শৃংখল জীৱন যাপনৰ সুযোগ । সদায় সোঁতৰ বিপৰীতে খোজ বাঢ়িবলৈ বিচৰা সুন্দৰ কোঁৱৰে সমাজৰ ৰীতি উলঙ্ঘন কৰি বিবাহিতা পত্নীক পূৰ্ব প্ৰেমিকৰ হাতত তুলি দি "পুৰণি জীৱন পাহৰি গৈ ন জীৱন ন দেশত আৰম্ভ কৰাগৈ" বুলি ৰাজ অধিকাৰেৰে নিৰ্বাসন দণ্ড দিয়া কাৰ্য্যক কাঞ্চন কুঁৱৰীৰ সমাজ-সচেতন মনে সহজে মানি ল'ব পৰা নাছিল আৰু সেয়ে কাঞ্চন কুঁৱৰীয়ে বিহ খাই আত্মহত্যা কৰিলে ।



'কাৰেঙৰ লিগিৰী নাটখনিৰ প্ৰতিটো চৰিত্ৰৰ পৰিস্ফুটনত গভীৰ ভাৱে সহায় কৰিছে ইয়াৰ সংলাপসমূহে । সুন্দৰ-শেৱালী-কাঞ্চন এই ঘাই তিনি চৰিত্ৰৰ বাদে ৰাজমাও ৰ কথোপকথনত সম্ৰান্ত মহিলা অথচ দায়িত্বশীলা মাতৃৰ ছবি আৰু সুন্দৰ-অনঙ্গৰ মাজত ফুটি উঠিছে অভিজাত যুৱকৰ চিত্ৰ । গভীৰ ব্যক্তিত্বসম্পন্ন ৰাজমাওৰ চৰিত্ৰটিৰ মাজত ৰাজকীয় মৰ্য্যাদাবোধ আৰু মাতৃসুলভ মমতামিহলি দায়িত্বৰ মিশ্ৰণ দেখা যায় । সুদৰ্শনে বহুক্ষেত্ৰত সুন্দৰৰ বিবেকৰ পৰিচালনা-শক্তি ৰূপে কাম কৰিছে। তেওঁ ধীৰ স্থিৰ, বন্ধুৰ প্ৰকৃত হিতাকাঙ্খী আৰু সমাজ ব্যৱস্থাৰ প্ৰতিও সজাগ । তেওঁৰ তুলনাত অনঙ্গৰামৰ চৰিত্ৰ নিষ্প্ৰভ । কাৰণ এইটি চৰিত্ৰৰ সাহসৰ অভাৱ । সুন্দৰৰ দ্বাৰা নিৰ্বাসিত হোৱাৰ পিছত নগাপাহাৰৰ বুকুত অনঙ্গৰ এক নতুন ৰূপ দেখা যায় । এই ৰূপ বহু সংঘাত পাৰ হৈ অহাৰ পিছত জীৱনক চিনি পোৱাৰ অথবা নিজকে উপলব্ধি কৰাৰ শান্ত-সমাহিত ৰূপ । এই ৰূপতে প্ৰেয়সীক হেৰুৱাই উন্মাদ হোৱা নগা ল'ৰা এটিক অনঙ্গই যি বুজনি দি তাৰ মনলৈ হেৰোৱা উলাহ ঘূৰাই আনিছে-সি আগৰ প্ৰেমিক অনঙ্গৰ বাবে সম্ভৱ নহ'লহেঁতেন । প্ৰকৃতিৰ বুকুত নিতে নৱ পাঠ গ্ৰহণ কৰি অনঙ্গই নতুন জনম লাভ কৰিলে।

'কাৰেঙৰ লিগিৰী' নাটখনিৰ প্ৰতিটি নাটকীয় উপাদান মিলি ইয়াৰ সামগ্ৰিক সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে । নাটখনিৰ মূল গুণসমূহ হ'ল-নাটকীয় অভিনৱত্ব, কলাকৌশলৰ পৰিপাট্য, কাহিনী উপস্থাপন আৰু চৰিত্ৰ বিন্যাসৰ স্বাভাৱিকতা । 'কাৰেঙৰ লিগিৰী" নাটকৰ বিষয়বস্তু ইতিহাসৰ ওপৰত ঠিয় কৰোৱা হৈছে। কিন্তু ৰূপায়ণ-ৰীতিৰ ক্ষেত্ৰত ই সম্পূৰ্ণৰূপে আধুনিক, ৰসৰ ক্ষেত্ৰত ই ৰোমান্টিক আৰু ভাৱৰ দিশত আধুনিক । সেই বাবেই কাৰেঙৰ লিগিৰী নাটকত অসমীয়া সাহিত্যৰ ৰোমান্টিকতাৰ শেষ মূৰ্চনা আৰু আধুনিকতাৰ সূচনাৰ অভাস দেখা যায় । ভাৱৰ বিচিত্ৰতা, অনুভূতিৰ সুক্ষ্মতা, আবেগৰ তীব্ৰতা আৰু কোমল তাৰ অনুপম ৰূপায়ণৰ বাবে কাৰেঙৰ লিগিৰী নাটকত কাব্যিকতা ইমানেই উপচি আছে যে, গোটেই নাটখনেই যেন এটা দীঘল কাহিনী-কবিতা । নাটখনিৰ মোহনীয়তা বৃদ্ধি কৰিছে ইয়াৰ কবিত্বময় ভাৱৰ ঐশ্বৰ্য্যই । ক'তো উজুটি নোখোৱা কাহিনীৰ কৰুণান্তক পৰিণতিয়ে পাঠকৰ মনত গভীৰ ভাৱে ৰেখাপাত কৰে। নাটখনত এটি কলাসুলভ সৌন্দৰ্য্য বিৰাজমান । এই সৌন্দৰ্য্য হাঁহিৰে, চকুপানীৰে, চিন্তাৰ অৱকাশেৰে সমৃদ্ধ । এনে বহু কাৰণতেই 'কাৰেঙৰ লিগিৰী' অসমীয়া সাহিত্যত এক যুগান্তকাৰী সৃষ্টি আৰু অসমীয়া নাট্য সাহিত্যত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অভিনৱ সৃষ্টি " কাৰেঙৰ লিগিৰী" সদায় একক আৰু অনন্য ।

*সহায়ক গ্ৰন্থ ঃ*


১। অসমীয়া সাহিত্যৰ ৰূপৰেখা

২। অসমীয়া সাহিত্যত এভুমুকি

৩। অসমীয়া সাহিত্যৰ ৰূপ-ৰস

৪। চিন্তাৰ আভাস


□□□□□

*বিহঙ্গম দৃষ্টিত সৰ্বকালৰ জনপ্ৰিয় সাহিত্য ঃ*

# এন্ ফ্ৰাঙ্কৰ ডায়েৰী

নিৰ্মালি বৰা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
দিবা শাখা

মানুহে জীৱনত বহুতো কিতাপ পঢ়িব পাৰে। কিন্তু তাৰে ভিতৰত কিছুমান এনে কিতাপ আছে যিবোৰ পঢ়িলে মনলৈ আহে ঃ

*" যিমানে নুবুজা হওঁ তথাপি শুনিলে*
*ভাল গীতে হৃদয় জুৰাব,*
*যিমানে নজনা হওঁ চকুত পৰিলে*
*ভাল ছবি মনত সোমাব ।"*

এই কথাফাঁকিৰ দৰে জীৱন-প্ৰদীপত নতুন আৰু চিৰ জ্বলমান ইন্ধন যোগোৱা তেনে এখন কিতাপ হৈছে-"এন্ ফ্ৰাঙ্কৰ ডায়েৰী ।"

দৰাচলতে এন্ ফ্ৰাঙ্ক নামৰ ছোৱালী এজনীৰ দিনপঞ্জী খনকে কিতাপৰ আকাৰ দিয়া হৈছে । তাই তাইৰ ত্ৰয়োদশ জন্মদিনত মাক-দেউতাকৰ পৰা এখন ডাঠ বকলাৰে মেৰিওৱা ডায়েৰী উপহাৰ পালে । ডায়েৰীখন পাই তাই খুব আনন্দিত হ'ল । আগতে ডায়েৰী লিখাৰ অভ্যাস নাছিলে যদিও ডায়েৰীখনকে অন্তৰঙ্গ বন্ধু পাতি নাম দিলে-"কিট্টী" আৰু এই কিট্টীক সম্বোধি জীৱনৰ সকলো সৰু-বৰ 'তিতা মিঠা'সোৱাদৰ অভিজ্ঞতা লিখি গ'ল । এই বয়সৰ ল'ৰা-ছোৱালীয়ে সকলো কথা পাতিবলৈ এজন অন্তৰঙ্গ আৰু নিৰ্দিষ্ট বন্ধু বিচাৰে । এনে নিজেই লিখি গৈছে যে তেওঁৰ অতি মৰমিয়াল মাক-দেউতাক, এজনী কাণ-সমনীয়া বায়েক, বান্ধৱী আৰু এজাক ল'ৰা বন্ধু আছিল । কিন্তু সকলোৰে লগত এটা নিৰ্দিষ্ট সীমাৰ ভিতৰতহে কথা পাতিব পাৰিছিল । গতিকে এই ডায়েৰীখনে তাইৰ এটা ডাঙৰ অভাব পূৰণ কৰিলে । কাৰণ মানুহতকৈ কাগজ বেছি ধৈৰ্য্যশীল ।

এন্হঁত ইহুদী আছিল । সেয়েহে ১৯৩৩ চনত অৰ্থাৎ দ্বিতীয় মহাসমৰ চলি থকা সময়তে তেওঁলোক জাৰ্মানীৰ পৰা হলেণ্ডলৈ গুছি আহিবলগীয়া হয় । কিন্তু হলেণ্ডতো হিটলাৰৰ ইহুদী-বিৰোধী নীতিয়ে লাহে লাহে তেওঁলোকক গ্ৰাস কৰিবলৈ ধৰিলে । তেওঁলোকে পোচাকৰ ওপৰত হালধীয়া চিহ্ন লগাব লাগিছিল । ট্ৰাম বা মটৰ গাড়ীত উঠিব নোৱাৰিছিল, চাইকেলবোৰ জমা দিব লাগিছিল । চিনেমা-থিয়েটাৰ আদি আমোদ-প্ৰমোদৰ অনুষ্ঠানবোৰ নিষেধ আছিল । নিৰ্দিষ্ট দোকানতহে নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁলোকে বেচা-কিনা কৰিব লাগে । ল'ৰা ছোৱালী নিৰ্দিষ্ট স্কুলতহে পঢ়িব পাৰে । ৰাতি ৮ বজাৰ পিচত, আনকি নিজৰ বাগানতো বহিব নোৱাৰে । যিখিনি সময়ত ল'ৰা-ছোৱালীৰ মনত স্বাধীনতাৰ স্পৃহা তীব্ৰতৰ হয়, সেই সময়তে হিট্লাৰৰ বিভিন্ন নিষেধাজ্ঞাই তাইৰ স্বাধীনতাপ্ৰিয় মনটোক চেপি ধৰিলে । জন্মদিনৰ এমাহ নগলেই, এদিন হঠাতে তাই দেউতাকৰ পৰা গম পালে যে তেওঁলোকৰ সন্মুখত বিপদ, পলাই নাসাৰিলে উপায় নাই । লগতে এইটোও জানিলে যে দেউতাকে ইতিমধ্যেই তেওঁলোক সকলোৰে বাবে গুপ্ত স্থানত থকাৰ ব্যৱস্থা কৰিছে । তাৰ পাচত সচাঁকৈয়ে এদিন সেই দিনটো আহিল । তেওঁলোকে আমষ্টাৰ্ডাম্ চহৰৰ পুৰণা চাৰিমহলীয়া ঘৰ এটাৰ ওপৰ মহলাৰ পিচফালৰ কোঠাকেইটাত আশ্ৰয় ললে । এনে নিজৰ ডায়েৰীত তেওঁলোকৰ "গুপ্তগৃহৰ" বৰ্ণণা খুব শৃঙ্খলাবদ্ধ ভাৱে কৰিছে । কেইদিনমানৰ পিছতেই তেওঁলোকৰ লগলৈ আহিল ভান্ডান্ দম্পতি আৰু তেওঁলোকৰ একমাত্ৰ পুত্ৰ পিটাৰ । তাৰ অলপদিন পিছতেই আহিল দাঁতৰ ডাক্তৰ ডাছেল্ ।

বাহিৰৰ মুক্ত আকাশ, মুক্ত বতাহত মুক্ত মনেৰে ঘূৰি ফুৰিছিল এন্ । এতিয়া বন্ধু-বান্ধৱী সকলোৰে পৰা বিচ্ছিন্ন হৈ গুপ্তগৃহৰ গোমোঠা পৰিবেশক মানি লোৱা এনৰ দৰে চট্ফটীয়া ছোৱালী এজনীৰ বাবে সাধাৰণ কথা নহয় । তথাপি তাই যথেষ্ট ধৈৰ্য্যৰে সৈতে বাস্তৱৰ সন্মুখীন হৈছিল । নিঃসঙ্গতাৰ ছাঁৰে আবৰা সেই অন্ধকাৰ গহ্বৰত তাই লগ পাইছিল পিটাৰক । মনৰ মাজতে হেন্দোলনি তোলা কথাবোৰৰ ভাগ দিবলৈ প্ৰথমে এনে পিটাৰৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰিছিল যদিও লাহে লাহে পিটাৰৰ সঙ্গ তাইৰ ভাল লগা হ'ল আৰু এই ভাল লগাই পিছলৈ প্ৰেমৰ ৰূপ লয় । অনবৰতে সহিব লগা ঠাট্টা-মস্কৰা, গালি-শপনি আৰু ছাঁৰ দৰে পিছ নেৰা "ভয়", প্ৰকৃতিৰ ৰূপ উপভোগৰ পৰা বঞ্চিতা এন যেতিয়া কাৰাগাৰৰ দৰে গুপ্তগৃহত চাৰিবছৰ কাল চাৰিবেৰৰ মাজত সোমাই থাকি শ্বাসৰুদ্ধ হৈছিল, তেতিয়া পিটাৰৰ সান্নিধ্যই তাইক যি অকন সুখৰ আলোক প্ৰদান কৰিছিল । তাকো কিন্তু নিয়তিৰ সহ্য হোৱা নাছিল ।

১৯৪৪ চনৰ ৪ আগষ্ট-জাৰ্মান পুলিছে তেওঁলোকৰ গুপ্তগৃহত আক্ৰমণ কৰি আটাইকেইজন ইহুদী আৰু তেওঁলোকক আশ্ৰয় দিয়া ডাচ্ বন্ধুজনকো বন্দী কৰি লৈ যায় । প্ৰথমতে এন্হঁতক "ওৱেষ্টাৰ বোৰ্ক" বন্দীশালত আৰু তাৰ পাচত পোলেণ্ডৰ কুখ্যাত "অউস্উইৎচ্" জেললৈ প্ৰেৰণ কৰা হয় । তাত কেইদিনমান ৰখাৰ পাচত এন্ আৰু বায়েক মাৰ্গটিক বেল্চন্ শিবিৰলৈ পঠোৱা হয় । ইয়াতেই তেওঁলোকে চিৰদিনৰ বাবে বিচ্ছেদ হ'ব লগা হয় মাক-দেউতাক সকলোৰে পৰা । ইমানখিনি ত্যাগ আৰু কষ্ট ভোগ কৰিবলগা স্বত্বেও 'এনে' কিন্তু অসীম ধৈৰ্য্য আৰু সাহসেৰে বাস্তৱৰ লগত যুঁজি গ'ল । বন্দী শিবিৰত 'এন'ৰ লগত একেলগে থকা শ্ৰীমতী ডি. উইফে কৈছিল যে "শেষলৈকে ছোৱালীজনীৰ মুখত হাঁহি মাৰ যোৱা নাছিল । সকলো পৰিস্থিতিতেই তাই আশা আৰু স্বান্তনাৰ প্ৰতীক আছিল " । কিন্তু এনে এজনী 'এন' বায়েকৰ অকাল মৃত্যুত এনেদৰে বিচলিত হয় যে তাই উৎসাহ-উদ্যম সকলো হেৰুৱাই পেলাইছিল আৰু কেইমাহমানৰ পাচত অৰ্থাৎ ১৯৪৫ চনৰ মাৰ্চ মাহত তাই মৃত্যুক আঁকোৱালি লয় ।

এন্ দৰাচলতে চট্ফটীয়া স্বভাৱৰ, হাঁহিমুখৰ আৰু এটা অনুসন্ধিৎসু মনৰ অধিকাৰী আছিল । লগতে তাই খুব পৰিশ্ৰমী, সৎ আৰু সৰলো আছিল । কেতিয়াও কাৰো অন্যায় কৰা নাছিল, কাকো ঠগাও নাছিল - এয়া এনৰেই স্বীকাৰোক্তি । 'এন' অতি খোলা স্বভাৱৰ আছিল । তাই লোকৰ কিবা দোষ দেখিলে আগতেই কৈ দিছিল ( ফলত বহুতৰ অপ্ৰিয় হ'ব লগা হৈছিল )। অৱশ্যে নিজৰ দোষৰো সমালোচনা নকৰাকৈ নাছিল আৰু সেইবোৰ শুধৰাবলৈ যত্ন কৰিছিল । তাই নিজৰ 'ডায়েৰী'ত কোনো লুকঢাক নকৰাকৈ নিজৰ আৰু আনৰ স্বভাৱ-চৰিত্ৰ, দোষ-গুণ আদিৰ সুন্দৰকৈ, কেতিয়াবা ব্যঙ্গাত্মক ৰূপ দি, বৰ্ণনা কৰিছিল । তাই তাইৰ ১৫ বছৰীয়া জীৱনটোত বহুখিনি ভুগিব লগা হৈছিল। ইয়াৰ পৰা তাই আহৰণ কৰিছিল বহুতো অভিজ্ঞতা। কিন্তু জীৱনৰ প্ৰতি তাইৰ হতাশাজনক দৃষ্টিভঙ্গীৰ সৃষ্টি হ'ল । তথাপিও তাই কিন্তু ভাগি নপৰিল । তাই ভালদৰেই উপলব্ধি কৰিছিল যে জীয়াই থাকিবৰ কাৰণে মানুহক সাহসৰ প্ৰয়োজন । গুপ্তগৃহ আৰু বন্দীগৃহৰ জটিল পৰিস্থিতিতো হাঁহি-মাতি থাকি তাই অসীম সাহসৰ পৰিচয় দিছিল । 'এন্' খুব উচ্চাকাঙ্খী আছিল । তাই সকলো দুখ-কষ্ট সহ্য কৰিছিল এই কাৰণেই যে তাই আশা কৰিছিল - এদিন সকলো ঠিক হৈ যাব, তাই আকৌ মুকলি আকাশৰ তলত ফুৰিব, মুকলি মনেৰে গছ-লতা-তৰাক আকৌ এবাৰ হেঁপাহ পলুৱাই চাব পাৰিব, সমনীয়াবোৰক লগ পাব আৰু সিহঁতক গুপ্তগৃহত থাকোতে পঢ়া ভাল ভাল কিতাপবোৰ পঢ়িবলৈ দিব । 'এন্'ৰ লক্ষ্য আছিল সাংবাদিক আৰু এগৰাকী সাহিত্যিক হোৱাৰ; যাতে ভৱিষ্যতে মানুহে তাইক লেখনিৰ মাজেৰেই সুঁৱৰিব পাৰে । মৃত্যুৰ চাৰিমাহ আগতে এনে ডায়েৰীত লিখিছে, "মই মৰাৰ পাচতো জীয়াই থাকিব বিচাৰো" । বিধাতাই তাইক জীৱনকালত বাৰে বাৰে নিষ্ঠুৰভাৱে প্ৰহাৰ কৰিলে যদিও তাইৰ মনোকামনা পূৰ্ণ কৰিলে । 'এন' অমৰ হ'ল । দৰাচলতে 'এন্' আছিল জন্মগত ভাবেই লেখিকা । প্ৰমাণ হ'ল তাইৰ দিনলিপিখনেই । তাই দিনলিপিত যুদ্ধৰ বৰ্ণনা, পিটাৰৰ লগত

হোৱা প্ৰেমালাপ, ভয়াবহ ৰাতিৰ অৱস্থা, গুপ্ত গৃহত থকা বাসিন্দাৰ মাজত হোৱা দ্বন্দ-খৰিয়াল, নিৰ্জনতা, সুখ-দুখৰ কথা ইমান সুন্দৰকৈ বৰ্ণণা কৰিছিল যে, এই দিনলিপি পঢ়ি জাৰ্মান অত্যাচাৰীসকলৰ প্ৰতি, যুদ্ধৰ প্ৰতি ঘৃণা নোপজা লোক বোধকৰো কমেইহে ওলাব। এনৰ ডায়েৰীখন পৃথিৱীৰ ৫১ টা ভাষালৈ অনুবাদ কৰা হৈছে। অসমীয়ালৈ ভাঙনি কৰিছে বাসন্তী লস্কৰ আৰু গীতা উপাধ্যায়ে। এই ডায়েৰীখনৰ আমেৰিকান সংস্কৰণৰ পাতনিত ৰুছভেল্টৰ পত্নীয়ে লিখিছে - **" It is one of the wisest and moving commentaries on war and its impact on human being I ever read".** কিন্তু কি দুখৰ কথা, যিখন ডায়েৰীয়ে এনক নিপীড়িত জনতাৰ প্ৰতীক হিচাপে অমৰ কৰিলে, যি লিখনিয়ে পৃথিৱীৰ সকলো ঠাইৰ মানুহৰ অন্তৰত তোলপাৰ লগালে, সেই 'এন্' কিন্তু এই প্ৰতিভা আৰু কীৰ্তিৰ বিষয়ে অজ্ঞ। কিন্তু তাইৰ বিশ্বাস আছিল যে তাই লিখিব পাৰে।

এনৰ এই ডায়েৰীখন উদ্ধাৰ কৰা হৈছিল 'গুপ্তগৃহত' এসোপা ফটা-ছিটা কাগজৰ মাজৰ পৰা। পিচত এইখন এনৰ দেউতাকৰ হাতলৈ আহে।

এই কিতাপৰ মৰ্মস্পৰ্শী কাহিনীয়ে বহুতো মানুহৰ বুকু খামোচ মাৰিবলৈ বাধ্য কৰিলেও এনৰ বয়সৰ কিশোৰ-কিশোৰীৰ কাৰণে এইখন এখন উৎকৃষ্ট কিতাপ। এনে তাইৰ কন্টকময় জীৱনত যি সত্য, সাহস আৰু ধৈৰ্য্যৰ আৰ্হি দি গ'ল, সেয়া কিতাপখন পঢ়িলে বাৰুকৈয়ে উপলব্ধি কৰিব পাৰি। এনৰ বৰ্ণনা শক্তিয়ে নিজকে বুজাব শক্তিয়ো প্ৰদান কৰে। এনৰ ডায়েৰীৰ অসমীয়া অনুবাদো ইমান সুন্দৰকৈ কৰা হৈছে যে পঢ়োতাৰ হৃদয় স্পৰ্শ কৰিবলৈ অকনো সময় নলয়।

০০০০০০০০০০০০





# জোঁ-পোহৰৰ গধূলি



নীলাক্ষি শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ পুৱা শাখা

মজলীয়া বিদ্যালয়ৰ শিক্ষক নিলয় দত্তই তেখেতৰ আধকৰা হৈ থকা অসম আৰ্হিৰ ঘৰটোৰ বাবান্দাত পাৰি থোৱা এখন পুৰণা চকীত বহি ৰৈছে। সন্ধ্যাৰ সময়। সন্মুখৰ নিজ হাতেৰে ৰোৱা জোপোহাকৈ বাঢ়ি অহা লিচু জোপালৈ তন্ময় হৈ চাই চাই তেওঁ শৈশৱৰ পৰা বৰ্ত্তমানলৈকে বাৱন্নটা বসন্তৰ এৰি থৈ অহা প্ৰতিটো গধুৰ মুহূৰ্তকে মানস পটলৈ টানি আনিছে। এৰি অহা কোনো ভয়াবহ ঘটনাই তেওঁৰ শৰীৰ আৰু মন জোঁকাৰি পেলাইছে। বাহিৰ হৈ আহিছে বিষাদৰ হুমুনিয়াহ। নিজৰ অসহনীয় যন্ত্ৰণাৰ স্মৃতিতেই যেন দুয়োহাত বুকুৰ ওপৰলৈ তুলি প্ৰাৰ্থনাৰ ভঙ্গিত একলগ কৰিছে, হয়তো নিজৰ অজ্ঞাতেই। "দেউতা, প্ৰাৰ্থনাৰ সময় দেখোন পাৰ হব এতিয়া।" জীয়েক তৰালীৰ মাতত দত্তৰ তন্ময়তা ভাগিল। "গৈছো আই! গোঁসাই ঘৰত সকলো বস্তু যোগাৰ আছেনে" তেওঁ সচকিত হৈ ক'লে। " আছে দেউতা"।

এটা দীঘল হুমুনিয়াহ নিলয় দত্তৰ বুকুৰ গভীৰৰ পৰা বহুসময় ধৰি ওলাই আহিল। কিন্তু তেতিয়াও তেওঁৰ বুকুখন গধুৰ হৈয়ে থাকিল। চকীখনত আঁউজি ভৰিহাল দূৰলৈ দীঘলাই দি ওপৰ মুখ কৰি তেওঁ পৰি ৰ'ল। বুকুৰ মাজত হাত দুখন তেওঁৰ প্ৰাৰ্থনাৰ ভঙ্গীত যোৰ হৈ আছে। ক'ত ভুল হ'ল, ক'ত গণ্ডগোল হ'ল? কিহত খেলিমেলি লাগিল? তেওঁ বাৰে বাৰে ভাবে আৰু উত্তৰ বিচাৰি নাপায়। "মোৰ প্ৰাৰ্থনাৰ কোনখিনিত ভুল থাকি গ'ল?" দত্তই নিজকে সোধে। দেশ ভুল পথে গৈছে, অপশাসনত দেশ জৰ্জৰিত হৈছে। সমাজত ভুল-ত্ৰুটি হৈছে, সমাজ অধঃপাতে গৈছে। মানুহৰ চৰিত্ৰ নষ্ট হৈছে। কিন্তু এই সকলোবোৰ অশুদ্ধ, অন্যায়, অনীতি, অধঃপতন ৰোধ কৰাৰ পথ জানো হিংসাই আছিল? হিংসা, হত্যা, মৃত্যু, ধ্বংস এইবোৰ জানো শুদ্ধ পথ? ধ্বংসৰে সৃষ্টি জানো সম্ভৱ? এই অজস্ৰ প্ৰশ্ন তেওঁৰ মনত উদয় হৈছিল। এইবোৰ প্ৰশ্ন তেওঁ বুবুক সুধিব খুজিছিল। আজিও তেওঁৰ ওঁঠৰ আগতএইবোৰ প্ৰশ্ন আহি ৰৈ আছেহি। কিন্তু তেওঁৰ প্ৰশ্ন ওলাই অহা নাই। চকুৰ পানীয়ে

তেওঁক দৃষ্টিহীন কৰিছে। বুকুৰ গধুৰ ওজনে তেওঁৰ গলা বন্ধ কৰিছে।

মিঠাতেলৰ বন্তি আৰু ধূপ-ধুনাৰ পৱিত্ৰ গোন্ধ গোটেই ঘৰখনতেই যেন বিয়পি পৰিল। প্ৰাৰ্থনাৰ অন্তত তৰালীয়ে দেউতাকক আহি ক'লে, "দেউতা, মই কালিলৈ প্ৰথম কলেজলৈ যাম নহয়, আজি এখন অটোগ্ৰাফ্ বুক্ আনিছো। সেইখনৰ প্ৰথম পাতটোত আপোনাৰ অটোগ্ৰাফ থাকিব লাগিব। এতিয়াই দিয়ক।"

দেউতাকে এষাৰ সুন্দৰ উক্তিৰে অটোগ্ৰাফখন চহী কৰি দিলে। তৰালীয়ে বৰ আগ্ৰহেৰে লৰালৰিকৈ দেউতাকৰ লেখাখিনি পঢ়ি চাই কৃতজ্ঞ হাঁহিৰে দেউতাকলৈ চালে।

হঠাৎ তৰালীয়ে দেখিলে, এয়া কি? দেউতাকৰ চকুত দেখোন পানী! তাইৰ বুজিবলৈ বাকী নাথাকিল। তাই জানে, দেউতাকৰ কন্দা আজিয়েই প্ৰথম নহয়। আজি এবছৰ ধৰি দেখি আহিছে দেউতাকে প্ৰায়েই তেওঁৰ চকুৰ পানী সিহঁতৰপৰা লুকুৱাবৰ ব্যৰ্থ চেষ্টা কৰি আহিছে। তাই ভাবিলে কেতিয়া শেষ হ'ব দেউতাকৰ নীৰৱ কান্দোন?

নিলয় দত্তৰ মনত পৰিল সেই দিনটোলৈ যিদিনা তেওঁৰ একমাত্ৰ পুতেক বুবু ওলাই গৈছিল এই ঘৰখনৰ পৰা, আঁতৰি গৈছিল মাক-দেউতাকৰ গভীৰ মৰমৰ বান্ধোনৰ পৰা............।

কি পোৱা নাছিল সি ঘৰখনৰ পৰা? দেউতাকৰ উষ্ণ মৰম, মাকৰ গভীৰ অপত্য স্নেহ আৰু আব্দাৰ। নিলয় দত্তই তেওঁৰ সীমিত উপাৰ্জনেৰেও কোনো কাৰণতে ল'ৰা-ছোৱালী কেইটাক অভাৱ কি বস্তু জানিবলৈ নিদিছিল। আজি নিলয় দত্তৰ মনত ভাহিছে তেওঁৰ পুতেকৰ সৰুকালৰ বহুতো ছবি। দেউতাকৰ আৰ্হিৰে অনুপ্ৰাণিত শান্ত-শিষ্ট, নম্ৰ, সকলো বস্তুৰ প্ৰতি যত্ন আৰু আগ্ৰহ, সকলোৰে প্ৰতি কোমল আৰু মৰমিয়াল আছিল বুবু।

তেওঁৰ আজিও মনত পৰে তাৰ শৈশৱৰ এটা দিনৰ কথা। সেইদিনা সিহঁতৰ পাকঘৰত ওলোৱা এটা সাপ মাৰিবলৈ ধৰোঁতে সি দেউতাকক বাৰে বাৰে বাধা দিছিল আৰু শেষত মৰা সাপটো দেখি সান্ত্বনা দিব নোৱাৰাকৈ সি কান্দিছিল।

লগৰ ল'ৰা দীপে এদিন এটা চৰাই শিল গুটি দলিয়াই আধা মৰা কৰিছিল, আৰু সি সেই চৰাইটো ঘৰলৈ আনি যত্নৰে জীয়াই তুলিছিল আৰু দেউতাকক চিঞৰি চিঞৰি কৈছিল, "দেউতা, চাওকচোন চৰাইটো কেনেকৈ ধুনীয়াকৈ উৰি গুচি গ'ল!" আৰু আজি সেই এসময়ৰ শান্ত, কোমল ল'ৰা বুবু কোনোবা সশস্ত্ৰ হিংস্ৰ সংগঠনৰ নেতা।

শিক্ষা-দীক্ষাত বুবু, বৰ্ত্তমানৰ হেম প্ৰকাশ গোস্বামী ওৰফে ঋতিৰাজ গৌতম এজন মেধাৱী আৰু প্ৰতিভাবান ছাত্ৰ আছিল। সি সিহঁতৰ পিচপৰা গাঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয়খনৰপৰা প্ৰথম বিভাগত লেটাৰ সহ মেট্ৰিক পাচ কৰিছিল। তাৰপাছত সি চহৰৰ এখন নাম কৰা মহাবিদ্যালয়ত বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিলে। তাৰ লক্ষ্য আছিল এজন ভাল চিকিৎসক হোৱাৰ, যাতে সিহঁতৰ গাঁওখনৰ দুখীয়া মানুহবোৰৰ লগতে তেনেকুৱা বহুত মানুহক সি সেৱা কৰিব পাৰে।

প্ৰথমতে ঠিকেই চলি আছিল তাৰ কলেজীয়া দিনবোৰ। হঠাৎ এদিন তাৰ জীৱনলৈ নামি আহিল আঁউসীৰ অমানিশা।

সি এদিন কলেজ লাইব্ৰেৰীত সোমাই অধ্যাপকে উল্লেখ কৰা কিতাপ এখন বিচাৰি আছিল। হঠাৎ সি মন কৰিলে অন্য এজনী ছোৱালীয়েও সেই একেই কিতাপখনেই বিচাৰি আছে। শেষত কিতাপখন ছোৱালীজনীৰে হস্তগত হ'ল। "ক্ষমা কৰিব, কিতাপখন আজি মোক খুবেই দৰকাৰ; আপুনি অন্য এদিন নিব। হ'ব?" সেইদিনা সি কিছু লজ্জিত হৈছিল, কিন্তু বেয়া পোৱা নাছিল।

আকৌ পিচদিনাও সি লাইব্ৰেৰীত লগ পাইছিল সেই ছোৱালীজনীক। তাৰপাছত আকৌ এদিন। এনেকৈয়ে সিহঁতৰ মাজত চিনা-পৰিচয় হৈছিল, বন্ধুত্ব গঢ়ি উঠিছিল আৰু এদিন সিহঁত দুটাৰ মাজত প্ৰেম অঙ্কুৰিত হৈছিল। সি তাইক প্ৰতিশ্ৰুতি দিছিল যে এদিন তাৰ সংস্থাপন হ'ব আৰু সিহঁত দুয়ো এখন সৰু সুখৰ সংসাৰ গঢ়ি তুলিব। কিন্তু প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতিহৈয়ে ৰ'ল। পৰীক্ষা ভাল কৰিও উৎকোচ দিব নোৱাৰি সি মেডিকেলত আসন নাপালে। চাকৰিৰ আশাত মন্ত্ৰী-বিধায়কৰ দুৱাৰে দুৱাৰে ঘূৰিলে, কিন্তু অৰ্থ আৰু ক্ষমতাৰে বলীয়ানৰ ষড়যন্ত্ৰত বাৰে বাৰে হাৰ



মানিলে সি। সি চাৰিওফালে অন্ধকাৰ দেখিলে। সকলো ফালেই কেৱল অবিচাৰ, অন্যায়, আপোচ, দুৰ্নীতি। এদিন সি সকলো আশা জলাঞ্জলি দিলে আৰু তাৰপিচত অন্য এদিন সি সকলোকে এৰি মাজৰাতি ঘৰৰ পৰা ওলাই গুচি গ'ল দূৰলৈ। অনিশ্চয়, অনিৰ্দিষ্ট ভৱিষ্যতৰ বুকুলৈ।

বহু দূৰৰ আন এখন চহৰত আন এটা আটক ধুনীয়া ঘৰত। পশ্চিমৰ বেলকনীত বহি আন এগৰাকী নাৰী-বুবুৰ একালৰ সহপাঠী বান্ধৱী গৰাকী একেধৰণৰ চিন্তাত ব্যথিত হৈছে। কি নাছিল বুবুৰ? মেধা, আন্তৰিকতা, কষ্ট কৰাৰ শক্তি, মনৰ দৃঢ়তা সকলো আছিল। আৰু আছিল সেৱা কৰাৰ সপোন, এখন সুখী ঘৰ আৰু সংসাৰৰ সপোন। কঠোৰ বাস্তৱে তাৰ সপোন চূৰমাৰ কৰি দিলে।

বুবু হেৰাই যোৱাৰ পিছত তাইও নিজকে হেৰুৱাই পেলালে। মাক-দেউতাকৰ হেঁচাত বিয়াত সন্মতি দিলে। আচৰিত কথা যে তাইৰ স্বামীও আজি নামকৰা ব্যৱসায়ী প্ৰসাদ চলিহাৰ পুত্ৰ মৃদুল চলিহা, চহৰৰ বিখ্যাত ডাক্তৰ। সংসাৰৰ সকলো পাইও, ধন-সম্পত্তি, গাড়ী-ঘৰ, বিখ্যাত পৰিয়াল, নামকৰা স্বামী সকলো লাভ কৰিও আজি গধূলিৰ এই কেইটামান মুহূৰ্তত তাইৰ মনটো উৰুঙা লাগিছে। মনলৈ আহিছে তাহানিৰ এখন চিনাকি মুখৰ কৰুণ ছবি।

পাকঘৰৰ আখলৰ ওচৰত এই সন্ধিয়া সময়ত বহি লৈ এগৰাকী মাজবয়সীয়া মহিলাই একেবাহে জুইকুৰালৈ চাই আছে। একো কথা তেওঁ চিন্তা কৰিব পৰা নাই। কিহৰ পৰা কি হ'ল, তেওঁ ধৰিব নোৱাৰে। চব দেখোন ঠিকেই আছিল। সৰু পৰিয়াল, সুখী পৰিয়াল। শান্ত-শিষ্ট পুত্ৰ সন্তান। পঢ়াত চোকা। এদিন কিবা নহয় কিবাকৈ নিজকে গঢ়ি লব পাৰিব। ছোৱালীজনী মধ্যমীয়া, তাই এদিন ওলাই গৈ আন এখন ঘৰ ধৰিবগৈ। ঘৰলৈ এগৰাকী লক্ষ্মী আহিব। পৰিয়াল বাঢ়িব, সুখ বাঢ়িব। ইমানেই আশা, সিমান দূৰলৈকে চিন্তা। কিন্তু কি হ'ল? একো ঠিক নোহোৱা হ'ল। চব কথা ভৱাৰ বিপৰীত হ'ল। বিপদ আহিল। ভয় আহিল। দুঃচিন্তা আহিল। আৰু কেইদিনমান আগতে এনে এটি সন্ধিয়া সময়তে ধুমুহা এটা আহিল। সেই ধুমুহাই তেওঁৰ ঘৰখনৰ শেষ আশা চুৰমাৰ কৰি দিলে। তেওঁৰ চকুভৰা পানী বাগৰি বাগৰি পৰিব ধৰিলে। চকু পানীৰ মাজেদি তেওঁ কেৱল জুইকুৰাহে দেখা পালে।

দুৰ্গম অৰণ্য অঞ্চলত অস্ত্ৰশিক্ষা। কঠোৰ কষ্টৰ জীৱন। খোৱাবোৱাৰ ঠিক নাই। বহুদিন অখাদ্য খাব লগা হৈছে। কঠিন শৃঙ্খলা আৰু অনুশাসন। জ্বৰ, বেমাৰ। কিন্তু চিন্তা কৰিবলৈ বা উভতি চাবলৈ উপায় নাই।

প্ৰশিক্ষণৰ পৰা ঘূৰি আহি সি বিভিন্ন ঠাইত বিভিন্ন দায়িত্ব ললে। কেইবাটাও অপাৰেচনত সি জড়িত হ'ল। হত্যা আৰু মৃত্যুৰ বিভীষিকা সি দেখা পালে। শুনিবলৈ পালে পুলিচ আৰু সেনাৰ ভীষণ কঠোৰ নিৰ্য্যাতনৰ কাহিনী। যিমানে সময় গ'ল সিমানে সি অসুবিধা পাব ধৰিলে। তাৰ মনত সন্দেহ সোমাল। এইবোৰ ঘটনাই আমাক ক'লৈ লৈ যাব লাগিছে। কেইবাটাও অপাৰেচনত সি ব্যৰ্থ হ'ল। তাৰ সন্মুখত দুজন সতীৰ্থই দেশৰ নামত প্ৰাণ ত্যাগ কৰিলে। জঘন্যতম ভাবে কেইবাজনো সতীৰ্থক পুলিচসেনাই হত্যা কৰিলে। তাৰ মনত হাঁহাকাৰ উঠিল। জীৱন ইমান মূল্যহীন নে? কুকুৰ-মেকুৰীৰদৰে মৰিবলৈকে এই মানৱ জীৱননে? কিন্তু উপায় কি? সন্দেহৰ বেমাৰে তাক খুলি খুলি খাবলৈ ধৰিলে।

দূৰ অৰণ্যৰ মাজত বহি বহি সি বহুদিন ভাবিলে। হঠাৎ তাৰ গাঁৱলৈ, তাৰ ঘৰলৈ মনত পৰিল। তাৰ নিজৰ মানুহবোৰৰ পৰা সি দেখোন একেবাৰে আঁতৰি পৰিল! ক'ত গ'ল সেইবোৰ নিজৰ মানুহ? সি ঠিক কৰিলে সি এবাৰ গাৱঁলৈ যাব। তাৰ মাক-দেউতাক, বন্ধু-বান্ধৱ, গাৱঁৰ, সমাজৰ, নিজৰ আপোন মানুহখিনিক সি গৈ গোপনে এবাৰ লগ পাব। কথা পাতিব। মন খুলি, হৃদয় মুকলি কৰি কথা পাতি ল'ব। যুদ্ধ অকলে নহয়, লগেৰে কৰিব লাগিব। তাৰবাবে প্ৰয়োজন হ'লে আনৰ কথাও শুনিব লাগিব, আনৰ মত পৰীক্ষা কৰিব লাগিব। হাইকামাণ্ডৰ অনুমতি লৈ ৰাতিৰ আন্ধাৰেঁ আন্ধাৰে সি পুৰণি চিনাকি বাটেৰে আগবাঢ়িল।

বাতৰি কাকতৰ খবৰ মতে যোৱা সপ্তাহত উগ্ৰপন্থীৰে হোৱা আৰক্ষীৰ চাৰিটা সংঘৰ্ষত তিনিজন দুধৰ্ষ উগ্ৰপন্থী আৰু দুজন আৰক্ষী জোৱান নিহত হয়। এইখন গাঁৱৰ মূৰত হোৱা এটা সংঘৰ্ষত নিহত উগ্ৰপন্থীজন আছিল ঋতিৰাজ গৌতম।

□□□□



# দুঃসময়

ৰাণী ভাগৱতী
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা

পুৱাৰ চাহকাপ ওঁঠত দিয়াৰ লগে লগে টোপনিৰ জড়তাখিনি আঁতৰি যোৱা যেন অনুভৱ হ'ল । টেবুলত পৰি থকা সেইদিনাৰ বাতৰি কাকত খন এহাতেৰে কাষলৈ চপাই লৈ মেলিবলৈ যত্ন কৰিলোঁ । বাতৰি কাকত পঢ়াৰ আগ্ৰহ আজিকালি কমিয়েই আহিছে । কিমাননো পঢ়িম একেবোৰ খবৰ ! পৃষ্ঠা ভৰি ভৰি গতানুগতিকভাৱে আহিব লাগিছে একেবোৰ শব্দ - হত্যা, লুন্ঠন, ধৰ্ষণ........ ! শব্দবোৰৰ যেন প্ৰকৃত ভয়াবহতা কেতিয়াবাই শেষ হৈ গৈছে । ধৰ্ষণ ! শব্দটো মগজুত এঠাৰ দৰে লাগি ৰ'ল । মোৰ চকুৰ আগত সেইদিনা কি হৈছিল বাৰু ? ....... মই পাৰ্য্যমানে শব্দটোৰ পৰা এৰাই চলিবলৈ যত্ন কৰিছোঁ । ক্ষিপ্ৰভাৱে চকুকেইটা চলাই নিছো পেপাৰখনৰ ওপৰত । .... বিশিষ্ট সাংবাদিক হত্যা, পশু খাদ্য কেলেংকাৰী, চৰকাৰৰ সোলোক-ঢোলোক অৱস্থা, আলফাৰ শীৰ্ষনেতা গ্ৰেপ্তাৰ, দুজন পুলিচ আহত......... । হঠাৎ গাটো জিকাৰ খাই উঠিল । চকুদুটা আৰু আগবাঢ়িব নোৱাৰা হৈ গ'ল । থৰ হৈ চাই আছো ফটোখনৰ ফালে । এজনী নগ্নপ্ৰায় ছোৱালীৰ ফটো । ফটোখনৰ তলত থকা বাক্যশাৰী পঢ়ি চালো । চহৰৰ মাজ-মজিয়াত গণ-ধৰ্ষণত কিশোৰীৰ মৃত্যু । শৰীৰটো শিৰশিৰাই গ'ল । কি নিৰ্লজ্জ কাৰবাৰ! মানৱীয়তা বোলা গুণটো একেবাৰেই নাইকিয়া হ'ল । এইবোৰেই মানুহনে ? কি হৈছে বাৰু এই পৃথিৱীখনত ?

এটা অজান আশংকাত মোৰ গাটো কঁপি থাকিল । চকুৰ আগৰ আজিৰ এই ফটো অথবা খবৰ লাহে লাহে যেন অস্পষ্ট হৈ যাব ধৰিলে । তাৰ ঠাইত জিলিকি উঠিল স্পষ্ট ভাৱে আন এখন ছবি । এজনী মৃতা নাৰী । কাষত থিয় হৈ আছে দুজন নিঃসহায় যুবক । ছবিখনৰ তলত লিখা আছে "যোৱা নিশা মহানগৰীৰ এখন উদ্যানত এগৰাকী নাৰীক ধৰ্ষণ কৰি হত্যা কৰাৰ পাছত উক্ত যুৱক দুজন হাতে-লোটে ধৰা পৰে।" বাতৰিটো পঢ়াৰ পাছত বহুসময় ধৰি মই থৰ হৈ ৰ'লো । কি আচৰিত ! যিটো ঘটনা মোৰ চকুৰ আগত আগদিনা ঘটিছিল পিছদিনাৰ বাতৰিত তাক ওলোটাকৈ পৰিবেশন কৰা হ'ল । চিঞৰি চিঞৰি মোৰ সঁচা কথাবোৰ কবৰ মন গৈছিল । কিন্তু কাৰ আগতেইবা কম মোৰ কথা ? কোনে শুনিব ? প্ৰয়োজনতকৈ অধিক ব্যস্ত হৈ পৰিছে মানুহবোৰ । মই জনা সঁচা কথাবোৰ কাৰোবাৰ আগত কৈ দিলে হয়তো মোৰ ফটোখনো বাতৰি কাকতত কিবা এটি অসত্য উক্তিৰে সৈতে জিলিকি উঠাতো একো অস্বাভাৱিক নহয় বৰ্ত্তমান সমাজত । সেইদিনা বহু সময় ধৰি নিশ্চুপ হৈ বহি থাকিলো ফটোখন চাই । মাজ মাজে কাণৰ কাষত যেন বাজি উঠিছিল নিঃসহায় মানুহজনীৰ চিঞৰিব খোজা চেপা মাতটো ।

ঘটনাটো ঘটিছিল আজিৰপৰা ঠিক দুবছৰৰ আগতে । মই তেতিয়া উচ্চ মাধ্যমিক পৰীক্ষা দি উঠিছো । পৰীক্ষাৰ পাছৰ অৱসৰৰ দিন কেইটাত কেনিবা ফুৰিবলৈ যোৱাৰ বৰ ইচ্ছা হৈছিল । এনেতে লিচাই এটা প্ৰস্তাৱ আগবঢ়ালে ।

লিচা ।

লিচা মোৰ সমবয়সৰ । কিছুদিনৰ আগতে আমাৰ ঘৰৰ ওচৰতে এটা ভাড়াঘৰ লৈছে সিহঁতে । মাক-দেউতাকৰ সৈতে লিচা আৰু তাইৰ ভায়েক । এয়ে সিহঁতৰ বৰ্তমান পৰিয়াল । বায়েক এজনী আছিল । এবছৰৰ আগতে বিয়া হৈ গৈছে গুৱাহাটী মহানগৰীৰে এজন ডাক্টৰৰ লগত । প্ৰথমে দুয়োটা পৰিয়ালৰ মাজত সামাজিকতাৰ খাতিৰতে চিনাকী হৈছিল যদিও লিচা আৰু মই সমবয়সীয়া আৰু সহপাঠী হোৱা বাবে আমাৰ দুজনীৰ মাজত ঘনিষ্ঠতা বাঢ়ি গ'ল । লগতে বাঢ়ি গ'ল দুয়োটা পৰিয়ালৰ মাজৰ মিলাপ্ৰীতিও । লিচাৰ বাইদেৱেকো বৰ মৰমিয়াল । ঘৰলৈ আহিলে আমাৰ ঘৰতো এসাজ খাই যোৱাটো নিয়মিত পৰিণত হ'ল তেওঁৰ । বাইদেৱেকে মোকো লিচাৰ লগতে মাতি যোৱাৰ বাবে পৰীক্ষাৰ পাছত লিচাই গুৱাহাটীলৈ যাবলৈ মোক লগ ধৰিলে । মই ভালেই পালো । মা-দেউতাৰ অনুমতি বিচাৰিলোঁ । তেওঁলোকেও সন্মতি জনালে । মাত্ৰ সোনকালে ঘূৰি আহিবলৈ ক'লে । দুদিন মানৰ বাবে অৱসৰ বিনোদনৰ কাৰণে ওলালো লিচা আৰু মই ।

নিৰ্দিষ্ট বেগত দৌৰি আছিল গুৱাহাটী অভিমুখী বাচখন । গাড়ীত উঠিলেই টোপনি অহা লিচাৰ বেমাৰটো ইতিমধ্যে আৰম্ভ হৈ গ'ল । মই মনে মনে বাহিৰৰ ফালে চাই গৈ আছোঁ । বাহিৰৰ ধাৱমান দৃশ্যবোৰ চাই যাওঁতে মোৰ মনলৈ ৰীতাৰ কথা আহিবলৈ ধৰিলে । ৰীতা আছিল মোৰ অন্তৰঙ্গ বান্ধৱী । ৰীতাক লৈ মই এদিন ডিব্ৰুগড়ৰ মামাহঁতৰ ঘৰলৈ গৈছিলোঁ । দূৰ যাত্ৰাত ৰীতাই অবিৰত ভাৱে মোৰ লগত কথা পাতি গৈছিল । মোৰ আমনি লগা যেন দেখিলে কিছুমান দৰদী কবিতা আবৃত্তি কৰি গোমোঠা মনটো মুকলি কৰি দিছিল । সঁচাকৈ ৰীতাই ইমান ধুনীয়াকৈ মাতিছিল হীৰেণ ভট্টৰ কবিতাবোৰ -

*'ভঙা কলিজাত কোনে বিনায়*
*মোৰ কবিতা দুখৰ ঋতুৰ*
*এপাহি খৰিকাজাঁই'*

সঁচাকৈয়ে ৰীতাৰ পৰাই মই বন্ধুত্বৰ বান্ধোন কি তাক বুজি পাইছিলোঁ । প্ৰথম শ্ৰেণীৰ পৰা একেখন বেঞ্চতে বহি হাইস্কুলীয়া জীৱন শেষ কৰিলোঁ । কোনো দিনে কিন্তু কোনো কথা বা কামত তাইক বেয়া পাব লগা হোৱা নাই । অথচ সেই ৰীতাকে তাইৰ ঘৰৰ মানুহে ভাল নাপাইছিল । তাইৰ বাওঁহাতখনেই আছিল তাৰ বাবে দায়ী । সম্পূৰ্ণ ভাৱে অকামিলা এই হাতখনৰ বাবেই ৰীতাই বহুতৰ পৰা লঘু - লাঞ্ছনা পাব লগা হৈছিল । তাই নিজেও হীনমন্যতাত ভুগিছিল তাৰ বাবে । কিন্তু

হাতখনৰ পৰা ৰীতা কোনো দিশতে বাধাপ্ৰাপ্ত হোৱা নাই। তাই ভাল ছবি আঁকে, গান গায় আৰু শ্ৰেণীটো মেধাৱী ছাত্ৰী হিচাপে সকলোৰে আদৰ পায়। কিন্তু সিহঁতৰ ঘৰখন ?

ৰীতাৰ দেউতাক বিশিষ্ট সমাজকৰ্মী, মাক মহিলা সমিতিৰ সভানেত্ৰী, ককায়েক-বায়েকো ক্লাব-মঞ্চ আদিতেই ব্যস্ত। আজিৰ দিনত সমাজসেৱা আৰু ৰাজনীতি কিছুমানৰ বাবে প্ৰতিপত্তি আৰু প্ৰাচুৰ্য্যৰ উৎস। ৰীতাৰ দেউতাকৰ উৰ্দ্ধগামী অভিলাসত প্ৰচুৰ সম্ভাৱনাই দেখা দিলে ৰাজ্যৰ বিধান সভাৰ মজিয়াত প্ৰৱেশ কৰাৰ। অহা নিৰ্ব্বাচনত এম, এল, এ মনোনীত হোৱাটো প্ৰায় সুনিশ্চিত আৰু এই বাবেই গাঁও এৰি গুৱাহাটীত থকাটোও তাৰে যেন এক প্ৰাৰম্ভিক চৰ্ত। এই ভুৱা আৰু ফোপোলা বাস্তৱৰ পৰা ৰীতা দূৰত থাকিব খোজে। কিন্তু ৰাজনীতিৰ দুৰ্বাৰ মোহে টনা দেউতাক নিৰ্ব্বাচনত জিকি এম, এল, এ হৈ দিশপুৰলৈ গ'ল। অলপ দিনৰ পিছতে গাঁৱৰ ঘৰ মাটি বেচি দি দহলাখমান টকা দি গুৱাহাটীত ঘৰ মাটি কিনি লৈ বহিল। ঘৰৰ সকলোৱে মহানগৰীত থকাৰ আনন্দত আত্মহাৰা হৈ পৰিল। কিন্তু গাঁৱ এৰি অহাৰ পৰত ৰীতাৰ অসহায় চাৱনি আৰু অশ্ৰুপূৰ্ণ চকু যুৰিয়ে মোক বৰকৈ কন্দুৱালে। তাই অহাৰ পৰত বাৰে বাৰে মোক ক'লে কেতিয়াবা গুৱাহাটীলৈ গ'লে যেন তাইক লগ নকৰাকৈ নাহো।

হঠাৎ গাড়ীৰ জোকাৰত মোৰ সম্বিত ঘূৰি অহাত লিচালৈ চালোঁ। তাই আৰামত হালি-জালি টোপনি মাৰি গৈছে। মনতে ভাবিলো লিচাৰ বায়েক ভিনিহিয়েকক কৈ এবাৰ ৰীতাহঁতৰ ঘৰৰ পৰাও আহিম। তাইক লগ পাবলৈ মোৰ মনটো ব্যাকুল হৈ আছে।

তিনিমান বজাত লিচাৰ বায়েক অৰ্থাৎ বিভা বাইদেউৰ ঘৰ পালোগৈ। আমাক পাই বাইদেউৰ বৰ স্ফূৰ্ত্তি লাগিল। হাঁহি-ধেমালি কৰি চাহ-জলপান খুৱাই দুয়োকে অলপ জিৰণি ল'বলৈ দিলে।

পিচদিনা সাজ লগাৰ আগে আগে লিচা আৰু মই ওচৰতে থকা পাৰ্কখনত পাক এটা মাৰি আহিম বুলি ওলাই গ'লো। তাৰপৰা আহি ভিনদেউহঁতক লৈ ৰীতাহঁতৰ ঘৰলৈ যোৱাৰ ঠিক কৰিছো। লিচা আৰু মই পাৰ্কৰ ভিতৰৰ বেঞ্চ এখনত বহি ৰীতাহঁতৰ কথাকে পাতি আছো। সৰু ল'ৰা কেইটামানে পাৰ্কৰ ভিতৰত দৌৰা-দৌৰিকৈ খেলি আছে। "চোৱা, ছোৱালীজনী বৰ ধুনীয়া লাগিছে।" ৰীতাই দেখুওৱাৰ ফালে চকু যোৱাত দেখিলো এজনী বগা লাহী ছোৱালী চিটি বাচ এখনৰ পৰা নামি পৰিছে। পিন্ধি অহা মেৰুণ ৰঙৰ মেখেলা চাদৰ যোৰে ছোৱালীৰ ৰূপ চৰাইছে। বাচখন যোৱাৰ পাছত ছোৱালীজনী ফুট-পাথৰ পৰা নামি ৰাস্তা পাৰ হ'ব খুজিছে। এনেতে এখন বগা মাৰুতি গাড়ী হঠাৎ ছোৱালীজনীৰ ওচৰতে ৰখাই দি দুটা ডেকা ল'ৰা দ্ৰুতবেগে নামি আহিল। আহিয়েই ছোৱালীজনীক জোৰকৈ গাড়ীত উঠাব খুজিলে। তাই চিঞৰি দিব খোজাত এজনে মুখত সোপা মাৰি ধৰিলে। জোটাপুতি লগা অৱস্থাতে সিফালৰ পৰা দুটা ল'ৰা দৌৰি আহি ছোৱালীজনী বচাবলৈ হতাহতি কৰাত লাগিল। খৰ্পকৈ মাৰুতি খনত থকা ক'লা আইনা এখন নামি গ'ল। ভিতৰৰ পৰা এজনে ল'ৰা দুটালৈ পিস্তল টোঁৱাই ধৰিলে। সিহঁত দুটা পিছহুঁহকি আহিল। আৰোহীজনে আগৰ ল'ৰা দুটাৰ সহায়ত ছোৱালীজনীক গাড়ীত তুলি ললে। মোৰ চকু দুটা গৈ আৰোহীজনৰ মুখত পৰিল। অজানিতে মুখৰ পৰা ওলাই আহিল, "ৰবদেউতা !!" মোৰ মাতটো ভালদৰে ওলাবলৈ নাপাওঁতেই লিচাই মোৰ মুখত তাইৰ হাত এখনেৰে চেপি ধৰিলে। গাড়ীখন তীব্ৰবেগে গুচি গ'ল। লিচাই মোক হাতত ধৰি আজুৰি অনাৰ দৰে আনি ঘৰ পোৱালেহি। মোৰ বুকুখন তেতিয়াও ধপধপাই আছিল। মই মুখেৰে মাতিব পৰা নাছিলো। লিচাই হে বিভা বাইদেউৰ আগত সকলো বিৱৰি কৈছিল। কথাবোৰ শুনি বাইদেউ আৰু ভিনদেৱে মোক ভয় নাখাবৰ বাবে বুজাই ক'লে, "ইয়াত এনে ঘটনা ঘটিয়ে থাকে প্ৰায়ে।" ঘৃণা আৰু আশ্চৰ্য্যত মই মূক হৈ পৰিছিলোঁ। সেই নিশা মোৰ ভাত-পানী একো খোৱা নহ'ল। ৰাতিটো বিচনাত পৰি চটফটাই থাকিলোঁ।

ক্ষমতাই মানুহক ইমান তললৈ নিব পাৰেনে ? এই বুঢ়া বয়সতো...... ! ছিঃ লাজ নালাগেনে নিজৰ পত্নী, ল'ৰা-ছোৱালীৰ আগত ? এইজন মানুহকে গাঁৱত দেৱতাৰ দৰে ফুলৰ মালা পিন্ধাই আদৰণি জনোৱা হয়। এই নিৰ্লজ্জ মানুহটোক মই বাৰু আকৌ কেতিয়াবা ৰবদেউতা বুলি মাতিব পাৰিমনে ? মনৰ মাজত কথাবোৰে উখল-মাখল লগাই থাকিল।

ৰীতাজনীলৈ বৰ মনত পৰিল। তাইৰ ওচৰলৈ মোৰ আৰু যোৱা নহ'ব। ৰীতাৰ দেউতাকলৈ মোৰ বৰ ভয় লাগিল। কি ঠিক জীয়েকৰ বান্ধৱী হ'লেও মানুহজনে মোক বা কি দৃষ্টিৰে চায় !

ৰাতিপুৱা সময়তহে চিলমিলকৈ টোপনি ধৰিছিল। কিন্তু লিচাই জগাই দি পেপাৰখন দেখুৱালে। কি আচৰিত বাতৰিটো পঢ়ি নিজৰ ওপৰতে বিশ্বাস হেৰাই গ'ল। বাতৰিটোৰ লগত সংযোগী ফটো দুখন দেখি মই চমকি উঠিলোঁ। ধৰ্ষণৰ বলি হোৱা ছোৱালীজনীৰ কাষত থিয় কৰাই ৰাখিছে আগদিনা দেখা সেই ল'ৰা দুজন, যি দুজনে ছোৱালীজনীক বচাবলৈহে আহিছিল। পেপাৰখন খামুচি ধৰি বহু সময় মই নিশ্চুপ হৈ বহি আছিলো সেইদিনা।

লাহে লাহে মনৰ পৰা আঁতৰি গ'ল দুবছৰ আগৰ ঘটনাটো। ৰীতাৰ দেউতাক ইতিমধ্যে এজন গুৰুত্বপূৰ্ণ বিধায়ক হৈছেহি। দুই এমাহতে হয়তো মন্ত্ৰীও হ'ব পাৰে।

চকুৰ আগত এতিয়া আকৌ জিলিকি উঠিছে আজিৰ নগ্নপ্ৰায় এই ছোৱালীজনী...... ।

"মাজনী, চাহকাপ নোখোৱা নেকি ?" মাৰ মাতত মই আকৌ বাস্তৱলৈ ঘূৰি আহিলোঁ। কাপৰ চাহখিনি ইতিমধ্যে ঠাণ্ডাই হৈ গ'ল। কাগজখন হাতত লৈ বাহিৰলৈ ওলাই আহিলোঁ। চকুত পৰিল গেটখন বন্ধ কৰি লিচা আমাৰ ঘৰৰ ফালে আগুৱাই আহিছে। মোৰ স্নাতক প্ৰথম বাৰ্ষিকৰ পৰীক্ষা শেষ হোৱা দহদিন হ'ল। ৰীতাৰো পৰীক্ষা শেষ হৈছে। তাই বাৰু ক'ৰবালৈ যাবলৈ লগ ধৰিবনেকি ? নাই, তাইক বুজাই দিব লাগিব। এয়া ফুৰাৰ সময় নহয়। দুঃসময়ৰ বুকুত চট্‌ফটাই আছে সভ্যতাই। ছিঙি গৈছে মুখা পিন্ধা সভ্য সমাজৰ সততা আৰু নিৰাপদ জীৱনৰ শৃঙ্খল, শেষ হৈ গৈছে সুখ আৰু সহজ আনন্দৰ অৱকাশ।

# বাস্তৱৰ স্বপ্ন



পাপৰি শইকীয়া
স্নাতক তৃতীয় বৰ্ষ
দিৰ্বা শাখা

সংবাদ পত্ৰৰ মানুহ আৰু আৰক্ষী বিষয়াই বিদিশা চৌধুৰীক আগুৰি আছে। উদ্বিগ্ন, প্ৰশ্নবোধক দৃষ্টিৰে উত্তপ্ত সময়। মৌনতাৰ শিকলি ছিঙি বিদিশাই যেন কিবা ক'ব, তাৰ প্ৰতিশব্দ বুটলিবলৈ প্ৰত্যেকেই যেন এক প্ৰতিযোগী। জড় পদাৰ্থৰ দৰেই নিৰ্লিপ্ত, নিৰ্বোধ। অ.ছি. নিলয় দুৱৰাৰ কৰ্কালত ওলমি থকা পিস্তলটোলৈ বহুসময় চাই তাই কৈ উঠিল, "এই যে আগ্নেয়াস্ত্ৰটো, মানৱ সভ্যতাৰ ই এক নিৰ্লজ্জতা চানেকি।" নাই, তাই আৰু একো কথাই ক'ব নোৱাৰে। সমগ্ৰ শৰীৰত স্পৰ্শৰ এক উতলা শিহৰণ জাগি উঠিল। উভটি বোৱা তেজৰ সোঁত। তাই ডুব গ'ল আন্ধাৰৰ মাজত। হঠাতে হুলস্থূল লাগি গ'ল। অচেতন বিদিশাৰ দেহাটো আৰক্ষী চকীৰ পৰা হস্পিটাললৈ অনা হ'ল।

পুহৰ হাড় কঁপোৱা শীতৰ হেঁচাত বিদিশাই সাৰ পাই উঠিল। তেতিয়া পিছে নিঃশব্দ নিশাৰ গভীৰতাৰে চিৰশূণ্যৰ বুকুত সময়বোৰ ওপঙি ফুৰিছে। এনে এক ভয়াৰ্ত নিশাৰ দুৰ্ব্বল মুহূৰ্ত্ত এটাতে তাই ৰূপমক নিজৰ কৰি লৈছিল। কেতিয়াবা সময়ৰ বাধ্যবাধকতাই মানুহক ইমান ওচৰ চপাই আনে! হৃদয়ত প্ৰেম নাথাকিলেও, শৰীৰত কামনা নাথাকিলেও স্পৰ্শৰ এক নতুন জাগৰণ অনুভৱ হয় বুকুৰ মাজত। তাইৰ দুঃসহ, বেদনাৰ্ত সময়ে বাধ্য কৰাইছিল তাৰ উত্তপ্ত দুবাহুৰ সুবাস লবলৈ নতুবা



তাৰ পৌৰুষত্ব ভৰা সুবিশাল বুকুৰ মাজত তাই হেৰাই যোৱা সময়বোৰ বিচাৰি পাইছিল। সেইদিনাও সিহঁতৰ ঘৰত 'সেনাধ্যক্ষ' ৰূপম দুৱৰাই ল'ৰাবোৰক ৰাজনীতি বিজ্ঞানৰ পাঠ দিছিল। বিদিশা তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰী। ৰূপমৰ কথাবোৰ তাই প্ৰায়েই লিখি গৈছিল। এটা এটাকৈ ল'ৰাবোৰ ওলাই গৈছিল লগতে তাইৰ ককায়েক বিকাশো। কোঠাটোত আছিল মাত্ৰ ৰূপম আৰু তাই। তাইৰ বহীখন চাই সি তাইক বুকুৰ মাজলৈ টানি আনিলে। "বিদিশা, মই আজি যামগৈ। বিকাশো যাব। কচোন, আমাৰ বিপ্লৱ সফল হবনে?" ৰূপমৰ নিৰ্লিপ্ত বন্ধনৰ পৰা মুক্ত হৈ বিদিশা কোঠাটোৰ পৰা ওলাই গ'ল। যন্ত্ৰনা ভৰা হৃদয়েৰে তাই বিদায় দিছিল ককায়েক বিকাশ আৰু ৰূপমক। ঘন কুৱঁলী আৰু অসীম ক'লাৰ মাজত সিহঁত নিঃচিহ্ন হৈ গৈছিল।

ছট্‌ফটাই থকা নিশাটোৰ শেষত সেই বাতৰি কাকতখনে কঢ়িয়াই আনিছিল সক্ৰিয় মুক্তিযোদ্ধা বিকাশ চৌধুৰীৰ মৃত্যুৰ বাতৰিটো। দেউতাকৰ-হাড়ভঙা পৰিশ্ৰমৰ বিনিময়ত গঢ়ি উঠা ঘৰখন হঠাতে যেন জ্বলি-পুৰি ছাই হৈ গ'ল। মাকে ভাত বাঢ়ি বিকাশৰ কাঁহি-বাতি যোৰলৈ চাই থকা সময়ত, দেউতাকে তাৰ কিতাপবোৰ চাই থকা সময়ত বিদিশাৰ বুকুত বোমা-বাৰুদৰ ক্ষুৰধাৰ সংগ্ৰাম চলে। সিহঁতৰ ঘৰত যি বিপ্লৱৰ আখৰা চলিছিল তাক দেউতাক-মাকে অৱজ্ঞা আৰু ঘৃণাৰে নিঃশেষ কৰিব বিচাৰোতে তাই কৈছিল, "দেউতা, আমাক সেই শিক্ষা কিয় লাগে যি শিক্ষাই নিজকে বিক্ৰি কৰিবলৈ শিকাইছে, মানৱতাবোধক পাহৰাই স্বাৰ্থপৰ আৰু শোষক কৰি তুলিছে। এই অন্যায়তন্ত্ৰৰ বিৰুদ্ধে যুদ্ধ কৰাত পাপ নাই।" নিভীক শব্দবাণেৰে বোবা কৰা দেউতাকক আজি তাই পুত্ৰ-শোকৰ যন্ত্ৰণাৰ পৰা মুক্ত কৰিব নোৱাৰে কিয়? পঢ়াৰ টেবুলত বহি বিদিশা নিৰুদ্দেশ হৈ যায় গতানুগতিক দুৰ্গম দুখৰ যাত্ৰাপথত। ৰূপম আহি থাকে। তাই তাৰ বুকুৰ মাজৰ পৃথিৱীখনৰ পৰা পলাই গৈ নতুন পৃথিবীৰ ছবি আঁকে। বিকাশৰ দৰেই। অনিশ্চয়তাৰ মাজত তাই ৰূপমক হেৰুৱাই নিদিয়ে। তাই ৰূপমহঁতক নিশাৰ পৃথিৱীত জীয়াই থাকিবলৈ নিদিয়ে। সৰ্ব্বনাশী ধ্বংসযজ্ঞৰ বুকুৰ পৰা বহুতো বিকাশক তাই উভতি আনিব। সিহঁতক তাই বুজাই কব নিৰাপত্তাহীনতাৰে স্বাধীনতা পাব নোৱাৰি। স্বদেশৰ নিষ্ঠুৰ বৰ্ত্তমানত প্ৰতিফলিত হোৱা স্বতঃস্ফূৰ্ত অস্থিৰতাবোৰ আমি সম্পূৰ্ণ নাগৰিকত্বৰ দাবীৰে প্ৰত্যাহ্বান জনাম। প্ৰশাসন যন্ত্ৰৰ বিৰুদ্ধে আমি মুক্ত ভাৱেও যুঁজিব পাৰিম পোহৰৰ মাজত। তাইৰ অন্তৰাত্মাত জাগি উঠা শব্দবোৰৰপ্ৰতিধ্বনিত ৰূপমে তাইক বুকুৰ মাজত সুমুৱাই লৈ কৈ উঠিল, "বিদিশা, আমি সীমাৰ সিপাৰে যামগৈ; কালিৰ হত্যাকাণ্ডটোৰ বাবে আমাক বিচাৰি ফুৰিছে।" আতংকিত বিদিশাই সুধিছিল, "তুমিও মানুহ মাৰিব পাৰা?" খেলি থকা শিশুৰ দৰে ৰূপমে হাতৰ সৰু আগ্নেয়াস্ত্ৰটোত হাত বুলাই কৈছিল, "এই যে অস্ত্ৰটো দেখিছ, ইয়াৰ স্পৰ্শই মানুহক তেজৰ নদীত সাঁতুৰিবলৈ শিকায়। জীৱনৰ সতে খেলা ই এক নতুন খেল।" ৰূপমৰ বিনষ্ট চেতনাক তাই সহ্য কৰিব নোৱাৰিলে। কিবা কবলৈ নাপাওঁতেই বাহিৰত গাড়ীৰ শব্দ শুনি সি গ'লগৈ।

জপাই থোৱা কিতাপৰ দৰেই সকলো কথা পাহৰি বিদিশা নামি পৰিল আৰ্থিক আত্মনিৰ্ভৰশীলতা লাভৰ প্ৰচেষ্টাত। বুঢ়াহৈ কৰ্ম-অক্ষম হোৱা মাক-দেউতাকৰ বাবেই তাই কিবা এটা কৰিব। জহি-খহি যোৱা ঘৰখনৰ দৰে অতীতক মৰহাই তাই আধৰুৱা শিক্ষাৰে ছপাশাল এটাত কাম বিচাৰি পালে। "পুথিঘৰ" ছপাশালত তাই ৯ বজাৰ পৰা ৩ বজালৈ কাম কৰে। "বৰ্তমান" নামৰ বাতৰি কাকতখন ইয়াতেই ছপা হয়। সহজাত বুদ্ধি আৰু অভিজ্ঞতাৰ বলত তাই সহযোগী সম্পাদিকা হ'ল। তাইক লৈ তিনিজনীয়া পৰিয়ালটো চলিব পৰা আয়খিনিতকৈ তাই বেছি নিবিচাৰে। বাতৰি কাকতখনৰ যুৱ-চেতনাৰ শিতানটো তাই পৰিচালনা কৰে। কোনো বিতৰ্কৰ সন্মুখীন নোহোৱাকৈ গতানুগতিক সৰল জীৱনটোৰে বাস্তৱৰ বুকুত খোজ দি তাই আগবাঢ়ে।

বিদিশাই আন দিনাৰ দৰে খৰ খোজেৰে ঘৰৰ পৰা চহৰলৈ আগবাঢ়িছে। হঠাতে এখন মাৰুতি কাৰ তাইৰ ওচৰত ৰৈ গ'ল। আৰে, আৰোহীজন ৰূপম নহয়নে? চচমাযোৰ খুলি ৰূপমে কৈ উঠিল, "বিদিশা, মই ইয়াত থকা দুমাহ হ'ল। ইমান দিনে তোক

দুৱৰ পৰা অধ্যয়ন কৰিছো । বিকাশৰ দৰে তোকো সংগঠনৰ স্বাৰ্থতেই হত্যা কৰিব লাগিব ।" "তাৰমানে ? তাৰমানে !! ৰূপম !!বিকাশদাক তেন্তে তুমি..... ?"

"ওঁ, মই । কাৰণ, সিও তোৰ দৰেই আমাৰ বিপৰীতে খোজ দিবলৈ সাহস কৰিছিল ।" গাড়ীৰ ভিতৰৰ পৰা মুহূৰ্ত্ততে কোনোবাই গুলি চালনা কৰিছিল। বাগৰি পৰিছিল বিদিশা চৌধুৰী।

জ্ঞান পাই বিদিশাই নিজকে আৱিষ্কাৰ কৰিলে কিছুমান মানুহৰ মাজত। প্ৰত্যেকৰে সোধা আৰু নোসোধা অনুসন্ধিৎসু প্ৰশ্নবোৰে তাইক যেন উদ্ভ্ৰান্ত কৰি তুলিব । বিদিশাই আৰু একো প্ৰশ্নই শুনিব নুখুজিলে । চকুমুদি তাই ভাবিলে তাইক যেন ৰূপমে সাৱতি ধৰিছে। শৰীৰত ৰূপমৰ স্নিগ্ধতাভৰা উত্তপ্ত বন্ধনৰ আলোড়ন । তাই কৈ দিবনে সেইজন তাইৰেই চিৰ আৱাধিত প্ৰেমৰ দেৱতা ৰূপম দুৱৰা যি তাইৰ নিজ ভাতৃৰো হত্যাকাৰী। নাই, নাই, নকওঁ, মই চিনি নাপাওঁ, মই চিনি নাপাওঁ । মোৰ নীৰৱতাই ৰূপমৰ বুকুৰ পৰা অশ্লীল, অশান্ত, অবাস্তৱ চিন্তাবোৰ ধুই মচি নিয়ক । সি উশৃংখলতাক দলিয়াই শান্তিৰ জীৱনাস্ত্ৰ লওক । মোৰ বুকুত আকৌ আখৰা কৰক বিপ্লৱৰ নতুন কৌশল, ঐক্য মন্ত্ৰৰে সি নতুন বাহিনী খোলক, ৰচনা কৰক ভৱিষ্যতৰ বাবে এক নতুন বৰ্ত্তমান ।

শেষ নিশাৰ আন্ধাৰবোৰ লাহে লাহে আঁতৰি গৈছিল । মানুহৰ ব্যস্ত খোজৰ প্ৰতিধ্বনি, ঝাড়ুৱালীৰ জুন জুন খাড়ুৰ শব্দ বাজি উঠিল । ধকধকীয়া বিশুদ্ধ বগা কাপোৰৰ মাজত বিদিশা চৌধুৰী টোপনি গ'ল । চিৰ-নিদ্ৰাৰ কোলাত । কোনো নতুন মাদকতা পূৰ্ণ স্পৰ্শই তাইক আৰু উজ্জীৱিত কৰিব নোৱাৰে । কেৱল মৃত্যুৰ মাজেৰে পৰম আশাৰে তাই চাব খুজিলে এক নতুন-বাস্তৱৰ স্বপ্ন ।

□□□□



# জীৱনৰ ৰং



মানসী বৰা
স্নাতক দ্বিতীয় বৰ্ষ
পুৰা শাখা

চিভিল হস্পিতালৰ ঠিক সন্মুখতে মোৰ ফাৰ্মাচিখন । ছেপ্তেম্বৰ মাহৰ উৎকট গৰম । দুপৰীয়া এইকণ সময় বৰ অসহ্য লাগে । গ্ৰাহকৰ উপস্থিতিও কম । কাম কৰা লৰাটো-বীৰেন ভাত খাবলৈ গৈছে । ফেনখনৰ গৰম বতাহ লৈয়ে গ্ৰাহকৰ অপেক্ষাত বাতৰি কাকত খনত চকু ফুৰাই আছিলো । আবেলি মোৰ বন্ধু প্ৰণয় আৰু আকাশ আহে, আড্ডা দিবলৈ । আড্ডা মানে অন্য নহয়, নাটক, থিয়েটাৰ, চিনেমাৰ কথা । কাৰণ আমি তিনিওটা নাটক-পাগল । সৰুৰে পৰা একেলগে নাটক কৰি আহিছো ।

"কেইটামান Alzolam টেব্‌লেট দিয়কচোন" কাৰোবাৰ মাতত মোৰ বাতৰিকাকত খনৰ লগত থকা সম্পৰ্ক ছেদ হল । মূৰ তুলি চালো । দীঘল চুলি, লেতেৰা এসোপা দাড়ি, বহুদিন নোধোৱা বগা চোলা আৰু কৰ্ডৰ পেন্ট পিন্ধা এজন গ্ৰাহক । এনেকুৱা মানুহ দেখিলে মোৰ বৰ ভয় লাগে । জটবন্ধা চুলি,

ভোবোকাব দাড়ি, উঃবাম ! কিয়নো এইবোব বাখি মবে অ ? মানুহজনব চকু কেইটা আৰু ভয়ানক। এহাতলৈকে সোমোৱা মণিকেইটা নীলা। কিন্তু চাৱনিটো যেন করুণ। ফ্রীজত যদিও মই বিশেষ বড়িটো বিচাবি আছো, মনতে ভাবিছো, মানুহজনক যেন ক'ববাত মই লগ পাইছো। কিন্তু ক'ত পাইছো? মনত পেলাবলৈ চেষ্টা কৰিলো। মানুহজনব পৰিচয়টোকে লোৱা যাওক নেকি ? এই বড়ি দিওঁ, পইচা লও, বচ্। বড়িটো দিবলৈ আগবাঢ়িছোহে, মানুহজনে দেখোন মোলৈ একেথিৰে চাই আছে। অন্তৰাত্মা কঁপি উঠিল। নীলা চকু কেইটা আৰু ভয়ানক যেন লাগিল। আজি কালি কাকো বিশ্বাস কৰিব নোৱাৰি, কোনে কি ধান্দাত ঘূৰি ফুৰে ধৰিবকে নোৱাৰি। বুকুখন উঠা-নমা কৰিবলৈ ধৰিলে। মানুহজনে যদি মোক আক্রমণ কৰে মোক বচাবলৈ ওচৰত কোনোবা আছেনে নাই,মানুহজনৰ অলক্ষিতে বাহিৰলৈ চালো। পুনৰ সেই কর্কশ মাত "আপোনাৰ নাম বাৰু মৃন্ময় বৰুৱা নেকি ?"

হাৰে, বপুৰাই দেখোন মোৰ নামটোও জানে! ইয়াৰ বাৰু মত্লব কি? তথাপি উত্তৰ নিদিলে কথা বিষম হ'ব বুলি সেমেনা সেমেনিকৈ কলো " হয়, মোৰ নামেই মৃন্ময় বৰুৱা। কিন্তু আপোনাক মই ?"

"চিনি পোৱা নাই, নহয় ?"

চাট্‌কৈ খং এচাট্ উঠি গল! হেৰি ঋষি-মুনি ভদ্রলোক, আপোনাৰ যদি মই পৰিচয় নাপাওঁৱেই, তেন্তে আপুনি কোন মই কেনেকৈ জানিম ?

ইতিমধ্যে তেৰাই এটা মিনি চাৰমিনাৰ জ্বলাই ধোঁৱাখিনি এবাৰ জোৰেৰে পেটৰ ভিতৰলৈ প্রৱেশ কৰাই পুনৰ বাহিৰলৈ নিষ্কাষণ কৰি অকণমান হহাঁৰ নিচিনা কৰি কলে, "প্রণয় আৰু আকাশৰ খবৰ কি ? সিহঁতক তই লগ পাৱনে ?"

আপুনিৰ পৰা তই ! হেৰি মুনিৰাজ, বড়ি লওক, পইচা দিয়ক, আৰু যাওক। এইখননো বাৰু কি ভাওনা কৰিছে হয়নে? ভাবি থকাতেই থাকিলো। মানুহজনে মোক আচৰিত কৰি শ্ব'কেছৰ কাষৰ সৰু দৰজাখন খুলি মোৰ ওচৰ পালেহি। ডকাইত ? হয়, হয়, ই ডকাইতেই। মোক হত্যা কৰি মোৰ দোকানৰ সকলো বস্তু লুটি নিব এতিয়া। কেছ্ বক্স্‌টোলৈ বেজাৰ মনেৰে দৃষ্টি দিলো। অচিৰেই ঘটনা এটাযে ঘটিব মই গম পাই গ'লো। ওচৰৰ দোকানী ৰজত আৰু ফিৰোজক চিঞৰো নেকি? পিষ্টল বা ডেগাৰ জাতীয় কিবা এবিধ উলিয়াইহে লাগে। মোক নামাৰিব, মই বিয়া পতা মানুহ বুলি মানুহজনৰ ভৰিহালতে সাবত মাৰি ধৰোঁ নেকি ? "কি হ'ল, তই দেখোন ভয় খাইছ ?" কর্কশ কন্ঠস্বৰ এইবাৰ অলপ কোমল।

"মানে... মানে আপুনি মোক.....!" শ্রীমতীৰ মুখখন মোৰ চকুৰ আগত ভাঁহি আহিল। কান্দি পেলাবৰ মন গ'ল।

"ধুৰ, কি যে কথাবোৰ ভাবিছ ? ইমান সোনকালে পাহৰি গলি বন্ধু !" মানুহজনে চকুকেইটা পিৰিক-পাৰাক কৰি ক'লে।

বন্‌ধু! কোমল অথচ বন্ধু বোলা অচিনাকী ব্যক্তিৰ প্রশ্নত থত্‌মত খাই গ'লো। অলপ যেন সাহস আহিল। মানুহজনৰ চকুযুৰিত মোৰ দৃষ্টি পৰিল। এইহাল নীলা চকু ? মোৰ কার্য্যত মানুহজনে অকণমান ওঁঠখন বেঁকা কৰি হাঁহিলে। ওপৰ পাৰি দাঁতৰ বেৰিয়া দাঁতটো মোৰ চকুত পৰিল। মানুহজনে হাঁহি আছে, মই একেথিৰে চাই আছো। হয়, হয়, মানুহজনক মই চিনি পাইছো। কিন্তু ক'ত........।

"তইঁতৰ স্মৃতি শক্তি বৰ কম অ'।" মানুহজনে অলপ আক্ষেপৰ সুৰত ক'লে।

হঠাৎ যেন মোৰ চকুত সকলো পৰিস্কাৰ হৈ পৰিল। পাইছো, চিনি পাইছো। নীলা চকু, বেৰিয়া দাঁত...... । ক'ব নোৱাৰাকৈয়ে মোৰ মুখৰ পৰা ওলাই আহিল, "তই.... তই বাৰু পার্থ নহয় নে ?" লগে লগে মুখখন ডাঙৰকৈ মেলি মানুহজন মানে পার্থই ঢেক্‌ঢেকাই হাঁহি দিলে। আৰু ক'লে, "হওক দে, অৱশেষত যে চিনি পালি।" হাঁহিৰ লগত সি কথাখিনি কওঁতে তাৰ মুখৰ পৰা থুৰ চিটিকনি আহি মোৰ মুখত পৰিলহি। মচি ললো। পার্থই পুনৰ চাৰমিনাৰ এটা জ্বলালে। "কিন্তু তইতো– ?" মোৰ কথা শেষ নহলেই, পার্থই মাজতে ক'লে,



"মৰিলো বুলি ভাবিছিলি নহয় ? নাই মৰা বুজিছ। আমাৰ দৰে মানুহবোৰ মৰিব নোৱাৰে।"

"ইমান দিনে তই ক'ত আছিলি ?"

"সমগ্র ভাৰত ভ্রমণ কৰিছো বুজিছ। বৃন্দাৱন গ'লো। কাশী গ'লো। তাজমহল চালো। কলিকতাত ক্রিকেট্ মেছ চালো। মুম্বাইত চিনেমাৰ ছুটিং চালো। বহুত ঠাইলৈকে গ'লো। বহুত মানুহক লগ পালো। কিন্তু ভাল নাপালো। চব্ ধান্দাবাজ, প্রতাৰক, বিশ্বাসঘাতক।"

মই হা কৰি তাৰ কথাবোৰ শুনি গৈ আছো। ভাৱিছো, ইয়াৰ কথাবোৰৰ চোন কোনো সংগতি নাই। মূৰৰ বিকৃতি ঘটা নাইতো ?"ঐ, মই যাওঁ"। হঠাৎ পার্থই ক'লে। "যাবি ৰহ। ইমান দিনৰ মূৰত আহিছ। বহচোন, বহ।"

"নহয় অ' আজি ৰাতিটো শোৱাই নাই। মানে মোৰ টোপনি কম। সেয়ে টোপনি অহা ঔষধ খাব লগা হয়। দে,দে ঔষধ কেইটা, মই যাওঁ। পইচা কিমান দিম ?"

"আস্‌সা শুনচোন। মানে ডাক্টৰৰ প্রেচ্‌ক্রিপ্‌চন্ নহ'লে মই সাধাৰণতে এইবোৰ ঔষধ বিক্রি নকৰো।ৰেষ্ট্রিক্টেড্ ড্রাগ্‌তো !"

মোৰ কথাশুনি তাৰ কপালখন কিছু কোঁচ খাই গ'ল। পুনৰ মই কলো, "নাই, নাই, তই চিন্তা নকৰিবি। তোক বাৰু প্রেচ্‌ক্রিপ্‌চন্ নোহোৱাকৈয়ে দিম। কিন্তু তই ইমান খৰধৰ কিয় কৰিছ। বহচোন, চাহ খা।" মনতে ভাবিলো, পার্থই ডাক্টৰৰ লগত যোগাযোগ নকৰাকৈ ঔষধবোৰ ব্যৱহাৰ কৰি আছে।

"অন্য এদিন আহিম। মোৰ গাটো বেয়া লাগিছে। হব দে, লগ পাইয়ে থাকিম নহয়।" এই বুলি ঔষধ কেইটা মোৰ পৰা প্রায় জোৰ কৰাদি লৈ মোৰ আপত্তি সত্বেও ঔষধ কেইটাৰ দাম দি পার্থ ওলাই গ'ল। মনত এসোপা প্রশ্ন লৈ মই কেৱল সি যোৱালৈ থৰ লাগি চাই থাকিলো।

পার্থ, পার্থজ্যোতি মহন্ত! মোৰ বন্ধু। মই প্রণয়, আকাশ আৰু পার্থ। চখতে হওঁক বা অন্য কাৰণতে হওক আমি চাৰিওটাই নাটক কৰি বৰ ভাল পাইছিলো। আমাক নাটক শিকোৱা অবিনাশ দাই নাটক লিখে আৰু আমি কৰো। পার্থ'ই খুব ভাল অভিনয় কৰিছিল। কিন্তু ঘৰুৱা কিছু সমস্যাৰ বাবে মোৰ মা-দেউতাই মই পচন্দ কৰা ছোৱালীজনীকে বিয়া পাতি দি মোক সংসাৰৰ মেৰপেচত সুমুৱাই দিলে। ফার্মচীখন খুলিলো। নাটক কৰা কমি আহিল। প্রণয়ে কন্‌ট্রেক্টত ধৰিলে। আকাশ বিদ্যুৎ পৰিষদৰ চাকৰিত সোমাল।

কিন্তু পার্থ........ হঠাৎ যেন সি হেৰাই গ'ল। মোৰ বিয়াৰ কেইদিনমানৰ পাছতে গম পালো, সি ঘৰৰ পৰা নোহোৱা হ'ল। মোক আচৰিত কৰি সি মোৰ বিয়ালৈও নহাকৈ আছিল। পার্থৰ ককায়েকহঁতে বহুত বিচাৰ-খোচাৰ কৰিলে। নাই, সি যেন বতাহৰ লগত মিলি গ'ল। তাৰ কিবা এটা হ'ল বুলিয়েই সকলোৱে ধৰি ললে।

কিন্তু আজি হঠাৎ পার্থ এনেকৈ ক'ৰ পৰা ওলালহি ? তাৰ সেই সুন্দৰ শৰীৰটোৰ আজিৰদৰে অৱস্থা কিয় হ'ল ? তাৰ টোপনি নাহে, ঔষধ খাবলগীয়া হয়, কিয় ? সি বাৰু মদো খাই নেকি ? আগতে চিগাৰেট এটা নোখোৱা ল'ৰাটোৱে কি কাৰণত হঠাৎ মদ খাব পাৰে ? কিয় ? কিয় ? মোৰ অন্তৰংগ বন্ধুজনৰ এইটো অৱস্থা দেখি মর্মাহত হৈ পৰিলো। কিন্তু কোনে দিব এইবোৰ প্রশ্নৰ উত্তৰ । নহয়, নহয়, মই ইয়াৰ উত্তৰ পাব লাগিব। আৰু দিব পাৰিব কেৱল পার্থইহে। তাক মই লগ পাব লাগিব। সোনকালে, খুব সোনকালে।

সাধাৰণতে দেওবাৰে মই ফার্মাচিত নাথাকো। বীৰেন থাকে। গতিকে দেওবাৰ মোৰ বাবে ফ্রি। কেতিয়াবা শ্রীমতীৰ লগত চিনেমা চাওঁ। কেতিয়াবা কলামন্দিৰত কোনোবা দলে নাটকৰ ৰিহার্চেল কৰি থাকিলে, ৰিহার্চেল চাবলৈ যাওঁ, ইত্যাদি। কিন্তু আজি মোৰ লক্ষ স্থান অন্য। কাৰণ মই পার্থক লগ কৰিবলৈ গৈ আছো সিহঁতৰ ঘৰলৈ। দেওবাৰ কাৰণে পথত মানুহৰ সমাগম কম হোৱাৰ বাবে মোৰ বাইক্‌খন পার্থহঁতৰ ঘৰৰ ফালে কুঁ-কুৱাই ধাৱিত হৈছে।

"মৃন্ময়" !..... সেই চিনাকী মাত। জোৰেৰে ব্রেকদাল ধৰাত বাইক্‌খন ৰৈ গ'ল। ফুট্‌পাথেৰে পার্থ আহি আছে। সেই একেই বিবর্ণ চেহেৰা। হাতত জলন্ত চিগাৰেট।

সি মোৰ কাষ চাপি আহিল। মই তাক লক্ষ্য কৰিলো৷ যোৱা ৰাতিও সি শোৱা নাই। চকু দুটা ৰঙা হৈ আছে। ৰ'দ পৰাৰ লগে লগে আৰু ভয়ানক হৈ পৰিছে।

"কলৈ যাব ?" পাৰ্থৰ প্ৰশ্ন।

"তোকেই বিচাৰি আহিছিলো অ' "। আগ্ৰহেৰে ক'লো। "মৃন্ময়, সেই চিনেমা হলটোৰ ওচৰতে গাড়ীয়ে কুকুৰ এটা মাৰি থৈ গ'ল। কিন্তু সেইটো কুকুৰ নহৈ যদি এটা মানুহ হ'লহেঁতেন কিমান যে হৈ চৈ হ'লহেঁতেন নহয়নে ? জীৱনৰ যে বিলাই!" কথাষাৰ কৈ সি খুকখুককৈ হাঁহি দিলে। ভাবিলো, হয়, সচাঁই ইয়াৰ ওপৰৰ অংশত কিবা গণ্ডগোল হৈছে। হঠাৎ কিবা এটা মনত পৰাত সি মোক সুধিলে, "বাৰু মোক যে বিচাৰি আহিছিলি, কিয় ?"

"কাম আছে।" চমুকৈ ক'লো।

"এ মোৰ সময় নহব অ'। মই টেব্‌লেট্ নিবলৈহে তোৰ ওচৰলৈ আহিছিলো। কালি হাতত পইছা নথকাৰ বাবে কিনিব নোৱাৰিলো। ৰাতিটো টোপনিয়েই নাহিল।"

"টেব্‌লেট্ মই দিম। উঠ বাইকত, এফালে যাওঁ।"

"কলৈ যাবি ?"

"আৰে, উঠনা।" বাইক্‌খন ষ্টাৰ্ট দিলো। মোৰ প্ৰবল অনুৰোধক উপেক্ষা কৰিব নোৱাৰি পাৰ্থ বাইকৰ পিছফালে উঠিল। উঠিয়েই সি তাৰ মূৰটো মোৰ পিঠিত পেলাই দিলে। অ, কি কৰে ই ? মানুহবোৰে কি ভাবিব এতিয়া ? চিঞঁৰি বহ বুলি কওঁ নেকি ? ক'লে যদি সি বেয়া পায়! সি বাৰু দুৰ্ব্বল নেকি ? ৰাস্তাত ক'লৈ যাবি, কি কামত যাব, মই নগ'লে নহয়নে, ইত্যাদি পাৰ্থ ৰ প্ৰশ্নবোৰৰ মই উত্তৰ দিবলগা হৈছিল।

হোটেল পেৰেডাইজ। হোটেলৰ সন্মুখত থকা পাৰ্কিং প্লেচত বাইক্‌খন ৰাখি দিলো। হঠাৎ পাৰ্থই একপ্ৰকাৰ বাইক্‌খনৰ পৰা জপিয়াই নামি দৌৰি যোৱাদি গৈ ৰাস্তাৰ সিটো পাৰ পালেগৈ। মইতো হতবাক, ই কৰে কি ?.কিয় এনেকুৱা কৰিছে! পাগলামি আৰম্ভ হলেই নেকি ? মইও তাৰ ওচৰ পালোগৈ। ওচৰ পায়েই সুধিলো, "পাৰ্থ কি হ'ল তোৰ ?" সি যেন কঁপিছে৷ পকেটৰ পৰা চিগাৰেট এটা উলিয়াই ঘনাই ঘনাই হুপিছে। সি উত্তৰ নিদিয়া দেখি তাৰ বাহু দুটাত ধৰি জোকাৰি সুধিলো, "এই, কি হ'ল তোৰ ? কিয় এনেকুৱা কৰিছ !!"

হঠাৎ পাৰ্থই এটা সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে। ইপিনে মোৰ কি কৰোঁ, কি নকৰোঁ অৱস্থা হ'ল। বৰ দিগদাৰ লাগে এনেকুৱা নভৱা-নিচিন্তা পৰিস্থিতিত পৰিলে। ফুটপাথেদি যোৱা দুজন মানুহে আমালৈ ঘূৰি ঘূৰি চাই গ'ল। কিন্তু বিষয়টো কি ? কি কাৰণে সি এনেকুৱা কৰিছে ?

"পাৰ্থ, ব'চোন, কিয় কান্দিছ তই ?" লগে লগে পাৰ্থই মোৰ ভৰি হালত খামোচ মাৰি ধৰি কবলৈ ধৰিলে, "মোক এই ঠাইখিনিৰ পৰা লৈ যা মৃন্ময়, নহলে মই মৰি যাম।" তাৰ উত্তেজিত ৰূপটো দেখি আৰু পৰিস্থিতি বিষম হ'ব বুলি ভাবি মই বাইক্‌খন আনি তাক উঠাই চলাইদিলো। এইবাৰ গৈ নেহেৰু পাৰ্কৰ ওচৰত ৰৈ গ'লো।

"আহ, ইয়াতে অলপ বহো।" সি কোনো উত্তৰ নিদি মোৰ লগত ঢলং পলং খোজেৰে পাৰ্কৰ ভিতৰলৈ আগবাঢ়ি গ'ল! পাৰ্কৰ এখন বেঞ্চত সি থুপুহৈকৈ বহি দিলে। মইও তাৰ ওচৰতে বহিলো। কাৰো মুখত মাত নাই। মন কৰিলো, সি কিছু শান্ত হৈছে। চিগাৰেট এটা জ্বলাই আপোন মনে হুপিছে। হঠাৎ ঘটি যোৱা ঘটনাটোত মই প্ৰায় দিগ্‌বিদিক্ হেৰুৱাইছিলো। মোৰ যেন এতিয়াহে উশাহ ঘূৰি আহিছে।

"আজি-কালি নাটক কৰনে নাই ?" হঠাৎ নীৰৱতা ভংগ কৰি পাৰ্থই কৰ্কশ কন্ঠেৰে সুধিলে। "অঁ, কৰো, কৰো। মাজে-মাজে দুই এখন।" তাৰ কথা কেইটাত উচপ খাই উঠি কেনোমতে উত্তৰটো দিলো। মনতে ভাৱিলো, এতিয়া আৰু মোৰ নাটকৰ কথা পাতিবলৈ ইচ্ছা নাই। অকণমান আগতে সি যিখন নাটক কৰিলে সেইখনৰ বিষয়েহে মোৰ জানিবলৈ হেঁপাহ হ'ল। "বিয়াও পাতিলি বোলে ?" সি অকণমান হাঁহি মোক সুধিলে। "অঁ, প্ৰায় দুবছৰেই হ'ল। কিন্তু তই ইমানদিন..."

মোৰ কথা শেষ নহ'লেই, পাৰ্থই দিলে ঢেক্‌ঢেকাই হাঁহি। হাঁহিটো বৰ বিকট যেন লাগিল। হঠাৎ পাৰ্থই হাঁহিটো বন্ধ কৰি মোৰ আৰু ওচৰ চাপি সুধিলে, "মৃন্ময়, তই বাৰু বিয়া পাতি সুখীনে ?"

"ওঁ, নিশ্চয়।" পুনৰ নীৰৱতা। পাৰ্থই দূৰলৈ চাই কিবা ভাবি আছে। "বাৰু, পাৰ্থ! তই এই ঔষধবোৰ কিয় খাৱ ?" নীৰৱতা ভংগ কৰিলো। পাৰ্থই মোৰ মুখলৈ চালে। "টোপনি নাহে কাৰণে খাওঁ।" পাৰ্থৰ চুটি উত্তৰ। "কিন্তু টোপনি নহাৰটো এটা কাৰণ থাকিব লাগিব।"

"তোৰ ফাৰ্মচী আজি বন্ধ নেকি ?" বুজিলো পাৰ্থই ফালৰি কাটিছে। সি যেন মোৰ পৰা কিবা লুকুৱাব খুজিছে। "মোৰ প্ৰশ্নটোৰ সেইটো উত্তৰ নহয় পাৰ্থ। কচোন, তোৰ কি হৈছে ?" পাথই মোলৈ চালে, থিয়হৈ ক'লে, "এই বাদ দে। যাওঁ ব'ল।" "নাই মই নাযাওঁ। তই যদি মোৰ সচাঁ বন্ধু হৱ, তই মোক আজি সকলো ক'ব লাগিব।" মই জোকে ধৰাদি ধৰিলো।

পাৰ্থই গাটো এঙামুৰি দি ক'লে, "শুনিবি..... ?" এই বুলি সি চিগাৰেট এটা জ্বলাই ল'লে। এইবাৰ পাৰ্থই ঘাঁহনিৰ ওপৰত বহি বেঞ্চখনত আঁউজি ল'লে। ক্ষন্তেক নীৰৱতা। টি টি টি হিত....... আকাশেদি চৰাই এটা উৰি গ'ল। চৰাইটোৱে যেন আমাৰ নীৰৱতাক পেংলাই কৰি থৈ গ'ল।

বন এডাল ছিঙি আনি সেইডাল লিৰিকি বিদাৰি লাহে লাহে পাৰ্থই আৰম্ভ কৰিলে, "তই যেতিয়া পেৰেডাইজৰ সন্মুখত আহি ৰৈছিলি মোৰ বুকুখন চিৰিং কৰি গৈছিল। ভাৱিছিলো তই মোক কি ঠাইলৈ আনিলি। কাৰণ সেই হোটেলখনতে মোৰ অতীতৰ বহুতো বাস্তৱ সপোন জড়িত হৈ আছে। বহুদিন বহু ঘন্টা এই হোটেলখনতেই তাইৰ লগত মই নিবিড় মুহূৰ্ত্ত কটাইছিলো। অন্তৰৰ কথা, ভৱিষ্যতৰ কথা পাতিছিলো। অভিমান কৰিছিলো, মৰম কৰিছিলো.... তাইক মই খুব ভাল পাইছিলো। কিন্তু !!" পাৰ্থ ৰৈ গ'ল। পুনৰ চিগাৰেট এটা জ্বলালে। তাৰপিছত মোলৈ চাই হঁহাৰ নিচিনা কৰি ক'লে, "মৃন্ময়, তই হয়তো মোক সুধিবি যে মই কাৰোবাৰ লগত প্ৰেম কৰিছিলো আৰু সেইটো তইঁত বন্ধুবোৰে গম নাপালি। আচলতে কি জান্, তইঁতক মই এটা চাব্‌প্ৰাইজ্ দিব খুজিছিলো। তাইও মোক তেনেদৰে কৰিবলৈ কৈছিল। সেইদিনা আমাৰ ভালপোৱাৰ একছৰ পূৰ্ণ হৈছিল। আগতে ঠিক কৰি থোৱাৰ দৰে মই গৈ পেৰেডাইজত বহি আছিলো। বহু সময় অপেক্ষা কৰিলো। কিন্তু তাই নাহিল। ভাবিলো তাইৰ নিশ্চয় কিবা এটা ডাঙৰ অসুবিধা হ'ল। বহু চেষ্টা কৰিও পিছত তাইক মই লগ নাপালো। কেইদিনমানৰ পাছতহে গম পালো ত্ৰিবেনীৰ হেনো সেইদিনা বেলেগ এজনৰ লগত আঙঠি পিন্ধোৱা হৈ গ'ল। কেনেকৈ যে ঘটনাবোৰ ঘটি গ'ল ধৰিবকে নোৱাৰিলো। মোৰ সকলো সপোন ভৱিষ্যত ধূলিৰ লগত মিহলি হৈ গ'ল, মৃন্ময় !" পাৰ্থই এটা শেঁতা হাঁহি মাৰিলে।

"ঐ পাৰ্থ, এই ত্ৰিবেনী কোন অ' ?" সহজ ভাৱেৰে সুধিলো।

'সেইযে ভাস্কৰ হাজৰিকাৰ একমাত্ৰ কন্যা ত্ৰিবেনী হাজৰিকা।' পাৰ্থই সহজ ভাৱেৰে ক'লে।

মোৰ মূৰত যেন কোনোবাই জোৰেৰে হাতুৰিৰে কোব টোহে মাৰিলে। ভৰি দুটা থক্-থক্‌কৈ কঁপিবলৈ ধৰিলে। হে, ভগৱান, মই এইবোৰ কি শুনিছো। পাৰ্থই বাৰু কথাবোৰ সঁচাকৈ কৈছেনে, নে মোৰ কানদুখনৰহে কিবা গোলমাল হ'ল। কাৰণ ভাস্ক ৰ হাজৰিকাৰ কন্যা ত্ৰিবেনী হাজৰিকাতো মোৰ লগত বিয়া হৈ ত্ৰিৱেনী বৰুৱা হ'ল। আমাৰ মাজত প্ৰেম হোৱাৰ তিনিমাহৰ পাছতেই আমাৰ বিয়া হৈছিল।

কিন্তু পাৰ্থৰ লগত ত্ৰিবেনীয়ে এইবোৰ কিয় কৰিলে ? ত্ৰিবেনীয়েতো এই বিষয়ে মোক কোনো দিনে একো কোৱা নাই। পাৰ্থৰ বৰ্ত্তমানৰ অৱস্থাটো কিয় হ'ল মোৰ বুজিবলৈ বাকী নাথাকিল। পাৰ্থৰ মুখলৈ চাওঁ নাচাওঁকৈ চালো। সিও মোলৈ চাই আছে। তাৰ চকুহালে যেন কব খুজিছে, "ধৰা পৰি গ'লা বন্ধু !"

"মৃন্ময়, কি হ'ল ? থৰ লাগিলি দেখোন ?" পাৰ্থৰ মাতত উচপ খাই উঠিলো। ইতিমধ্যে পাৰ্থই এটা চিগাৰেট জ্বলাইছে। "আঁ! নাই, নাই, একো হোৱা নাই। যাওঁ বল।" কে নোমতে কথাষাৰ ক'লো। "বেয়া নাপাবি আজি তই মোৰ কাৰণে বৰ

লাজত পৰিবলগীয়া হ'ল। আচলতে কি জান, হোটেলখন দেখি অতীতৰ সকলো কথা চকুৰ আগত ভাঁহি উঠিছিল। জান মৃন্ময়, সেইবোৰ মনত পৰিলে মই পাগলৰ দৰে হৈ পৰো। কিন্তু কি কৰিবি,উপায়তো নাই। গতিকে সেইবোৰ সপোন, বেয়া সপোন আছিল বুলি পাহৰিবলৈ চেষ্টা কৰিছো। চিন্তা কৰোতে কৰোতে টোপনি নহা বেমাৰে আৱৰি ধৰিছে। কিন্তু মই জানো আনৰ কাৰণে কান্দিব পাৰিলে হেনো কান্দোনতো সুখ পায়। বাৰু বাদ দে সেইবোৰ। মৃন্ময়, আজি মোৰ হাতত পইচা নাই। তই বাৰু তোৰ ফাৰ্মচীৰ পৰা বাকীকৈ টেব্‌লেট্ কেইটামান দিবিনে ?"

মই পাৰ্থৰ চকুহাল চালো। বুকুখন কোনোবা এঠাইত বিষাই উঠিল। তথাপি নিজকে, সংযত কৰি ক'লো, ' দিম ব'ল।' ৰাস্তাত আহোতে পাৰ্থই তাৰ মূৰটো পুনৰ মোৰ পিঠিত পেলাই দিলে। আপত্তি নকৰিলো। কাৰণ তাৰ ওচৰত আপত্তি কৰিবলৈ আজি মোৰ একোৱেই নাই। মই অসহায়। মোৰ কন্ঠ ৰুদ্ধ ॥

# সূৰ্য্যাস্ত




উৎপলা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ
দিবা শাখা


তিনিঘন্টা সময় একেলগে গাড়ীত বহি অহাৰ পাছত প্ৰাঞ্জলৰ গাটো বৰ বেয়া লাগিছে। সেয়েহে সি আহিয়েই অলপ সময় বাহিৰতে বহি থাকিল। পাচতহে সি মাহীয়েকক ক'লে, " মাহী, গাটো বৰ বেয়া লাগিছে। চাহ একাপ সোনকালে দিয়কচোন।" মাহী তাৰ নিজৰ আপোন একো নহয়। দেউতাকৰ বন্ধু ৰমেন হাজৰিকাৰ পত্নী সৰলা হাজৰিকা। নিজৰ সন্তান নাই বাবেই দুয়ো প্ৰাঞ্জলক বৰ মৰম কৰে। কথাষাৰ কৈ কৈ সি পাকঘৰত সোমাল। ইতিমধ্যে সৰলাই চাহ তৈয়াৰ কৰিছিলেই। প্ৰাঞ্জলক বহিবলৈ দি চাহকাপ ঢালি ক'লে, " চাহ খাই-বৈ মুখ-হাত ধুই লবা, গা-মন ভাল লাগিব।" মাহীয়েকে দিয়া নাৰিকলৰ লাড্ডু আৰু চাহকাপ খাই তাৰ বৰ ভাল লাগিল।

আবেলি সময়ত সি নদীৰ পাৰৰ ফালে ওলাই গ'ল। মনটো ভাল লগাবৰ বাবেই। নদীৰ পাৰৰ ঘন ঘন পলাশ কেইজোপাৰ মাজেৰে পাৰ হৈ শিমলু জোপাৰ ওচৰত সি বৈ গ'ল। এজনী ধুনীয়া ছোৱালী শিমলুজোপাৰ তলতে পশ্চিম আকাশলৈ একে থৰে চাই আছে। সি বাৰে বাৰে চাইও তাই কি চাইছে ধৰিব নোৱাৰিলে। এটা অশান্ত মন লৈ অলপ সময় বৈ সি গুচি আহিল। সি আবেলি সদায় নদীৰ পাৰলৈকে ওলাই যোৱা হ'ল। সি কব নোৱাৰাকৈয়ে সদায় গৈ ছোৱালীজনীৰ ওচৰতে বোৱা হ'ল। তাৰ ছোৱালীজনী দেখি বৰ ভাল লাগে। কিন্তু সি তাইৰ নামটোকে নাজানে। সি সদায় একেটা কথাকে ভাৱি থাকে যে তাই একেডোখৰ ঠাইতে কিয় সদায় বহে আৰু কি চায় ? এই প্ৰশ্নৰ উত্তৰ সি তাৰ অন্তৰত বিচাৰি নাপায়। সি আৰু ধৈৰ্য্যৰে থাকিব নোৱাৰিলে। সেয়েহে সি এদিন তাইক মতাৰ কথা ভাবিলে।

সেইদিনা সি আনদিনাতকৈ সোনকালে গৈ শিমলুজোপাৰ তলতে ব'লগৈ। তাই অহা সি দূৰৰ পৰাই লক্ষ কৰি আছে। তাৰ বুকুৰ কঁপনি বাঢ়ি গ'ল যেতিয়া তাই ক্ৰমাৎ ওচৰ পালেহি। ভয়ে ভয়ে সি তাইলৈ চালে। তাই আহি একেবাৰে কাষেৰে পাৰ হ'ব খোজোতেই সি লাহেকৈ মাতিলে, " অলপ ৰবাচোন। তোমাৰ নামটো কি ? তুমি সদায় ইয়াত কিয় বহা ?" সি কথাখিনি একে উশাহতে সুধি পেলালে। সি ভাবিছিল যে ছোৱালীজনীয়ে হয়তো খঙেৰে তাক কিবা ক'ব। কিন্তু তাক আচৰিত কৰি তাই লাহেকৈ হাঁহি এটা মাৰি ক'লে, "মোৰ নাম বৰ্ষা দত্ত। সূৰ্য্যাস্ত চাই মই বৰ ভাল পাওঁ। সেইবাবে কাম-বন কৰি আবেলি ইয়াতে অকণমান বহোহি।" প্ৰাঞ্জলেও নিজৰ পৰিচয় দিলে, "মোৰ নাম প্ৰাঞ্জল বৰুৱা। যোৰহাটত মোৰ ঘৰ। বি. এ. ফাইনেল দি মাহীহঁতৰ ঘৰত ফুৰিবলৈ আহিছো। গাঁৱত থাকি মই বৰ ভাল পাওঁ। ৰিজাল্ট নিদিয়ালৈকে ইয়াতে থাকিম।" তাৰ পাছত দুয়োটাই বহু কথা পাতিলে। অকল সেইদিনাই নহয়, প্ৰত্যেকদিনাই। এই চিনাকী, ভাল লগাই সিহঁতৰ অন্তৰৰ মৰম আদান-প্ৰদানৰ সুবিধা কৰি দিলে।

বৰ্ষাৰ সূৰ্য্যাস্তৰ সময় খিনিয়েই দুয়োকো ওচৰৰ পৰা অতি ওচৰলৈ লৈ গ'ল। এদিনো নেদেখাকৈ সিহঁত যেন থাকিবই নোৱাৰে। দুয়োখন অন্তৰে মৰম স্বীকাৰ কৰাৰ পাছত আবেলি-ৰাতিপুৱা দুয়োটাই একেলগে নদীৰ পাৰলৈ যোৱা হ'ল। চাওঁতে চাওঁতে ৰিজাল্ট ওলাল। বৰ্ষাইও বি. এ. ফাইনেল দিছিল। তাই 'শিক্ষা' বিষয়ত ফাৰ্ষ্ট ক্লাচ্ আৰু প্ৰাঞ্জলে বুৰঞ্জী বিষয়ত ফাৰ্ষ্ট ক্লাচ্ পালে। বৰ্ষাই গুৱাহাটীত আৰু প্ৰাঞ্জলে দিল্লীত পঢ়িব। সেয়েহে সিহঁতে যোৱাৰ আগতে শেষ দিনাখনৰ বাবে নদীৰ পাৰলৈ গৈ শিমলুজোপাৰ তলত গৈ বহিলগৈ। সিহঁতৰ ভৱিষ্যতৰ বহু কথা পাতিলে। হঠাতে বৰ্ষাই প্ৰাঞ্জলক সুধিলে, "প্ৰাঞ্জল, তুমি দিল্লীলৈ গৈ মোক পাহৰি নোযোৱাতো ? কোৱানা তোমাৰ মোলৈ কিমান মৰম আছে ?" বৰ্ষাৰ কথা শুনি সি হাঁহিত ৰবই নোৱাৰিলে। সি হাঁহি হাঁহি ক'লে, " তুমি যে কি আঁকৰী বৰ্ষা। মই তোমাক পাহৰি থাকিব পাৰিমনে ? জানা বৰ্ষা, তোমালৈ মোৰ অজস্ৰ মৰম আছে।"

দুয়োকে দুয়োৰে শিক্ষা জীৱনে পৃথক কৰিলে। বৰ্ষাই চিঠি দিয়ে, ফোন কৰে। প্ৰাঞ্জলেও সহঁাৰি জনাই চিঠি দিয়ে। ইতিমধ্যে সৰলাই সকলো গম পাইছে। সৰলাই দুয়োকো দুয়োৰো উপযুক্ত বুলি ভাবিছিল। আৰু বৰ্ষাৰ ঘৰত কওঁতেও বৰ্ষাৰ দেউতাকে বিশেষ আপত্তি কৰা নাছিল। কাৰণ তায়েই তেওঁলোকৰ একমাত্ৰ সন্তান। প্ৰথম অৱস্থাত প্ৰাঞ্জলে যদিও বৰ্ষালৈ চিঠি দি আছিল পাছলৈ ক্ৰমে ক্ৰমে কমি গৈ শেষত নাইকিয়া হৈ গ'ল। বৰ্ষাৰ অৱস্থা বেয়া হৈ আহিল। পঢ়াৰ, স্বাস্থ্যৰ সকলোৰে অৱনতি ঘটিল। সেয়েহে দেউতাকে তাইৰ বিয়াৰ কথাকে ভাবিলে, কিজানি তাই সুখী হ'ব পাৰেই। মাক-দেউতাকে তাইক কথাটো জনোৱাত তাই ক'লে, "মা-দেউতা, মই জানো আপোনালোকে মোৰ ভালৰ বাবেই সকলো কৰিছে। প্ৰাঞ্জল আৰু মোৰ কথা আপোনালোকে জানে। যদিও আজি তেওঁৰ খবৰ নাই,তথাপিও মই তেওঁক পাহৰিব নোৱাৰো।" তাই আৰু একো ক'ব নোৱাৰিলে। কান্দোনত ভাঙি পৰিল।

দেউতাকে বুজালে, " মাজনী, ওকালতি কৰা আজি মোৰ ২৭ বছৰ হ'ল । এনে ধৰণৰ ঘটনা আজিয়েই মই প্ৰথম পোৱা নাই । দেউতাক হৈ মোৰ জানো কৰ্তব্য একো নাই ? তোক জানো প্ৰাঞ্জলৰ কথা ভাবি শেষ হৈ যাবলৈ দিব পাৰিম ?" বৰ্ষাৰ মনত আঘাত দিবলৈ দেউতাকে আৰু ইচ্ছা নকৰিলে । তাইৰ ইচ্ছা মতে সকলো কৰিবলৈ দিলে । তাই পঢ়াত মন দিলে । মাত্ৰ এটা কথাই তাই বিশ্বাস কৰে যে এটা মন্দিৰত এজন দেৱতাৰহে পূজা হয় । সেই মন্দিৰত তাই প্ৰাঞ্জলক ভক্তি কৰে । তাত তাই অন্য এজনক পূজা কৰিব নোৱাৰে ।

গুৱাহাটীত কবি-সন্মিলন পাতিছে । অসমৰ সকলো ভাষাৰ শ্ৰেষ্ঠ কবি সকলক বঁটা দিয়া হব । এই সন্মিলনৰ বাবে মাতিছে সেই বছৰৰ শ্ৰেষ্ঠ কবি ডঃ প্ৰাঞ্জল বৰুৱাক । তেওঁক 'জীৱন-বিৰহ' কবিতাপুথিখনৰ বাবে 'বিৰহী' কবি উপাধি দি সন্মানিত কৰিব । তেওঁ বৰ্ত্তমান দিল্লী ইউনিভাৰচিটিৰ বুৰঞ্জীৰ প্ৰৱক্তা । তেওঁ অসমৰে মানুহ । দিল্লীত যদিও থাকে তথাপি তেওঁ অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে বহুতো প্ৰৱন্ধ আৰু কবিতা পুথি ৰচনা কৰিছে ! তেওঁক পুৰস্কাৰ দিয়া হ'ল । সুমধুৰ সুৰেৰে ভাষণ দিলে । লগতে 'জীৱন-বিৰহ' কবিতা পুথিখনৰ পৰা দুটামান কৰিতা পাঠ কৰিলে । তাৰ পাছত বহু কেইজন কবিয়ে ভাষণ দিলে । এইবাৰ এগৰাকী মহিলা কবিয়ে কবিতা পাঠ কৰিলে । ইমান সুন্দৰ ভাবে কবিতা পাঠ কৰিলে যে সকলো নিস্তব্ধ হৈ গ'ল । কবি গৰাকীয়ে কবিতা পাঠ কৰাৰ পাছত ভাষণ দিলে । ডঃ প্ৰাঞ্জল বৰুৱাৰ এনে লাগিল তেওঁৰ যেন এই মাতটো খুবেই চিনাকী । কিন্তু ক'ত শুনিছিল এই কন্ঠস্বৰ ?

তেওঁৰ ওচৰতে বহি থকা ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ কবি দত্তক সুধিলে, "দত্ত, এই মানুহ গৰাকী ক'ৰ বাৰু ? ইমান সুন্দৰ কবিতা লিখিছে !" দত্তই উৎসাহিত হৈ ক'লে, " অ' এই দত্তৰ কথা কৈছে । এখেতে আমাৰ ইউনিভাৰচিটিৰে 'শিক্ষা' বিষয়ৰ প্ৰৱক্তা বৰ্ষা দত্ত; বৰ ভাল, জানে । পিছে, কিবা কাৰণত বিয়াহে নহ'ল । প্ৰাঞ্জলৰ আৰু বুজিবলৈ বাকী নাথাকিল বৰ্ষা দত্ত তেওঁৰেই এসময়ৰ অন্তৰংগ বৰ্ষা । শিৰত ৰঙা সেন্দুৰৰ সলনি শুদ্ধ বগা সেওঁতাটোৱে প্ৰাঞ্জলক অস্থিৰ কৰি তুলিলে ।

সভা ভঙাৰ লগে লগে চাহৰ পৰ্ব আৰম্ভ হ'ল । সকলোৱে সকলোৰে লগত চিনাকী হ'ল । দত্তইও অতি উৎসাহিত হৈ বৰ্ষাক প্ৰাঞ্জলৰ সৈতে চিনাকি কৰি দিলে । বৰ্ষাই নমস্কাৰ জনাই ক'লে, "নমস্কাৰ, বৰুৱাদেৱ । আপোনাৰ বক্তৃতা আৰু কবিতা সঁচাকৈয়ে বৰ সুন্দৰ । আকৌ শুনাৰ আশা থাকিল ।" হতভম্ব প্ৰাঞ্জলে কোনোমতে ক'লে, "আপুনিওতো ভাল কবিতা লিখে ।" দুয়োকো কথা পাতিব দি দত্ত আঁতৰি গ'ল। বৰ্ষাই সোনকালে ঘৰলৈ যোৱাটো ভাল হ'ব বুলি ভাবিলে । কিন্তু প্ৰাঞ্জলে বৰ্ষাৰ বৰ্ত্তমান অৱস্থাৰ কথা জানিব বিচাৰিছিল যদিও কব পৰা নাছিল । বৰ্ষাই বুজি পাইছিল প্ৰাঞ্জলৰ মনৰ অৱস্থা । সেয়েহে তাই ক'লে, "ধন্যবাদ বৰুৱা । আপোনাৰ লগত কথা পাতি ভাল লাগিল । এতিয়া মই যাওঁ ।" হঠাতে প্ৰাঞ্জল উত্তেজিত হৈ উঠিল । বৰ্ষাৰ হাত এখনত ধৰি চিঞৰি উঠিল, " বৰ্ষা, মোক ক্ষমা কৰা । দত্তই মোক সকলো কৈছে । তোমাৰ প্ৰতি মই ভীষণ অন্যায় কৰিলো । সেয়েহে তোমাৰ শাৱে মোৰ জীৱনটোক ধংস কৰিলে । দিল্লীলৈ যোৱাৰ পাছত মণীষাক তাত লগ পাই মই ভাল পাইছিলো আৰু তোমাৰ কথা পাহৰি গৈছিলো । কিন্তু এটা সন্তানৰ জন্মৰ পাছতেই মণীষাই এই পৃথিৱীৰ পৰা বিদায় ললে । আজি দিশহাৰা যেন পথিক মই । তোমাক দিয়া কষ্টৰ বাবে চিৰদিন মই অশান্তিত ভুগিব লাগিব ।" সি আৰু একো কব নোৱাৰিলে । শোকে তাৰ ডিঙিত খুন্দা মাৰি ধৰিলে । বৰ্ষাই ভাবি আছিল প্ৰাঞ্জল এদিন তাইৰ কাষলৈ আহিব । চিৰদিন তাই প্ৰাঞ্জলৰ আপোন হৈ থাকিব । কিন্তু এনে এটা ৰূপতো তাই কল্পনা কৰা নাছিল । ব্যৰ্থ প্ৰেমৰ ক্ৰোধত তাই একো নামাতি গুচি গ'ল ।

বৰ্ষা গাড়ীত বহিলগৈ আৰু ড্ৰাইভাৰক গাড়ী বেগাই চলাব দিলে । প্ৰাঞ্জলে মাত্ৰ থৰ লাগি চাই ৰ'ল গাড়ীখন যোৱাৰ ফাললৈ । সি যেন দৌৰি গৈ তাইক ক'ব, "বৰ্ষা, তোমাৰ অন্তৰৰ অশান্তিয়ে আজি মোৰ জীৱনটো দুখময় কৰি তুলিছে । মোৰ ভুলৰ বাবেই আজি মোৰ সন্তানেও মাকৰ মৰমৰ পৰা বঞ্চিত হৈছে । ক্ষমা কৰিবা জানো তুমি মোক কেতিয়াবা ?" কিন্তু তেতিয়া বৰ্ষা বহুখিনি দূৰ পাইছিলগৈ । তেতিয়া সূৰ্য্য অস্ত যাবৰ হৈছে । বৰ্ষাই গৈ গোঁসাই ঘৰত গতানুগতিক ভাবেই প্ৰাঞ্জলৰ বাবে প্ৰাৰ্থনা জনাবগৈ লাগিব। ৰাঙলী সূৰুয যিমানে ৰঙা হৈ আহিছে সিমানে তাই অলস, অৱস হৈ গাড়ীৰ আসনত নিজকে এৰি দিছে । তাইৰ জীৱনৰ সূৰ্য্যাস্ত তাই আজি সম্পূৰ্ণ অনুভৱ কৰিলে । এতিয়া কেৱল পৰিব্যাপ্ত অন্ধকাৰ ।

□□□□





# পৰিচয়

মিনতি দেৱী
স্নাতক দ্বিতীয় বৰ্ষ
পুৱা শাখা

মহাপয়োভৰ আৰু জাকজমকেৰে বশিষ্ঠ মন্দিৰত অনুষ্ঠিত হোৱা ৰাস মেলাৰ শেষ দিন । এটি বিৰাট সমাৰোহ, চাৰিওফালে উলহ-মালহেৰে ভৰপুৰ । আনন্দ মুখৰিত যেন এটি প্ৰাকৃতিক বিচিত্ৰানুষ্ঠান । মনোমোহা কনককান্তি ৰূপৰ সমাবেশ । কি অপূৰ্ব তাৰ শোভা । লোকে লোকাৰণ্য । অহা আহিছে, যোৱা গৈছে । জন সমুদ্ৰত অহা-যোৱাৰ বিৰাট এটি সোঁতে তাণ্ডৱ লীলাৰ সৃষ্টি কৰিছে । মুঠতে, ব্যস্ততাৰে ভৰপুৰ ৰাসমেলা পথাৰখন ।

সেইদিনাৰে ঘটনা । পৃথিৱীত কোনেও নাজানিছিল । আনকি ললিত আৰু মীনায়ো ভৱা নাছিল যে এই বশিষ্ঠ ৰাস মেলাখনে তেওঁলোকৰ জীৱন-নাটলৈ বোৱাই আনিব এনে এটি অভাৱনীয় অপূৰ্ব্ব পৰিণতি ।

অন্য দিনাৰ দৰে সেইদিনাও ললিত আৰু মীনা আহিছিল ঘৰৰ পৰা । আহোতে ললিতে মীনাহঁতৰ ঘৰত এভূমুকি মাৰিছিল। কিন্তু মীনাক লগ পোৱা নাছিল । মাকে কৈছিল যে ক্ষন্তেক আগতে তাই ওলাই গ'ল । সেয়ে লগ পোৱা নাছিল যদিও ললিতৰ মনত কোনো বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা নাছিল ।

ললিত আৰু মীনা দুয়ো কলেজত পঢ়ি থকা অৱস্থাতে তেওঁলোকৰ উভয়ৰে মাজত এটি সহৃদয়তা গঢ়ি উঠিছিল আৰু সেইটোৱেই এদ্দিন প্ৰেমৰ ৰূপ লৈছিল । আজি ইমান দিনেও দুয়ো দুয়োকে মনে-প্ৰাণে ভাল পাই আহিছে আৰু এদিন তেওঁলোকৰ মাজত গঢ়ি উঠা সেই প্ৰণয়ক স্বাগতম জনাই উভয়ৰ অভিভাৱকেই তেওঁলোকৰ শুভ-পৰিণয় পাতিবলৈ ঠিৰাং কৰিলে । সেয়ে কোনেও কাকো লগ পাবলৈ আগৰদৰে উত্ৰাৱল নহয় । দুয়োটাই জানে আৰু কেইদিনমানৰ পিছত স্বামী-স্ত্ৰী হিচাপে চিৰদিন

একেলগে থাকিব পাৰিব।

গন্তব্য স্থানত উপস্থিত হোৱাৰ ক্ষন্তেক পিছতেই ললিতে ভিৰৰ মাজত মীনাক দেখা পাই মাত দিছিল। মীনাৰ চকুযুৰিয়েও মেলাৰ অগণন লোকৰ মাজত ললিতকেই পিতৃপিতৃকৈ বিচাৰি আছিল। ললিতৰ মাতত মীনা ওচৰলৈ আহিছিল বৰ লাজ আৰু সংকোচেৰে। তেওঁলোক যে ভাৱী স্বামী-স্ত্ৰী এই কথাটো সকলোৱে জানিছিল। সেয়ে সংকোচ কৰিবৰ কথা।

মন্দিৰৰ গেট পাৰহৈ সোঁফালে ঘূৰি গাতে গা লগাই মানুহৰ ভিৰ ঠেলি সিহঁত আগুৱাই আহি আছিল। সন্মুখত পাতল ভিৰৰ মাজত কিবা এটা দেখা পাই দুয়ো থমকি ৰ'ল। এনেতে হঠাৎ মাইকত ঘোষণা কৰা শুনিবলৈ পালে, "তিনিবছৰীয়া ল'ৰা শ্ৰীমান উপেন লহকৰ ভিৰৰ মাজত হেৰাই গৈছে। পিন্ধনত আকাশী ৰঙৰ পেন্ট আৰু গাত হাৱাই চাৰ্ট। বুকুৰ সোঁফালে জন্মৰ পৰা এটি স্বাভাৱিক ডাঙৰ তুলসীৰ দাগ আছে। কোনোবা সদাসয় লোকে ইয়ালৈ আনি দিলে দিওঁতাক নগদ ৫০০ টকা পুৰস্কাৰ দিয়া হ'ব।" মাইকত কোৱা কথাফাঁকিয়ে কাৰো হৃদয়ত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰিলে যদিও মীনাৰ মনত কিন্তু বৰ গভীৰ আৰু পৰোক্ষ ভাৱৰ এটি সংমিশ্ৰিত অনুভূতিয়ে হৃদয় স্পৰ্শ কৰি প্ৰতিক্ৰিয়াৰ কৰুণ ঢৌ তুলিলে। এনেকৈ ভাৱি থাকোতে এসময়ত তাইৰ প্ৰৱল বেগত নামনিলৈ বৈ অহা পানীৰ দৰে চকুলোক বাধা দিব নোৱাৰি হুক্ হুক্ কৰি কান্দি পেলালে। ওচৰতে থিয় হৈ থকা ললিতে মীনাৰ এনেকুৱা ভাৱ-ভংগীত আচৰিত নহৈ নোৱাৰিলে। তেওঁ নিস্তব্ধতা ভাঙি, ভাৱত বাধা দি বৰ মৰমেৰে মাতিলে -"মীনা"। ললিতৰ মাতত মীনাৰ হুঁচ আহিল। ললিতে উৎসুক হৈ প্ৰশ্ন কৰিলে - "মীনা, তোমাৰ কি হ'ল ?" মীনাই লাজ মিহলি সুৰেৰে উত্তৰ দিছিল, "নাইহোৱা একো।" ললিতে আৰু মীনাক কোনো প্ৰশ্ন কৰি বিব্ৰত কৰিব নুখুজিলে। সময়ত সুধি লব বুলি ভাৱি থাকিল যদিও ইয়াৰ ভিতৰত কি ৰহস্য লুকাই আছে জানিবৰ বাবে মনটো ব্যগ্ৰ হৈ থাকিল।

সেইদিনা আৰু সিহঁতৰ আনন্দ মনেৰে মেলা চোৱা নহ'ল। উভতি আহোঁতে বাটত ললিতৰ মনত খু-দুৱাই থকা কথাটো মীনাক সুধি পেলালে। মীনাৰ কোৱাৰ ইচ্ছা নাছিল যদিও ললিতে নেৰানেপেৰাকৈ ধৰাত ক'বলৈ বাধ্য হৈছিল। মীনায়ো মাকৰ মুখত যিধৰণে শুনিছিল সেই ধৰণেই ক'বলৈ আৰম্ভ কৰিছিল। তাই কৈ গৈছিল ........।

বহুত দিনৰ আগৰ কথা। মা-দেউতাই এদিন আমাকলৈ এখনি ডাঙৰ মেলা চাবলৈ গৈছিল। আমি দুয়ো ককাই-ভনী। ককাইদেউৰ নাম আছিল ৰবীন। বয়স তিনিবছৰ আৰু মই আছিলো মুঠেই এবছৰীয়া। ককাইদেৱে দেউতাৰ হাতত ধৰি মানুহৰ ভিৰ ঠেলি আগবাঢ়ি যাওঁতে হেনো ৰবীনদা হঠাৎ দেউতাৰ হাতৰ পৰা এৰাই ভিৰৰ মাজত হেৰাই যায়। ভিৰটো বৰ গভীৰ আছিল। ফলত উলটি দাদাক ধৰাৰ আগতেই মানুহৰ ভিৰে হেঁচি নি দেউতাক বহু দূৰ পোৱালেগৈ। দেউতা আৰু ককাইদেউৰ মাজত তেতিয়া ভালেখিনি দূৰত্ব। দেউতাই মানুহৰ আঁৰে আঁৰে জুমি-জুমি ককাইদেউক বিচাৰি ফুৰিবলৈ ধৰিলে। বহুত সময় বিচাৰিও দাদাৰ কোনো অনুসন্ধান নাপাই দেউতা বৰকৈ হতাশ হৈ পৰিল। শেষত, আন কোনো উপায় নাপায় মাইকত কথাটো ঘোষণা কৰি দিলে আৰু বিচাৰি পাই অনা ব্যক্তিজনক নগদ ৫০ টকা পুৰস্কাৰ দিব বুলিও প্ৰতিশ্ৰুতি দিলে। ৰবীনদাক বিচাৰি পোৱাৰ আশাত মা-দেউতা ঘন্টাৰ পাছত ঘন্টা অপেক্ষা কৰি থাকিল। এনেকৈ অনুসন্ধানত উদ্বাউল মনেৰে আশা পালি থাকোঁতে সময়ৰ এটি ক্ষণে মা-দেউতাক ৰবীনদা হেৰুৱাৰ স্মৃতি উদং বুকুত লৈ ঘৰলৈ উভতি যাবলৈ বাধ্য কৰিলে। সিদিনা বোলে মায়ে বৰকৈ কান্দিছিল, হিয়া ধাকুৰি কান্দিছিল। দেউতাও বুলি কৈ হঠাৎ দুৰলৈ চাই মীনা থমকি ৰ'ল। তাই যেন আকৌ কিবা ভাৱিছিল। ললিতে সেই ভাৱনাৰ নিস্তব্ধতা ভাঙি দি পুনৰ সুধিলে - তাৰ পিছত ? মীনাই আকৌ কৈছিল-দাদাৰ বুকুৰ সোঁফালে ডাঙৰ এটি তিলৰ ক'লা দাগ আছিল। সেইখিনি কৈ মীনা আকৌ থমকি ৰ'ল । ললিতে আকৌ সুধিলে - তাৰ পিছত ? হাতৰ সৰু ৰুমালেৰে মীনাই পানীৰে সিক্ত দুচকু মচি লৈ কৈছিল - তাৰ পিছত মা-দেউতাই উদং বুকুত ককাইদেউৰ হেৰুওৱা স্মৃতি



লৈ গুছি আহিছিল। সেই তেতিয়াৰ পৰাই মা-দেউতাই আজিলৈকে কোনো মেলা চাবলৈ যোৱা নাই। গ'লেই বোলে ককাইদেউক হেৰুওৱা স্মৃতিত মন অস্থিৰ হৈ উঠে। মায়ে মাজে মাজে মোক ওচৰত বহুৱাই লৈ দাদাৰ কথা কৈ কৈ কান্দে। ময়ো কান্দো। সেয়ে আজি মাইকত কোৱা কথাষাৰ শুনি মোৰ সেই হেৰোৱা ৰবীনদাৰ কথা মনত পৰিছে।

ললিতে মীনাৰ কথাবোৰ বৰ মনোযোগেৰে শুনি গৈছিল আৰু নিজৰ মনত গভীৰ বিশ্বাস আৰু আস্থাৰে হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে অনুভৱ কৰিছিল সেই দুৰ্ঘটনা। কোনো সহানুভূতিপূৰ্ণ সমালোচনা নকৰি সহজ সৰল ভাৱে মীনাক ঘৰত আগুৱাই থবলৈ গৈছিল। মীনাই তেওঁক বহিবলৈ অনুৰোধ কৰিছিল যদিও তেওঁ মীনাৰ সেই অনুৰোধ উপেক্ষা কৰি হন্হনাই ঘৰৰ পৰা ওলাই নিজৰ ঘৰৰ ফালে খোজ দিছিল। মীনা ভেৱা লাগি তেওঁ যোৱাৰ ফালে চাই চাই কি ভাৱিছিল কোনে জানে ? কিন্তু ললিতে ভাবিছিল, "ধন্য, বশিষ্ঠৰ ৰাসমেলা, ধন্য মীনাৰ ভাতৃ প্ৰেম।"

ৰাতি বিচনাত শুই শুই ললিতে আকাশ-পাতাল ভাবিছিল। তেওঁ মীনাই কোৱা কথাবোৰ জুকিয়াই চাবলৈ ধৰিলে। তেওঁ যেন কিবাকিবি বিচাৰি পাইছে ঘটনাটোৰ মাজেৰে। তেওঁ ভাৱে, মীনাই কোনো দিনেই এই ঘটনাটো নোকোৱাই ভাল আছিল। এই ঘটনা শুনাৰ পাছতো মই জানো মীনাক বিয়া কৰাব পাৰিম ? মীনা, ললিতৰ জীৱনৰ প্ৰতিটো মুহূৰ্তত আনন্দৰ সৌৰভ বিলোৱা একোটা অপৰূপ স্নিগ্ধ মধুৰ নাম, যাৰ পৰশত গঢ়ি উঠিছিল ৰঙীন সপোন। জীৱনৰ একোটা গগনচুম্বী কল্পনাৰ শিখৰ মহল। কিন্তু, বিধিৰ কি লীলা। মীনাক উপেক্ষা কৰাটোও সম্ভৱপৰ নহয়। কাৰণ তেওঁৰ ইচ্ছাতেই বিয়াখন হ'ব। এই বিয়াত অস্বীকাৰ কৰিলেও পিতৃয়ে যৌতুকৰ ডাঙৰ অঙ্কটোৰ লোভ কেতিয়াও নাপাহৰে। আনফালে বিয়া কৰালেও সমাজবিৰোধী আৰু সমাজগৰ্হিত কাম কৰা হ'ব। এফালে মীনাৰ প্ৰেম-পাত্ৰ আৰু আনফালে ধৰ্ম আৰু সমাজ। এই দুমুখীয়া প্ৰতিদ্বন্দিতাত কাৰ জয় হয় কোনে জানে ? ললিতে ভাৱে বহুতো কথা। তেওঁ এতিয়া কি কৰিব কি নকৰিব ভাৱি ভাৱি কোনো সুস্থিৰ মীমাংসাত উপনীত হ'ব নোৱাৰে। শেষত, তেওঁ সকলো বিবাদ আৰু আপদৰ মূৰ মাৰিবলৈ হেৰোৱা সন্তান হেৰাই যোৱাটোৱেই সমীচিন ভাৱি পিছদিনা ৰাতিপুৱা ঘৰৰ পৰা কোনেও নজনাকৈ ওলাই গ'ল। যাওঁতে মীনাক লগ ধৰি দুআষাৰ কথা কোৱাৰ ইচ্ছা আছিল যদিও কিবা ভাৱি নগ'ল। মনে মনে মাত্ৰ ক'লে - "মীনা, তোমাৰ দীৰ্ঘায়ু কামনা কৰি তোমাৰেই ৰবীনদাক বিচাৰি ওলালো। তোমাৰ আন ঠাইত বিয়া হোৱাৰ পাছত তোমাৰ ললিতদাক বিচাৰি লৈ উপস্থিত হম। নানা বিপদৰ পৰা উদ্ধাৰ পাবলৈ, কঠিন সাঁথৰৰ দৃঢ় ৰহস্য উদ্ঘাটন কৰিবলৈ আৰু তোমাৰেই মঙ্গল কামনা কৰি আজি পুনৰ এই ২১ বছৰ বয়সত নিজে ইচ্ছাকৃত ভাৱে বিশ্বৰ অগণন লোকৰ লোকাৰণ্যৰ মাজত হেৰাই যাবলৈ বাধ্য হ'লো।

ইয়াৰ পিছত দুবছৰলৈকে ললিতৰ খোজ -খবৰ পোৱা নগ'ল। ললিতৰ নিৰুদ্দেশত দুয়োটা পৰিয়ালত শোকৰ ছাঁ পৰিল। ললিতৰ পিতৃ-মাতৃয়ে 'হেৰাই পোৱা সন্তান হেৰাই গ'ল' বুলি সান্তনা লভিলে। কিন্তু ললিতৰ অবিহনে মীনা শুকাই খীনাই যাবলৈ ধৰিলে। তাইৰ মনত হিয়া উজাৰি একেটাই মাত্ৰ প্ৰশ্ন ওলাই আহে - ললিত ক'লৈ গ'ল আৰু কিয় গ'ল ? মাক-জীয়েকে মাজে সময়ে কান্দে। মাকে কান্দে হেৰোৱা ৰবীনৰ বাবে আৰু মীনাই কান্দে ললিতৰ বাবে।

ইফালে ললিত ঘৰৰ পৰা ওলাই উজনি অসমত গৈ কিবা এটা অফিচত চাকৰি কৰি থাকিল। এদিন সেই অফিচত কাম কৰা অন্তৰঙ্গ বন্ধু এজনৰ বিয়াত নিমন্ত্ৰিত হৈ আহে ললিত। খোৱা লোৱাৰ শেষত দৰা কইনাক আশীৰ্বাদ দিবলৈ গৈ যি দেখিলে তাত তেওঁ আচৰিত নহৈ নোৱাৰিলে। কিছু সময় নিস্তব্ধ হৈ থকাৰ পিছত নিজক সংযত কৰিবলৈ চেষ্টা কৰিলে। তেওঁ সপোনতো কোনো দিনে কল্পনা কৰিব পৰা নাছিল যে এনে এটা পৰিস্থিতিৰ সন্মুখীন হ'ব। তেওঁ নিজৰ চকুকেই বিশ্বাস কৰিব নোৱাৰা হ'ল। তেওঁ সপোন নে দিঠক একো ধৰিব নোৱাৰিলে। নিজক কোনোমতে সংযত কৰি লৈ বৰ আবেগেৰে সহজ-সৰল ভাৱে আৰু অতি

পৰিচিতৰ দৰেই মাতিলে.....“মীনা !” ন-কইনা হিচাবে স্বাভাৱিক লাজত বহি থকা মীনায়ো মাতটো বহুদিনৰ পৰিচিত যেন পালে । তথাপি কোননো তেওঁ বুলি ভাবি লাহে লাহে মূৰ ডাঙি ওৰনিখন টানি চকুদুটা তুলি চোৱাৰ লগে লগে তাই চকখাই উঠিল । তাই যে আজি ন-কইনা সেই কথাও তাই পাহৰি গ'ল । বৰ উৎসুকতা আৰু ব্যগ্ৰতাৰে ললিতদা, ললিতদা বুলি চিঞৰি দুহাত প্ৰসাৰিত কৰি ললিতক সাৱতি ধৰিবলৈ উদ্যত হৈ আকৌ কিবা ভাবি লাজেৰে তলমূৰ কৰি ওৰণি টানিলৈ সংযত হৈ আগৰ ঠাইত বহি পৰিল । বিবেকে তাইক বাধা দিলে । তাই ভাবিলে “তাই আজি পৰস্ত্ৰী” । ললিত তাইৰ আজি কোনো নহয় । ললিতৰ লগত থকা সম্বন্ধ কেতিয়াবাই শেষ হৈ গৈছে । ললিত পৰপুৰুষ আৰু তাই পৰস্ত্ৰী । মীনাৰ এনে ভাবাবেগত ললিত অস্থিৰ হৈ পৰিল । তেওঁ মীনাৰ কোনো দোষ নধৰিলে । তেওঁ ভাবিলে আজি একো গোপনে নাৰাখি সকলো মুক্ত কণ্ঠে স্বীকাৰ কৰিম । মীনাক আৰু দুখ দিব নোৱাৰি । আজি মোৰ সকলো বিপদৰ পৰিসমাপ্তি ঘটিব । এইদৰে নানা কথা ভাবি ললিতে আকৌ সুললিত সুৰেৰে মাতিলে “মীনা, মীনা”.... । এইবাৰৰ মাতত মীনায়ো ধৈৰ্য্য ধৰিব নোৱাৰিলে । তাই যেন এই মাতত কিবা বিচাৰি পাইছে । তাই সকলো পাহৰি গ'ল । তাই মাতৰ প্ৰত্যুত্তৰ দিলে- “ আপুনি ললিতদা ? ” “হয়, মই তোমাৰ ললিতদা ।”

“ইমানদিনে কত আছিল আপুনি ? ক'লৈ গৈছিল আপুনি ? আৰু কিয় গৈছিল ?” “ তোমাৰ হেৰোৱা ৰবীন দাক বিচাৰি উজনি অসমলৈ গৈছিলো ।”

মীনাৰ মুখ খন শেঁতা পৰি গ'ল । ললিতৰ মুখত ৰবীন দাক বিছাৰি ফুৰাৰ কথা শুনি তাইৰ আকৌ সেই বশিষ্ঠ ৰাসমেলাৰ কথা মনত পৰিল । তাই ভাবিলে-“যিদিনাই ৰবীনদাদা হেৰোৱা ঘটনাটো কৈছিলো তাৰ পিছ দিনাই ললিতদা নিৰুদ্দেশ হ'ল ।” অতীতৰ সকলো ঘটনা তাইৰ দুচকুত জিলিকি উঠিল । তাই এইবাৰ হাঁহি পুনৰ সুধিলে-“পালে নে ? ৰবীনদাক ?” ললিতে “ওঁ পালো” বুলি উত্তৰ দিলে । ভ্ৰূকোঁচাই আচৰিত হৈ সুধিলে মীনাই“পালে ? কত ? ক'ত ? ক'ত আছে ৰবীনদা ? ” মীনা ক্ৰমে বৰ উৎসুক আৰু ব্যগ্ৰ হৈ উঠিল ।

“তুমি জানো চিনিব পাৰিবা মীনা তোমাৰ ৰবীনদাক ?” ললিতৰ কথাত মাক ভিতৰৰ পৰা ওলাই 'আহিল । মাকৰ উপস্থিতিত ললিতে মীনাক পৰোক্ষভাৱে উদেশ্য কৰি মাকক ক'লে, “মাকে চিনি লওক তেওঁৰ হেৰোৱা পুতেকক ?”

ললিতৰ কথা শুনি মাকে ক'বলৈ ধৰিলে বৰ কৌতুহল পূৰ্ণভাৱে, ক'ত ? ক'ত আছে মোৰ হৃদয়ৰ টুকুৰা ৰবীন ? ললিতে ধীৰে ধীৰে “আপোনালোকৰ সন্মুখতে” বুলি কৈ গাৰ কাপোৰ দাঙি ধৰিলে ।

মাকে ললিতৰ উদং বুকুৰ সোঁফালে থকা তিলৰ কলা স্বাভাৱিক চিহ্নটিক তীক্ষ্ণ দৃষ্টিৰে চাই “ৰবীন” বুলি চিঞৰ মাৰি দুহাতেৰে সাৱতি ধৰিলে । ললিত ওৰফে ৰবীনেও শিশুৰ দৰে ফেকুৰি ফেকুৰি 'মা' বুলি কান্দি উঠিল আৰু দুহাতেৰে মাকক সাৱতি ধৰিলে ।

ইফালে মীনায়ো হাঁহিব নে কান্দিব একো বুজিব নোৱাৰি মাত্ৰ পূৰ্ব্বৰ ললিতৰ কথা সুঁৱৰি লাজেৰে তলমূৰ কৰিলে । ললিত অৰ্থাৎ ৰবীনে মাকক এৰি দি “আহা মীনা” বুলি মীনাক সাৱতি বুকুৰ মাজত সুমুৱাই লৈ পিঠিত হাত বুলাই মৰম কৰিবলৈ ধৰিলে ।

উপস্থিত সকলোৱে অবাক মানিলে । ৰবীন ওৰফে ললিতৰ পিতৃ-মাতৃয়ে ঘটনাটো মনে-প্ৰাণে সমৰ্থন কৰি সুঁৱৰিলে । উপস্থিত সকলোৰে চকুত তেতিয়া চকুপানী । কিন্তু বিষাদৰ নহয় - আনন্দৰ । কোনে জানিছিল -সেই বশিষ্ঠ ৰাসমেলাই আনি দিব ৰবীন আৰু মীনাৰ মাজত পৰিচয় ।

□□□□



# ব্যস্ত দালালৰ প্ৰেম



মূল ঃ অ' হেন্ৰী

ভাবানুবাদ ঃ মিতালী দাস
স্নাতক দ্বিতীয় বৰ্ষ, দিবা শাখা

দৈনন্দিন অহাৰ দৰে সেইদিনাও পিট্চাৰ্ সময়মতেই তেওঁৰ অফিচত উপস্থিত হ'ল । গতানুগতিক কামত হাত দিয়াৰ আগতে কিছুসময় এনেয়ে তেওঁ তেওঁৰ নিৰ্দিষ্ট আসনত বহি ৰ'ল । হাৰ্ভি মেক্সৱেলৰ এই অফিচটোত পিট্চাৰ মেক্সৱেলৰ এজন ব্যক্তিগত সহায়ক । দিনটোৰ ব্যস্ততা আৰম্ভ হ'বলৈ তেতিয়াও কিছু বাকী । এনেতে “গুড্ মৰ্ণিং, পিট্চাৰ্” বুলি কৈ মেক্সৱেল তেওঁৰ সুন্দৰী ষোড়শী চেক্ৰেটেৰী মিচ লেজ্লীৰ সৈতে অফিচলৈ সোমাই আহিল । মেক্সৱেলৰ খোজ আৰু আচৰণ-ভঙ্গী কিছু অস্বাভাৱিক যেন লগা,প্ৰকৃততে অতিব্যস্ততা! হুৰমূৰকৈ তেওঁ তেওঁৰ কোঠালৈ এনেভাৱে প্ৰৱেশ কৰিলে যেন পাৰিলে তেওঁ জাপ মাৰিয়েই তেওঁৰ কোঠাত সোমাই পৰিব আৰু দ'ম হৈ থকা চিঠি আৰু টেলিগ্ৰামবোৰৰ মাজত ডুবি যাব ।

লেজ্লী মেক্সৱেলৰ অফিচত চেক্ৰেটেৰী ৰূপে থকা প্ৰায় এবছৰ হ'লহি । কিন্তু সদায়ে দেখি অহা লেজ্লীৰ ৰূপ সেইদিনা যেন কিছু ব্যতিক্ৰম ৰূপত পিট্চাৰৰ চকুত উদ্ভাসিত হ'ল । এই লেজ্লী পাৰ্চনেল চেক্ৰেটেৰীৰ ৰূপত যেন কিছু ব্যতিক্ৰম । সেইদিনা লেজ্লী অতি সৰল বেশভূষাৰে চকুত লগা হৈ আহিছিল। পৰিচ্ছন্ন আৰু পৰিপাটীকৈ পিন্ধা সাজযোৰে তাইক অতি সুন্দৰ

কৰি তুলছিল । জাকজমকবিহীন অথচ সুশীল ৰূপসজ্জাৰে লেজ্‌লীক দেখিলে এবাৰলৈও অনুমান কৰিব নোৱাৰি যে তেওঁ আজি এক বিশেষজনৰ দ্বাৰা নিমন্ত্ৰিত দুপৰীয়াৰ অতিথি । তেওঁৰ ক'লা টুপীটোৰ মূৰত লাগি থকা সোণালী পাখিডালে টুপীটোৰ সৌন্দৰ্য্য আৰু বঢ়াই তুলিছিল ।

লেজ্‌লীয়ে পোনেপোনেই নিজৰ কোঠালৈ নগৈ মেক্সৱেলৰ কোঠাৰ বাহিৰত অলপদেৰি বৈ এটা সময়ত কোঠাৰ ভিতৰলৈ সোমাই আহিল আৰু অলপ ওচৰ চাপি তেওঁৰ উপস্থিতি মেক্সৱেলে অনুভৱ কৰাকৈ বৈ থাকিল । চিঠিপত্ৰ, ফাইল্ আদিৰে ভৰি থকা টেবুলত কাম কৰি থকা মেচিন্ সদৃশ মেক্সৱেল কিন্তু নিৰ্বিকাৰ । একান্তমনে নিজৰ কামত নিমগ্ন মেক্সৱেলে লেজ্‌লীৰ উপস্থিতি কিছু সময় যোৱাৰ পিছতহে উমান কৰিব পাৰিলে । কামৰ পৰা মূৰ নোতোলাকৈয়ে তেওঁ সুধিলে - "কিবা কৰা লেজ্‌লী ?"

লেজ্‌লীৰ উত্তৰৰ অপেক্ষা নকৰাকৈয়ে মেক্সৱেল পুনৰ তেওঁৰ সন্মুখৰ টেবুল ভৰ্ত্তি ডাক চোৱাত ব্যস্ত হৈ পৰিল । সচাঁকৈয়ে অদ্ভূত কৰ্মব্যস্ত এই মানুহজনক দেখি লেজ্‌লীৰ মুখৰ পৰা কোনো কথা নোলাল । হয়তো তেওঁ বুজিলে মেক্সৱেলৰ কথা শুনাৰ সময় আৰু আগ্ৰহ দুয়োটাৰেই এতিয়া অত্যন্ত অভাৱ । লাহে লাহে তেওঁ কোঠাৰ পৰা ওলাই গ'ল ।

"মিঃ পিট্‌চাৰ ! যোৱাকালি মিঃ মেক্সৱেলে অন্য এগৰাকী চেক্ৰেটেৰী নিয়োগ কৰাৰ কথা আপোনাক কৈছেনে ?" লেজ্‌লীয়ে পিট্‌চাৰক সুধিলে ।

"হয় কৈছে, তেওঁ মোক অন্য এগৰাকী চেক্ৰেটেৰী নিয়োগৰ কথা কৈছে । সেইমতেই, মইয়ো যোৱাকালি আবেলি কেইগৰাকীমান ছোৱালী পঠিয়াই দিবলৈ এটা এজেন্সীক অনুৰোধ কৰিছোঁ । কিন্তু এতিয়া ৯-৪৫ হ'ল আৰু এতিয়ালৈকে তেওঁলোকৰ এগৰাকীও দেখোন উপস্থিত হোৱাহি নাই ।"

"অন্য এগৰাকী আহি নোপোৱালৈকে মইয়েই কামখিনি আগৰদৰে কৰি থাকোঁ" বুলি কৈ মিছ্ লেজ্‌লী তেওঁৰ টেবুললৈ গ'ল আৰু তেওঁৰ সোণালী ভাটৌৰ পাখি লগোৱা টুপীটো আনদিনাৰ দৰে আগৰ ঠাইত থৈ দিলে ।

মেক্সৱেলৰ অফিচটোত এক আচৰিত ব্যস্ততাই বিৰাজ কৰিছিল । টেলিপ্ৰিন্টাৰে বাহিৰলৈ খবৰ পঠিয়াইছিল, মেজত থকা টেলিফোনে মাজে মাজে ৰিং কৰি আছিল । মানুহৰ সমাগম বৃদ্ধি হৈছিল । পিয়নজনে এবাৰ মেক্সৱেলৰ ৰূমৰ ভিতৰলৈ আৰু এবাৰ বাহিৰলৈ গৈ খবৰ আৰু টেলিগ্ৰাম বিলাক অনা-নিয়া কৰি আছিল। অফিচৰ ক্লাৰ্ক্‌সকলৰ ব্যস্ততাও আছিল চকুতলগা । কোনো কোনো সময়ত অধিক কৰ্মব্যস্ততাৰে তেওঁলোকে এনেদৰে অহাযোৱা কৰিছিল যে তেওঁলোকক দেখিলে তেওঁলোক ধুমুহাৰ সময়ত বিপদাপন্ন যাত্ৰীক বচাবলৈ উদ্যত জাহাজৰ নাৱিক যেন লাগিছিল ।

এনে এক কৰ্মব্যস্ত সময়তে হঠাৎ মিঃ পিট্‌চাৰে এগৰাকী ছোৱালী লৈ মেক্সৱেলৰ কোঠাত প্ৰৱেশ কৰিলে ।

" ছাৰ, চেক্ৰেটেৰী এজেন্সীৰ পৰা এখেতে চাকৰি বিচাৰি আহিছো" ।

মেক্সৱেলৰ হাত চিঠিপত্ৰ আৰু টেলিপ্ৰিন্টাৰ টেপেৰে ভৰ্ত্তি হৈ আছিল । তেখেতে অলপ মূৰটো দাঙি সুধিলে,

ঃ কি চাকৰি ?

ঃ চেক্ৰেটেৰীৰ চাকৰি ।

মেক্সৱেলে উত্তৰ দিলে ।

ঃ মিঃ পিট্‌চাৰ আপুনি বোধহয় মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে । মই কিয় এনে আদেশ দিম ? এবছৰ ধৰি মিছ্ লেজ্‌লীয়ে ইয়াত কাম কৰি আছে, তেওঁৰ কামত মই যথেষ্ট সন্তুষ্ট । তেওঁৰ যিমানদিনলৈ ইচ্ছা এই পদত থাকিব পাৰে । গতিকে আমাৰ ইয়াত এখেতৰ বাবে ঠাই নাই । আপুনি চেক্ৰটেৰী এজেন্সীক দিয়া এই আদেশটো নাকচ কৰক আৰু মোৰ ইয়ালৈ আন কাকো নানিব ।

তাৎক্ষণিক পৰিস্থিতিৰ পৰিৱৰ্ত্তনত পিট্‌চাৰ্ কিছু ক্ষুণ্ণ আৰু হতভম্ব হৈ পৰিল । চাকৰিপ্ৰাৰ্থী গাভৰু গৰাকীও স্বাভাৱিক খণ্ডেৰে কাৰ্য্যালয় ত্যাগ কৰিলে । মেক্সৱেলৰ ক্ৰমান্বয়ে বাঢ়ি যোৱা ব্যস্ততা আৰু তাৰ দ্বাৰা উদ্ভৱ হোৱা পাৰিপাৰ্শ্বিক পৰিবেশৰ প্ৰতি অমনোযোগিতাই পিট্‌চাৰক কিছু চিন্তিত কৰি তুলিলে । তেওঁ চিন্তা-ভাৱনাক ৰুদ্ধ কৰি ঘড়ীৰ কাটাৰ বেগেৰে কাম কৰাৰ মানসিকতা দিনে দিনে যেন বেছি হৈছে । অতিব্যস্ত এই বাণিজিক জগতখনৰ লগত তেওঁ নিজকে একাকাৰ কৰিছে, যাৰফলত তেওঁৰ হৃদয় আবেগ-অনুভূতিৰ কম্পিত মৃদু বঁতাহে পৰশিব পৰা নাই । ষ্টক্, ঋণ, ব'ণ্ড্, শ্বেয়াৰ, চিকিউৰিটি-অৰ্থনৈতিক এই বজাৰখনত তেওঁ এনেকৈয়ে নিমজ্জিত হৈ পৰিছিল যেন তেওঁ এই জীৱজগতৰ মানুহ নহয়, আবেগ-অনুভূতিবৰ্জিত এক যন্ত্ৰমানৱহে ।

সময় ক্ৰমে আগবাঢ়ি অহাত অফিচটোৰো ব্যস্ততাত এটা ভাটা অনুভূত হৈছিল । কিন্তু মেক্সৱেল্ একেধৰণেই কামত ব্যস্ত । কাণৰ কাষত ফাউন্টেন্ পে'নটো গুজি, হাতত কাগজ-পত্ৰৰে আউল-বাউল চুলিৰে মেক্সৱেল্ থিয় হ'ল । তেওঁৰ কোঠাৰ খিৰিকিখন খোলা । বসন্ত ঋতুৰ এজাক মলয়া বতাহে তেওঁক চুই গ'ল । খিৰিকীখনেৰে এজাক সুগন্ধি বতাহ উৰি আহি তেওঁৰ নাকত লাগিল, যি তেওঁৰ অতি পৰিচিত । এই বিশেষ সুগন্ধিটো লেজ্‌লীয়ে ব্যৱহাৰ কৰে । সুগন্ধিটোৱে তেওঁক আৱেগিক কৰি তুলিলে আৰু লেজ্‌লীক পাবৰ বাবে মনে হাঁহাকাৰ কৰি উঠিল । লেজ্‌লীৰ সান্নিধ্য-প্ৰত্যাশাই তেওঁক ক্ষণিকৰ বাবে হ'লেও বাণিজ্যিক জগতখনৰ পৰা আঁতৰাই লৈ গ'ল । "বাহ্ কি স্বৰ্গীয় এই অনুভূতি ! মই এতিয়াই লেজ্‌লীৰ ওচৰলৈ যাব লাগিব আৰু মোৰ মনৰ কথা তেওঁ খুলি কব লাগিব। অধিক দেৰী কৰি লাভ নাই । ছেহ্, কিয় যে ইমান দিনে মই তেওঁক মন খুলি কোৱা নাছিলো" হুৰমূৰকৈ মেক্সৱেল্ লেজ্‌লীৰ কোঠালৈ সোমাই গ'ল ।

ঃ লেজ্‌লী, তোমাক এটা কথা সোধোঁ । অৱশ্যে উত্তৰৰ বাবে তোমাক ভাবিবলৈ সময় কিছু দিম ।

লেজ্‌লী হতবাক । কিন্তু অনেক সংযমেৰে উত্তৰ দিলে-

ঃ কওক ।

ঃ তুমি মোৰ পত্নী হ'বা ? মই অৱশ্যে আনৰ দৰে তোমাক মোৰ প্ৰেম প্ৰকাশ কৰিব নোৱাৰিম, কিন্তু মই তোমাক সচাঁকৈয়ে ভাল পাওঁ । অনুগ্ৰহ কৰি সোনকালে কোৱা, মই বৰ ব্যস্ত ।

ঃ আপুনি এইবিলাক কি কৈছে ?

ঃ তুমি বুজি পোৱা নাই, মই বিচাৰো তুমি মোক বিয়া কৰোৱা । মই তোমাক ভাল পাওঁ, সোনকালে কোৱা, মোলৈ টেলিফোন ৰিং আহি আছে । মি: পিট্‌চাৰ্, তেওঁলোকক অলপ অপেক্ষা কৰিবলৈ কওঁক ।

মিছ্ লেজ্‌লীক শোকে খুন্দা মাৰি ধৰিছিল । তেওঁৰ দুচকুৰে চকুলো ওলাই আহিল । কোনোমতে নিজকে চম্ভালি তেওঁ ক'লে - ঃ মই এতিয়াহে আশ্বস্ত হৈছো । মই প্ৰথমতে বৰ ভয় খাইছিলো । ভাবিছিলো এই ব্যৱসায়িক জগতখনে আপোনাক সম্পূৰ্ণ গ্ৰাস কৰি পেলালে । ব্যৱসায়ৰ বাহিৰে আন কোনো কথাই আপোনাৰ বাবে গুৰুত্বপূৰ্ণ নহয় । কিন্তু নহয়, আপোনাৰ এই ব্যৱহাৰে মোক যথেষ্ট সকাহ দিছে এই ভাৱিয়েই যে আপোনাৰ অন্তৰত এতিয়াও প্ৰেম, ভালপোৱা, কাৰোবাক পাবৰ বাবে হেঁপাহ আছে । আপোনাক সোৱঁৰাবৰ বাবেই দোহাৰিছোঁ, কিয়, যোৱাকালি আঠবজাত বাটৰ মূৰৰ চাৰ্চটোত আমাৰ বিয়া হৈ যোৱা নাই জানো ? ❑❑❑❑

## মোৰ মানস-পটত নগাঁও ছোৱালী কলেজ

# অংকুৰৰ পৰা মহীৰুহ




ভানু পদ্মপতি মাইনী

অৱসৰপ্ৰাপ্ত বিভাগীয় মুৰব্বী

অৰ্থবিজ্ঞান বিভাগ


তেজপুৰ বালিকা উচ্চতৰ মাধ্যমিক বহুমুখী স্কুলত অৰ্থনীতিৰ বিষয়-শিক্ষয়িত্ৰী হৈ থকা অৱস্থাত ১৯৬২ চনৰ চেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহত এক তাঁৰবাৰ্তাযোগে নগাঁও ছোৱালী কলেজত অৰ্থনীতিৰ অধ্যাপিকাৰূপে যোগদান কৰিবলৈ আমন্ত্ৰণ পাওঁ । ১৯ চেপ্তেম্বৰত ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ অনিশ্চয়তা আৰু উদ্বিগ্নতাৰ মাজেৰে আহি নগাঁৱৰ ইটাচালিৰ জেঠাইদেউ হেমপ্ৰভা হাজৰিকাৰ ঘৰ পাওঁহি । সেইদিনাই আবেলি ভিনিহিদেউ অধিবক্তা লক্ষেশ্বৰ হাজৰিকাৰ ঘৰলৈ ফুৰিবলৈ যাওঁতে নগাঁও কলেজৰ উপাধ্যক্ষ আৰু ছোৱালী কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱক লগ পাওঁ । তেখেতৰ উদাত্ত কণ্ঠ, প্ৰাণ-খোলা হাঁহি আৰু পিছদিনা পুৱা ৭ বজাত নগাঁও কলেজলৈ গৈ মোক কামত যোগ দিবলৈ দিয়া নিৰ্দেশ পোৱাৰ লগে লগে মোৰ অনিশ্চয়তা, উৎকণ্ঠা সকলো দূৰ হৈ যায় ।

নগাঁও কলেজৰে দুটামান কোঠা, কলেজ চৌহদত থকা এটা জৰাজীৰ্ণ ডাক-বঙলা-এয়ে লৈয়ে নগাঁও ছোৱালী কলেজৰ আৰম্ভণি । আমি বহিছিলো নগাঁও কলেজৰে কমনৰুমত, সেই কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগত আচহুৱা অনুভৱ কৰা নাছিলো । সকলোৱে মাজত এটা আপোনতা আৰু সহযোগিতাৰ ভাৱ অনুভৱ কৰিব পাৰিছিলো । মোৰ পুৰণি চিনাকি তৰু বৰুৱা, ৰাহিদা হুছেইন আৰু আভা বেগমক সহকৰ্মীনিৰূপে পাই সুখী হৈছিলো ।

কিছুদিন পিছতে নগাঁও কলেজৰ এন. চি. চি. ৰ কেপ্তেইন অধ্যাপক বসন্ত ভূঞাৰ সহযোগত আমাৰ অধ্যক্ষ দেৱগোস্বামী চাৰে কলেজৰ সকলো ছোৱালীকে বাধ্যতামূলকভাৱে এন. চি. চিত অন্তৰ্ভুক্ত কৰে আৰু মোকো, কোনো ট্ৰেইনিং নোহোৱা সত্বেও, সপ্তাহত তিনিদিন বাধ্যতামূলকভাৱে ছোৱালীবোৰৰ ড্ৰিলত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে । ব্যৱস্থাতো প্ৰথমে ভাল পোৱা নাছিলো । এনে ভাৱো আহিছিল যে স্কুলৰ স্থায়ী চাকৰিটো এৰি থৈ আহি ভুলেই কৰিলো নেকি !

পিছলৈ অৱশ্যে এন. চি. চি. মোৰ চাকৰি জীৱনৰ গুৰুত্বপূৰ্ণ অংগ হৈ পৰে । ১৯৬৩ চনৰ এপ্ৰিলত তিনিমাহজোৱা এন. চি. চি. ট্ৰেইনিঙৰ বাবে মই মধ্যপ্ৰদেশৰ কাম্প্‌তি লৈ যাওঁ আৰু ঘূৰি আহি চেকেণ্ড লেফটেনাণ্ট হিচাবে কলেজৰ এন. চি. চিৰ দায়িত্ব গ্ৰহণ কৰো । বিশ্ববিদ্যালয়ৰ ছাত্ৰী হৈ থকা অৱস্থাত খেলা-ধূলা আৰু নাটক আদিত মোৰ উৎসাহ আৰু পাৰদৰ্শিতা থকাৰ কথা গম পাই অধ্যক্ষ মহোদয়ে মোক ক্ৰীড়া বিভাগৰ দায়িত্ব দিয়াৰ উপৰিও যুটীয়াভাৱে ইংৰাজীৰ অধ্যাপিকা পূৰ্ণিমা গুপ্তাৰ লগত সংগীত বিভাগৰ দায়িত্ব দিয়ে ।

কিছুদিন পিছত কলেজখনৰ প্ৰথম স্থানান্তৰ ঘটে বৰ্তমানৰ ৰে'ডক্ৰচ হস্পিটাল ঘৰটিলৈ । ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ সংখ্যা ক্ৰমে বাঢ়িবলৈ ধৰে । বৰ্তমানৰ শংকৰদেৱ বিদ্যালয়ৰ ঘৰটিত কলেজৰ প্ৰথম হোষ্টেল খোলা হয় আৰু ৰাজনীতি বিজ্ঞানৰ অধ্যাপিকা মোৰ ভগ্নী সদৃশ হিমাদ্ৰী দেৱী হয় হোষ্টেলৰ প্ৰথম অধীক্ষিকা । অভিভাৱকৰ দাবীত শীঘ্ৰেই ভাড়াত দ্বিতীয় এটা হোষ্টেল খোলা হয় আৰু তাৰ অধীক্ষিকা নিযুক্ত হয় বঙালী বিভাগৰ ইন্দিৰা ভট্টাচাৰ্য্য ।

স্বৰ্গীয় দেৱগোস্বামী চাৰ আছিল আদৰ্শ আৰু নমস্য অধ্যক্ষ । নিয়মানুবৰ্তিতা আৰু সময়ানুবৰ্তিতা তেখেতৰ নিজৰ গুণেই নাছিল, ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাকো তেখেতে এই গুণ দুটা আয়ত্ত কৰিবলৈ কঠোৰ নিৰ্দেশ দিছিল । বহুতো অধ্যাপক তেখেতৰ ছাত্ৰ আছিল, ছাত্ৰ নোহোৱা সকলকো তেখেতে ছাত্ৰসুলভ স্নেহ কৰিছিল । আমি সকলোৱে তেখেতক শিক্ষাগুৰুৰ শ্ৰদ্ধা আৰু আসন দিছিলো । সকলোৱে প্ৰতি স্নেহশীল হৈও প্ৰশাসনত কঠোৰতা তেখেতৰ বিশেষ গুণ আছিল ।

জুবিলী ফিল্ডত (বৰ্তমান নুৰুল আমিন ষ্টেডিয়াম) বাৰ্ষিক ক্ৰীড়া- প্ৰতিযোগিতা, নগাঁও নাট্য মন্দিৰত সাংস্কৃতিক সন্ধিয়া আৰু ছোৱালীয়ে কৰা নাটকত প্ৰচুৰ উৎসাহ আৰু প্ৰাণপূৰ্ণ পৰিবেশ আছিল । এইবোৰ পৰিচালনা কৰি কলেজখনৰ লগত ক্ৰমে গভীৰভাৱে জড়িত হৈ পৰিছিলো । কলেজ-সপ্তাহ, নবাগতা আদৰণি, বিভিন্ন তিথি, সৰস্বতী পূজা আদি সকলোবোৰতে অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকল, কৰ্মচাৰী বৃন্দ, ছাত্ৰীসমূহ এটা পৰিয়ালৰ দৰে আপোনভাৱে মিলিত হৈছিল । এই অন্তৰংগতাৰ গভীৰতা আজিৰ যুগত ল'ৰা-ছোৱালীয়ে অনুভৱ কৰিব নোৱাৰিব যেন লাগে ।

১৯৬৬ চনত আমি সকলো অধ্যক্ষ মহোদয়ৰ নেতৃত্বত চাৰ্কিট হাউচত গৈ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাদেৱক কলেজৰ ঘাটি-মঞ্জুৰীৰ বাবে হেঁচা দিওঁগৈ । চলিহাদেৱে ফোন যোগে শ্বিলঙৰ লগত যোগাযোগ কৰে আৰু সেই বছৰেই আমাৰ কলেজ ঘাটি-মঞ্জুৰী ভুক্ত হয় । ১৯৬৮ চনত কলেজখনৰ দ্বিতীয় স্থানান্তৰ ঘটে বৰ্তমানৰ স্থায়ী ভৱনলৈ । বৰ্তমানৰ এড্‌মিনিষ্ট্ৰেটিভ ব্লকটোৰ বাহিৰে কলেজ বুলিবলৈ তেতিয়া আছিল দুটা দীঘল এচলীয়া চালিঘৰ । তাকো সজা হৈছিল অধ্যক্ষ মহোদয়ৰ নেতৃত্বত অধ্যাপক-অধ্যাপিকা সকলে সমগ্ৰ নগাঁও চহৰৰ দোকানে-দোকানে খোজকাঢ়ি চান্দা তুলি আৰু ভ্ৰাম্যমান থিয়েটাৰ আমন্ত্ৰণ কৰি আনি । আজিৰ সুদৃশ্য কেইবা মহলীয়া পকা ভৱন দেখি তেতিয়াৰ কলেজৰ মানুহখিনিৰ কষ্ট আৰু ত্যাগ পাহৰি যোৱা উচিত নহ'ব । ইয়াৰ মাজতে নিৰ্মিত হয় চৰকাৰৰ সাহায্যত দুমহলীয়া হোষ্টেল এটি আৰু স্বৰ্গীয় দেৱকান্ত বৰুৱাৰ সহায়ত আন এটি অসম-আৰ্হিৰ হোষ্টেল ।

নগাঁও ছোৱালী কলেজৰ এটি অতি উল্লেখযোগ্য অনুষ্ঠান আছিল প্ৰতিষ্ঠা দিৱস উপলক্ষে পতা আলোচনা-চক্ৰসমূহ । এইবোৰ বৰ উচ্চ মানৰ হৈছিল । কলেজৰ অধ্যাপক-অধ্যাপিকা সকলে মিলি দুবাৰমান নগাঁও নাট্যমন্দিৰত নাটকো কৰিছিল । নাটক কেইখন দৰ্শকৰ দ্বাৰা উচ্চ প্ৰশংসিত হৈছিল ।

১৯৬৩ চনৰ পৰা ১৯৭৫ চনলৈকে মই কলেজৰ এন. চি. চি. ৰ দায়িত্বত আছিলো । এন. চি. চি. কম্পেনী আৰু পিছত বেটেলিয়নৰ অফিচিয়েটিং কমাণ্ডিং অফিচাৰ হোৱাৰ বাবে কলেজৰ এন.চি. চি. চলোৱাত বিশেষ সুবিধা হৈছিল । Annual Training Camp, Summer Training Camp, Advance Leadership Camp, Mountaineering Camp, Republic Day Camp আদিত আমাৰ ছোৱালীহঁতে প্ৰতিবছৰে ভাগ লৈছিল ।

কলেজৰ এটা অনুষ্ঠানত এবাৰ অধ্যক্ষ গোস্বামীচাৰে অসমৰ ৰাজ্যপাল বি.কে. নেহেৰু ডাঙৰীয়াক আমন্ত্ৰণ কৰি আনিছিল । সেইবাৰেই তেখেত মস্তিষ্কৰ ৰক্তক্ষৰণ হৈ ভয়ানক অসুস্থ হৈ পৰে । চাৰে অৱসৰ লোৱাৰ পাছত মাত্ৰ দুবছৰৰ বাবে ড° ব্ৰজকান্ত বৰুৱাদেৱ অধ্যক্ষ হয় । কিন্তু এই দুবছৰতে তেখেতে নিজৰ বিশিষ্ট ব্যক্তিত্বৰ ছাপ কলেজখনৰ প্ৰশাসনিক আৰু শিক্ষায়তনিক দিশত ৰাখি যাবলৈ সক্ষম হয় । ইয়াৰ পিছৰজন অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰাৰ দিনতে কলেজৰ সম্পূৰ্ণ আন্তৰিক পৰিবৰ্তন ঘটে । চালি ঘৰ কেইটা ভাঙি তাৰ ঠাইত তেখেতৰ

দিনতে দুমহলা, তিনিমহলাৰ ঘৰকেইটা উঠে । লাইব্ৰেৰী, ষ্টাফ্ কম, ছাত্ৰী জিৰণী কোঠা আদি নিৰ্মাণ হয় । ছাত্ৰীৰ সংখ্যাও যথেষ্ট বৃদ্ধি পায় ।

আমাৰ কলেজৰ অধ্যাপক-অধ্যাপিকা গোটটো এক হিচাবে আদৰ্শ গোট আছিল । মই থকা কালত তেওঁলোকৰ কোনো এজনেও টিউচন লোৱা নাছিল, কলেজত পাঠদানত প্ৰায়ে নিয়মিত আছিল আৰু সকলোৰে মাজত এক গভীৰ আত্মীয়তা আৰু ভাতৃত্ববোধ আছিল । জ্যেষ্ঠসকলক কনিষ্ঠসকলে যথেষ্ট সন্মান কৰিছিল । মই আমাৰ ছাত্ৰীসকলৰ কথাও উল্লেখ কৰিব লাগিব । মোৰ সুদীৰ্ঘ চাকৰিকালত সহকৰ্মী অধ্যাপক-অধ্যাপিকা সকলৰ পৰা বয়সানুক্ৰমে মৰম-শ্ৰদ্ধা-উষ্ণতা লাভ কৰিছিলো । মাজে মাজে কেতিয়াবা উত্তপ্ত তৰ্ক-বিতৰ্কও হয়তো হৈছিল, কিন্তু আমাৰ কলেজৰ সকলোখিনি মানুহৰ মাজত এনে এটা ঘৰুৱা পৰিবেশ আৰু ঘনিষ্ঠতা আছিল যে পিছদিনাই সেইবোৰ পাহৰি সকলো সহজ হৈ পৰিছিলো । ছাত্ৰীসকলো অতিশয় বাধ্য, আগ্ৰহী আৰু শ্ৰদ্ধাপূৰ্ণ আছিল । ছাত্ৰীসকলৰ লগত কোনো ধৰণৰ তিক্ত অভিজ্ঞতা হৈছিল বুলি আজি মোৰ মনত নপৰে । মোৰ নিজৰ অৰ্থনীতি বিভাগৰ স্থায়ীভাৱে থকা দুয়োজন অধ্যাপক মোৰ ভ্ৰাতৃপ্ৰতিম হোৱা বাবে বিভাগটো চলাওঁতে মই অকণো অসুবিধা পোৱা নাছিলো ।

সুদীৰ্ঘ ৩৪ বছৰ কাল অধ্যাপনা কৰাৰ পিছত ১৯৯৬ চনৰ চেপ্তেম্বৰ মাহত মই চাকৰিৰ পৰা অৱসৰ লওঁ । মোৰ জীৱনৰ উৎকৃষ্ট সময়খিনি মই কলেজখনতে কটাওঁ । কলেজখনৰ পৰা ইয়াৰ ছাত্ৰী, সহকৰ্মী, কৰ্মচাৰী সকলোৰে পৰা যিখিনি পাইছিলো, আন্তৰিকতাৰে সক্ৰিয়ভাৱে কলেজখনকো সেইখিনি দিবৰ চেষ্টা কৰিছিলো । সেইখন কলেজৰ স্মৃতি পাহৰিব যিদৰে নোৱাৰো, বৰ্ণনা কৰিবও নোৱাৰোঁ । মোৰ মানস-পটত নগাঁও ছোৱালী কলেজ আমাৰ সকলোৰে সমূহীয়া যত্ন আৰু আপদালত পুলিৰ পৰা বিকশিত হৈ হোৱা এজোপা বিশাল মহীৰুহ । অন্তৰেৰে প্ৰাৰ্থনা কৰো,নতুন অধ্যক্ষৰ হাতত নগাঁও ছোৱালী কলেজৰ উত্তৰোত্তৰ বিকাশ সাধিত হওক ।

□□□□□





*মোৰ মানস-পটত নগাঁও ছোৱালী কলেজ*

# এটি নষ্টালজিক্ মানসিক ভ্ৰমণ

ইদ্ৰিছ আলি
প্ৰাক্তন অধ্যাপক
অসমীয়া বিভাগ

কলেজখনৰ তেতিয়াৰ নাম আছিল এল. চি. টৌউী অৰ্থাৎ লাল চাঁদ টোউী ছোৱালী কলেজ । এটা সৰু বিজ্ঞাপনৰ প্ৰত্যুত্তৰত প্ৰৱক্তাৰ চাকৰিৰ বাবে এখন আবেদন পেলাইছিলো । মই তেতিয়া গুৱাহাটীৰ অসম প্ৰকাশন পৰিষদত সাহিত্যিক - সহায়কৰ পদত কাৰ্য-নিৰ্বাহ কৰি আছিলোঁ । নগাঁৱলৈ-তাতে এখন ভেঙ্গাৰ কলেজলৈ যাম এনে এটা আশা তেতিয়া কৰা নাছিলোঁ । কিন্তু সকলো কথাই ওলট-পালট্ হৈ গ'ল সিদিনা, যিদিনা লাল চাঁদ টোউী ছোৱালী কলেজৰ তদানীন্তন অধ্যক্ষ, সুসাহিত্যিক,শিক্ষাবিদ শ্ৰদ্ধেয় মহেশচন্দ্ৰ দেৱগোস্বামীয়ে প্ৰকাশন পৰিষদৰ কাৰ্য্যালয়ত মোক লগ কৰি মোৰ নিযুক্তিৰ খবৰটো দিলেহি । চুটী-চাপৰ থাওকাল চেহেৰাৰ মানুহগৰাকীৰ ব্যক্তিত্ব, প্ৰথম দৰ্শনতে প্ৰায় আত্মসাৎ কৰি পেলোৱা চুম্বকাৰ্ষণে মোৰ মনোজগতত এক তাৎক্ষণিক আলোড়নৰ সৃষ্টি কৰিলে । আৰু আগ-গুৰি নভবা-নিচিন্তাকৈ লৈ পেলাইছিলো, ছোৱালী কলেজত যোগদান কৰাৰ সিদ্ধান্ত । ১৯৬৫ চনৰ ৩ নবেম্বৰত গৈ লাল চাঁদ টোউী ছোৱালী কলেজৰ প্ৰৱক্তাৰ পদত যোগদান কৰিছিলোঁ।

কলেজখন তেতিয়া বহিছিল আমোলাপট্টিৰ ৰেডক্ৰছ্ ভৱনত । লগতে আছিল তৰ্জা বেৰৰ টিনৰ চালিৰ অন্য এটা অস্থায়ী শ্ৰেণী কোঠা । তাত যোগদান কৰা মই আছিলোঁ ত্ৰয়োদশ নম্বৰৰ প্ৰৱক্তা । ছাত্ৰীৰ সংখ্যা বোধহয় এশও নাছিল । অসমীয়া বিভাগত মই আছিলোঁ চতুৰ্থজন প্ৰৱক্তা । মুৰব্বী অধ্যাপিকা তৰু বৰুৱা (বৰ্ত্তমান অৱসৰপ্ৰাপ্ত), সুসাহিত্যিক শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু বন্ধুবৰ শ্ৰীকৃষ্ণৰাম বৰা আছিল অসমীয়া বিভাগ শুৱাই থকা আন তিনিগৰাকী সুযোগ্য ব্যক্তি । অন্যান্য বিভাগসমূহত আছিল সৰ্বশ্ৰী মহেশ ভূঞা, বীৰেণ ডেকা,পূৰ্ণিমা গুপ্তা, ভানু পদ্মপতি, ওৱাহেদা বেগম,বীনা তামুলী, ওৱাহেদা হুছেইন, হিমাদ্ৰি দেৱী, জ্যোতিনাথ চক্ৰৱৰ্তী, ৰেখা দাশগুপ্তা, ইন্দিৰা ভট্টাচাৰ্য আদি । পৰৱৰ্তী কেইবছৰৰ ভিতৰতে আমাৰ সতে লগ লাগিছিলহি-সৰ্বশ্ৰী তিলক চন্দ্ৰ মজুমদাৰ, অপূৰ্ব শৰ্মা (বৰ্তমান অধ্যক্ষ), ৰীতা বৰুৱা, ৰীতা বৰা,বীৰেণ ডেকা, ৰাজেন শইকীয়া, মহেন্দ্ৰ আহোম, বাদল ঘোষ আদি অনেক । পোনতে কাৰ্যালয় সহায়ক আছিল শ্ৰীপোনা বৰা । তেওঁৱেই কলেজখনৰ স্নায়ুকেন্দ্ৰ আছিল। শ্ৰীতোষেশ্বৰ খাটনিয়াৰ অন্য এগৰাকী প্ৰাৰম্ভিক স্তৰৰ কাৰ্যালয় সহায়ক । কলেজৰ সৰ্বময় কৰ্তাৰ ৰূপত অধ্যক্ষৰ পিচতে আছিল চতুৰ্থ শ্ৰেণীৰ বয়োজ্যেষ্ঠ কৰ্মী বলি'কাই । তেৱেঁই কলেজখনৰ দেখ-ভালৰ দায়িত্বত আছিল । তেওঁৰ হাত-ধৰি লিগিৰি তগৰ তেতিয়া কম বয়সীয়া ডেকা । কাৰ্যালয় সহায়ক হিচাপে শ্ৰীসুৰেণ শইকীয়াৰ যোগদানৰ পিচতে কলেজৰ পৰিয়ালৰ সংখ্যা ক্ৰমশঃ বাঢ়ি আহিব ধৰিলে । এই পৰিয়ালৰ প্ৰতি গৰাকী

সদস্যৰ মাজত মিলা-প্ৰীতি সহায়-সহযোগ আছিল আমাৰ সকলোৰে বাবে জীয়াই থকাৰ টনিকৰ লেখিয়া, কিন্তু এই পৰিয়ালৰ যোগসূত্ৰ কেন্দ্ৰীয় ব্যক্তি আছিল অধ্যক্ষ-প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী দেৱ। তেওঁৰ পিতৃসুলভ অকৃত্ৰিম মৰম, আনহাতে কঠোৰ সময়নিষ্ঠা আৰু নিয়মানুবৰ্তিতা আৰু শৈক্ষিক বিকাশৰ প্ৰতি একাগ্ৰতা,এই সকলোৱেই আমাক শিক্ষক হৈ ভৱিষ্যত জীৱনত অগ্ৰসৰ হোৱাত অভূতপূৰ্ব দিশ নিৰ্দেশনা দিছিল। তেওঁৰেই সুদক্ষ নেতৃত্বত ছোৱালী কলেজ অচিৰেই অসমৰ ভিতৰতে এখন জাকতজিলিকা কলেজ হৈ উঠিছিল । নগাঁও ছোৱালী কলেজৰ ইতিহাসত এইজনা মহান ব্যক্তিৰ নাম সোণালী আখৰেৰে লিখা থাকিব, একেদৰে অসমৰ শিক্ষা জগততো তেওঁৰ নাম নাৰী শিক্ষা বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা অবিহণাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব । ৰসৰাজ বেজবৰুৱাৰ প্ৰকৃত উত্তৰাধিকাৰী প্ৰয়াত দেৱগোস্বামী চাৰ হাস্যব্যঙ্গ লেখক হিচাপে অমৰ হৈ থকাৰ লগতে এগৰাকী সুদক্ষ প্ৰশাসক হিচাপেও সকলোৰে মনত উজ্জ্বল হৈ জিলিকি থাকিব । সুদীৰ্ঘ কাল তেনে এগৰাকী ব্যক্তিৰ নিকট সংসৰ্গই মোক যি দিলে তাৰ মূল্যায়ণ কৰা মোৰ পক্ষে সম্ভৱ নহয় । মাথোন যি মুহূৰ্ত্ততে এই পবিত্ৰ আত্মাৰ কথা মনলৈ আহে ভক্তি আৰু শ্ৰদ্ধাত মূৰ অৱনমিত হয় । তেওঁৰ আত্মাই চিৰ শান্তি লাভ কৰক-অহৰহ তাৰেই প্ৰাৰ্থনা কৰোঁ ।

মই ছোৱালী কলেজত যোগদান কৰাৰ সময়ত ছাত্ৰীৰ সংখ্যা এশও নাছিল বুলি উনুকিয়াই আহিছোঁ । তাৰে সৰহ সংখ্যক ছাত্ৰীয়েই আছিল বয়সস্থা । আকৌ অধিকাংশ ছাত্ৰীয়েই আছিল ঘৰ-গৃহস্থী কৰা বোৱাৰী বা মাতৃ । শ্ৰেণী কোঠাত সেয়ে প্ৰায়ে এক ভয়-শংকাৰ ভাৱ । কেতিয়াবা নাৰ্ভাছ্, কেতিয়াবা নিৰুপায় আৰু কেতিয়াবা বাক্‌ৰুদ্ধ হৈ পৰোঁ । কিন্তু ছাত্ৰীসকলৰ একাগ্ৰতা, শিক্ষকৰ প্ৰতি ভক্তি আৰু আত্মীয়তাৰ কথা মনত পৰিলে তেওঁলোকৰ প্ৰতিও শ্ৰদ্ধা আৰু কৃতজ্ঞতাত হৃদয় ভৰি উঠে । সেই ছাত্ৰী সকলৰ মাজত আছিল ফুনু গোস্বামী, বিনি শৰ্মা, মঞ্জিৰা দেৱী গোস্বামীৰ দৰে সু-গায়িকা ; বিলি দেৱী, ছাজিদা বেগম, বীনা শৰ্মা, ফৰিদা চুলতানা, ৰুমী ইচলাম আদিৰ দৰে প্ৰতিভাৱত ছাত্ৰী । ছাত্ৰীসকলৰ সতে আমি বেড্‌মিন্টন্, কেৰম্ আৰু টেবুল টেনিচ্ খেলিছিলো । অধ্যক্ষ দেৱগোস্বামী দেৱে ওচৰতে থিয় হৈ প্ৰায়ে আমাৰ খেল উপভোগ কৰিছিল । কলেজৰ নৱাগতা আদৰণী উৎসৱ আৰু কলেজ সপ্তাহৰ লগতে সৰস্বতী পূজাৰ দিনটোও ছোৱালী কলেজৰ প্ৰতি গৰাকী ব্যক্তিৰ বাবে আকৰ্ষণীয় আছিল । অধ্যাপক-অধ্যাপিকা, ছাত্ৰী-কৰ্মচাৰী সকলোৱে মুক্ত মিলামিচাৰ মাজেদি এনে উৎসৱবোৰ অতি উপভোগ্য হৈ উঠিছিল । অধ্যক্ষ প্ৰয়াত দেৱগোস্বামীদেৱে সদায় সোঁ শৰীৰে উপস্থিত থাকি এনেবোৰ অনুষ্ঠান অধিক সৰস আৰু গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছিল । তেওঁৰে নিৰ্দেশক্ৰমে মই কামত যোগদান কৰাৰ পিচৰ বছৰতে "আমি এই কলঙৰ পাৰতে পোহৰৰ কাৰেং" সজাওঁ কলেজ-সঙ্গীতটি ৰচনা কৰিছিলো । মোৰ সঙ্গীতৰ প্ৰতি আছিল অদম্য বাপ, তাতে কলেজত লগ পাইছিলোঁ সঙ্গীত-সাধক সহকৰ্মী অধ্যাপক জ্যোতি চক্ৰৱৰ্তীক । শংকৰ-মাধৱৰ মিলনৰ দৰে মণি-কাঞ্চণ সংযোগ আখ্যা দিব নোৱাৰিলেও আমি দুয়ো লগ লাগি নগাঁও ছোৱালী কলেজত এক সুস্থ সাঙ্গীতিক পৰিবেশ গঢ়ি তুলিছিলোঁ । অধ্যাপক চক্ৰৱৰ্তীয়ে সু-গায়িকা দুৰ্গাময়ী ভূঞাক (বৰা) সুন্দৰ তালিম দি অনাতাঁৰ যোগে গীত পৰিবেশন কৰাৰ যোগ্য কৰি তুলিছিল । শ্ৰীমতী ভূঞা আজি অসমৰ এগৰাকী সুপ্ৰতিষ্ঠিতা কণ্ঠ শিল্পী । তেনেদৰে মোহিনী কটকী, লখিমী ভূঞা, মঞ্জিৰা দেৱী গোস্বামী, তৃষাবাণী শইকীয়া, ৰীতা বৰা (অধিকাৰী) আদি সুকণ্ঠী গায়িকা সকল ছোৱালী কলেজৰ সাঙ্গীতিক পৰিবেশৰ ফচল বুলি কৰ পৰা যায় । পৰৱৰ্তী কালত অধ্যাপক ব্ৰজেন ৰায়চৌধুৰীয়ে আহি মোৰ আৰু চক্ৰৱৰ্তীৰ সতে চামিল হৈছিল । নগাঁও ছোৱালী কলেজৰ সঙ্গীতৰ ক্ষেত্ৰত ৰায়চৌধুৰীৰ যোগদানে আগৰ যুগল মূৰ্তিৰ ঠাইত ত্ৰিমূৰ্তিৰ সৃষ্টি কৰিছিল । আমি তিনিও ঐতিহ্যমণ্ডিত নগাঁৱৰ সঙ্গীত জগত খনৰ স'তে সম্পৃক্ত হৈ পৰিছিলো ।

নগাঁও ছোৱালী কলেজৰ আন এটা উল্লেখযোগ্য দিশ আছিল ইয়াৰ সাহিত্যিক পৰিবেশ । কেবাগৰাকীও অধ্যাপক অসমীয়া সাহিত্যৰ উল্লেখনীয় লেখক আছিল । সি সকলৰ



ভিতৰত সৰ্বশ্ৰী যোগেন্দ্ৰ নাৰায়ণ ভূঞা, তিলকচন্দ্ৰ মজুমদাৰ, কৃষ্ণৰাম বৰা, অপূৰ্ব শৰ্মা, হিমাদ্ৰি দেৱী অন্যতম । ভূঞাই চিন্তা-শীল প্ৰবন্ধেৰে, মজুমদাৰে অসমীয়া পুৰণি সাহিত্য বিষয়ক প্ৰবন্ধ আৰু গ্ৰন্থেৰে, কৃষ্ণ ৰাম বৰাই চিন্তাশীল লেখনীৰে, অপূৰ্ব শৰ্মাই নতুন স্বাদৰ গল্প আৰু চলচ্ছিত্ৰ বিষয়ক চিন্তা-উদ্ৰেককাৰী প্ৰবন্ধেৰে আৰু হিমাদ্ৰি দেৱীয়ে মধুৰ কোমল মননশীল কবিতাৰে অসমীয়া সাহিত্য জগতলৈ তাৎপৰ্যপূৰ্ণ অবিহণা আগবঢ়াইছে । প্ৰয়াত দেৱগোস্বামীৰ দৰে দিগগজ সাহিত্যিক-অধ্যক্ষৰ কলেজত এনে সাহিত্যিক পৰিবেশ বিৰাজ কৰাটোৱেই স্বাভাৱিক । এই সাহিত্যিক পৰিবেশ অধিক চমকপ্ৰদ হৈ উঠে পৰৱৰ্তী কালত আহি নগাঁও ছোৱালী কলেজ পৰিয়ালৰ সদস্যভুক্ত হোৱা সৰ্বশ্ৰী প্ৰভাত বৰা, জ্যোতিৰ্ময় জানা আৰু ৰাজেন শইকীয়াৰ চিন্তা-চৰ্চাৰ মাজেদি। তিনিও গৰাকীয়ে বৌদ্ধিক জগতত প্ৰশংসিত অনেক মৌলিক লেখনীৰে অসমীয়া সাহিত্যত একোখন তাৎপৰ্যপূৰ্ণ আসন গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে । সাংবাদিকতাৰ দিশত অধ্যাপক জানাই বিশেষ ভূমিকাত অৱতীৰ্ণ হৈছে । ব্ৰজেন ৰায়চৌধুৰীয়ে গীত-ৰচক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে । মোৰ ঈষৎ সামান্য সাহিত্য-কৰ্মও নগাঁও ছোৱালী কলেজৰ এই সাহিত্যিক পৰিবেশৰ ফলতে সম্ভৱ বুলি মই বিশ্বাস কৰোঁ ।

শুভাৰম্ভণিৰে পৰা প্ৰায় পোন্ধৰ বছৰ কাল অধ্যক্ষৰ দায়িত্ব কৃতিত্বৰে সমাপন কৰি মহেশচন্দ্ৰ দেৱগোস্বামীয়ে অৱসৰ গ্ৰহণ কৰাৰ পিচত অসমৰ এগৰাকী বিচক্ষণ শিক্ষাবিদ্ ড° ৰত্নকান্ত বৰুৱাদেৱ এই কলেজৰ অধ্যক্ষ হয় । তেওঁ স্বল্প কাল থাকি বিদায় লোৱাৰ পিচত নগাঁও কলেজৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক বিমল বৰাদেৱে নতুন অধ্যক্ষৰূপে যোগদান কৰেহি । তেওঁ অধ্যক্ষ থকা কালত নগাঁও ছোৱালী কলেজৰ অনেক অগ্ৰগতি হয় । সুচাৰুৰূপে কাল শেষ কৰি বৰাদেৱে অৱসৰ গ্ৰহণ কৰাৰ পিচত ছোৱালী কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক বন্ধুবৰ মোৰ সহপাঠী অপূৰ্ব শৰ্মাই সম্প্ৰতি অধ্যক্ষ ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছে । ছোৱালী কলেজৰ অধ্যাপকসকলৰ মাজৰ পৰাই এগৰাকী অধ্যক্ষৰ পদত অধিষ্ঠিত হব লাগে-এই আকাঙ্খা দীৰ্ঘদিনীয়া । অধ্যক্ষ শৰ্মাৰ নিযুক্তিয়ে ছোৱালী কলেজৰ সেই আকাঙ্খা পূৰ্ণ কৰিলে । মোৰ মনত পৰে অধ্যক্ষ প্ৰয়াত দেৱগোস্বামীদেৱৰ পিছত আমাৰ মাজৰ জ্যেষ্ঠ-অধ্যাপক প্ৰয়াত বিনয় বৰাক অধ্যক্ষপদত নিযুক্তি দিব লাগে বুলি আমি সজোৰে দাবী তুলিছিলোঁ । কলেজখনে ঘাটি মঞ্জুৰী লাভ কৰাত প্ৰয়াত বৰাৰ যোগদানে আছিল উল্লেখনীয় । আনকি ঘাটি মঞ্জুৰীৰ ক্ষেত্ৰত তেখেতৰ একক তৎপৰতাৰ বাবেই আমি তেখেতক ৰসিকতা কৰি নাম দিছিলোঁ 'ডেফিচিট্ বৰা'। কিন্তু সৰল অন্তঃকৰণৰ সকলোৰে প্ৰিয় বিনয় বৰাই হঠাৎ আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে । কলেজৰে এজনক অধ্যক্ষ-ৰূপে পোৱাৰ অভিলাস সিমানতে মৰিমূৰ হ'ল । তেতিয়াৰ পৰিচালনা সমিতিত শিক্ষক গোটৰ প্ৰতিনিধি হিচাপে মই আৰু অধ্যাপক ড° ৰাজেন শইকীয়াই কি ধৰণে যুঁজ দিবলগীয়া হৈছিল সেই কথা আজিও মানস পটত উজ্জ্বল হৈ আছে।

এনেদৰে প্ৰায় চবিবশ বছৰ কাল ব্যাপ্ত এটা জীৱনৰ উল্লেখনীয় অধ্যায় নগাঁও ছোৱালী কলেজৰ সতে সম্পৃক্ত হৈ থাকিল । ঠিক ৰূপালী জয়ন্তী বৰ্ষত কলেজখনে পদাৰ্পণ কৰা মুহূৰ্ততে মই তাৰ পৰা বিদায় ললোঁ । মোৰ জীৱন-যৌৱনৰ আটাইতকৈ আকৰ্ষণীয় সময়খিনি নগাঁও ছোৱালী কলেজত অতিবাহিত হ'ল । সেয়ে সেই কলেজখনৰ কথা মনত পৰিলেই মই বৰ নষ্টালজিক্ হৈ পৰোঁ । মই হয়তো নগাঁও ছোৱালী কলেজক একোৱেই দিব নোৱাৰিলো, এই কথা ভাবিও মই প্ৰায়ে বিমৰ্ষ হৈ পৰোঁ । কিন্তু নগাঁও ছোৱালী কলেজে মোক যি দিলে তাৰ তুলনা পাবলৈ নাই । সেয়ে মই সদায় কামনা কৰোঁ-নগাঁও ছোৱালী কলেজ দীৰ্ঘজীৱী হওক । সেই কলেজৰ এম্‌ব্লেমত অংকিত 'চৰৈৱেতি চৰৈৱেতি' বাণী সাৰ্থক হওক ।

□□□□□

**সমীক্ষা ঃ**

# নাৰীৰ সম-অধিকাৰ আৰু সামাজিক বিকাশ

বৰ্তমান নাৰী সম্পৰ্কে বিভিন্ন চিন্তা-চৰ্চা হৈ আছে। এনে চিন্তা-চৰ্চাই সকলো শ্ৰেণীৰ লোককে কিছুপৰিমাণে হলেও প্ৰভাৱিত কৰিছে। সেয়ে আমাৰ ছাত্ৰী-বান্ধৱী সকলৰ পৰা তলৰ প্ৰশ্ন কেইটিৰ ওপৰত মতামত বিচৰা হৈছিল। তেওঁলোকৰ উত্তৰসমূহৰ পৰা সম্পাদিত ৰূপত কেইটামান নিৰ্বাচিত মতামত প্ৰকাশ কৰা হ'ল। - সম্পাদিকা

**আমাৰ প্ৰশ্নঃ**

*১) ছোৱালী হিচাবে জন্ম গ্ৰহণ কৰি আপুনি পৰিয়াল বা সমাজত কোনো বিশেষ বা সকলো ক্ষেত্ৰতে নিজকে উপেক্ষিত বুলি ভাৱে নেকি ?*

*২) নাৰীৰ সম-অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কে আপোনাৰ ধাৰণা কেনেকুৱা ?*

*৩) আপোনাৰ মতে নাৰীৰ বিকাশৰ প্ৰথম চৰ্ত কি হোৱা উচিত ?*

*৪) এগৰাকী ছোৱালী হিচাপে আপুনি নাৰীৰ বিকাশৰ দিশত কি ধৰণে নিজকে নিয়োজিত কৰিব খোজে ?*

## ঊষা দেৱী

**স্নাতক দ্বিতীয় বৰ্ষ**

**পুৱা শাখা**

১) ছোৱালী হিচাপে জন্মগ্ৰহণ কৰি পৰিয়াল বা সমাজত কোনো ক্ষেত্ৰতেই মই নিজকে উপেক্ষিতা বুলি নাভাবো।

মোৰ এনে নিৰ্দিষ্ট ধাৰণা গঢ়ি উঠাৰ কাৰণ হ'ল মই ছোৱালী হিচাপে উপজি আজিৰ এই মুহূৰ্তলৈকে তেনে পৰিস্থিতিৰ সন্মুখীন হোৱা নাই যাৰ কাৰণে মই নিজকে পৰিয়াল তথা সমাজৰ দ্বাৰা উপেক্ষিতা বুলি ভাৱিবলৈ স্থল পাইছো।

২) সমগ্ৰ পৃথিৱীতেই আজি নাৰীৰ সম-অধিকাৰ আৰু স্বাধীনতাৰ বিষয়টো বিশদভাৱে আলোচিত হৈছে। প্ৰায় ক্ষেত্ৰতেই নাৰীক পুৰুষৰ সমানেই স্বাধীনতা বা অধিকাৰ দিয়া হৈছে বুলি ঘোষিত হলেও মোৰ দৃষ্টিত এতিয়াও নাৰীয়ে বহু ক্ষেত্ৰত পুৰুষৰ সমান স্বাধীনতা পোৱা নাই আৰু তেওঁলোক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। পুৰুষ প্ৰধান সমাজ-ব্যৱস্থাত নাৰীৰ ওপৰত প্ৰকাৰান্তৰে দাসত্ব, কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ নীতি-নিয়ম জাপি দিয়া হৈছে। আমাৰ সমাজত প্ৰায়বোৰ দিশ পুৰুষৰ লাভৰ প্ৰতি দৃষ্টি ৰাখি নিৰ্ণয় কৰা হয়।

৩) শিক্ষা হৈছে মানুহৰ জীৱনৰ লাই-খুটা স্বৰূপ। শিক্ষাৰ অবিহনে কোনো মানুহৰে জীৱন পৰিপূৰ্ণ হব নোৱাৰে। শিক্ষা হৈছে মানুহৰ অন্ধকাৰ জীৱন-বাটৰ এচাটি উজ্বল পোহৰ। গতিকে মোৰ মতে নাৰী বিকাশৰ প্ৰথম চৰ্তটোৱেই হৈছে শিক্ষা। আমাৰ দেশৰ বহুতো গাৱঁত অজস্ৰ মহিলা আছে যি সকলে এতিয়াও শিক্ষাৰ পোহৰ পোৱা নাই। ছোৱালী হৈ জন্মি অভিভাৱক সকলে তেওঁলোকৰ প্ৰতি দেখুওৱা অৱহেলাৰ বাবে বহুনাৰী শিক্ষালাভৰ পৰা বঞ্চিত হৈছে। শিক্ষালাভৰ পৰা বঞ্চিত হোৱাৰ লগে লগে তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ আৰু মৰ্য্যাদাৰ প্ৰতি সচেতন হব পৰা নাই। ইয়াৰ ফলত বহুতো নাৰীয়ে নিজকে অবলা বুলি ভাৱিবলৈ বাধ্য হৈ পৰিছে। তেওঁলোকৰ মাজত অন্তৰ্নিহিত হৈ থকা শক্তি, সামৰ্থ্যৰ কথা ভাৱিবলৈ তেওঁলোকৰ আত্মবিশ্বাস নাই। সেয়ে শিক্ষাৰ দ্বাৰা তেওঁলোকৰ লোপ পোৱা আত্মবিশ্বাস ঘূৰাই আনিব লাগিব। শিক্ষাৰ জৰিয়তে তেওঁলোকৰ মনৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস আঁতৰ কৰি সংস্কাৰ মুক্ত কৰিব লাগিব।

৪) প্ৰথমতে, তেওঁলোকৰ অন্তৰত সাহস যোগাই প্ৰতিবাদ কৰাৰ খোজো।

দ্বিতীয়তে, মই ভাবো যে নাৰীসকল শিক্ষিত হ'ব লাগিব। তেতিয়াহে তেওঁলোকে তেওঁলোকৰ প্ৰাপ্যসমূহৰ বিষয়ে সজাগ হ'ব পাৰিব আৰু নাৰী বিকাশৰ বিষয়ে উচ্চ চিন্তা-ভাৱনা কৰিব পাৰিব।

তৃতীয়তে, মই এটা স্বাধীন নাৰী-সংগঠনৰ জন্ম হোৱাটো বিচাৰো, যি সংগঠনে নাৰীৰ বিকাশৰ কাৰণে নিঃস্বাৰ্থভাৱে কাম কৰিব পাৰে।

চতুৰ্থতে, নাৰীসকলে সমাজৰ প্ৰতিটো স্তৰতে পুৰুষৰ সমানে অধিকাৰ পোৱাটো বিচাৰো। ভাৰতীয় সংসদত নাৰীৰ আসনৰ সংখ্যা যথেষ্ট সীমিত। সেয়ে মই সংসদত নাৰীৰ আসনৰ সংখ্যা পুৰুষৰ সমপৰ্য্যায়ত হোৱাটো বিচাৰো। সংসদত নাৰীৰ আসনৰ সংখ্যা বাঢ়িলে নাৰীৰ বিকাশৰ বাবে উচিত আইন প্ৰণয়ন কৰাত সুবিধা হ'ব। ❑❑❑❑

## চয়নিকা কাকতী

**স্নাতক দ্বিতীয় বৰ্ষ**

**পুৱা শাখা**

১) নাই। মই কেতিয়াও এগৰাকী ছোৱালী হিচাপে জন্ম গ্ৰহণ কৰি পৰিয়াল কিম্বা আন কাৰোবে দ্বাৰা উপেক্ষিত হোৱা বুলি আজি পৰ্যন্ত ভবা নাই।

মোৰ এনে ধাৰণাৰ কাৰণ হৈছে প্ৰকৃততে এগৰাকী ছোৱালী হিচাপে পাবলগীয়া প্ৰায়খিনিয়েই পৰিয়াল তথা সমাজৰ পৰা পাবলৈ সক্ষম হৈছো। সেয়েহে উপেক্ষিত হৈছো বুলি আজিকোপতি ধাৰণাৰ সৃষ্টি হোৱা নাই।

২) দেশীয় সংবিধানে নাৰীক সম-অধিকাৰ প্ৰদান কৰিছে। যদিও চুড়ান্তৰূপত কাৰ্য্যকৰী কৰাত সক্ষম হোৱা নাই, এইটো স্বীকাৰ্য্য যে সংবিধানে নাৰীক সম-অধিকাৰ প্ৰদান কৰিছে বুলি হাজাৰ বাৰ চিঞৰিলেও ই অসম্পূৰ্ণ।

৩)নাৰী-বিকাশৰ প্ৰথম চৰ্ত শিক্ষা, লগতে বিকাশৰ বাবে সংঘবদ্ধ প্ৰচেষ্টা বুলিয়েই মই ভাবো।

৪) শিক্ষা-ব্যৱস্থাৰ মাধ্যমেৰে এক সংগঠিত দিশত উন্নতিৰ বাবে প্ৰেৰণা যোগোৱা। ❑❑❑❑

## মানসী ভাগৱতী

**স্নাতক দ্বিতীয় বৰ্ষ**

**পুৱা শাখা**

১) মই পৰিয়াল বা সমাজত প্ৰায় সকলো ক্ষেত্ৰতে নিজকে উপেক্ষিত বুলি ভাৱো। কাৰণ, মই ছোৱালী হিচাবে জন্ম লৈছো।

পৰিয়ালতেই হওক বা সমাজতেই হওক দেখা যায় যে সকলো ক্ষেত্ৰতে পুৰুষেহে অগ্ৰাধিকাৰ পায়। এজনী ছোৱালীৰ উচ্চ শিক্ষা লাভৰ অভিলাস তথা নিজৰ ভিতৰত থকা প্ৰতিভাসমূহ বিকাশ কৰাৰ ক্ষেত্ৰত নিজৰ মততকৈ পৰিয়ালৰ অভিভাৱকৰ মতেহে অগ্ৰাধিকাৰ পায়। কিন্তু পুৰুষৰ এই ক্ষেত্ৰত অভিভাৱকৰ মতামতৰ বিশেষ প্ৰয়োজন নহয়। তদুপৰি এজনী ছোৱালীয়ে নিজৰ প্ৰতিভা বিকাশৰ চেষ্টাত ৰত হ'লে সমাজৰ হাঁহিয়াতৰ পাত্ৰ হোৱাহে দেখা যায়।

২) নাৰী বা পুৰুষ অকলে কেতিয়াও স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে। নাৰী আৰু পুৰুষ উভয়ে দেশৰ নাগৰিক, উভয়ে সমাজৰ সদস্য; কিন্তু আমাৰ দেশ পুৰুষ প্ৰধান। আজি আমাৰ দেশত নাৰীয়ে নিজৰ

অধিকাৰৰ বাবে আন্দোলন কৰিব লাগে। কিন্তু এগৰাকী নাৰীৰ যেন নিজৰ ওপৰতেই নিজৰ অধিকাৰ নাই। নাৰী ছোৱালী কালত পিতৃৰ অধীন, বিবাহৰ পিছত স্বামীৰ অধীন আৰু বৃদ্ধা অৱস্থাত পুত্ৰৰ অধীন হয়। মই ভাবো যে এখন দেশ বা সমাজ পৰিপূৰ্ণ হ'বলৈ হ'লে যিবোৰ ক্ষেত্ৰত পুৰুষৰ অধিকাৰ আছে সেই সকলো ক্ষেত্ৰতেই নাৰীৰ সম অধিকাৰ থকাটো বাঞ্চনীয়।

স্বাধীনতা প্ৰত্যেকজন ব্যক্তিৰেই জন্মগত অধিকাৰ। কিন্তু এই জন্মগত অধিকাৰ পুৰুষ প্ৰধান সমাজখনত নাৰীয়ে হেৰুৱাই পেলায়। আনকি নিজৰ বৃত্তি আদি নিৰ্বাচন কৰোতেও পুৰুষৰ ইচ্ছায়ে প্ৰধান হয়। অৱশ্যে নাৰী স্বাধীনতা বুলিলে শালীনতা চেৰাই যোৱা স্বাধীনতা ভোগ কৰাক বুজা অনুচিত।

৩). মোৰ মতে নাৰীৰ বিকাশৰ প্ৰথম চৰ্ত হিচাপে অশ্লীলতা ৰোধ কৰা উচিত।

৪) এগৰাকী ছোৱালী হিচাপে মই নাৰী বিকাশৰ হকে অৰ্ধশিক্ষিত তথা নিৰক্ষৰ নাৰীসকলক যুক্তিবাদী শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ চেষ্টা কৰিম, যাতে তেওঁলোকে সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰৰ পৰা মুক্ত হৈ নিজৰ মৰ্য্যাদা আৰু অধিকাৰৰ প্ৰতি সজাগ হৈ সমাজ তথা দেশৰ মূল্যবান সম্পদ হ'ব পাৰে।

□□□□

## নিতুমণি বৰা

**স্নাতক দ্বিতীয় বৰ্ষ**
**পূৰ্বা শাখা**

১) ছোৱালী হিচাপে জন্ম গ্ৰহণ কৰি মই সমাজৰ সকলো ক্ষেত্ৰতে নিজকে উপেক্ষিতা বুলি নাভাবো। অৱশ্যে বিকাৰগ্ৰস্ত বৰ্তমানৰ যুৱ-মানসিকতাই সৃষ্টি কৰা সমস্যাবোৰ দেখি অশান্তিত নোভোগা নহয়।

২) সাংবিধানিক ভাবে ভাৰতত এই অধিকাৰ প্ৰদান কৰা হৈছে যদিও বাস্তৱত বিৰল। মোৰ মতে সামাজিক আৰু অৰ্থনৈতিক দিশত সম অধিকাৰ প্ৰতিষ্ঠা হোৱা উচিত।

৩) শিক্ষা আৰু প্ৰশিক্ষণ।

৪) অশিক্ষিত আৰু অৰ্ধশিক্ষিত নাৰীসকলৰ বিকাশৰ কামত নিজকে জড়িত কৰিব বিচাৰোঁ।

## নীলাক্ষি ভট্টাচাৰ্য্য

**স্নাতক প্ৰথম বৰ্ষ**
**পূৰ্বা শাখা**

১) এগৰাকী ছোৱালী হিচাপে জন্ম গ্ৰহণ কৰি মই পৰিয়াল তথা সমাজত কোনো ক্ষেত্ৰতে নিজকে উপেক্ষিত বুলি নাভাবো।

বৰ্তমান সমাজত নাৰী কেতিয়াও উপেক্ষিত হ'ব নোৱাৰে। প্ৰতিটো পদক্ষেপতে সমাজত নাৰীক অগ্ৰাধিকাৰ দিয়াৰ দাবী তুলি থকা হৈছে। প্ৰকৃততে চাবলৈ গ'লে নাৰী অবিহনে পুৰুষৰ জীৱন বৃথা। এজন পুৰুষে সমাজৰ উন্নতিৰ ক্ষেত্ৰত নাৰীৰ অবিহনে কোনো অৰিহণা যোগাব নোৱাৰে।

সমাজৰ উন্নতিৰ বিভিন্ন দিশলৈ আঙুলিয়াই চালে আমি দেখা পাওঁ যে নাৰীয়ে জীৱন-ধাৰণৰ সাৰ্থকতা লাভ কৰিছে নিজৰ সৰ্ব্বস্ব ত্যাগেৰে। উদাহৰণস্বৰূপে আমি মাডাৰ টেৰিজাৰ জীৱনটোলৈকে উনুকিয়াই চাব পাৰোঁ। কাৰণ টেৰিজাই অবিবাহিতা জীৱন কটাই নিজৰ সৰ্বস্ব ত্যাগ কৰি সমাজত উন্নতিৰ সোপান ৰচনা কৰি গৈছে।

বৰ্তমান যুগত ল'ৰাতকৈ ছোৱালীয়েহে পিতৃ-মাতৃৰ দায়িত্ব বহন কৰে। গতিকে এই দিশৰ পৰা চালে ছোৱালীক উপেক্ষিত বুলি ভবাৰ কোনো কাৰণ মই দেখা নাপাওঁ। বৰ্তমান যুগত সমাজৰ সকলো ধৰণৰ কাম সুচাৰুৰূপে পৰিচালনা একমাত্ৰ ছোৱালীয়েহে কৰিব পাৰে। প্ৰশাসনৰ ক্ষেত্ৰত কিৰণ বেদী তথা শাসনৰ ক্ষেত্ৰত ইন্দিৰা গান্ধীকে চাবলৈ গ'লে আমি কোনো প্ৰকাৰেই ছোৱালীক উপেক্ষিত বুলি ভাবিব নোৱাৰো। এই মহীয়সী নাৰী সকলৰ আদৰ্শৰে আদৰ্শিত হ'ব পাৰিলে মই কোনো ক্ষেত্ৰতে ছোৱালীক উপেক্ষিত বুলি নকওঁ।

২) নাৰীৰ সম-অধিকাৰ আৰু স্বাধীনতাৰ ধাৰণা কৰাৰ আগতে



মনত কিছুমান প্ৰশ্ন জাগে, " মহিলাই স্বাধীনতা আৰু সম-অধিকাৰ বিচাৰেনে ? যদি বিচাৰে তেন্তে কেনেকুৱা ধৰণৰ বা কাৰ পৰা বিচাৰে ?" এনেবোৰ প্ৰশ্ন অতীত সমাজত কৰা হোৱা নাছিল। কিন্তু বৰ্তমান যুগত স্বাধীনতা বিচাৰি নাৰী সকল মুখৰ হৈ পৰিছে। চাকৰি, ৰাজনীতি আদি ক্ষেত্ৰত নাৰীয়ে শতাংশৰ দাবী কৰিছে। এই ক্ষেত্ৰত নাৰী কিছু উপকৃতও হৈছে। আগৰ দিনতকৈ মহিলাসকলৰ স্বাধীনতা আৰু সম-অধিকাৰ যথেষ্ট হোৱা বুলি ভাবিব পাৰি। কিন্তু প্ৰশ্ন হৈছে " মহিলাসকলে এই স্বাধীনতাৰ কিমান খিনি উপভোগ কৰিছে ? সচাঁ অৰ্থত নাৰী স্বাধীন হৈছেনে ?" যদি আমি গাৱঁৰ মহিলা সকলক সমীক্ষা কৰো তাত দেখা যাব যে তেওঁলোক স্বাধীনতাৰ অধিকাৰৰ পৰা বঞ্চিত। আনহাতে তেওঁলোকে স্বাধীনতা নিবিচাৰে বুলি ক'লেও ভুল কোৱা নহয়। মাত্ৰ ১০ শতাংশ মহিলাহে স্বাধীনতা বিচৰাৰ শ্ৰেণীত পৰে। গতিকে সমাজে এই স্বাধীনমনা নাৰীক ভাল চকুৰে নাচায়।

আমাৰ সমাজ ব্যৱস্থা মতে নাৰী সদায় পুৰুষৰ অধীন। শিশু কালত পিতৃ-মাতৃৰ, যৌৱন কালত স্বামীৰ, বৃদ্ধা কালত পুত্ৰৰ অধীনত থকাটো হিন্দু সকলৰ নীতি। কিন্তু দুই-এক নাৰী ইমান স্বাধীনমনা আৰু শক্তিশালী মনোভাৱৰ আছিল যে তেওঁলোকে দেশ শাসন, যুদ্ধ আদিও কৰিছিল।

ওঠৰশ শেষ ভাগৰ পৰা নাৰীয়ে কিছু স্বাধীনতা পাবলৈ ধৰে। কিন্তু নাৰীয়ে স্বাধীনতা লাভ কৰিও কি কাৰণত উপভোগ কৰিব নোৱাৰে তাৰো কিছুমান কাৰণ আছে। প্ৰথমতে, যিহেতু নাৰী অৰ্থনৈতিকভাৱে স্বাধীন নহয়, সেয়ে তেওঁলোকে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ফলত তেওঁলোকে পুৰুষক অমান্য কৰি নিজৰ স্বাধীনতা বাহাল ৰখাৰ পক্ষপাতী নহয়। দ্বিতীয়তে, নাৰীয়ে নিজকে বলশালী বুলি উপলব্ধি কৰিব নোৱাৰে, ফলত পুৰুষ সহায়লৈ অপেক্ষা কৰিব লগা হয়। গতিকে গোটেই আলোচনাৰ পৰা মোৰ মনত নাৰীৰ সম-অধিকাৰৰ প্ৰতি এই ধাৰণা আহিছে যে নাৰী স্বাধীনতা আৰু সম-অধিকাৰৰ ক্ষেত্ৰত বহু পিছপৰি আছে। তেওঁলোকে ইয়াৰ অৰ্থই বুজিব পৰা নাই। নাৰীয়ে এই সংগ্ৰাম পুৰুষৰ বিৰুদ্ধে নহয়, পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধেহে কৰা উচিত।

৩) নাৰীৰ বিকাশৰ বিভিন্ন চৰ্ত আছে। কিন্তু মই নাৰীৰ বিকাশৰ বাবে নিৰ্ভৰযোগ্য চৰ্তটো শিক্ষা বুলিহে ভাবো। আগৰ দিনত নাৰীক শিক্ষা দিয়াৰ ব্যৱস্থা নাছিল। ফলত তেওঁলোক শিক্ষাৰ অভাৱত বাহিৰৰ পৃথিৱীৰ বিষয়ে সকলো প্ৰকাৰে অজ্ঞ আছিল। নাৰীয়ে যুগে যুগে পুৰুষৰ পৰা লাঞ্চিত হ'ব লগা হৈছে। তেওঁলোকে কেতিয়াও পুৰুষৰ সন্মুখত মূৰ দাঙি কথা ক'বলৈ সাহস কৰা নাছিল। সেয়ে তেওঁলোক সদায়ে পৰাধীন হৈ থাকিল।

বৰ্তমান যুগত দুই-এগৰাকী নাৰীয়ে শিক্ষা গ্ৰহণ কৰি শিক্ষিত হৈছে। তথাপিও প্ৰায় ৯০% নাৰী আজিও অশিক্ষিত হৈয়ে আছে। কিন্তু দেখা গৈছে যে ১০% শিক্ষিত নাৰীৰ ভিতৰত ৫% নাৰীয়েহে আন নাৰীৰ বিকাশৰ বাবে উঠি-পৰি লাগিছে। অৰ্থাৎ ৫% নাৰী শিক্ষিত হৈয়ো অশিক্ষিত মহিলাৰ লগত একে আসনতে ৰহি আছে। তেওঁলোকে কিতাপৰ পৰা যি শিক্ষা লাভ কৰিছে তাক কাৰ্য্যত পৰিণত কৰিব পৰা নাই। যদি এই শিক্ষিত নাৰীসকলেই আগবাঢ়ি নাহে, তেন্তে নাৰীৰ প্ৰগতি হ'ব কেনেকৈ ? এইটো নহয় যে কিতাপৰ শিক্ষা হ'লেহে নাৰীৰ বিকাশ হ'ব, পাঠ্যপুথিৰ শিক্ষাই জ্ঞানহে দিয়ে, শিক্ষাৰ্থীয়েহে ইয়াৰ প্ৰকৃত জ্ঞান উপলব্ধি কৰিব লাগিব। সেয়ে নাৰীক পাঠ্যপুথিৰ শিক্ষাৰ লগতে ব্যৱহাৰিক শিক্ষা প্ৰদানৰ প্ৰয়োজন হৈ পৰিছে।

দেশ এখনৰ উন্নতি হ'বলৈ পুৰুষৰ লগত নাৰী সমানে আগবাঢ়িব লাগিব। গতিকে নাৰীৰ শিক্ষা সমাজৰ প্ৰগতিৰ অপৰিহাৰ্য্য অংগ। নাৰী অবিহনে পুৰুষ অপূৰ্ণ। উভয়ে মিলিহে দেশ তথা নাৰীৰ বিকাশ কৰিব পাৰিব। অৰ্থাৎ নাৰীৰ বিকাশেই দেশৰ প্ৰগতি। তদুপৰি নাৰীৰ মাজলৈ আহিব লাগিব উপযুক্ত চেতনা। তেতিয়াহে নাৰীৰ বিকাশ সকলো দিশৰে পৰা সম্ভৱ হ'ব।


৪) ভগৱানৰ অপৰূপ সুন্দৰ সৃষ্টিৰ এক অন্যতম বিচিত্ৰ ৰঙীন ৰূপ হৈছে নাৰী। পুৰাণ, ভাগৱত, গীতা, কাব্য, বিখ্যাত উপন্যাসৰ

প্ৰতিটো পাতৰ প্ৰতিটো শাৰীতে নাৰীয়ে স্থান অধিকাৰ কৰি আহিছে। কৱিৰ ভাষাত নাৰী অতুলনীয়। তেওঁলোকে নাৰীক উচ্চ স্থান দিছে। তথাপিও নাৰী যুগে যুগে পুৰুষৰ দ্বাৰা কিয় লাঞ্চিত হৈছে ? অতীত কালত নাৰী হ'ল পিতৃ-মাতৃৰ বোজা স্বৰূপ। বাৰবছৰ হ'লেই কন্যা সন্তানক বিয়া দিবলৈ উঠি পৰি লাগিছিল। উপযুক্ত বৰ নাপালে পঞ্চাশ বছৰীয়া বৃদ্ধৰ লগতো বিয়া দিয়া হৈছিল। ফলত কন্যাগৰাকীয়ে অতি সৰু কালতে বৈধব্যৰ সাজ পৰিধান কৰিব লগা হৈছিল আৰু তেওঁলোকৰ বাবে দ্বিতীয় বিবাহৰ চিন্তাক অপৰাধকাৰ্য্য বুলি গণ্য কৰিছিল। কিন্তু তাৰ বিপৰীতে পুৰুষে পত্নীৰ মৃত্যুৰ অলপ দিনৰ পিছতে বিয়া কৰাই সংসাৰৰ ধৰ্ম পালন কৰিছিল। এই প্ৰথা প্ৰাচীন কালতেই নহয়, আজিও প্ৰচলিত। মই ভাৱো এই ক্ষেত্ৰত আমি যুৱ সমাজৰ পৰা সঁহাৰি পাব পাৰোঁ।

এগৰাকী ছোৱালী হিচাপে নাৰীৰ বিকাশৰ বাবে আমাৰ কৰিবলগীয়া কাম হ'ব গাৱঁৰ অশিক্ষিত তথা পিছপৰি থকা নাৰী-সমাজক বহিৰ্জগতৰ লগত পৰিচিত কৰি দিয়া। এই ক্ষেত্ৰত তেওঁলোকক বিভিন্ন উপায়ে বিভিন্ন কামত নিয়োজিত হ'বৰ বাবে শিক্ষিত কৰি তুলিব লাগিব। যি শিক্ষাই তেওঁলোকক স্বাধীনভাৱে সমাজৰ প্ৰতিটো পদক্ষেপতে আগবাঢ়ি যোৱাৰ সুবিধা দিব। বৰ্তমান সময়ত তেওঁলোকক ঘৰুৱাভাৱে ব্যৱহাৰ কৰিব পৰা সা-সামগ্ৰী, ঘৰুৱা জা-জলপান আদি তৈয়াৰ কৰি নিজে স্বাধীনভাৱে সমাজত বিকাশৰ পথত আগবাঢ়ি যাবলৈ সুবিধা দিব লাগিব। তদুপৰি ঘৰত সজোৱা বিভিন্ন সঁজুলি, যেনে - ফুলদানী, পুতলা, বেগ আদি তৈয়াৰ কৰিবলৈ শিকাই তেওঁলোকৰ স্বাধীনচিতীয়া মনক বিকাশ কৰিবলৈ সুবিধা দিব লাগিব। এই উপৰোক্ত কামবোৰ কৰিবৰ বাবে শিক্ষিতা নাৰী হিচাপে আমি নাৰী সংস্থা গঠন কৰিব লাগিব আৰু সেই সংগঠনে নাৰীৰ বিকাশৰ ক্ষেত্ৰত সকলো সুবিধা বহন কৰিব লাগিব। তেতিয়াহে সমাজৰ পিছপৰা নাৰীয়ে বিকাশৰ পথ বাছি ল'ব পাৰিব।

□□□□□





**নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভা, ১৯৯৭-৯৮**

বাওঁফালৰ পৰা বিভাগীয় সম্পাদিকা সকল ঃ নীলাক্ষি শইকীয়া (আলোচনী), জেচমিনাৰা বেগম (তৰ্ক আৰু নাট), বিভাৰাণী হীৰা (সাধাৰণ সম্পাদিকা), জোনালী দেৱী (সাংস্কৃতিক), মৌচুমী গোস্বামী (ক্ৰীড়া), উষা দেৱী (সহঃ সাংস্কৃতিক), দীপা গোহাঁই (সহঃ সাধাৰণ), সুনয়না আইংদন্ট (সংগীত), দিপাঞ্জলী বৰা (সহঃ ক্ৰীড়া), বিজুমনি বৰা (সমাজ সেৱা)।

## ১৯৯৭-'৯৮ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱত আমাৰ কলেজ



**গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱত (৯৭-৯৮) নাটকত শ্ৰেষ্ঠ দল**

বাওঁফালৰ পৰা (ঠিয় হৈ) বৰ্ণালী ভৰালী, নীলিমা সুত, (বহি) পাৰুল মহন্ত, ময়ূৰী গোস্বামী।
(ছবিত অনুপস্থিত বিভা ৰাণী হীৰা, ময়ূৰ পংখী শইকীয়া আৰু নিত্যাঞ্জলি দেৱী)



**ময়ূৰী গোস্বামী** →
গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱত
(৯৭-৯৮) শ্ৰেষ্ঠা অভিনেত্ৰী

← **পাৰুল মহন্ত**
গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱত
(৯৭-৯৮) দ্বিতীয়া শ্ৰেষ্ঠা অভিনেত্ৰী



## ১৯৯৭-'৯৮ বৰ্ষৰ কলেজ সপ্তাহ সমাৰোহ



শ্ৰেষ্ঠ নাট্য দল

বাওঁফালৰ পৰা (ঠিয় হৈ) **মৌচুমী গোস্বামী, মেড'না মঞ্জিল বৰা, পাৰুল মহন্ত, নীলিমা সুত,**
(বহি) **বৰ্ণালী ভৰালী, ময়ূৰী গোস্বামী আৰু ৰুক্চানা চুল্তানা** ।





**সুনীতা চৌধুৰী**
বেডমিণ্টন চিংগলছ্ প্ৰতিযোগিতাৰ বিজয়ী।

**নীলাক্ষি ভট্টাচাৰ্য্য**
শ্ৰেষ্ঠা তৰ্ক -প্ৰতিযোগী।



শ্ৰেষ্ঠ কুইজ্ দল
**সাগৰিকা শৰ্ম্মা** (ঠিয়হৈ) **স্নেহমঞ্জৰী মজুমদাৰ**
আৰু **মৌচুমী বেজবৰুৱা** ।



**শিখামণি শইকীয়া** আৰু **সুনীতা চৌধুৰী** বেড্‌মিণ্টন ডব্‌লছ্ প্ৰতিযোগিতাৰ বিজয়ী।



**ত্ৰিবেনী শইকীয়া**
শ্ৰেষ্ঠা সংগীত প্ৰতিযোগী



**দীপ্তি ভৰালী**
শ্ৰেষ্ঠা পাঞ্জা খেলুৱৈ।




**স্মৃতিকা কাকতি**
শ্ৰেষ্ঠা অভিনয়-শিল্পী।



**চন্দ্ৰামিতা**
সাজপাৰ প্ৰতিযোগিতাৰ বিজয়ী।

নগাঁও ছোৱালী কলেজ সাহিত্য- উপদেষ্টা সমিতি, ৯৭-৯৮



বাওঁফালৰ পৰা (বহি) অধ্যাপক ড° ৰাজেন শইকীয়া, উপাধ্যক্ষ কৃষ্ণৰাম বৰা, অধ্যক্ষ অপূৰ্ব শৰ্মা, অধ্যাপক জয়ন্ত শৰ্মা, অধ্যাপিকা মুনি কাকতি।
(থিয় হৈ) দীপাঞ্জলি, বিজুমণি, সুনয়না, দীপা, বিভা, মিতাবুল, জেচমিনাৰা আৰু নীলাক্ষি।
(ছবিত অনুপস্থিত সদস্য ঃ অধ্যাপক তিলকচন্দ্ৰ মজুমদাৰ আৰু অধ্যাপক বিৰাজিৎ দাস।)

# ভূতে নধৰা তাবিজ আৰু অন্যান্য

দিব্যজ্যোতি মহন্ত
অধ্যাপক, গণিত বিজ্ঞান বিভাগ

ভূতে নধৰিবৰ কাৰণে তাবিজটো দিয়াৰ আগতে 'সংখ্যা' (number)সম্পৰ্কে অলপ টোকা দি লোৱা ভাল হব বুলি ভাবিছো।

আমি সকলোৱেই জানো যে 25, 4730, ইত্যাদিবোৰ সংখ্যা। এই সংখ্যাবোৰ লিখিবৰ বাবে আমাক 0,1,2,3,4,5,6,7,8,9, এই দহটা 'বস্তুৰ'ৰ প্ৰয়োজন হয়। এই দহটা 'বস্তুক' গণিতৰ ভাষাত "অংক" (digit) বুলি কোৱা হয়। গতিকে সংখ্যা লিখিবলৈ অংক (digit) লাগে। ওপৰত কোৱা 25 সংখ্যাটোত 2 আৰু 5 এই দুটা অংক ব্যৱহাৰ কৰা হৈছে। সেইদৰে 4730 সংখ্যাটোত 4,7,3,0 এই চাৰিটা অংক আছে।

তদুপৰি 25 সংখ্যাটোক দুঘৰীয়া সংখ্যা বা দুটা অংক-যুক্ত সংখ্যা (two figure number বা two digit number) বুলি কোৱা হয়, কাৰণ ইয়াত দুটা অংক(2আৰু 5) ব্যৱহাৰ হৈছে। সেইদৰে 407 এটা তিনিঘৰীয়া বা তিনিটা অংক-যুক্ত সংখ্যা, 9896 এটা চাৰিঘৰীয়া বা চাৰিটা অংক-যুক্ত সংখ্যা, ইত্যাদি।

এতিয়া আমি তাবিজটোৰ কথালৈ আঁহো। তলত দিয়াৰ দৰে নটা ঘৰ কৰা হ'ল।

| | | |
|---|---|---|
| a | b | c |
| d | e | f |
| g | h | i |

(চিত্ৰ-১)

| | | |
|---|---|---|
| | | |
| | | |
| | | |

(চিত্ৰ-২)

এই ঘৰ কেইটাত এনে ধৰণৰ নটা 'অংক' দিয়া হওঁক যাতে ঠিয় কৈ সিহঁতক যোগকৰিলে (অৰ্থাৎ adg, beh, cfi স্থানৰ অংকৰ যোগফল) প্ৰতিটো স্তম্ভৰ যোগফল সমান হয়। আকৌ পথালি পথালিকৈ যোগ কৰিলে (অৰ্থাৎ a b c, d e f, g h i স্থানৰ অংকৰ যোগফল) প্ৰতিশাৰীৰ যোগফল সমান হয়। তদুপৰি কোণীয়াকৈ যোগ কৰিলেও (a e i, g e c স্থানৰ যোগফল সমান হব লাগিব। এটা উদাহৰণ দিয়া হ'ল

কাষৰ চিত্ৰত চালে ধৰিব পাৰি যে ইয়াত প্ৰতি স্তম্ভৰ যোগফল ১৫, প্ৰতি শাৰীৰ যোগফল ১৫ আৰু দুয়োটা কোণেদিও যোগফল ১৫ হয়।

| | | |
|---|---|---|
| 2 | 9 | 4 |
| 7 | 5 | 3 |
| 6 | 1 | 8 |

(চিত্ৰ-৩)

পুৰণি কালত পশ্চিমৰ কিছুমান দেশত কিছুমান ঠাইত মানুহে বিশ্বাস কৰিছিল যে এই ধৰণৰ 'মডেল' সাজি পৰিধান কৰিলে ভূত-পিশাচে নধৰে। সেইবাবে এনেধৰণৰ বিভিন্ন প্ৰকাৰৰ 'মডেল্' সাজিবলৈ মানুহে যত্ন কৰিছিল। এই মডেল্‌বোৰক "যাদুবৰ্গ" বুলি কোৱা হয়। ওপৰৰ যাদুবৰ্গ টোক আন এক ধৰণেৰে পাতিব পাৰি। তলত দিয়া হ'ল।

| | | |
|---|---|---|
| 8 | 1 | 6 |
| 3 | 5 | 7 |
| 4 | 9 | 2 |

(চিত্ৰ-৪)

এই সংখ্যাকেইটাৰেই স্থান সাল-সলনি কৰি আৰু কিমান প্ৰকাৰে ১৫ পাব পাৰি যত্ন কৰি চাব পাৰে, তেতিয়া পাঠক বা পাঠিকাই ঘৰখনৰ প্ৰতিজনকে এনে ধৰণৰ যাদুবৰ্গ পিন্ধাই অপদেৱতাৰ ভয়ৰ পৰা হাত সাৰি থকাৰ ব্যৱস্থা কৰিব পাৰিব।

ওপৰত কোৱাৰ দৰে আন এক প্ৰকাৰৰ যাদু-বৰ্গ তলত দিয়া হ'ল (চিত্ৰ-৫)। এই মডেলটোত ঠিয়-ঠিয়কৈ, পথালি কৈ বা কোণীয়াকৈ যোগফল ৬৫ হয়। ইয়াকো বিভিন্ন প্ৰকাৰে সাজি 'গণিতৰ খেল'ৰ সোৱাদ লব পাৰে।

| | | | | |
|---|---|---|---|---|
| 17 | 24 | 1 | 8 | 15 |
| 23 | 5 | 7 | 14 | 16 |
| 4 | 6 | 13 | 20 | 22 |
| 10 | 12 | 19 | 21 | 3 |
| 11 | 18 | 25 | 2 | 9 |

(চিত্ৰ-৫)

মন কৰিবলগীয়া, ইয়াত যে সদায় সংখ্যাবোৰ ১ ৰ পৰা একাদিক্ৰমে থাকিব লাগিব তেনে ধৰা বন্ধা কথা নাই। বিভিন্ন সংখ্যা লৈ এই খেল খেলি আমোদ উপভোগ কৰিব পৰা যায়।

এই ধৰণৰেই আন এবিধ প্ৰচলিত খেল দিয়া হ'ল। পাঠক-পাঠিকাই তলত দিয়া ব্যৱস্থা (instruction) মতে কাগজ কলম লৈ কাম আৰম্ভ কৰক।

এটা তিনিঘৰীয়া সংখ্যা লওক। কিন্তু এটা কথা চাব যাতে a তকৈ b অংকটো সৰু আৰু b তকৈ c

| | | |
|---|---|---|
| a | b | c |
| c | b | a |

বিয়োগ ফল
(চিত্ৰ-৬)

| | | | |
|---|---|---|---|
| | | | ← ১ম শাৰী |
| | | | ← ২য় শাৰী |

(চিত্ৰ-৭)

অংকটো সৰু হয়। এতিয়া ইয়ঁতক লুটিয়াই পাতক (চিত্ৰ-৬ ত দিয়া হ'ল) আৰু বিয়োগ কৰক। এই বিয়োগ ফল চিত্ৰ-৭ৰ ওপৰৰ শাৰীৰ ঘৰত পাতক। ইয়ঁতক দ্বিতীয় শাৰীত লুটিয়াই পাতক আৰু দুয়োটাকে যোগ কৰক। এতিয়া চাওক যোগফল কি পালে। যোগফলটো বাৰু ১০৮৯ হয় নে?

এটা উদাহৰণৰ সহায়ত কৰি দেখুৱালো।

| | | | |
|---|---|---|---|
| | 9 | 6 | 1 |
| − | 1 | 6 | 9 |
| = | 7 | 9 | 2 |

| | | | |
|---|---|---|---|
| | 7 | 9 | 2 |
| + | 2 | 9 | 7 |
| = | 10 | 8 | 9 |

বিভিন্ন তিনিঘৰীয়া সংখ্যা লৈ এই খেলটো খেলি চাব পাৰে। প্ৰতি বাৰতেই উত্তৰ পাব 1089

এটা সৰু খেল তলত দিয়া হ'ল, প্ৰতি বাৰতেই আঠ অংকটো কেনেকৈ ওলাইছে মন কৰক।

(9X 9) + 7=88
(9X98) + 6=888
(9X987) + 5 = 8888
(9X9876) + 4 = 88888
(9X98765) + 3 = 888888
(9X987654) + 2 = 8888888
(9X9876543) + 1 = 88888888
(9X98765432)+0 = 888888888
(9X987654321) -1 = 8888888888
(9X9876543210 )-2 = 88888888888

□□□□□

# IS FREIRE DEAD ?

**Apurba Sarma**

Paulo Freire, the Brazilian educationist of international fame, died in the summer of 1997. To the largely uninformed sections of our academia he might be introduced as the Secretary of Education at Sao Paulo city (Brazil) and Professor of Education at the State University of Campinas and at the Pontifical Catholic University of Sao Paulo. He was a member of the UNESCO's International Jury and received honorary degrees from fifteen Universities in Europe and the Americas.

Born in 1921 to a middle-class family in an extremely poor and backward area in Brazil, he experienced the excruciating physical sufferings and mental pangs of poverty and hunger as the country's ramshackle economy gave way under the great depression of the thirties. His direct contact with the realities of the deprived and the dispossessed made him realise the inner truth about the dehumanizing socio-political system which creates a culture of silence to keep the oppressed in an eternal vortex of oppression. He could clearly see the prevailing educational system as playing a major role in perpetuating this culture. As he grew up he began to study and reflect on the works and experiences of the great philosophers, scholars and educationists and developed an authentic perspective to postulate his own philosophy on education. But his concern for education and his methodology and experiments with education for the poor and the oppressed came, in the sixties, under the critical scrutiny of the military rulers of Brazil who considered him a 'threat' to the prevailing order and 'guilty' of encouraging the poor peasants to reflect on their desolation and deprivation and to engage in a struggle to liberate themselves from the dehumanizing social process of oppression. He was jailed for some time and was then encouraged to go into exile.

To the knowledgeable academic world concerned with the suffering masses, Freire was a philosopher who thoroughly revolutionised the concept of education by presenting a completely new model which is essentially and intellectually as rich as that of John Dewey's model of education presented in the beginning of the century. Freire was a visionary-educationist who found the existing models of education helping the social structure dehumanize the

society itself. He perceived dehumanization not only as an ontological possibility, but as an historical reality. And for him, "within history, in concrete, objective contexts, both humanization and dehumanization are possibilities for man as an uncomplete being consious of his incompleteness". But man's vocation is humanization and it is affirmed by its constant negation through oppression of all sorts and by the struggle of the oppressed to recover this lost humanity. In Freire's own words:

"Dehumanization, which marks not only those whose humanity has been stolen, but also (though in a different way) those who have stolen it, is a distortion of the vocation of becoming more fully human........... Because it is a distortion of being more fully human, sooner or later being less human leads the oppressed to struggle against those who made them so. In order for this struggle to have meaning, the oppressed must not, in seeking to regain their humanity, become in turn oppressors of the oppressors, but rather restorers of the humanity of both."

It is in such historical and humanistic context that Freire's philosophy of education presents a completely new model with its focus on the cultural dimension of oppression. The oppressed is a class created in the society by a carefully and consciously structured dehumanizing system of economic, social and political domination. And it is a culture of silence which never allows the oppressed to react, respond, question or criticise the concrete realities of their doomed world. Freire asserts that the traditional educational model with its paternalistic authoritarian teacher-student relationship is fundamentally narrative in character and as such education suffers from 'narration sickness'. In this process of narration words become hollow and lose their concreteness and transforming power. The teacher, instead of communicating, issues communique's and deposits lifeless, petrified, narrative contents on the students who receive, memorise and repeat them[1]. The whole process lacks creativity, inquiry, invention and reinvention and is devoid of reality that is historically relevent and of a sense of totality that engenders the process of education itself.

Freire rejects this 'deposit making' banking concept of education as it negates education and knowledge as processes of critical enquiry and creative communication. This concept would produce educated men who would fit into the world created for them without so much as questioning it at all. In Freire's model, education begins with the resolution of the student-teacher contradiction where both are simultaneously teachers and students. The teacher is no longer the one who teaches, but one who is himself taught in dialogue with the students[2]. Education must aim at questioning the reality and posing problems of man in his relation with the world. Education, in his view, consists in acts of cognition, not transferrals of information . It must involve constant discovery and rediscovery of realities and strive for "emergence of consciousness and critical intervention in reality" which is never static but always in transformation. Through constant inquiry, endless posing of problems, the teacher and the student develop their power to perceive critically the dialectical relation of men with the world which determine the form of action men adopt and thus synchronize the form of thought and action of man in the society. And man, ever so aware of both its historicity and incompleteness can strive through a process of problem-posing education, to transform and transcend himself by looking at and understanding his past and engaging his present for creating a better future.

Freire's discourse on education with a totally new approach which signifies oppression as a basic factor dehumanizing the society and recognizes education as the most effective tool to deal with oppression thereby resisting erosion and decline in humanity, is his most fundamental contribution to the theory of education. His philosophy encompasses a wider perspective of social injustice through oppression and views the liberation of both the oppressed and the oppressor as the great humanistic and historical task of the oppressed. His pedagogy of the oppressed is an instrument to unveil the paradox that both the oppressed and their oppressors are manifestations of dehumanization and aim at helping the endless struggle of the oppressed for regaining the lost humanity of man. In Freire's analysis, the oppressors through injustice, exploitation and violence of all sorts dehumanize others and in the process get dehumanized themselves. And the oppressed in their struggle for regaining hu-

**1. ' You know, I have proclaimed for a long time : we must teach the masses clearly what we have received from them confusedly.' (Mao-Tse-Dong in conversation with Andre Malraux.)**

**2. 'The materialist doctrine that men are products of circumstances and upbringing and that, thererfore, changed men are products of other circumstances and changed upbringing, forgets that it is men that change circumstances and that the educator himself needs educating.' (Karl Marx and Frederick Engels : Selected Works.)**

manity wrests the oppressors' power to dominate and suppress and thereby restore to them (oppressors) their lost humanity. As such it is always the oppressed only who can liberate themselves and their oppressors. Freire also delves deep into the contradiction of oppressor-oppressed relationship and its authentic resolution which, however, is not just a mere reversal of their polemical positions. He also examines the new problems and complexities that characterize the changed situation after liberation is achieved. Taking a cue from Eric Fromm, Freire also analyses the oppressor psyche which working on a strong sense of possession and domination develops a sadistic tendency of transforming everything and everyone around it into inanimate objects of its domination[3]. The peculiar situation of a section of the oppressors joining the oppressed in their struggle for liberation is also explained with very careful observation and deep insight into the convert psyche. Throughout the history of the struggle for liberation the convert has a significant but uncertain role. The generosity of this section of converts, for that matter their conversion itself, is always suspect as being hollow and false and not genuine and total.

In an equally incisive analysis Freire points to the irresitible attraction of the oppressed (especially the middle-class oppressed) towards the oppressor and their way of life, the self-depreciation, the selfdistrust, the total emotional dependence and the magical belief in the invulnerability and power of the oppressor.

All these analyses lead Freire to conclude that the tradidional educational method employed by the oppressor will never help liberate the oppressed from domination. The only effective instrument for liberation is a humanizing pedagogy of involvement, interaction, dialogue and communication.

Today educational theory and practice in the third world, the locus of Freirean model, is in disarray facing a crisis of confusion. The traditional model or in Freire's terms the 'banking education' is still flourishing vigorously in the third world countries because a mere primary level of general literacy through the learning of the three 'R's is sufficient to sustain the wobbled and tethered so-called democracies in these countries. The opening of the floodgates for exploitation in a worldwide consumer market through globalisation would further perpetuate the system. Information explosion and its exalted and glamourised status has forced knowledge and intellectual resource to take back seats further underlining the "suitability" of the banking education. The academia, increasingly infested by pseudo-intellectuals and neo-illiterates, is sought to be turned more into an information giving machinery than a domain of empiricism, analysis and truth.

In India the business of governance and institutionalised polities since the end of the Sixties have become happy fields for despicable maneouvering and crafty manipulation turning governments and political parties into chessboards of endless powergames. Such degeneration of politics reached its Nadir with the state of Emergency in 1975, but continued even after to the detriment of the State. The politics, with its universal concerns of human development, welfare and social change being passive and relegated to a position secondary to those more urgent ones which help aquiring and clinging to power easier and surer, seems to have become the destiny of the millions of suffering humanity in today's India. Freire makes it distinctly clear that the essence of dialogue is word which must have two redically interacting dimensions of reflection and action. Reflection devoid of action is hollow and lacks the capacity to transform. On the other hand, action without reflection negates the true praxis and makes dialogue impossible[4].

It is here, and especially now, that we should re-read and review Freire's elaborate philosophical treatment of education which according to him has a key role in liberating the society from its dehumanizing oppression. For there looms the increasingly dangerous spectre of Freire being standardised and adapted to the newer and lavisher internationally funded educational programmes conducted through satellite communication and advanced technology meant for the poor and the oppressed of the third world countries[5].


**References :**

1. Pedagogy of the Oppressed — Paulo Freire.
2. Cultural Action for Freedom — Paulo Freire.
3. The Heart of Man — Eric Fromm.
4. Selected Works — Karl Marx and Frederick Engels.
5. One Dimensional Man — Herbert Marcuse.
6. Antimemoirs — Andre Malraux.


**3. '.................... the aim of sadism is to transform a man into a thing, something animate into something inanimate, since by complete and absolute control the living loses one essential quality of life: Freedom.' (Eric Fromm : The Heart of Man)**

**4. That reflection is essential to action is implicit in Lukacs' justification of the need of 'explaining to the masses their own action.'**

**5. 'More and more, the oppressors are using science and technology as unquestionably powerful instruments for their purpose : the maintenance of the oppressive order through manipulation and repression' (Paulo Freire : Pedagogy of the Oppressed.)**

# A PERSONAL GLIMPSE OF SECONDARY SCHOOL EDUCATION IN SCOTLAND IN THE 80s.

**Rita Talukdar**
Lecturer,
Department of English

School education being compulsory in Scotland, infact in the whole of the British Isles, it entails that even the most reluctant pupil attend school till the age of 16. Frequent truancy or taking French leave on the part of students lead to the involvement of the education authority, the social workers, the police, and if and when the need arises, the psychologists and psychiatrists are consulted. Uncooperative parents/guardians land in law-courts. Thus teaching in a secondary school in Scotland was challenging, demanding but rewarding for me. During my tenure as a teacher in Glasgow, Scotland, I could not help but recall the words of the Principal of Notre Dame College of Education, Glasgow, "Remember, you all are professionals............".

In the 80s, in Scotland, education in the secondary schools spanned over a period of six years. Pupils joined the secondary school at 12 and compulsory education continued till the 4th year. On completion of the 4th year class, about 80% of them sat for thair 0 level (ordinary level school leaving certificate examination). The bright and motivated students who, may be, like Shakespeare's Brutus thought.........

**" There is a tide in the affairs of men,**
**Which, taken at the floods, lead on to fortune :**
**Omitted, all the voyage of their life,**
**Is bound in shallows and in miseries."**

on completion of six years of studies, appeared for their A level (Advanced level examination). If successful they had the choice of joining a university or pursuing a career of their choice.

'Crookston Castle', a secondary co-education with a roll of about 1200 pupils is, where I found myself in, after acquiring an English teaching certificate from 'Notre Dame College of Education', Glasgow, I was rather fortunate in joining a department where all of us, to a certain extent, worked as a team. Each of us had a class-room of our own, and this was a boon. We displayed press-cuttings, pictures, maps, charts, write-ups etc. for use as source materials. Some of us had mini-libraries, too, to encourage the reluctant pupils to be aware of the world of books. The school library was there and each English class had an extended library period every fortnight. Weekly departmental meetings were a regular feature and it did help to mull over our successes and short-comings.

Streaming off pupils to different sections according to merit was frowned upon by the Glasgow education authority, but at Crookston Castle, as in the majority of the secondary schools, this dictum was ignored to some extent. Below than average students were in the very first year put in the remedial class under the able guidance of a remedial teacher. With the rest, mixed-ability teaching continued for two years. Project-work at this stage was laid stress upon, though it did continue till the 4th year. The project technique, being a flexible one, worked successfully with almost every type of pupil. We devised assignments that varied in difficulty and sophistication and thus provided the pupils with work that matched and streched their abilities. Oral work too played a large role in the teaching of the English subject.

English and mathematics were compulsory subjects, and streaming of pupils began in real earnest from the third year. And I feel, at this juncture. I must quote a few lines from Bertrand Russel's essay, "Freedom Versus Authority in Education." Russel here states, "I do not maintain that all children can have their intellectual interests aroused by suitable stimuli. Some have much less than average intelligence, and require special treatment. It is very undesirable to combine in one class children whose mental capacities are very different : the cleverer ones will be bored by having things explained that they cleary understand, and the stupider ones will be worried by having things taken for granted that they have not yet grasped. But subjects and methods must be adapted to the intelligence of the pupils."

As mentioned earlier, the English subject was compulsory. Thus, each of us English teachers had top classes, the mediocre pupils as well as the non-certificates. Drama, novel, short-story, poetry, language work and creative writing formed the syllabus for each and every class. As the choice of the texts lay at the discretion of the subject-teacher, I once decided to do Shaw's "Pygmallion" with my top fourth year class. We started off by listening to the tape recording of the play, and once their interest was aroused, the text was read in detail. The willing pupils had taken parts while reading the text and we had a lively discussion. Later work-sheets which contained textual questions, language work, creative writing etc were worked on by the

pupils. Once a week, as laid out in the time table, there was group teaching. During group teaching the students worked in pairs or groups. Both oral and written work were involved. A class, by the way, never exceeded more than 31 pupils. In fact the teachers' unions were trying to bring it down to 28.

While 4[1] explored the world of Shaw, with my non-certificate 4th year I chose to read E.R. Braithwaite's novel "To Sir with Love". 'Non-certificates' ? Well, they were the pupils whose command of the basic skills in language was so weak that they were severely handicapped in reading, writing and oral communication. Unfortunately, pupils of this category were unable to sit for any board examination. A couple of them from each non-certificate class did offer a subject or two like tailoring or typewriting for their 0 levels. I chose "To Sir with Love", as I had realized that the background of this particular novel was quite similar to theirs. Hence, I presumed, boredom might he kept at bay.

My freinds and colleagues Lorna Rice and John Thompson were aghast at the thought of me, a 'coloured', venturing to do that particular novel with that particular class of trouble-makers. Laughingly, I had reminded them that at least two pints of pureScottish blood ran in my veins-a reference to my long stay in the hospital.

Well, there was I, that pleasant sunny afternoon with "To Sir with Love". They looked at the smiling black teacher on the jacket of the book, they looked at me with mocking-glints in their eyes. I took a deep breath, and very casually remarked, "Well, here we are about to start a most interesting novel. The teacher here is black, while I'm brown and the students like you all, are whites". That was it ! I kept my fingers crossed. We enjoyed reading the novel, though the cockney dialect does differ from the pure Glaswegian dialect. It was not plain sailing, but I did manage to coax them into answering briefly a few questions. During the oral work, there was more enthusiasm on their part. Mock-interviews (a part of the English course) were conducted and taped. At the time we were reading "To Sir with Love", the film version of it was being shown at one of the local halls. Yes, we enjoyed watching it. That was the most successfull part.

The use of audio-visual aids were encouraged and swimming and games were compulsory in all schools. Teaching in Scotland, I realized was a two-way process. There was much interaction between teachers and pupils. The fact, that there were guidance teachers. helped in coping with the various problems faced by the comprehensive schools in an industrialized society. Personal teacher-parent meetings were held twice a year at "Crookston Castle", and this did help in guiding the pupils in their choice of subjects and careers etc. " Grookston Castle" was also very lucky to have a small cottage near the suburbs of Edinburgh, and to this cottage many a group of teachers and students paid week-end visits. This together with the fact that teachers and pupils did meet socially at school parties and christmas dances helped in creating a congenial atmosphere. There were, of course, short-comings, but, looking back, I feel my days at "Crookston Castle" secondary school was rather interesting and exhilarating.

**00000000**

# THE WONDERFUL WORLD OF WORDS

**Jyotirmay Jana**
Lecturer
Department of English

It is lamentable that the study of English semantics in our country is by and large being unproductive for lack of adequate initiative to extend the knowledge gathered from this area to the understanding of various developments in Indian languages. It is further lamentable that philology as a discipline of linguistic study (which includes the study of semantics also) is being wiped off different university curricula apparently under the presumption that the so-called global village, which has been a delightful dream of the ruling class and their blue-eyed academicians, would need smartness of speech instead of a well-developed sense of history. Philology, therefore, is being replaced by phonetics with a kind of alacrity that does not seem normal. Phonetics is welcome; but its raids on philology are quite disquieting.

The prestige of philology in a literary man's world of art will remain untarnished even if it is totally abolished from the university curricula. Stephen Dedalus's reading of Skeat's **Dictionary of English Etymology** (in James Joyce's **Stephen Hero**) and his realisation that people are 'strangely ignorant of the value of words'* they use so glibly are no mean indications to those who wish to provide some aesthetic content to what they express. S.T. Coleridge, Rabindranath Tagore, James Joyce (represented by Stephen Dedalus in some of his fiction) and Samuel Beckett, to name only a few, were scholars in the science of language, apart from being giants in literature.

Education makes a man the master of his knowledge, not a slave to it. It endows him with originality of thinking and makes him innovative. A non-native speaker of English can hardly make any significant contribution in the field of English philological research. But he can, if properly groomed and master-minded, apply his knowledge of English philology to

*See Joyce, James : **Stephen Hero**, Cape Edition, London, 1944, p.20.



the interpretation of various structural and semantic developments in his mother tongue. Since no set rules of the world are final and absolute, the student can innovate new linguistic rules and thereby justify his study of the linguistic features of a language like English which probably is not his mother-tongue. It is significant that a genius like Rabindranath Tagore also emphasised the need for stimulation of this kind of creativity in the students of English philology of our country.

A section of linguists observe onomatopoeia to be one of the oldest methods of word-formation. There can be no rational basis to deny the onomatopoeic origin of quite a number of words, though it is extremely difficult to give any onomatopoeic explanation about the larger number of words used in both literary and non-literary texts. Most of the base-forms of words are arbitrary, though most of the derivatives are fossilised metaphors. For example, the base Latin form **lapis** meaning 'stone' and the Sanskrit verb root mṛ (**মৃ**) meaning 'to die' may be arbitrary, but their respective derivatives **dilapidated** and **mriyaman** (ম্রিয়মাণ) are fossilised metaphors. Though the literal meaning of the word **dilapidated** is 'unstoned', we nowadays speak of dilapidated friendship also. Similarly, a person described as **mriyaman** (**ম্রিয়মাণ**) is simply a pale and pallid person and not at all a dying person as its etymology denotes. The real thrill of word-analysis lies in **deciphering** the metaphors underlying the words. (The word **decipher**, again, is metaphorical, since the original Arabic word **sifr** means 'zero'. A letter thus remains, a **cipher** or zero-like text till it is read or deciphered).

When Mallarmé says,"One does not write a poem with ideas, one writes it with words ", he must have hinted at the prevalence of both poetry and painting in words, even in syllables. When we eat cabbage or **kabi** (কবি in Assamese), how many of us care to note that the cabbage or **kabi** (কবি) is not vegetable of any kind but the round human head from an etymological point of view ? The word **kabi** (কবি) is a variation of the English word **cabbage** which, again, has its ancestry in the Old French word **cabouche** meaning 'a human head'. **Cabbage** or **kabi** (কবি) is, in fact, the kind of vegetable which, despite its leafy green, has the shape and size of a human head.* When, again, we apply all our culinary

* It is interesting to note that the word 'head' is freely used in the botanical description of any variety of cabbage, e.g. the capitata variety is called head cabbage and the savoy variety is called soft-headed cabbage. *See* **Encyclopaedia Britannica,** Vol. 2, Chicago, 1990, p. 703.

skills upon a **kaldil** (কলদিল) or the cone of a banana, does it ever occur to us that the object we have sliced and spiced is nothing but the Persian **dil** (দিল) or heart (maybe even 'sweetheart') of the Assamese **kal** (কল) or banana (-plant) ? Etymologically, however, a **kaldil** (কলদিল) cannot be anything other than the heart (or sweetheart) of a banana-plant. The word **āṭomṭokāri** (আটোমটোকাৰি) which we use as an epithet to anything neat and tidy is, in fact, a musical word of the supreme kind. **Āṭom** (আটোম) is the twang or **taṇkar**(টঙ্কাৰ) coming out of the strings of a guitar-like musical instrument named **ṭokāri** (টোকাৰি). Nothing, therefore, can be **āṭomṭokāri** (আটোমটোকাৰি) unless the perfection it claims to embody is on a par with the harmony existing between the **ṭokāri** and its twang or **āṭom** (আটোম). It is deplorable a fact that many Assamese students of English semantics who can explain the metaphor underlying the idiom **(to) catch red-handed** fail to decipher the metaphor underlying the idiom **hāte lote dharā**(হাতে লোতে ধৰা, cf. the Bengali idiom **hāte nāte dharā**(হাতে নাতে ধরা). When a policeman catches a thief red-handed, he, as if, catches him just after he has committed a murder, while his hands are still red with the blood of his victim. Similarly, when he catches a thief **hātelote** (হাতেলোতে), he,as if, catches him with the stolen object in his hand, because **hāte** (হাতে)means 'in hand' and **lote** (লোতে) means 'with the stolen object'. The word **lot**(লোত) is a corruption of the original Sanskrit word **loptra**(লোপ্ত্র) meaning 'a stolen object' and the Bengali word **nāt** (নাত), as in **hātenāte** (হাতে নাতে), is a further corruption of the same Sanskrit word **loptra**(লোপ্ত্র). (Loptra > lotra > lot > not > nāt, লোপ্ত্র > লোত্র > লোত > নোত > নাত). The common man can hardly equal William Wordsworth or Rabindranath Tagore in his description of infancy; but he can, and he **does**, prove his poetic mettle when he epithets a new born baby with a highly expressive word like **āmāḍimā** (আমাডিমা or **emāḍimā** এমাডিমা). Both **āmā** (আমা) and **ḍimā** (ডিমা) are Sanskrit-based words: **āmā** (from Sans.**ām** আম) meaning 'raw' or 'tender' or 'uncooked' and **ḍimā** (from Sans. **ḍimba** ডিম্ব) meaning 'egg'. A baby who is **āmāḍimā** (আমাডিমা) is, thus, as fragile as an uncooked egg and provides a dormant contrast to a grown-up man who metaphoricaly, is boiled and cooked.

One will be at the zenith of blunder to think that linguistic matters are fixed. Linguistic matters are unstable and unfixed as anything else in the universe. New words are born out of old words (sometimes they



appear from nowhere); old words grow stale and die; the meaning of words change; plethora of meanings radiate out of existing words; words from divergent, even mutually hostile, sources get wedded and procreate - these are some of the most exciting phenomena occurring in the world of language. If the Shakespearean play **King Lear** demonstrates the fact that daughters of the same father can drastically be different from one another, a large number of doublets illustrate the same principle in the world of language. Words like **pawn** and **peon** are doublets, both meaning 'foot'. A **peon**, as we all know, is a human being, an ordinary walker-on-foot, carrying messages, delivering them, carrying out commands of his superiors in his office, whereas a **pawn** is an inanimate object, a supposed foot-soldier in the game of chess. Similarly, words like **bhāl** (ভাল) and **bhodā** (ভোদা) are doublets, both originating from the Sanskrit word **bhadra** (ভদ্র), meaning 'gentle'. Whereas **bhāl** (ভাল) means 'good' or 'well', **bhodā** (ভোদা) means 'foolish', as most good people are supposed to be. **(Bhadra>bhodā, bhadra >bhalla>bhāl ভদ্র>ভোদা, ভদ্র>ভল্ল>ভাল).** Similarly, the words **bhakat** (ভকত) and **bhāt** (ভাত) have their ancestry in the Sanskrit word **bhakta** (ভক্ত), meaning 'a devotee' **(Bhakta>bhakat, bhakta >bhatta >bhāt> ভক্ত>ভকত, ভক্ত>ভত্ত>ভাত)**. But both the derivatives of the word **bhakta** (ভক্ত) are drastically different from each other, since **bhakat** (ভকত) is the eater and **bhāt** (ভাত), the thing eaten. Though both the words **thān** (থান) and **thānā** (থানা) have their common ancestry in **sthān** (স্থান), a **thān** (থান) is a holy place, a place of religious significance, whereas a **thānā** (থানা) is a police station where criminals are dealt with.

Emission of a number of meanings from one head word, which characterises every living language including English can be illustrated by the different meanings we get from the word **carry**. Etymologically, **carry** is strongly associated with the word **car** and, therefore, nothing is carried unless it is transported in a car. But when a non-native speaker of English says, 'My wife is carrying',* what, actually, he means is that his wife is pregnant and she is carrying an unborn child not in a vehicle, but in her own womb. **Carry** may mean 'support' also, as in 'These pillars **carry** the

* A BS (British Standard) speaker would prefer to say, 'My wife is expecting a baby' or 'My wife is pregnant'. *See* Nihalani, Tongue & Hosali : **Indian and British English : A Handbook of Usage and Pronunciation,** Delhi : OUP, 1987, p.43.

weight of the roof.' In a sentence like 'The soldiers rushed forward and **carried** the enemy's position', the word **carry** means 'capture'. **Carry** does carry the meaning 'extend' also in a sentence like 'Do not **carry** a joke too far'. This **carry** is a noun when it is used to mean 'a two-wheeled barrow' or 'the range of a gun or projectile or just a vechicle or receptacle'; it, again, is an adjective- equivalent in words like **carry-cot** and **carry-bag** . This linguistic phenomenon known as radiation of meanings is not a stranger in an Indian student's own village of words. For example, **Rāma** (ৰাম), the eldest son of Dasaratha, has been a centre from which a plethora of meanings emerge in different Indian languages. In Assamese, for instance, **Rām** (ৰাম) means 'large' or 'big' in words like **rāmchāgal** (ৰামছাগল,a big he-goat) and **rāmtulasi** (ৰামতুলসী, a kind of basil characterised by its largeness), .'small' in a word like **rāmśiyāl** (ৰামশিয়াল,a kind of small fox), 'tasty' in a word like **rāmrambhā** (ৰামৰম্ভা, a kind of tasty banana), and 'severe' in a word like **rāmtāŋon**. (ৰামটাঙোন, a severe beating). **Rām**, who is a symbol of unity in an idiom like **Rām-Rahim** (ৰাম-ৰহিম), becomes a discordant element in an idiom like **rām-bhāona** (ৰাম-ভাওনা)as in **Rātipuwārparā dughar mānuhar mājat ki ye rāmbhāonakhan lāgiche!** ('ৰাতিপুৱাৰপৰা দুঘৰ মানুহৰ মাজত কি যে ৰাম-ভাওনাখন লাগিছে !','What a fracas is going on between the two houses since morning!').*

Both extension (even generalisation) and narrowing of meanings are common to all languages of the world. The word **journal** (from the French word **jour** meaning 'a day'), for example, etymologically means 'a day's record of events'; but in actual use it means any printed or electronic publication relating to contemporary life. Today, different kinds of periodicals including weeklies, fortnightlies, monthlies, annuals etc., are freely called journals, though, etymologically, a journal cannot be anything but a daily publication. The Old English word **thing** means 'discussion', though, for many centuries at a stretch, any object, concrete or abstract, earthly or transcendental, imaginary or real, is being freely referred to as a **thing**. Similarly, though the original Persian word **darmahā**(দৰমহা) means 'monthly salary' (Persian **dar** দৰ= rate/pay+Persian **mah**

* "Modern linguistic theory has shown, to quote J.R. Firth, that 'a word is known by the company it keeps'; the meaning of the single word can be tightly controlled by verbal context." Hulme, Hilda M. : 'The Language of the Novel', reprinted in the 'Reviews and Criticism' section of **Middlemarch**, edited by Bert G. Hornback, New York: W. W. Norton & Co., 1977,p. 715.



মহ=month), a tendency to use it to mean 'salary for any period of time' becomes apparent when we come across expressions like **māhili darmahā** ( মাহিলি দৰমহা ) and **pondhara dinar darmahā** (পোন্ধৰ দিনৰ দৰমহা) both in literary and non-literary productions in Assamese.* Since **darmahā** (দৰমহা) is basically 'monthly salary', a ruthless etymology-based translation of **māhili darmahā**(মাহিলি দৰমহা) as 'monthly monthly salary' and **pondhara dinar darmahā** (পোন্ধৰ দিনৰ দৰমহা) as 'fifteen days' monthly salary' can competently demonstrate what incongruous and disparate elements lie undetected beneath the smooth surface of many words we glibly use. My purpose here is not to antagonize the whole world by declaring such expressions wrong, but to defend them with the semantic principle known as generalisation of meaning. Again, despite the existence of the Persian element **roj** (ৰোজ,meaning 'a day') in the word **rojkār** (ৰোজকাৰ), the word is used to mean 'earning for any period of time'.The Sanskrit word **karpaṭ** (কৰ্পট) which is the base-form of the Assamese word **kāpor** (কাপোৰ) means 'ragged garments'. This meaning is still retained in the Hindi compound word **kapḍā-sanyāsi** (कपड़ा-सन्यासी) meaning 'a monk clad in rags'. Apart from this lone example in which the original meaning of the word is retained, all other derivatives of **karpaṭ** (কৰ্পট), e.g. Assamese **kāpor** (কাপোৰ), Bengali **kāpoṛ** (কাপড়) and Hindi **kapḍā**(कपड़ा), are being freely used to mean any kind of cloth, ragged or royal,dull or gorgeous, old or new.

Narrowing of meaning is as important a linguistic phenomenon as extension of meaning. The word **deer**, for example, has its ancestry in the old English word **deor,** meaning animals in general and not any particular kind of animal. This comprehensive meaning of **deer** is retained in the following speech of Edgar in Shakespeare's 'King Lear' where even mice and rats have been enumerated as deer:

* Examples of sentences with **māhili darmahā** (মাহিলি দৰমহা) and **pondhara dinar darmahā** (পোন্ধৰ দিনৰ দৰমহা) in literary and non-literary productions in Assamese :

(a) **Rāmesvar Sene māhili darmahā paichil eśa takākāi** (ৰামেশ্বৰ সেনে মাহিলি দৰমহা পাইছিল এশ টকাকৈ) : Bhuyan, Jogendranarayan : 'Nagāo Iŋraji Skul : Ūnabinśa Sa...kāt', Smṛtigrantha : Nagāo Carkārī Uccatara Mādhyamik Bidyālaya (নগাঁও ইংৰাজী স্কুল : উনবিংশ শতিকাত ', স্মৃতিগ্ৰন্থঃ ন... উচ্চতৰ মাধ্যমিক বিদ্যালয়), a Souvenir in Assamese published on occasion of the 125th year of Nowgong Government Higher Secondary School, Nagaon, 1990, p.15

(b) **'Bānsāhāyya : 15 dinar darmahā diba mantrī-bidhāyake'**(বানসাহায্য : ১৫ দিনৰ দৰমহা দিব মন্ত্ৰী-বিধায়কে) Amar (আমাৰ অসম), Guwahati, July 28,1998, P /1.

word comprising elements from four proper names, viz. Sheppard (represented by 's'), Turpin (represented by 't'), England (represented by 'en') and Gunnhildr (represented by 'gun'). Though we have been able to understand, from the materials available to us, that Major Sheppard, a 20th century English army officer, and Mr. Turpin, a 20th century English civil servant, both belonging to England, were the earliest designers of the kind of fire-arm known as **stengun**, we have not yet been able to discover what particular reasons led to the naming of one of its predecessors, the **gun**, after a Scandinavian woman named Gunnhildr. **Gunne** is supposed by the linguists to be the pet-name of that woman, which was further reduced to **gun** when it became the name of a kind of fire-arm.

The word **badminton**, again, is the name of a feudal estate in England which, in the 19th century, became famous for a kind of wine and a game, both known as badminton. Moreover, a building known as Badminton House, which was built there in 1682, still survives. Though we no longer talk of any kind of wine as badminton,* we still play a kind of game called badminton. The garment known as **genji** (গেঞ্জি) is a corruption of Guernsey, an island in the English Channel, where this particular kind of garment was first made. In **gāhari** (গাহৰি) we have **Hari** who, according to Hindu mythology once appeared in the form of a boar. Etymologically, therefore, a **gāhari** (গাহৰি) is the **gā** (গা) or body of Hari (হৰি). In **mādhmār** (মাধমাৰ), we have none but Mādhava himself whose **mār** (মাৰ) or beating is never expected to be a pleasant experience. This **mādhmār** (মাধমাৰ) may remind one of **rāmtāŋon** (ৰামটাঙোন), which etymologically means a severe beating in the hands of Rāma. The word **pistol** is connected with the word **Pistoia**, a place in Italy, where, in the fourteenth century, this particular kind of weapon was first made. The word **ceni**(চেনি) is, again, a corruption of the word **cīn** (চীন), i.e. China, where, in 620 A.D., sugar was first produced. This sugar became **cīnīya** (চীনীয়) in India and **cirinī** (চিৰিনী) in Persia. Gradually **cīnīya** (চীনীয়) became **cini**(চিনি) in Bengali, Oriya etc.and **ceni**(চেনি) in Assamese, whereas the Persian word **cirinī** (চিৰিনী), after coming to India, yielded words like (Bengali) **sinni/śirni** (সিন্নি/শিরনি), and (Assamese) **cinni** (চিন্নি), both meaning 'the oblation of sweets offered to some divine spirit in the Islamic shrines', and the Bengali dialectal word **sirā /śirā** (সিরা/শিরা) meaning 'sugar-syrup'.

An etymological study of words is never a dull and monotonous affair; it is, on the contrary, a highly ecstatic affair like enjoying beautiful paintings or journeying to places of historical significance. Wilfred Funk observes a stunning resemblance between the origin, development and disappearance of words with those of human beings. He says : "We are apt to think vaguely that words just happened and were always so. We have no sharp feeling that they are born much as babies are born. That they are vibrant with life and are always changing. That they grow up and often, like us, take on the greater responsibilities that go with maturity. And that, by the end of their days, for die they often do, they will frequently have life-histories as long and distinguished as human biographies in a copy of **Who's Who** ." *

□□□□□

* Benjamin Disraeli's novel **Sybil**, first published in 1845, provides us with a sentence with 'badminton' in the sense of wine: :

" 'Nothing can do me good', said Alfred,.....'I should be quite content if anything could do me harm. Waiter. bring me a tumbler of Badminton'."

Disraeli, Benjamin : **Sybil**, Oxford : OUP, 1981,p.2.

* *See* Funk, Wilfred : **Word Origins and Their Romantic Stories**, New York, : Harper and Row, 1988. p.2

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে নিজৰ জাতিৰ কাৰণে প্ৰাণ আহুতি দিয়া বীৰ ছহীদসকললৈ অশ্ৰু সিক্ত প্ৰণাম যাচিছো আৰু ভগৱানৰ ওচৰত তেখেতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো । ১৯৬২ চনৰ ১২ছেপ্তেম্বৰত প্ৰতিষ্ঠিত নগাঁও ছোৱালী কলেজ নগাঁও জিলাৰ স্ত্ৰী উচ্চ-শিক্ষাৰ একমাত্ৰ অনুষ্ঠান । জন্ম মুহূৰ্তৰপৰা বৰ্তমান সময়লৈকে অসমৰ শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নগাঁও ছোৱালী কলেজ মধ্য অসমৰে এটি অন্যতম শিক্ষা অনুষ্ঠান । এই মহান শিক্ষানুষ্ঠানৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাবে ১৯৯৭-৯৮ বৰ্ষৰ কাৰ্য্যকালৰ বাবে মোক নিৰ্বাচিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা আৰু হিয়াভৰা ওলগ যাচিছো । লগতে, মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো।

গতানুগতিক ভাবে মোৰ কাৰ্য্যকালটো আৰম্ভ হয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰীসমূহৰ ওচৰত কৰা শপত গ্ৰহণৰ পিছৰ পৰাই । শপত গ্ৰহণৰ পিছতেই নবেম্বৰৰ ১৭ তাৰিখৰ পৰা ২১ তাৰিখলৈকে মহাবিদ্যালয়-সপ্তাহ সমাৰোহ পতা হয় । এই সপ্তাহ সমাৰোহৰ প্ৰথমদিনা পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীঅপূৰ্ব শৰ্ম্মাদেৱে । বিভিন্ন প্ৰতিযোগিতাৰ লগতে এখনি আকৰ্ষণীয় প্ৰদৰ্শনীও অনুষ্ঠিত হয় । মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ মহোদয়ে । মুখ্য অতিথি হিচাপে ভাষণ দিয়ে অসম চৰকাৰৰ শিক্ষা সচিব ডঃ বীৰেন্দ্ৰ কুমাৰ গোহাঁইদেৱে । বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল শিক্ষাধিকৰ্তা শ্ৰীদিলীপ কুমাৰ চৌধুৰী । ডঃ গোহাঁইদেৱে এটি উদ্দীপক ভাষণৰে ছাত্ৰীসকলক পৰিয়াল, সমাজ আৰু দেশৰ বাবে নিজকে এক শক্তি ৰূপে গঢ়ি তুলিবৰ বাবে নিষ্ঠাৰে অধ্যয়ন আৰু অনুশাসনৰ চৰ্চাত ৰত হবলৈ আহ্বান জনায়।

কলেজ-সপ্তাহ সমাৰোহৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ত ৭ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈকে অনুষ্ঠিত হোৱা 'যুৱ-মহোৎসৱ'ত আমাৰ কলেজৰ পৰা এটা দলে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কলেজলৈ সুনাম কঢ়িয়াই আনে। দলটোৱে বিভিন্ন শিতানত চাৰিটা উল্লেখযোগ্য পুৰস্কাৰ অৰ্জন কৰে ।

অধ্যক্ষ মহোদয় আৰু শিক্ষক-কৰ্মচাৰীসকলৰ নেতৃত্বত আমাৰ ছাত্ৰীসকলে নগাঁও পৌৰ সভাৰ সভাপতি শ্ৰীযুত প্ৰহ্লাদ ৰায় টোডীদেৱক জনোৱা অনুৰোধ অনুসৰি শ্ৰীযুত টোডীদেৱে ব্যক্তিগত ভাৱে অৰ্থব্যয় কৰি কলেজৰ সীমা-দেৱালখন সম্পূৰ্ণ কৰি দিয়ে । ইয়াৰ লগতে বহুবছৰ ধৰি আপডাল নোহোৱাকৈ থকা কলেজৰ পদ্মাৱতী দেৱী ফুকননী হোষ্টেল আৰু ছহীদ ভোগেশ্বৰী ফুকননী হোষ্টেল দুটাৰ সম্পূৰ্ণ মেৰামতি, কলেজত সচল পানী-যোগান ব্যৱস্থা, হোষ্টেল আৰু



কলেজৰ ঘৰ সমূহত ৰং-চূণ আদি দিয়াৰ যোগেদি অধ্যক্ষ মহোদয়ে কলেজৰ সুদৃশ্যকৰণ সম্পূৰ্ণ কৰি তোলাৰ বাবে ছাত্ৰী একতা সভাই সন্তুষ্টি প্ৰকাশ কৰে আৰু কৰ্তৃপক্ষক ধন্যবাদ জনায় ।

অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰীসকলৰ অধ্যয়ন কোঠা কেইটা সম্পূৰ্ণ হৈছে আৰু অনতিপলমে সেইকেইটা ব্যৱহাৰৰ বাবে মুকলি কৰা হব বুলি আমি অধ্যক্ষ মহোদয়ৰপৰা জানিব পাৰিছো ।

আমাৰ দীৰ্ঘদিনৰ দাবী পূৰণ কৰি কলেজত কেন্টিন-গৃহটিৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল যদিও কেন্টিনখন আজিলৈকে আৰম্ভ নহ'ল । কৰ্তৃপক্ষক ধন্যবাদ জনোৱাৰ লগতে কেন্টিনখন শীঘ্ৰে আৰম্ভ কৰিবলৈ আমি অনুৰোধ জনালো ।

মোৰ কাৰ্য্যকালৰ ভিতৰত সৰস্বতী পূজা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথিভাগ উলহ-মালহৰে পতা হয় । তাৰ পাছতেই বিভিন্ন কাৰ্য্যসূচীৰে সপ্তত্ৰিংশৎ প্ৰতিষ্ঠা দিৱসটি ১২।৯।৯৮ তাৰিখে পালন কৰা হয় । প্ৰতিষ্ঠা দিৱস উপলক্ষে "ভাৰতীয় কণিকা চিত্ৰৰ পোহৰত অসমীয়া পুথিচিত্ৰ" বিষয়ক এখনি অতি মনোগ্ৰাহী আলোচনাচক্ৰ অনুষ্ঠিত হয় । বিশিষ্ট শিল্পী সমিৰণ বৰুৱাদেৱে বিষয়টোৰ ওপৰত বক্তৃতা দিয়াৰ উপৰিও তেখেতৰ দ্বাৰা সংগৃহীত প্ৰায় ১৫০খন পুথিচিত্ৰৰ শ্লাইড্ প্ৰদৰ্শন কৰে । ডঃ নৱেন কলিতাদেৱেও বিষয়টিৰ ওপৰত এটি সাৰগৰ্ভ বক্তৃতা দিয়ে ।

লাহে লাহে মোৰ কাৰ্যকাল প্ৰায় সমাপ্ত হৈ আহিল আৰু শেষৰ সময়ছোৱাতে আহি পৰিল পৰম্পৰাগত ভাৱে পালন কৰি অহা উৎসৱ-নৱাগত আদৰণি সভা । সচাঁকৈয়ে এই দিনটো বৰ আনন্দদায়ক । কলেজৰ নতুন-পুৰণি সকলো ছাত্ৰীয়ে একেলগে চিনাকী হোৱাৰ সুযোগ সেইদিনাহি পায় । আমাৰ পুৰণা ছাত্ৰীসকলে নতুনসকলক আদৰণি জনায়, লগতে তেওঁলোকৰ শিক্ষাৰ্থী জীৱন উজ্জ্বল হোৱাৰ কামনা কৰা হয় । এই আদৰণি সভাখন ১৪।৯।৯৮ তাৰিখে পতা হয় । উৎসৱত কলেজৰ পতাকা উত্তোলন কৰে অধ্যক্ষ মহোদয়ে । তাৰপাছতেই আৰম্ভ হয় ন-পুৰণি ছাত্ৰীৰ চিনাকী চ'ৰা অনুষ্ঠান । সেইদিনা অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত বহা মুকলি সভাত ভাষণ দিয়ে সাহিত্য-অকাডেমী বঁটা বিজয়িনী শ্ৰীযুতা নিৰুপমা বৰগোহাঞিয়ে । সভাত শ্ৰীযুতা তোষপ্ৰভা কলিতাই দুটি স্বৰচিত কবিতা পাঠ কৰে । মুকলি সভাৰ অন্তত এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় । এই অনুষ্ঠানত কলেজৰ কেইবাগৰাকীও ছাত্ৰীয়ে গীত পৰিবেশন কৰাৰ লগতে দুগৰাকী নিমন্ত্ৰিত শিল্পীয়েও অনুষ্ঠানত অংশ গ্ৰহণ কৰে । সাংস্কৃতিক অনুষ্ঠানৰ পাছতেই নৱাগত আদৰণি সভাৰ অন্ত পৰে ।

সদৌ শেষত, মোৰ কাৰ্য্যকালৰ ভিতৰত যদি অজানিতে কিবা ভুল কৰিছিলো তাৰবাবে নগাঁও ছোৱালী কলেজৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰী-বান্ধৱীৰ ওচৰত ক্ষমা বিছাৰিছো । মোৰ কাৰ্য্যকালত কৰিব নোৱাৰা কামবোৰ পিছৰ একতা সভাই কৰিব বুলি আশা কৰিলো । শেষত, নগাঁও ছোৱালী কলেজৰ সৰ্বতো প্ৰকাৰে উন্নতি কামনা কৰি পুনৰবাৰ সকলোলৈকে শ্ৰদ্ধা, ভক্তি আৰু মৰম যাচিছো । লগতে, আলোচনী সম্পাদিকা প্ৰমুখ্যে সম্পাদনা সমিতিলৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

**বিভা ৰাণী হীৰা**
সাধাৰণ সম্পাদিকা, ছাত্ৰী একতা সভা
নগাঁও ছোৱালী কলেজ

# তৰ্ক আৰু নাট বিভাগ

১৯৯৭/৯৮ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত যিসকল ছাত্ৰী আৰু বান্ধবীৰ উৎসাহ আৰু প্ৰেৰণাই মোক অনুপ্ৰাণিত কৰিছিল আৰু যোগ্য বুলি ভাবি বিনা প্ৰতিদ্বন্দ্বিতাৰে নাট আৰু তৰ্ক বিভাগৰ সম্পাদিকা হিচাপে যিসকলে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয় তথা তেখেতসকললৈ সেৱা আগবঢ়োৱাৰ কিঞ্চিত সুযোগ দিছিল সেইসকল ছাত্ৰী-বান্ধবীক মই এই প্ৰতিবেদনৰ যোগেদি কৃতজ্ঞতা জনাইছো ।

আমাৰ কাৰ্য্যকালৰ আৰম্ভণিতে 'মহাবিদ্যালয় সপ্তাহ সমাবোহ' অনুষ্ঠিত হয় । উক্ত সমাৰোহত মই তৰ্ক, কুইজ আৰু একাঙ্কিকা নাট প্ৰতিযোগিতা পাতো আৰু এই প্ৰতিযোগিতাসমূহৰ প্ৰতি বিভাগৰে বিজয়ী তথা শ্ৰেষ্ঠ প্ৰতিযোগীসকলক উপযুক্ত পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয় ।

গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ"ৰ একাঙ্কিকা নাট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ "সপ্তাহ সমাৰোহ"ৰ শ্ৰেষ্ঠ নাট্য দলটিয়ে অংশ গ্ৰহণ কৰি ক্ৰমে শ্ৰেষ্ঠা অভিনেত্ৰী, শ্ৰেষ্ঠা সহ-অভিনেত্ৰী আৰু তৃতীয় শ্ৰেষ্ঠ নাট্যদলৰ সম্মান মহাবিদ্যালয়লৈ কঢ়িয়াই আনে । ইয়াৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ শ্ৰেষ্ঠ নাট্যদলৰ অংশগ্ৰহণকাৰী ছাত্ৰীসকললৈ এই প্ৰতিবেদনৰ যোগেদি আন্তৰিক অভিনন্দন জনাইছো।

পূৰ্বৰ দৰে এইবাৰো 'অধ্যাপক' বিনয় চন্দ্ৰ বৰা সোঁৱৰণি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'খনি নবেম্বৰ মাহত অনুষ্ঠিত কৰা হয় । এই প্ৰতিযোগিতাত বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে । এই প্ৰতিযোগিতাখনিত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী বীনা ভূঞা আৰু নীলাক্ষী ভট্টাচাৰ্য্যই ক্ৰমে দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সম্মান লাভ কৰে । তেওঁলোকক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয় । প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ দল হিচাপে আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে "বিনয় চন্দ্ৰ বৰা সোঁৱৰণি চলন্ত শ্বিল্ড' লাভ কৰে । মহাবিদ্যালয়খনিলৈ এইদৰে সুনাম কঢ়িয়াই অনাৰ বাবে উক্ত দলটিক অভিনন্দন জনাইছো ।


মোৰ এবছৰীয়া কাৰ্য্যকালত সু-পৰামৰ্শ তথা উৎসাহ দিয়াৰ বাবে তত্বাবধায়কদ্বয়, অধ্যাপিকা স্বপ্না নেওগ বহিদেউ তথা অধ্যাপক দীপক শৰ্মা চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো।

মোৰ কাৰ্য্যকালত সকলো সময়তে সহায় সহযোগ আগবঢ়োৱাৰ বাবে ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সদস্যা বৃন্দলৈ মোৰ কৃতজ্ঞতা থাকিল ।

সৰ্বশেষত মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু প্ৰিয় ছাত্ৰী-বান্ধৱী সকলোৰে ওচৰত ক্ষমা বিচাৰিছো ।

মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ লগতে তৰ্ক আৰু নাটবিভাগটোৰ ভবিষ্যত উজ্জ্বল কামনাৰে এই প্ৰতিবেদন সামৰিলো ।

জয়তু নগাঁও ছোৱালী মহাবিদ্যালয় !



**জেছমিনাৰা বেগম**
সম্পাদিকা, তৰ্ক আৰু নাট বিভাগ



# ক্ৰীড়া বিভাগ

নগাঁও ছোৱালী মহাবিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ এক অন্যতম ঐতিহ্যমণ্ডিত তীৰ্থস্থান। এনে এখন মহাবিদ্যালয়ৰ ক্ৰীড়া সম্পাদিকাৰ দৰে গুৰুত্বপূৰ্ণ পদটিলৈ যিসকলৰ স্নেহ আৰু শুভাশিস শিৰত লৈ ১৯৯৭-৯৮ বৰ্ষত নিৰ্বাচিত হ'লো আৰু এই গুৰুত্বপূৰ্ণ দায়িত্ব পালনত যিসকল ছাত্ৰী, বান্ধৱী আৰু শুভাকাংক্ষীয়ে প্ৰেৰণা, সক্ৰিয় সহযোগিতা আৰু সত্ পৰামৰ্শ আগবঢ়ালে সেই সকললৈ কৃতজ্ঞতা যাচিছোঁ । উক্ত বৰ্ষৰ এটি শুভ মুহূৰ্ত্তত আমি দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ চৌদিশৰ অভাৱ-অভিযোগ সমূহ পূৰণৰ বাবে কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিবলৈ সক্ষম হওঁ ।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ বিভিন্ন অভাৱ-অভিযোগ সমূহ চমুকৈ আপোনালোকৰ ওচৰত দাঙি ধৰিছো আৰু এই সমূহ দূৰীকৰণৰ প্ৰচেষ্টাৰ প্ৰতি ক্ৰীড়ানুৰাগী ছাত্ৰীৰ সক্ৰিয় সহযোগ কামনা কৰিছো ।

মধ্য অসমৰ এই অন্যতম মহাবিদ্যালয়খনিত আজিও ছাত্ৰী নিবাসত বিশেষ খেলা ধূলাৰ সুবিধা নাই । ভূমিৰ অসুবিধা দূৰ হলেও প্ৰয়োজনীয় পুঁজিৰ অভাৱৰ বাবে বৰ্ত্তমানো ছাত্ৰীনিবাসটিৰ ছাত্ৰীসকলে পঢ়াৰ লগতে খেলাধূলাৰ সুবিধা নাই । আমি কৰ্তৃপক্ষৰ ওচৰত ছাত্ৰী-নিবাসৰ বাবে খেলাধূলাৰ সুবিধা আগবঢ়াবলৈ অনুৰোধ জনালোঁ ।

প্ৰতিবছৰে মহাবিদ্যালয় সপ্তাহ সমাৰোহত ক্ৰীড়া প্ৰেমী ছাত্ৰীৰ সমাগম হলেও আজি কিছু বছৰৰ পৰা মহাবিদ্যালয়খনিৰ ছাত্ৰীসকলৰ ক্ৰীড়াৰ প্ৰতি আগ্ৰহ কমি যোৱা দেখা যায় ।

ক্ৰীড়া সম্পাদিকা হিচাবে মই ক'ব খোজো যে মহাবিদ্যালয়খনিৰ ছাত্ৰীসকলৰ বাবে কিছু খেলৰ সামগ্ৰীৰ প্ৰয়োজন । সুবিধা অনুসৰি খেলৰ সামগ্ৰী সমূহ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে ঠিকমতে যোগান ধৰিব পাৰে আমি সকলো ছাত্ৰী তথা একতা সভাৰ সমূহ সম্পাদিকাই তালৈ চকু ৰখাতো প্ৰয়োজন ।

আমি কাৰ্যভাৰ লোৱাৰ পিছতেই মহাবিদ্যালয়-সপ্তাহ সমাৰোহ পালন কৰা হয় । সেয়েহে ক্ৰীড়া বিভাগত মই সম্পাদিকা হিচাপে বহু দায়িত্ব পালন কৰিব লগা হয় । বিভিন্ন প্ৰতিযোগিতা পাতি বিভিন্ন পুৰস্কাৰেৰে ছাত্ৰীসকলক পুৰস্কৃত কৰা আৰু মানপত্ৰ দিয়া হয় । এই সুযোগতে মই যি সকল ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছিল, সেই সকলক আন্তৰিক অভিনন্দন জনাইছো । তেওঁলোকে যাতে আগলৈ অধিক কৃতকাৰ্য্য হ'ব পাৰে তাৰ কামনা কৰিলো, লগতে পুৰস্কৃত নোহোৱা আন প্ৰতিযোগী সকলোৱে যাতে আগলৈ ভাল ফল পায় তাৰ বাবে শুভেচ্ছা জনালো । চেষ্টাৰ অসাধ্য কোনো বস্তু নাই, এই মনোবল যাৰ আছে, তেওঁ কৃতকাৰ্য্য হ'বই ।

মোক বিভিন্ন দিশত আৰু সময়ত দিহা- পৰামৰ্শ দিয়া অধ্যক্ষ মহোদয় তথা ভাৰপ্ৰাপ্ত অধ্যাপক জয়ধন দাস, অধ্যাপিকা অজন্তা দত্ত বৰদলৈ আৰু অধ্যাপক নিজামুদ্দিন আহমদ দেৱৰ নাম নললে এই লিখনি আধৰুৱা হৈ ৰ'ব । তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ দিয়াৰ বাহিৰে দিবলৈ একোৱেই নাই। মোক সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা সহকাৰী সম্পাদিকা দীপাঞ্জলী বৰালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল । আৰু সকলো দিশতে সহায় কৰা বান্ধৱী আৰু ভতিহঁত বিভাৰাণী হীৰা, দীপা, পাপৰি, ফৰিদা, ৰাবিছা, ৰশ্মি, শান্তনা, মেডোনা (বিকি), ময়ুৰী, মৌচুমী আদিলৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো । মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনাৰে,



**মৌচুমী গোস্বামী**
সম্পাদিকা, ক্ৰীড়া বিভাগ

# সাংস্কৃতিক বিভাগ

প্ৰথমেই নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা সকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ । লগতে যিসকল ছাত্ৰী-বান্ধৱীৰ উৎসাহ-উদ্দীপনাৰ বাবে ১৯৯৭-৯৮ চনৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্বভাৰ পালন কৰিবলৈ পালো তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।

সংস্কৃতিৰ জৰিয়তে প্ৰত্যেক মানুহৰ নিজৰ নিজৰ প্ৰতিভা বিকাশ হোৱা দেখিবলৈ পোৱা যায় । পৃথিৱীৰ প্ৰত্যেকটো জাতিৰে নিজ নিজ সংস্কৃতি থাকে । সংস্কৃতিৰ অবিহনে জাতি পৰিচয়বিহীন ।

মই সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয়ৰ 'কলেজ-সপ্তাহ সমাৰোহ' অনুষ্ঠিত হয় । বিভিন্ন কাৰ্য্য-সূচীৰ লগতে সাংস্কৃতিক বিভাগৰো বিভিন্ন বিষয়ত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল । সেইবোৰ আছিল কবিতা আবৃত্তি, ভেশচন, পৰম্পৰাগত ভাৰতীয় সাজপাৰ প্ৰতিযোগিতা ইত্যাদি । ইয়াৰ লগতে এখন প্ৰদৰ্শনীবো আয়োজন কৰা হৈছিল ।

মহাবিদ্যালয়ৰ সমূহ অধ্যাপক - অধ্যাপিকা আৰু ছাত্ৰী-বান্ধৱীৰ উপস্থিতিত শ্ৰী শ্ৰী সৰস্বতী দেৱীৰ চৰণত অঞ্জলি অৰ্পণ কৰা হয় । ইয়াৰ পিছত শ্ৰী শ্ৰী শঙ্কৰদেৱৰ তিৰোভাব তিথিটিও উলহ - মালহেৰে উদ্‌যাপন কৰা হয় ।

মহাবিদ্যালয়ৰ বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচীত সু-পৰামৰ্শ দি আগবঢ়াই নিয়া বিভাগীয় তত্বাৱধায়ক অধ্যাপক ফইজুৰ ৰহমান আৰু অধ্যাপিকা মঞ্জু লস্কৰ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

মোৰ সকলো কামতে সুচাৰুৰূপে সহায়-সহযোগিতা কৰি অহা মোৰ অতি মৰমৰ বান্ধৱী তথা সহকাৰী সাংস্কৃতিক সম্পাদিকা উষালৈ আৰু লগতে মোৰ বান্ধৱী তৰুলতা, ৰেখা, মালা, লিপিকা, কৃষ্ণা, ভইলিনালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।

জয়তু নগাঁও ছোৱালী কলেজ ।



**জোনালী দেৱী**
সম্পাদিকা, সাংস্কৃতিক বিভাগ



# সমাজ সেৱা বিভাগ

আমাৰ মহাবিদ্যালয়খনৰ সৌ সিদিনাৰ চকুত নপৰা অৱস্থাৰ পৰা আজিৰ সুন্দৰ আৰু চকুতলগা দৃশ্যলৈ ৰূপান্তৰ ঘটোৱা বাবে মই অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু শুভাকাংখী সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰী-বান্ধৱী সকলৰ উৎসাহতে ১৯৯৭-৯৮ চনৰ ছাত্ৰী একতা সভাৰ সমাজসেৱা সম্পাদিকা পদত দায়িত্ব লবলৈ পাই মই নথৈ আনন্দিত । তাৰ বাবে সমূহ ছাত্ৰী-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।

এনেকুৱা গধুৰ দায়িত্বভাৰ মই ইয়াৰ আগেয়ে বহন কৰিবলৈ সুবিধা পোৱা নাছিলো । প্ৰথম দায়িত্ব গ্ৰহণ কৰি বহুত কিবাকিবি কৰাৰ কথা ভাবিছিলো । কিন্তু কাৰ্য্যক্ষেত্ৰত মই সিমান সফল হ'ব নোৱাৰিলো । মই মোৰ দায়িত্ব কেনেদৰে পালন কৰিব পাৰিছো সেইয়া আপোনালোক সকলোৰে বিদিত । তথাপিও মোৰ নিৰ্দিষ্ট দায়িত্বৰ বাহিৰেও আমাৰ মহাবিদ্যালয়খনৰ সকলো ধৰণৰ অনুষ্ঠান-উৎসৱ আদিত মই নিজকে ব্যস্ত-ৰাখিছিলো । সাধাৰণ-সম্পাদিকা আৰু অন্যান্য সম্পাদিকাসকলৰ প্ৰতি নিয়মিতভাৱে সহায়-সহযোগ আগবঢ়াইছিলো । মোৰ কাৰ্য্যকালত দায়িত্ব পালন কৰা অৱস্থাত যদি অজানিতে কিবা ভুল হৈছিল তাৰ বাবে মই সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছো ।

শেষত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অনাগত ভবিষ্যতত সকলো দিশৰে উন্নতি আৰু ছাত্ৰী একতা সভাৰ উজ্জ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।



**বিজুমণি বৰা**
সম্পাদিকা, সমাজ সেৱা বিভাগ ।

## সংগীত বিভাগ

প্ৰতিবেদনৰ বাট চ'ৰাতে মই মোৰ পূজনীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

১৯৯৭-৯৮ শিক্ষাবৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলো মহাবিদ্যালয়ৰ সংগীত সম্পাদিকা হিচাপে । মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

সংগীত সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ প্ৰাক্ মুহূৰ্তত ভগবানৰ ওচৰত এটাই প্ৰাৰ্থনা কৰিছিলো যাতে মই মোৰ ওপৰত ন্যস্ত দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰো । যথাৰীতি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অতি কম দিনৰ ভিতৰতে আহি পৰিছিল আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ "কলেজ সপ্তাহ"। যথেষ্ট প্ৰস্তুতিৰ প্ৰয়োজন আছিল যদিও সময় হাতত কম থকা বাবে সেইখিনি হৈ নুঠিল । তথাপি অদমনীয় হেপাহেৰে সৈতে কৰ্মক্ষেত্ৰত নামি পৰিলো । বোধ হয় অপৰিপক্কতা আৰু প্ৰস্তুতিৰ অভাৱৰ বাবে বাস্তৱক্ষেত্ৰত সন্মুখীন হ'লো নানা ঘাত-প্ৰতিঘাতৰ । এই খিনিতে মই মোৰ তত্বাৱধায়ক অধ্যাপক দিব্যজোতি মহন্ত আৰু অধ্যাপিকা মৰমী গায়নৰ নাম বিশেষ ভাৱে উল্লেখ কৰিব বিচাৰিছো আৰু দুয়ো জনকে মোৰ শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিছো । সদৌ শেষত মোৰ কাৰ্যকালৰ ভিতৰত যদি অজানিতে কিবা ভুল কৰিছিলো তাৰবাবে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো । লগতে মোৰ আধৰুৱা হৈ থকা কামসমূহ পৰৱৰ্তী সম্পাদিকাই সম্পূৰ্ণ কৰিব বুলি আশা কৰিলো ।

জয়তু নগাঁও ছোৱালী কলেজ !



সুনয়না আইদেউ
সম্পাদিকা, সংগীত বিভাগ ।



## ছাত্ৰীৰ জিৰণী কোঠা

প্ৰতিবেদনৰ আৰম্ভণিতে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী-কোঠাৰ সম্পাদিকা পদৰ বাবে মোক নিৰ্বাচন কৰা সমূহ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো ।

ছাত্ৰী জিৰণী-কোঠাৰ সম্পাদিকা হৈ বহু কিবা কৰাৰ প্ৰয়াস কৰিছিলো । কিন্তু কৰিব পাৰিলোনে নাই সেয়া ছাত্ৰীসকলৰ বিচাৰ্য্য । আমাৰ ছাত্ৰী জিৰণী-কোঠাটো যথেষ্ট আহল-বহল কোঠা । কিন্তু কোঠাটোত ডেস্ক-বেঞ্চৰ সংখ্যা ছাত্ৰীৰ অনুপাতে যথেষ্ট নহয় । ইয়াৰ উপৰিও আৰু কিছুমান অভাৱ আছে । কলেজ কৰ্তৃপক্ষই প্ৰতিবছৰে কলেজৰ অভাৱবোৰ দূৰ কৰি অহা আমি দেখিছোঁ । সেয়ে আশা থাকিল ছাত্ৰীসকলৰ অভাৱবোৰো কৰ্তৃপক্ষই দূৰ কৰি ছাত্ৰীসকলক উপকৃত কৰে যেন ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা মোৰ লগতে আমাৰ ছাত্ৰী একতা সভালৈ দিহা-পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু চাৰ-বাইদেউ সকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰাৰ লগতে মোৰ প্ৰতি সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বান্ধৱীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু নগাঁও ছোৱালী কলেজ !



মন্দাকিনী ৰাজখোৱা
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

# আলোচনী বিভাগ



আবম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজ্য শিক্ষা গুৰুসকল, কৰ্মচাৰীবৃন্দ, ছাত্ৰী-বান্ধবী, বাইদেউ আৰু ভনিটি সকলোলৈকে যথ াক্ৰমে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম নিবেদন কৰিছো ।

১৯৯৭-৯৮ চনৰ মহাবিদ্যালয়ৰ নিৰ্বাচনত আলোচনী সম্পাদিকাৰ পদৰ বাবে যিসকল ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰিলে তেখেত সকলৰ ওচৰত মই চিৰ-কৃতজ্ঞ হৈ ৰ'লো ।

ছাত্ৰী একতা সভাৰ এই গুৰুভাৰ লোৱাৰ পাঁছতেই মনে মনে স্থিৰ কৰিছিলো যে গতানুগতিকতাৰ পৰা কিছু ফালৰি কাটি আমাৰ মুখপত্ৰখনিক এক নতুন আকাৰ আৰু আয়তন দিবলৈ চেষ্টা কৰিম । কিন্তু কাৰ্য্যক্ষেত্ৰত আহি পৰিল অপ্ৰত্যাশিত অসুবিধা । সেয়ে মোৰ কল্পনাৰ আলোচনীখনক বাস্তৱত ৰূপ দিয়াত মই হয়তো অপাৰগ হৈয়ে ৰ'লো । এতিয়া অনুভৱ কৰিছো মোৰ মনৰ আৰু বুদ্ধিৰ অপৰিপক্কতা । তথাপি নিজকে এই বছৰটোৰ বিভিন্ন কৰ্মৰাজিৰ মাজত নিয়োজিত কৰি এক অনাবিল আনন্দ অনুভৱ কৰিলো ।

এই বছৰৰ মহাবিদ্যালয় সপ্তাহটো সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত আমি যি ধৰণে প্ৰস্তুতি তথা আশাৰে আগবাঢ়িছিলো সম্ভৱ সেই ধৰণে সাফল্য লাভ কৰিব নোৱাৰিলো। বিশেষকৈ, গল্প, কবিতা, প্ৰৱন্ধ আদিৰ সাহিত্য প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা আছিল একেবাৰে নিম্নতম । তথাপিও যিসকল প্ৰতিযোগীয়ে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালো ।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু অন্যান্য যি সকললোকে নিজৰ বহুমূলীয়া সময় খৰচ কৰি নানান দিশত সু-পৰামৰ্শ আৰু উৎসাহ দি মোক কাৰ্য্যক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায় কৰিলে তেখেত সকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো ।

এইখিনিতে মোৰ কাৰ্য্যকালত বাৰে বাৰে হোৱা বিভিন্ন ভুল, আলোচনীখনৰ তত্ত্বাবধায়িকা মুনি কাকতি বাইদেৱে যি ধৈৰ্য্য আৰু আন্তৰিকতাৰে আঙুলিয়াই দিছিল তাৰবাবে মই বাইদেউৰ ওচৰতো চিৰকৃতজ্ঞ ।

ইয়াৰ উপৰিও অন্যান্য দিশত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদিকা ধনমণি বাইদেউ, টুটু বাইদেউ, দিব্যজ্যোতি, মনি, বিভা, দীপা, জোনালী, বিজু, সুনয়না, উষা, ৰেখা, মানসী, ৰুমা, মৌচুমী, জেছমিনাৰা, মিতাবুল আৰু ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ ধন্যবাদ আগবঢ়ালো । লগতে বান্ধৱী জোন আৰু অঞ্জুলৈও আন্তৰিক ধন্যবাদ থাকিল । বিভিন্ন সৰু-ডাঙৰ সমস্যা আৰু কিছু তিক্ত অভিজ্ঞতাৰ সন্মুখীন হৈ আলোচনীখন প্ৰকাশ কৰিব লগা হোৱাত



কিমান দূৰ প্ৰকৃততে সফল হলো সেয়া আপোনালোকৰ বিচাৰ্য্য ।

আশা ৰাখিছো, মোৰ পৰৱৰ্তী সম্পাদিকাই নিজ প্ৰচেষ্টা আৰু সকলোৰে সহায়-সহযোগিতাৰে আলোচনীখনৰ মানদণ্ড উন্নত কৰি তুলিব ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অনিচ্ছাকৃত ভাবে হোৱা ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমা খুজিছো ।

জ্ঞানৰ জ্যোতিৰে আলোকিত হওক
মহাবিদ্যালয়ৰ বিশাল আকাশ,
সুস্থ, সবল নৈতিকতা আৰু ঐক্যৰ
মনোভাৱেৰে উদ্বুদ্ধ হওক মহাবিদ্যালয়ৰ ছাত্ৰী সমাজ ।

জয়তু নগাঁও ছোৱালী কলেজ !

নীলাক্ষি শইকীয়া
আলোচনী সম্পাদিকা ।

## বিভাগীয় তত্ত্বাৱধায়ক অধ্যাপক-অধ্যাপিকা ঃ

| | | |
|---|---|---|
| সংগীত ঃ | অধ্যাপক দিব্যজ্যোতি মহন্ত, | অধ্যাপিকা মৰমী গায়ন |
| সংস্কৃতি ঃ | অধ্যাপক ফাইজুৰ ৰহমান, | অধ্যাপিকা মঞ্জু লস্কৰ |
| আলোচনী ঃ | অধ্যাপিকা মুনি কাকতি, | অধ্যাপক জয়ন্ত শৰ্মা |
| ক্ৰীড়া ঃ | অধ্যাপক জয়ধন দাস, অধ্যাপক নিজামুদ্দিন আহমেদ | অধ্যাপিকা অজন্তা দত্ত বৰদলৈ |
| সমাজ সেৱা ঃ | অধ্যাপক টংকেশ্বৰ বৰা, | অধ্যাপক ৰাজেন দেৱনাথ |
| তৰ্ক আৰু নাট ঃ | অধ্যাপিকা স্বপ্না নেওগ, | অধ্যাপক দীপক শৰ্মা |
| ছাত্ৰী সাহায্য পুঁজি ঃ | অধ্যাপক প্ৰদীপ মোহন দুৱৰা, | অধ্যাপক বিমান কুমাৰ ভট্ট |
| ছাত্ৰী জিৱণী কোঠা ঃ | অধ্যাপিকা ৰীতা কলিতা, | অধ্যাপিকা কল্পনা ভট্টাচাৰ্য্য |

## নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভা

### কাৰ্য্যকৰী সমিতি, ১৯৯৭-৯৮ চন

| | |
|---|---|
| সভাপতি ঃ | অধ্যক্ষ অপূৰ্ব শৰ্মা |
| উপ-সভানেত্ৰী ঃ | সাগৰিকা শৰ্মা, স্নাতক দ্বিতীয় বৰ্ষ |
| সাধাৰণ সম্পাদিকা ঃ | বিভাৰানী হীৰা, স্নাতক প্ৰথম বৰ্ষ |
| সহকাৰী সাধাৰণ সম্পাদিকা ঃ | দীপা গোঁহাই, স্নাতক প্ৰথম বৰ্ষ |
| সঙ্গীত সম্পাদিকা ঃ | সুনয়না আইদেউ, স্নাতক দ্বিতীয় বৰ্ষ |
| সাংস্কৃতিক সম্পাদিকা ঃ | জোনালী দেৱী, স্নাতক প্ৰথম বৰ্ষ |
| সহকাৰী সাংস্কৃতিক সম্পাদিকা ঃ | উষা দেৱী, স্নাতক প্ৰথম বৰ্ষ |
| আলোচনী সম্পাদিকা ঃ | নীলাক্ষি শইকীয়া, স্নাতক প্ৰথম বৰ্ষ |
| ক্ৰীড়া সম্পাদিকা ঃ | মৌচুমী গোস্বামী, স্নাতক প্ৰথম বৰ্ষ |
| সহকাৰী ক্ৰীড়া সম্পাদিকা ঃ | দীপাঞ্জলি বৰা, স্নাতক দ্বিতীয় বৰ্ষ |
| সমাজ সেৱা সম্পাদিকা ঃ | বিজুমণি বৰা, স্নাতক প্ৰথম বৰ্ষ |
| ছাত্ৰী সাহায্য পুঁজি সম্পাদিকা ঃ | মিফটাবুন চুলতানা, স্নাতক দ্বিতীয় বৰ্ষ |
| ছাত্ৰী জিৱণী কোঠা সম্পাদিকা ঃ | মন্দাকিনী ৰাজখোৱা, স্নাতক প্ৰথম বৰ্ষ |
| তৰ্ক আৰু নাট সম্পাদিকা ঃ | জেচমিনআৰা বেগম, স্নাতক দ্বিতীয় বৰ্ষ |
| শ্ৰেণী প্ৰতিনিধি ঃ | প্ৰাঞ্জলী হাজৰিকা, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ<br>অঞ্জুমণি বৰা, স্নাতক প্ৰথম বৰ্ষ |

নগাঁও ছোৱালী কলেজ ঃ নগাঁও

